
উত্তৰ-পূৰ্বাঞ্চলৰ, বিশেষকৈ অসমৰ প্ৰধান জনগোষ্ঠীসমূহৰ ভিতৰত মিচিং জনগোষ্ঠী অন্যতম। মিচিংসকলৰ উৎসৱসমূহৰ ভিতৰত আলি-আঃয়ে-লৃগাং, পঃৰাগ উৎসৱ আৰু দবুৰ পূজা বিশেষভাৱে উল্লেখযোগ্য। 'দবুৰ পূজা'ক লোক-উৎসৱ বুলি ধৰা হয় যদিও ই বিশেষভাৱে পূজা-পাৰ্বণৰ লগতহে জড়িত। একেদৰে মিচিং সমাজত প্ৰাচীন কালৰেপৰা প্ৰচলিত হৈ থকা আৰু ভালেমান উৎসৱ-পাৰ্বণকো লোক-উৎসৱ হিচাপে ধৰা হয়, যদিও বিস্তৃতি, পৰিসৰ, পটভূমি আৰু জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি আলি-আঃয়ে-লৃগাং, পঃৰাগ উৎসৱ আৰু দবুৰ পূজাক মিচিং সমাজৰ প্ৰধান লোক-উৎসৱ আখ্যা দিয়া হয়।

অসমৰ সমগ্ৰ মিচিং সমাজে অতি উৎসাহ-উদ্দীপনাৰে প্ৰতি বছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰ দিনটোত আলি-আঃয়ে-লৃগাং উৎসৱটো পালন কৰি আহিছে। এই উৎসৱটি উদ্‌যাপনৰ পৰা মিচিংসকল যে কৃষি-কৰ্মৰ লগত আদিৰে পৰা ওতঃপ্ৰোতঃভাৱে জড়িত আছিল তাক সহজে ধাৰণা কৰিব পাৰি। সেয়ে, আলি-আঃয়ে-লৃগাং উৎসৱটিক মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত কৃষিভিত্তিক লোক-উৎসৱ বোলা হয়।

আলি-আঃয়ে-লৃগাং উৎসটি কৃষি কৰ্মৰ সৈতে বিশেষভাৱে জড়িত। আলি-আঃয়ে-লৃগাঙৰ প্ৰধান উদ্দেশ্য হ'ল ভূমিৰ উৰ্বৰতা বৃদ্ধি আৰু পৃথিৱীক শস্য শ্যামলা কৰি তুলিবৰ বাবে পৰমেশ্বৰৰ প্ৰতি জনোৱা প্ৰাৰ্থনা। বসন্ত ঋতুৰ আগমনত গোটেই পৃথিৱীতে এক সজীৱতাই দেখা দিয়ে। সেই কাৰণে এই উৎসৱটি ফাগুন মাহৰ প্ৰথম বুধবাৰত পালন কৰি অহা হৈছে। বুধবাৰৰ দিনটোক মিচিংসকলে পৱিত্ৰ বা মংগলময় দিন হিচাপে বিশ্বাস কৰি আহিছে।

আলি-আঃয়ে-লৃগাঙৰ শব্দগত অৰ্থ ব্যাখ্যা কৰিলে এনেধৰণৰ হয়- 'আলি' মানে-- মাটিৰ তলত হোৱা আলু জাতীয় ফচল বা বীজ - যেনে- আলু, কাঠ আলু, মিঠা আলু; 'আঃয়ে' মানে-- গছৰ গুটি বা ফল আৰু 'লৃগাং' মানে-- সিঁচিবলৈ বা ৰুবলৈ আৰম্ভ কৰা কাৰ্য; অৰ্থাৎ, এই উৎসৱটি বীজ সিঁচা বা ৰোপন কাৰ্যৰ আৰম্ভণিৰ দিন বা উৎসৱ। আলি-আঃয়ে-লৃগাং উৎসৱটি চমুকৈ 'লৃগাং' বুলিও পৰিচিত; অৰ্থাৎ- শস্য সিঁচাৰ প্ৰথম দিন। তদুপৰি, আলি-আঃয়ে-লৃগাং উৎসৱটিক 'আলি-লৃগাং' বা 'আলি-আঃয়ে' বুলিও জনা যায়।

দৰাচলতে, আলি-আঃয়ে-লৃগাঙত আহু ধানৰ বীজ সিঁচি খেতিৰ কাম আৰম্ভ কৰা হয়। আহু ধানৰ উপৰিও তাকেঃ (আদা), এঙে (কচু), তাপা (কোমোৰা), মৃৰ্চি (জলকীয়া), আলিঃ (কাঠ আলু) ইত্যাদি শস্যৰ গুটি ৰোৱা আৰম্ভ কৰা হয়।

আলি-আঃয়ে-লৃগাঙৰ দিনা পুৱাৰ ভাগত শস্য সিঁচিবৰ বাবে মাটি ডৰাৰ পূব কোণত মাটিডোখৰ পিঃৰ' (মেগেলা) গছেৰে চাৰিসীমা বান্ধি সীমাটো নিৰ্ধাৰণ কৰা হয়। মাটিডোখৰ কোৰ মাৰি জাবৰ-জোঁথৰ আঁতৰাই মাটিবোৰ গুড়ি কৰি সাজু কৰি ৰাখে। 'লৃগ্‌গদ' বা বীজ সিঁচাৰ মাংগলিক কাম কৰিবৰ কাৰণে ঘৰৰ গৃহিণীয়ে যতনাই দিয়া সামগ্ৰীখিনি লৈ পথাৰৰ সেই নিৰ্দ্দিষ্ট ঠাইত পৰম্পৰাগত ৰীতি-নীতিৰে আহুধানৰ বীজ সিঁচিবলৈ আৰম্ভ কৰে। ইয়াকে 'লৃগ্‌গদ' বোলে।

তাৰপিছত চন্দ্ৰ, সূৰ্য, বতাহ, বৰষুণ, বিজুলী, ঢেৰেকণি, আইমাতৃ, লক্ষ্মীদেৱী তথা পূৰ্বপুৰুষসকলক ভক্তি ভাৱেৰে স্মৰণ কৰে। অতীজতে এই কামটো মিবু(পুৰোহিত)ৰ পৰিচালনাতহে সম্পন্ন কৰা হৈছিল যদিও বৰ্তমানে মিবুৰ অভাৱত ঘৰৰ মুখীয়ালজনে প্ৰতীকী অৰ্থত মিবুৰ সাজ-পাৰ পৰিধান কৰি এই কাম সম্পন্ন কৰে। পথাৰত শুভ-কামটো সম্পন্ন কৰাৰ পিছত মুখীয়ালজনে ঘৰলৈ আহি হাত-মুখ ধুই জুহালৰ চাৰি চুকত আপং (মদ) এবাতি ঢালি পূৰ্ব-পুৰুষসকলক স্মৰণ কৰে আৰু তেওঁলোকৰ পৰা ঘৰখনৰ কুশল-মংগলাৰ্থে আশীৰ্বাদ বিচাৰে। কঠিয়া সিঁচা বা ৰোপন কৰা সময়ত গৃহস্থই চেংদি-মেংল'(উপৰি-পুৰুষ) আৰু দংঞিং-পংল'(চন্দ্ৰ-সূৰ্য)ক সাক্ষী কৰি এনে ধৰণে প্ৰাৰ্থনা কৰে--

'বসুমতী আইৰ বুকুত বছৰটোৰ কাৰণে আজিয়ে প্ৰথম শস্য সিঁচিছোঁ। ধৰিত্ৰী আইৰ বুকুত থাকি সেই শস্য যাতে নষ্ট নহয় আৰু সেই শস্য মাৰি-মৰক, পোক-পৰুৱা, জীৱ-জন্তু আৰু প্ৰাকৃতিক দুৰ্যোগত যাতে অনিষ্ট নহয় তাৰ কাৰণে আই বসুমতী, তোমাক প্ৰাৰ্থনা জনাইছোঁ।'

আশীৰ্বাদ বিচাৰি এনেদৰেও প্ৰাৰ্থনা কৰে--

'চেংদি-মেংল' আৰু 'পূৰ্ব-পুৰুষ'সকল, তোমালোকক আৰাধনা কৰিছোঁ শস্যৰ দুখ-আপদ, বাধা-বিঘিনিবোৰ তোমালোকে আঁতৰ কৰিবাঁ, গুৰু-ভকতক খুৱাবলৈ শস্য শ্যামলা কৰিবাঁ, খুজনীয়া-মগনীয়াক দান দিবলৈ শস্য নদন-বদন হ'বলৈ আশীৰ্বাদ দিবাঁ।'

মৃত আত্মা আৰু পূৰ্ব-পুৰুষসকলকো ধান-শস্যবোৰ ৰখি থাকিবৰ বাবে গৃহস্থই প্ৰাৰ্থনা জনায়। বংশ বা পৰিয়ালৰ সাতপুৰুষৰ নাম সভক্তিৰে স্মৰণ কৰি আশীৰ্বাদ কামনা কৰে। 'লৃগ্‌গদ' বা বীজ সিঁচাৰ দিনৰ পৰা কোনো কোনো ঠাইত পাঁচ দিনলৈ পথাৰত হাল নাবায়; কিয়নো, সেইখিনি সময়ত ধৰিত্ৰী মাতৃৰ গেনা(অশুচি) লাগি থাকে বুলি মিচিংসকলে বিশ্বাস কৰে।

লৃগ্‌গদ বা মাংগলিক কাৰ্য সমাপন কৰি গৃহস্থই ঘৰলৈ ঘূৰি আহে আৰু ভোজ-ভাত আৰু আপং(পৰম্পৰাগত পানীয়) আদি খাদ্য সামগ্ৰীৰে আপ্যায়ন পৰ্ব আৰম্ভ কৰা হয়। সেই দিনা প্ৰতি ঘৰতে পুৰাং আপিন(তৰাপাতত বৰা চাউল বান্ধি সিজোৱা ভাত), পঃৰ' আপং(ছাই মদ), নামচিং(শুকুৰা মাছ) আৰু মাংসৰে ভোজ খোৱা হয়। কোনেও কাকো নিমন্ত্ৰণ কৰাৰ

প্ৰয়োজনবোধ নকৰে। সকলোৱে একত্ৰ হৈ হিংসা-বিদ্বেষ পাহৰি সেইদিনা প্ৰত্যেকে প্ৰত্যেকৰ ঘৰলৈ গৈ লৃগাং খোৱা হয়। ল'ৰা-ছোৱালীবোৰে ঘৰে ঘৰে গৈ পুৰাং আৰু পৰম্পৰাগত ফল-মূল প্ৰতিঘৰলৈ গৈ খাই ফুৰে। বয়সস্থ লোকসকলেও গাঁৱৰ ইঘৰ-সিঘৰলৈ গৈ আপং খাই দিনটো অতিবাহিত কৰে।

বীজ ৰোপন কাৰ্যৰ পৰা আৰম্ভ কৰি আলহী-অতিথি শুশ্ৰূষা কৰালৈকে খাদ্যৰ উপকৰণসমূহৰ ভিতৰত 'ঙচান অঙী' (শুকান মাছ) আৰু 'দৃন্‌চান্' (শুকান মাংস)ৰ ব্যৱহাৰ মন কৰিবলগীয়া আৰু ই মিচিংসকলৰ এক এৰাব নোৱৰা পৰম্পৰাগত ৰীতি-নীতি।

লৃগাঙৰ দিনা দুপৰীয়া ঘৰতে 'উৰম আপিন'(প্ৰেতাত্মালৈ আগ কৰা জলপিণ্ড) দিয়া কাম ঘৰৰ মুখীয়ালজনে কৰে। উৰম আপিনৰ অৰ্থ হৈছে- উৰম মানে দেও বা প্ৰেতাত্মা আৰু আপিন মানে ভাত। সৰু সৰুকৈ পাতত আৰু বাতিত পঃৰ আপং ঢালি প্ৰেতাত্মা বা উপৰিপুৰুষসকলৰ নামত দিয়া হয় বা উৎসৰ্গা কৰা হয়। তাৰ পিছতে আনসকলে খোৱা-বোৱা কৰে। এই কৰ্মভাগিও আৰম্ভ কৰে এক বিশেষ প্ৰক্ৰিয়াৰে। গাম বা গাঁৱৰ মুৰব্বীজনে 'লৌনং বাৰ্বাং'(এবিধ থালৰ আকৃতিৰ বাদ্য যন্ত্ৰ) বজাই খোৱা কাৰ্য আৰম্ভ নকৰালৈকে কোনেও ভোজন নকৰে। এই বাদ্যবিধ বজোৱাৰ পিছতহে ভোজন কাৰ্য আৰম্ভ কৰে। জাতি, বৰ্ণ, ধৰ্ম, বয়স, লিঙ্গভেদে সকলোৱে এই উৎসৱৰ আলহী শুশ্ৰূষাত অংশ গ্ৰহণ কৰিব পাৰে।

সন্ধিয়াৰ পৰা আৰম্ভ হয় 'গুম্‌ৰাগ্ চঃমান' বা 'লৃগাং চঃমান' অৰ্থাৎ, গীত-নৃত্যৰ বৰ্ণাঢ্য কাৰ্যসূচী। গুম্‌ৰাগ্ চঃমান মানেই ঢোল, তাল, নৃত্য আৰু অই নিঃতমৰ অপূৰ্ব সংমিশ্ৰণ। ডেকা গাভৰুৱে একেলগে মিলি প্ৰতিঘৰতে গুম্‌ৰাগ্ গোৱাটো এক পৰম্পৰাগত নিয়ম। সেইদৰে গৃহস্থইয়ো ৰাইজৰ পৰা আশীৰ্বাদ বিচাৰে।

গুম্‌ৰাগ্ চঃমান(বিহু-নৃত্য)ৰ আন এটা উদ্দেশ্যও আছে। এই উদ্দেশ্যটো হ'ল, আই বসুমতী অৰ্থাৎ ধৰিত্ৰীক জাগৃত কৰা। গুম্‌ৰাগ্ নাচত বুঢ়া-বুঢ়ী, ল'ৰা-ছোৱালী, ডেকা-গাভৰু সকলোৱে অংশগ্ৰহণ কৰিব পাৰে।

আলি-আঃয়ে-লৃগাঙত ভালেমান নৃত্যশৈলী আৰু ঢোলৰ চেও পৰিৱেশন কৰা হয়। প্ৰতিটো নৃত্যশৈলী আৰু ঢোলৰ চেৱেই স্বকীয় আৰু বিশেষত্বপূৰ্ণ। লৃগাঙত পৰিৱেশন কৰা এটা অতি জনপ্ৰিয় গীত হ'ল-

'গুম্‌ৰাগ্, গুম্‌ৰাগ্,
কেক'নলক গুম্‌ৰাগ্,
কেকন্‌চৌচিন গুম্‌ৰাগ্
গুম্‌ৰাগ্ ৰাগ্।'[৩]

অৰ্থাৎ, গুম্‌ৰাগ্, গুম্‌ৰাগ্, ইপাৰতো গুম্‌ৰাগ্, সিপাৰতো গুম্‌ৰাগ্, চৌদিশে গুম্‌ৰাগ্, গুম্‌ৰাগেই গুম্‌ৰাগ্। ইয়াৰ তাৎপৰ্য এইটোৱে যে, আলি-আঃয়ে-লৃগাং অহাৰ লগে লগে চৌদিশ গুম্‌ৰাগ্ ধ্বনিৰে প্ৰতিধ্বনিত হৈছে।

লৃগাঙত অই নিঃতম পৰিৱেশন কৰি ডেকা-গাভৰুৱে মনৰ ৰং-আনন্দ এনেদৰে প্ৰকাশ কৰে-

'অইন অকল দুংকানী অইন অকল দাক্কানী,
চীক্কী ৰীনাম কাৰীদ অইবৃ কীচৃক চুকানী।'[৪]

(অ' মোৰ চেনাই, তুমি ক'ত থাকিলা, কাৰ হেন্দালি(লাও-জিকাই বগোৰা জেং বা হেন্দালি)ৰ তলত (মৰমৰ আবুৰত) থাকি মুখ লুকুৱাইছা।)

আলি-আঃয়ে-লৃগাঙৰ গীত-মাতবোৰ অন্যান্য উৎসৱ বা বিহুৰ গীত-মাত বা নৃত্যতকৈ বেলেগ। লৃগাং চঃমান মিচিং সমাজৰ কলা-সংস্কৃতিৰ প্ৰকৃত উৎপত্তিস্থল। লৃগাঙত পৰিৱেশিত গীত, নৃত্য, ঢোলৰ ছেও ইত্যাদি আটাইবিলাকৰে বিশেষত্ব আছে, স্বকীয়তা আছে আৰু আছে তাৎপৰ্য। বিশেষকৈ পৰম্পৰাগত মিচিং সমাজৰ 'কৃষ্টি'(দৃব্বৃ)হে ইয়াত পৰিৱেশিত কৰা হয়।

লৃগাঙত গোৱা গীত, নৃত্য আৰু ঢোলৰ ছেও অন্য উৎসৱৰ গীত, নৃত্য আৰু ঢোলৰ ছেওৰ লগত নিমিলে। এইখিনিতে উল্লেখ কৰিব পাৰি যে, লৃগাঙৰ গীত আৰু নৃত্য, জীৱ চিকাৰ কৰা ভংগীমা, মাছ মৰা, ধেনু-কাঁড়েৰে পহু মৰা নৃত্য, জন্তু গা ধোওৱা নৃত্য, তাঁত বোৱা দৃশ্য, খেতি ডৰাৰ জাবৰ গুছোৱাৰ পৰা আৰম্ভ কৰি ধান ৰোৱা দৃশ্যবোৰ লৃগাং নৃত্যত প্ৰদৰ্শন কৰা হয়। আলি-আঃয়ে-লৃগাং নৃত্যত ডেকা-গাভৰু আটায়ে অংশগ্ৰহণ কৰিব পাৰে।

লৃগাং উৎসৱৰ পঞ্চম দিনা 'চাগ্লেন'। ইয়াৰ অৰ্থ হ'ল গেনা ভঙা কাৰ্য। শেষত ঘৰৰ মুখীয়ালসকলে আপং, পুৰাং আদি আগবঢ়াই শেষ হোৱাৰ জাননী পূৰ্ব-পুৰুষসকলক দিয়ে। ইয়াৰ পাছত গাঁৱৰ সকলোৱে কৃষি-কৰ্ম তথা জীৱিকাৰ বিভিন্ন কৰ্মত উদ্যমেৰে আত্মনিয়োগ কৰে।

পঃৰাগৰ দৰেই লৃগাঙত নৃত্য-গীতৰ সমাহাৰ ঘটে। ঢোল-পেঁপাৰ ছেৱে ছেৱে ডেকা-গাভৰুৱে হালি-জালি নাচে, ঘৰে ঘৰে বিহু মাৰে। নৃত্য-গীতেই প্ৰধান হোৱা হেতুকে লৃগাঙে সামগ্ৰিকভাৱে ন-ন গীত ৰচনাৰ পৰিৱেশ সৃষ্টি কৰে। মিচিং সমাজৰ প্ৰাচীন লোকগীতসমূহৰ ভিতৰত লৃগাং, বৃঃবৃগ আৰু লংলে অন্যতম। এই গীতসমূহ লৃগাঙক কেন্দ্ৰ কৰিয়ে ৰচিত। দৰাচলতে গীতসমূহ লৃগাঙত পৰিবেশন কৰিবৰ বাবেই চহা কবিয়ে সময়ে সময়ে ৰচনা কৰি আহিছে। এই গীতবোৰ লৃগাঙতে পৰিবেশন কৰা হয়। সেইয়ে, লৃগাঙৰ সময়ছোৱাক মিচিং গীত-মাত-পদ ৰচনাৰ সাৰুৱা সময় বুলিও ক'ব পৰা যায়।

## ৩.০ উপসংহাৰঃ

আলি-আঃয়ে-লৃগাং মিচিংসকলৰ পৰম্পৰাগত কৃষিভিত্তিক লোক-উৎসৱ। ই মিচিং সমাজৰ যথাৰ্থই বৰ্ণাঢ্য আৰু বৈচিত্ৰ্যপূৰ্ণ লোক-উৎসৱ। সেইয়ে, মিচিং জন-জীৱনৰ লগত এই উৎসৱৰ সম্পৰ্ক অতি নিবিড় আৰু এৰাব নোৱৰা । আলি-আঃয়ে-লৃগাং মিচিংসকলৰ একক পৰিচয়; কাৰণ এই উৎসৱক কেন্দ্ৰ কৰিয়ে গঢ়ি উঠিছে বৰ্ণাঢ্য মিচিং লোক-জীৱন, বৈচিত্ৰ্যপূৰ্ণ

সমাজ আৰু স্বৰ্ণিল ইতিহাস। আলি-আঃয়ে-ল্বৃগাঙক বাদ দি মিচিং জনগোষ্ঠীৰ পৰিচয় আধৰুৱা আৰু অসমাপ্ত। এই উৎসৱে মিচিং সমাজ-সংস্কৃতিক অকৃত্ৰিম আৰু স্বকীয় ৰূপত আজিও ধৰি ৰাখিবলৈ সক্ষম হৈছে। সেয়ে, আলি-আঃয়ে-ল্বৃগাং মিচিং জাতীয় জীৱনৰ প্ৰাণস্পন্দন স্বৰূপ।

## ৪.০ পাদটীকা ঃ

১. Richard M. Dorson,
   'Introduction', Folklore and Folklife : An Introduction,
   Richard M. Dorson, ed., P. 2

২. নবীন চন্দ্ৰ শৰ্মা, লোক সংস্কৃতি, পৃ. ১৮

৩. তথ্যদাতা ঃ কনক মিলি, বয়স- ২০ বছৰ, ঠিকনা- আলিমূৰ গাঁও, দিখৌমুখ, জিলা- শিৱসাগৰ, তথ্য সংগ্ৰহকাল- ১৬-০৪-২০২১

৪. উল্লিখিত

# অসমীয়া লোকভাষা ঃ পৰম্পৰা আৰু পৰিবৰ্তন

**পদ্মকুমাৰী গগৈ**
**সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ,**
**সোণাৰি মহাবিদ্যালয়**

## ১.০ অৱতৰণিকা ঃ

**১.১** লোকমনৰ, লোকজীৱনৰ ভাব প্ৰকাশৰ মাধ্যম হ'ল লোকভাষা (Folk Speech)। লোক মন আদিম মন; তথ্য আৰু যুক্তিতকৈ বিশ্বাস আৰু আচাৰ নীতিৰ ওপৰতহে লোকজীৱন অধিক নিৰ্ভৰশীল। লোকভাষাৰ মাধ্যমত লোকসাহিত্য ৰচিত হয়। অঞ্চলভেদে, সমষ্টিগত জীৱনভেদে মানুহৰ কথ্যভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বিশেষত্ব ফুটি উঠে। শব্দপ্ৰয়োগৰ ক্ষেত্ৰতো এনে বিশিষ্ট পৰিচয়ৰ পৃথকতা পৰিলক্ষিত হয়। লোকভাষা কওঁতাজনৰ দখলত থকা শব্দৰাজিৰ পৰিসীমাৰ মাজত এনে কিছুমান শব্দ থাকে যিবোৰ লিখাৰ প্ৰসংগত ব্যৱহাৰ কৰা নহয়; অথবা আনুষ্ঠানিক পৰিস্থিতিত প্ৰায়েই প্ৰয়োগ নহয়। এই শব্দৰাজিৰ মাজত অনেক নিষিদ্ধ শব্দও আছে। লোকভাষাৰ এনে বিশিষ্টতাই একো একোটা অঞ্চল নাইবা একো একোটা সমষ্টিৰ লোকজীৱনৰ বাকভঙ্গীৰ পৰিচয় বহন কৰে, লগতে সংশ্লিষ্ট লোকজীৱনৰ মানসিক বিশিষ্টতাৰ পৰিচয়ো বহন কৰে। লোকভাষা যিহেতু সাধাৰণ মানুহৰ স্বতঃস্ফোৰ্ত বচনভঙ্গী, সেয়ে ইয়াৰ কোনো ব্যাকৰণ নাই। অসমীয়া সমাজত প্ৰচলিত প্ৰবাদ- প্ৰবচন, ফকৰা যোজনা, জতুৱা খণ্ডবাক্য, গালি-শপনিত ব্যৱহাৰ কৰা ভাষা, বিয়া-সবাহ আদিত কৰা মুখৰোচক চুপতা-চুপতি আদিৰ মাজত লোকভাষাৰ ৰূপ পৰিলক্ষিত হয়। তদুপৰি লোকভাষাৰ ক্ষেত্ৰত বৃত্তিগত বিশিষ্টতা তথা প্ৰকৃতি নিৰ্ভৰ বিশিষ্টতাও ফুটি উঠা দেখা যায়।

লোকভাষা লোকসংস্কৃতি তথা সমাজভাষাবিজ্ঞানৰ অন্তৰ্গত বিষয়। ইয়াৰ অধ্যয়নৰ জৰিয়তে একোখন সমাজৰ সাংস্কৃতিক দিশবোৰৰ উমান পাব পাৰি। ১৯৬৪ চনত কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ সমাজ ভাষাবিজ্ঞান সম্পৰ্কীয় এখন আলোচনা সত্ৰত হেনৰী মেক্চ হেনিগশ্বোৱাল্ড (Henry Max Hoenigswald)নামৰ এজন আলোচকে 'A proposal for the study of folk linguistics' নামৰ এখন গৱেষণা পত্ৰৰ জৰিয়তে পোনপ্ৰথমবাৰৰ বাবে লোকভাষাবৈজ্ঞানিক অনুসন্ধানৰ এক প্ৰস্তাৱ দাঙি ধৰিছিল। বৰ্তমান পাশ্চাত্য দেশত এই সম্পৰ্কে কিছু চিন্তাচৰ্চা হৈছে কিন্তু অসমত এই বিষয়ে বিশেষ চিন্তাচৰ্চা হোৱা নাই।

ব্যৱহাৰগত ভেদ(Register), প্ৰসংগ,পৰিৱেশ পৰিস্থিতি অনুযায়ী কৰা ভাষাৰ প্ৰয়োগ আদিৰ বাবে ভাষাবিজ্ঞানীসকলে ভাষাৰ তিনিটা স্তৰৰ কথা উল্লেখ কৰিছে [১]-

১. সাধু বা কৰ্ষিত ভাষা(Cultivated speech)

২. সাধাৰণ ভাষা(Common speech)

৩. লোকভাষা (Folk speech)

কৰ্ষিত ভাষা হ'ল উচ্চ বৃত্তিধাৰী, উচ্চ মধ্যবৃত্ত লোকে ব্যৱহাৰ কৰা পৰিশীলিত বা পৰিমাৰ্জিত ভাষা। কম শিক্ষিত নিম্ন মধ্যবৃত্ত লোকৰ ভাষাক সাধাৰণ ভাষা বোলা হৈছে। লোকভাষা হৈছে বিচ্ছিন্ন জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা ভাষা বিশেষৰ ক্ৰমক্ষয়িষ্ণু ৰূপ। এই দৃষ্টিৰে নাগৰিক জীৱনৰ পৰা আঁতৰৰ, সাধু বা শিষ্ট ভাষাৰূপৰপৰা নিলগৰ এক অমাৰ্জিত গ্ৰাম্য ভাষাৰূপকে লোকভাষা বুলিব পাৰি।

কোনো আলোচকে লোকভাষাক উপভাষাৰ সৈতে একাকাৰ কৰিব খুজিলেও কিন্তু ই কোনো বিশেষ অঞ্চলৰ উপভাষা নহয়। ই নাগৰিক লক্ষণবিহীন(পৰিশীলিত বা পৰিমাৰ্জিত নহয়) ভাষা। একোটা ভাষা সম্প্ৰদায়ৰ মাজত থকা স্বতন্ত্ৰ লক্ষণবিশিষ্ট কথ্য ৰূপবোৰকেই লোকভাষা বুলিব পাৰি।

সাধাৰণতে মান্যভাষাৰ লিখিত ব্যাকৰণ থাকে। তেনেদৰে অলিখিত হ'লেও উপভাষাৰো ব্যাকৰণ থাকে। কিন্তু লোকভাষা কোনো প্ৰচলিত ব্যাকৰণৰ গণ্ডীত আবদ্ধ নহয়। এই ভাষাত ব্যাকৰণ বিৰুদ্ধ প্ৰয়োগহে পৰিলক্ষিত হয়। মান্যভাষাৰ শব্দৰ ৰূপ আৰু অৰ্থ লোকভাষাত সলনি হৈ ব্যঞ্জিত অৰ্থত ব্যৱহাৰ হোৱা দেখা যায়। ভাষা এটাত প্ৰয়োগ হৈ থকা ফকৰা যোজনা, প্ৰবাদ প্ৰবচন, লোকনিৰুক্তি আদি বচন ভঙ্গীত লোকভাষাৰ স্বৰূপ নিহিত হৈ থাকে।

## ২.০ পৰম্পৰা ঃ

গতিশীল সময়ে সমাজ ব্যৱস্থালৈ পৰিবৰ্তন আনে। পৰিবৰ্তিত সমাজ ব্যৱস্থাই মানুহৰ জীৱন ধাৰণৰ ওপৰত বিশেষ প্ৰভাৱ পেলায়। বিশেষতঃ সমাজৰ পৰিবৰ্তনৰ লগে লগে ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত পৰিবৰ্তনে দেখা দিয়ে। অসমীয়া লোকভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত অসমীয়া সমাজৰ পৰিবৰ্তনেও বিশেষ প্ৰভাৱ পেলাইছে। লোকভাষা মূলত মৌখিকভাৱে প্ৰ ৱাহিত হ'লেও কবি সাহিত্যিকসকলে তাৰ সাৰ্থক প্ৰয়োগ কৰি আহিছে। কিয়নো সৃষ্টিশীল সাহিত্যত বাস্তৱ সমাজ প্ৰতিফলিত হয়। লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা প্ৰভৃতি সাহিত্যিকৰ নাটকৰ সাধাৰণ চৰিত্ৰসমূহৰ মুখত লোকভাষাৰ প্ৰচুৰ প্ৰয়োগ কৰা দেখা যায়। বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসতো লোকভাষাৰ প্ৰচুৰ উপাদান পোৱাযায়। তদুপৰি নৱকান্ত বৰুৱা, নীলমণি ফুকন(কনিষ্ঠ), হীৰেন ভট্টাচাৰ্য, নিৰ্মল প্ৰভা বৰদলৈ আদি কবিৰ ৰচনাতো লোকভাষাৰ প্ৰয়োগ পৰিলক্ষিত হয়।প্ৰণৱ জ্যোতি ডেকা(বৈহতা,বেওৱাৰিচ লাচ), সৌৰভ কুমাৰ চলিহা(লাখটকীয়া) আদি লেখকৰ গল্পতো লোকভাষাৰ প্ৰয়োগ কৰা দেখা গৈছে।

লোকভাষাৰ বৈশিষ্ট্যৰাজিক ভাষাবৈজ্ঞানিক দৃষ্টিৰে এনেদৰে আলোচনা কৰিব পাৰি -

**২.১ ধ্বনিগত দিশ**

**২.২ ৰূপগত দিশ**

**২.৩ শব্দগত দিশ**

**২.৪ বাক্যগত দিশ**

**২.৫ লোকসমাজৰ বিভিন্ন বাকভঙ্গী**

**২.৬ লোকসমাজত প্ৰচলিত বিভিন্ন গালি শপনি**

**২.৭ লোকসমাজত প্ৰচলিত প্ৰবাদ বাক্য**

**২.৮ লোকসমাজত প্ৰচলিত বিভিন্ন বিদেশী শব্দৰ জতুৰাকৰণ**

## ২.১ ধ্বনিগত দিশ ঃ

অসমীয়া লোকসমাজত প্ৰচলিত লোকভাষাৰ লগত মান্যৰূপৰ ধ্বনিগত দিশত কিছু পাৰ্থক্য পৰিলক্ষিত হয়।

উদাহৰণস্বৰূপে, ক) 'আ' ৰ সলনি 'অ'ৰ ব্যৱহাৰ, কেতিয়াবা 'এ' ৰ ব্যৱহাৰ -

পতাল(পাতাল) (টেটোন তামুলি, পৃষ্ঠা- ২৮)

এধা (আধা)(গাঁওবুঢ়া,পৃষ্ঠা - ২৭৫)খ) 'ও' ৰ সলনি 'উ'ৰ ব্যৱহাৰ -

বুপাই ( বোপাই)(গাঁওবুঢ়া,পৃষ্ঠা - ২৬৮)(জয়মতী,পৃষ্ঠা - ৬২)

গ) মধ্যৱৰ্ত্তী 'এ' আৰু 'ই' স্বৰধ্বনিৰ লোপ

এই কিটা( কেইটা)(গাঁওবুঢ়া,পৃষ্ঠা - ২৭১)

চাউল কেটা( কেইটা) (গাঁওবুঢ়া,পৃষ্ঠা - ২৮০)

ঘ)'ৰ'ৰ ঠাইত 'ল'ৰ ব্যৱহাৰ, কেতিয়াবা 'ৰ' ধ্বনিৰ লোপ -

শৰীল(শৰীৰ), (গাঁওবুঢ়া,পৃষ্ঠা - ২৫৬)

চাইটামান(চাৰিটামান)(গাঁওবুঢ়া,পৃষ্ঠা - ২৭১)

ঙ)'এ'ৰ সলনি 'অ' ৰ প্ৰয়োগ -

অখন্তক(এখন্তেক) (গাঁওবুঢ়া,পৃষ্ঠা - ২৭১)

খপিয়াই (খেপিয়াই)( টেটোন তামুলি, পৃষ্ঠা- ৩৯)

চ) যুক্তাক্ষৰৰ প্ৰয়োগ কম

অইনাই(অন্যায়), শকতি(শক্তি) (জয়মতী)

ছ) লোকভাষীয়ে নিজা অসমীয়া শব্দসমূহৰ উচ্চাৰণৰ সৰলীকৃত ৰূপহে ব্যৱহাৰ কৰে। ফলত অক্ষৰ লোপ,বৰ্ণ বিপৰ্যয়, অপিনিহিতি আদিৰ প্ৰয়োগ যথেষ্ট পৰিলক্ষিত হয়। যেনে -

খুইছা(খুজিছা),ভাইগ(ভাগ্য), পুইণ (পুণ্য) - (টেটোন তামুলি)

সজ (সহজ),তুতি(স্তুতি),ৰুকুণী(ৰুক্মিণী) - ( বুঢ়ী আইৰ সাধু)

## ২.২ ৰূপগত বিশেষত্ব ঃ

ভাষাৰ মান্যৰূপৰ লগত লোকভাষাৰ ৰূপগত দিশত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে,

১) হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্ত্তন' নাটকত -

ক) কিনা - হয় আই, আছে যদি ছালি **এখান** দিয়ক, **মুখখান** গুছিল আৰু।..
(পৃষ্ঠা - ৩১)

খ) বৃকো - অ' আমাৰ ডেকা বৰুৱাদেও, **আহোক**, **বহোকহি**, দেউতা। (পৃষ্ঠা - ৩২)

ইয়াত এখন> এখান আৰু মুখখন> মুখখান হৈছে। অৰ্থাৎ নিৰ্দিষ্টবাচক প্ৰত্যয় 'খন'ৰ পৰিবৰ্ত্তে 'খান' হৈছে। তদুপৰি 'আহ' আৰু 'বহ' ধাতুৰূপৰ লগত 'অক' প্ৰত্যয়ৰ সলনি 'ওক' প্ৰত্যয় প্ৰয়োগ হৈছে।

২) লোকভাষাত পুংলিঙ্গবাচক শব্দত স্ত্ৰী-বাচক প্ৰত্যয় সংযোগ কৰি লিংগ পৰিবৰ্ত্তন কৰা দেখা যায়। যেনে -

ল'ৰাটো> ল'ৰাজনী / ল'আজনী / ল'ৰাজনী (ছোৱালী)

## ৬.১.৩ শব্দগত বিশেষত্ব ঃ

অসমীয়া লোকসমাজত প্ৰচলিত অনেক শব্দ যেনে- সংখ্যাবাচক শব্দ, নামবাচক শব্দ, সম্বোধনবাচক শব্দ, অনুৰূপ শব্দ আদি মান্যভাষাৰ লগত পাৰ্থক্য পৰিলক্ষিত হয়। উদাহৰণ -

**সংখ্যাবাচক শব্দ** ঃচাইটা(চাৰিটা),এবেলি (এইবেলি) (গাঁওবুঢ়া,পৃষ্ঠা -২৭১.২৬৯)

**নামবাচক শব্দ** ঃ ৰুকুণী, কাঁচনী,গঙাই, পানেশৈ (বুঢ়ী আইৰ সাধু); ধনাই,মনাই (টেটোন তামুলী)
নিতাই, নালীয়া (সাধনী)

**সম্বোধনবাচক শব্দ** ঃ ককাই, বাই , কাইটি, আই হেৰেই (বুঢ়ী আইৰ সাধু);
কাইটি,শাহুটি (টেটোন তামুলী), দৌতা, ককাইটি (গাঁওবুঢ়া)

**অনুৰূপ শব্দ** ঃ চতৰ-বতৰ, ডেওদোপাল, হায়ঔবিউ, মেনেমেনে, টাং বাং,
আতৌপুতৌ,টেমাক-টেমাক্‌কৈ, শুকাই- উবাই, চুৰ তাৰি, টেকেলা বেঙেনা,
টিকচি বিকচি আদি। (বুঢ়ী আইৰ সাধু,গাঁওবুঢ়া)

## ২.৪ বাক্যগত বিশেষত্ব ঃ

অসমীয়া ভাষাৰ (মান্য ৰূপৰ) বাক্যগঠনৰ ক্ষেত্ৰত দেখা যায় পুৰুষ অনুযায়ী ক্ৰিয়া ৰূপৰ বিভক্তি বেলেগ বেলেগ। কিন্তু কেতিয়াবা এইবোৰৰ প্ৰয়োগত বিশেষকৈ লোকভাষাত

পাৰ্থক্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে -

মান্য অসমীয়াৰ দ্বিতীয় পুৰুষৰ অতি মান্যাৰ্থৰ 'আপুনি' সৰ্বনামৰ লগত প্ৰয়োগ হোৱা ক্ৰিয়াপদৰ প্ৰয়োগ লোকভাষাত সুকীয়া। যেনে-

পেজান - (আগচি ধৰি) ক'তা, **<u>আপুনি</u>** পইচা **<u>নিদিলাচোন</u>**? ( (গাঁওবুঢ়া, পৃষ্ঠা-২৭১)

ইয়াত 'আপুনি' সৰ্বনামৰ ক্ৰিয়াপদ হ'ব লাগিছিল - 'নিদিলেচোন' কিন্তু ইয়াৰ পৰিবৰ্তে দ্বিতীয় পুৰুষৰ মান্যাৰ্থৰ 'তুমি' সৰ্বনামৰ ক্ৰিয়াপদহে যোগ হৈছে।

সমাজভাষাবিজ্ঞানৰ অধ্যয়নত ভাষাৰ এনে লোকৰূপক Hypercorrection বা অতিশুদ্ধিকৰণ বুলি কৈছে। সাধাৰণতে দেখা যায়, এজন ব্যক্তিয়ে কোনো ভাষাৰ ব্যৱহাৰ ব্যাকৰণগতভাৱে ভুলকৈ কৰিলে,সেয়া ভুল বুলি উপলব্ধি কৰি তেওঁ শুদ্ধ কৰিবলৈ প্ৰয়াস কৰে। কিন্তু কেতিয়াবা দেখা যায় ভাষাৰ ব্যাকৰণগত নিয়ম নাজানি শুদ্ধ কৰিছোঁ বুলি পুনৰ ভুলকৈ প্ৰয়োগ কৰে। ভাষাৰ এনে প্ৰয়োগকে 'অতিশুদ্ধিকৰণ'বুলি কোৱা হয়। অৰ্থাৎ স্বাভাৱিকভাৱে সিদ্ধ হোৱা ব্যাকৰণিক ৰূপটোকে ভুল বুলি ভাবি আৰু শুদ্ধ কৰিবলৈ গৈ অশুদ্ধিটোৱেই 'অতিশুদ্ধিকৰণ'। [২]

## ২.৫ লোকসমাজৰ বিভিন্ন বাকভঙ্গী ঃ

লোকভাষাৰ কথনভঙ্গীৰ সুৰত কথকৰ মনৰ ভাৱ স্পষ্টৰূপত প্ৰকাশ পায়। উপমা, উদাহৰণেৰে বক্তাই সেইভাষা ফুটাই তোলে। উদাহৰণস্বৰূপে -

ক) ভোগাই - এ, ছাঁতে বহি **<u>অখন্তক</u>** জিৰাই **<u>উৰাহটো</u>** লৈছোঁ বোপাই ! ৰাম ৰাম ৰাম ৰাম (জয়মতী, পৃষ্ঠা - ৬১)

খ) নদাই - ইঃ **ধৰমীটো নেদেসিছাঁ**? ই নমৰে, **<u>ভাৰস্তৰ নিকাৰমসা সাই</u>** ইয়াতে থাকিব। (জয়মতী, পৃষ্ঠা - ৬২)

গ) বান্দীয়ে হাতযোৰকৈ ক'লে, "দেউতা, **<u>বেটীক মাৰকেই বা কাটকেই নকে নোৱাৰোঁ, আই দেউতাৰ ল'ৰা পাবৰ</u>** হৈছিল দেখি মই **<u>বেজিনী</u>**ক মাতি লৰি গৈছিলোঁ। ( বুঢ়ী আইৰ সাধু, পৃষ্ঠা - ৮৩)

### ২.৬ লোকসমাজত প্ৰচলিত বিভিন্ন গালি শপনি ঃ

লোকসমাজত প্ৰচলিত বিভিন্ন গালি শপনিৰ মাজত লোকভাষাৰ পৰিচয় পোৱা যায় । যেনে-

ক) ধনাই ঃ (জাঁপ মাৰি উঠি) **<u>ঔ কটা, লাপুং</u> !** ইমানটো আকৌ বোলে ইহে ভাল, মইহে বেয়া, হেৰ, **<u>গঁতাত মূৰ নৌ ছিঙোতেই</u>** গুচি যা..। (টেটোন তামুলী, পৃষ্ঠা - ৩৪)

খ) গেদগেদীয়ে গৰৈক জোকোৱা মাৰি উত্তৰ দিলে, - "**<u>বন্দী টভংমৰা</u>**; **<u>পোৱালী খোৱা</u>**, নেখাওঁ যা। ( বুঢ়ী আইৰ সাধু, পৃষ্ঠা - ৭২)

গ) কি অ' এইজনী <u>**গোঁৱাৰ গোবিন্দ শাঁখিনী**</u> তেজা ।(জীৱনৰ বাটত, পৃষ্ঠা- ৭২)

ঘ) "**পৈয়েৰৰ মূৰখাতী**, তোৰ আকৌ উভহা উত্তৰখন কিয় ? (জীৱনৰ বাটত, পৃষ্ঠা- ৭৪)

## ২.৭ লোকসমাজত প্ৰচলিত প্ৰবাদ বাক্য ঃ

অসমীয়া লোকসমাজত প্ৰচলিত প্ৰবাদ পটন্তৰবিলাকৰ মাজত লোকভাষাৰ প্ৰয়োগ পৰিলক্ষিত হয়। যেনে -

ক) চাপৰিলে মেঘ নেৰায় ।(গাঁওবুঢ়া, পৃষ্ঠা - ২৭৬)

খ) সাতপুৰুষ গ'ল উদৰ কেঁচা মাছ খাওঁতে এতিয়া তাক লাগে ভজা, খড়িকাত দিয়া আৰু পাতত দিয়া (সাধনী, পৃষ্ঠা - ১৪)

গ ) মানুহে কথাতে কয়, "কাউৰী টেঙৰ মাউৰী টেঙৰ' (বুঢ়ী আইৰ সাধু,পৃষ্ঠা - ৩২)

## ২.৮ লোকসমাজত প্ৰচলিত বিভিন্ন বিদেশী শব্দৰ জতুৱাকৰণ[৩] ঃ

বিদেশী ভাষাৰ কিছুমান শব্দ লোকভাষীৰ মুখত নতুন ৰূপ লৈ নিজা ভাষাৰ দৰে ব্যৱহাৰ কৰা হয়। কেতিয়াবা নিজ ভাষাৰ প্ৰত্যয়, সমাৰ্থক শব্দ যোগ কৰি শব্দটো একেবাৰে জতুৱা বা ঘৰুৱা ৰূপ দিয়া হয়। উদাহৰণ -

Godown > গোদাম, Report > ৰেপট, Mobile > মবিল, Train > তেন Charger > চাজাৰ ইত্যাদি ।

**নিজা প্ৰত্যয়ৰ সংযোগত সৃষ্ট শব্দ** যেনে - Master + অনী = মাষ্টৰণী , doctor + অনী = ডাক্তৰণী

**সমাৰ্থক শব্দৰ সংযোগত সৃষ্ট শব্দ** যেনে - Bus + গাড়ী= বাছগাড়ী , Pocket + গৰম = পকেট গৰম

## ৩.০ পৰিবৰ্তন ঃ

সমাজৰ দ্ৰুত পৰিবৰ্তনৰ লগে লগে ভাষাটোলৈও পৰিবৰ্তন আহিছে। বৰ্তমান সময়ত তথ্য আৰু প্ৰযুক্তি বিদ্যাই সমগ্ৰ পৃথিৱীখনক এখন গাঁৱত পৰিণত কৰিছে। ইণ্টাৰনেটৰ জৰিয়তে সমগ্ৰ পৃথিৱীৰ খবৰ আমি মুহূৰ্ততে ল'ব পাৰোঁ। ফেচবুক, ৱাট্‌চ এপ, টুইটাৰ, ই-মেইলৰ জড়িয়তে পৃথিৱীৰ যিকোনো স্থানৰ ব্যক্তিৰ লগত আমি যোগাযোগ কৰিব পাৰোঁ। বৰ্তমান সময়ত সমগ্ৰ পৃথিবীখনতে দখল কৰা ইংৰাজী ভাষাৰ যথেষ্ট প্ৰভাৱ অসমীয়া ভাষাত পৰিছে। সমাজৰ পৰিবৰ্তনে অসমীয়া ভাষালৈ পৰিবৰ্তন অনাৰ লগে লগে অসমীয়া লোকভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰতো পৰিবৰ্তন পৰিলক্ষিত হৈছে। অতি সাম্প্ৰতিক কালত বিশেষকৈ যুৱ প্ৰজন্মৰ মুখত শুনিবলৈ পোৱা -

**বিণ্ডাছ, ঝকাচ, কামোৰ, ব'ৰ, বেল, হেড অফিচ/টেমা (মূৰ), চিয়ান, চেনী, ফাল্টু, জেং, গেহেৰা, চেটেপ, চামচা, লেবেল দিয়া, মাথা মাৰ, কমচে কম, গুলি মাৰ, বে, আবে, মস্তি কৰ, ফাই-ফাই, ফাটাফাটি, আসাম টেক্টৰ(গাহৰি মাংস), বৈদ্য, বেজাই (বৰ বেছি)** আদি নতুনকৈ সৃষ্টি হোৱা লোকভাষাৰ উদাহৰণ।

**বৃত্তিগতভাৱেও কিছুমান লোকভাষাৰ সৃষ্টি হৈছে।** যেনে - পোৱালি( হেন্দিমেন), যাব দিয়া / যা যা, জল্‌দি ইত্যাদি যাত্ৰীবাহী বাছৰ ক্ষেত্ৰত ব্যৱহাৰ কৰে। গাড়ী মটৰৰ বিভিন্ন 'পাৰ্টচ'ৰ নামো তেওঁলোকে নিজা ধৰণেৰে উচ্চাৰণ কৰে। যেনে - চকেট জাবাৰ (Shock absorber), পামচাৰ(puncture) ইত্যাদি।

**লোকভাষাত লোক বুৎপত্তি বা লোক নিৰুক্তি** (Folk etymology) **ৰ দ্বাৰা সৃষ্ট কিছুমান শব্দ পোৱা যায়।** তেনে শব্দ 'মূলত কিবা আছিল ; কিন্তু সাদৃশ্যতাজনিত কাৰণত নিজৰ চিনাকি শব্দৰে অৰ্থ দিবলৈ বৃথা যত্ন কৰা দেখা যায়। যেনে - Arm chair ক বাহুযুক্ত চকীৰ পৰিবৰ্ত্তে আৰামী চকী বোলা[৪] হয়।

**অতি সাম্প্ৰতিকত বিভক্তিহীনতা অসমীয়া লোকভাষাৰে এক লক্ষণ।** যেনে -

শিৱসাগৰ যাওঁ, ঘৰত যাওঁ, দেউতা ঘৰত আছেনে?

(শিৱসাগৰলৈ যাওঁ, ঘৰলৈ যাওঁ, দেউতাৰা ঘৰত আছেনে?)

**অতি সাম্প্ৰতিক কালৰ ছাত্ৰ ছাত্ৰীসকলৰ কথোপকথনত দুইধৰণৰ ভাষাৰূপ দেখা যায়** - অসমীয়া মাধ্যমত পঢ়া ছাত্ৰ ছাত্ৰীসকলৰ মুখৰ খাটি অসমীয়া ভাষা আৰু ইংৰাজী মাধ্যমৰ বিশেষকৈ -Conventত পঢ়া ছাত্ৰ ছাত্ৰীসকলৰ মুখৰ অসমীয়া ভাষা । Convent-ত পঢ়া ছাত্ৰ ছাত্ৰীসকলৰ মুখত অসমীয়া ভাষাৰ শব্দৰ উচ্চাৰণ স্বাভাৱিকতে এনে শুনা যায় - মায়ে খয় (মায়ে কয়), বেছি খৰে (বেছি কৰে) ,ওৱানটা, ফাইভটা, থাৰ্টীটা ইত্যাদি।

তদুপৰি ইংৰাজী আৰু হিন্দী ভাষাৰ প্ৰভাৱত অসমীয়া ভাষাৰ বাক্যত ব্যৱহাৰ কৰা সদৰ্থক 'হয়' ৰূপৰ প্ৰয়োগ পৰিলক্ষিত হয়। যেনে -

তেওঁ মোৰ ভাইটি হয় । (He is my brother / ৱহ মেৰা ভাই হ্যয়।)

ভাষাৰ এনে লোক ৰূপক অতিশুদ্ধিকৰণৰ আওতাত অন্তৰ্ভূক্ত কৰিব পাৰি।

## ৪.০ উপসংহাৰ ঃ

"অসমীয়া লোকভাষা ঃ পৰম্পৰা আৰু পৰিবৰ্তন" শীৰ্ষক অধ্যয়নৰ যোগেদি সামগ্ৰিকভাৱে তলৰ সিদ্ধান্তকেইটাত উপনীত হ'ব পাৰি -

**১. লোকভাষা জীৱন্ত, কৃত্ৰিমতাবিহীন,স্বাভাৱিক ভাষা।**

**২. লোকভাষা কোনো প্ৰচলিত ব্যাকৰণৰ সীমাৰেখাত আবদ্ধ নহয়।**

**৩. লোকভাষাৰ মাজত অঞ্চলভেদে, সমষ্টিগত জীৱনভেদে মানুহৰ কথ্য ভাষাৰ**

**ধ্বনিগত, ৰূপগত, শব্দগত বিশেষত্ব ফুটি উঠে।**

**৪. ইয়াৰ অধ্যয়নৰ জৰিয়তে একোখন সমাজৰ সাংস্কৃতিক দিশবোৰৰো উমান পাব পাৰি।**

**৫. লোকভাষাৰ মাজতহে অসমীয়া ভাষাৰ প্ৰকৃত স্বৰূপ প্ৰকাশিত হয়। অৱশ্যে পৰিবৰ্তিত লোকভাষাই অসমীয়া ভাষাৰ প্ৰকৃত স্ব ৰূপ দাঙি ধৰিব নোৱাৰে।**

পৰিশেষতক'ব পাৰি যে একো একোটা ভাষাৰ স্বাভাৱিক তথা প্ৰকৃত সৌন্দৰ্য লোকমুখৰ ভাষাৰ মাজতহে জীয়াই থাকে। অৱশ্যে লোকভাষাৰ তথ্য আহৰণৰ ক্ষেত্ৰত বিশেষ সাৱধানতা গ্ৰহণ কৰা প্ৰয়োজন। কিয়নো পৰিবৰ্তনশীল সমাজে ভাষাক নিয়ন্ত্ৰণ কৰে। পৰিবৰ্তিত সমাজৰ কৃত্ৰিমতাই ভাষাক আৱৰি ধৰিলে লোকভাষাই কৃত্ৰিমতাৰ বুকুত স্বকীয়ত্ব হেৰুওৱাৰ সম্ভাৱনা প্ৰৱল। সেয়ে লোকভাষা সম্পৰ্কীয় তথ্য আহৰণ তথা বিশ্লেষণৰ ক্ষেত্ৰত বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ জ্ঞান অতিকে প্ৰয়োজন।

## প্ৰসংগ টীকা ঃ

১. W.Edson Richmond, *Folklore and Folklife*, Ed. R.M.Dorson, p- 148
২.উপেন ৰাভা হাকাচাম, *লোকভাষাৰ প্ৰকৃতি বিচাৰ*, পৃষ্ঠা - ১০২
৩. *উল্লিখিত* , পৃষ্ঠা - ১১
৪. *উল্লিখিত,* পৃষ্ঠা - ৪

## প্ৰসংগ পুথি ঃ (অসমীয়া)


১. কোঁৱৰ, অৰ্পণা শৰ্মা, অনুৰাধা(সম্পা.),২০০৮ ঃ **ভাষাবিজ্ঞান পাৰিভাষিক কোষ,** অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

২. গোহাঞি বৰুৱা, পদ্মনাথ ,২০০৮ ঃ **টেটোন তামুলি,** এম. এল পাব্লিকেচন, গুৱাহাটী, প্ৰথম প্ৰকাশ।

৩.গোহাঞি বৰুৱা, পদ্মনাথ ,২০০৮ ঃ **গোহাঞি বৰুৱা ৰচনাৱলী,** গুৱাহাটী, চতুৰ্থ প্ৰকাশ।

৪. বৰুৱা,বিৰিঞ্চি কুমাৰ ,১৯৯৭ ঃ **জীৱনৰ বাটত,** বীণা লাইব্ৰেৰী, গুৱাহাটী।

৫. বেজবৰুৱা, লক্ষ্মীনাথ,২০০৫ ঃ **বুঢ়ীআইৰ সাধু,** বীণা লাইব্ৰেৰী, গুৱাহাটী।

৬. শৰ্মা, নবীন চন্দ্ৰ,২০১০ ঃ **অসমীয়া লোকসংস্কৃতিৰ আভাস,** বাণী প্ৰকাশ,গুৱাহাটী।

**প্ৰবন্ধ ঃ লোকভাষা আৰু অসমীয়া লোকভাষা,** ঊনত্ৰিশ সংখ্যক পৰিশীলন পাঠ্যক্ৰম, মানৱ সম্পদ উন্নয়ন কেন্দ্ৰ,গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰদান কৰা বক্তৃতা, খগেশ সেন ডেকা।

# পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতৰ সুৰ

**ড° অনিল শইকীয়া**
**অৱসৰপ্ৰাপ্ত অধ্যক্ষ, মৰাণ মহাবিদ্যালয়**

### ১.০ অৱতৰণিকাঃ

পাৰ্বতিপ্ৰসাদ বৰুৱা অসমীয়া সংগীতৰ ক্ষেত্ৰত গীতিকবি নামে জনাজাত। তেওঁ সহস্ৰ গীত ৰচনা কৰাৰ লগতে সুৰ আৰোপিত কৰি গৈছে। নিজে কণ্ঠ দান কৰি অসমীয়া গীতি-সাহিত্যক তেওঁ সমৃদ্ধ কৰি গৈছে।

### ২.০ অধ্যয়ন পদ্ধতিঃ

পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতৰ সুৰ সন্ধানেই  এই গৱেষণা পত্ৰিকাৰ মূল উদ্দেশ্য। এই আলোচনাত ব্যাখ্যামূলক অধ্যয়ন পদ্ধতি ব্যৱহাৰ কৰা হৈছে। গীতিকবিয়ে বিভিন্ন গীতত ব্যৱহাৰ কৰা সুৰ সম্পৰ্কে অধ্যয়নতে অধ্যয়নৰ পৰিসৰ সীমাৱদ্ধ থাকিব।

### ৩.০ বিষয়বস্তুৰ আলোচনাঃ

পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতৰ সুৰৰ সুঘ্ৰাণ লোৱাৰ প্ৰাকক্ষণত গীতৰ সুৰ সন্দৰ্ভত মনলৈ অহা অনুভৱসমূহ হ'ল- গীতৰ সুৰ বিমূৰ্ত, অনিৰ্বচনীয়, এক অনুভৱ, যেন ফুলৰ এক সুঘ্ৰাণ। যাক কেৱল হৃদয়েৰে অনুভৱহে কৰিব পাৰি ।শব্দ-বাক্যৰে গীতৰ সাহিত্যিক সৌন্দৰ্য মূল্যাংকন বা বিশ্লেষণ কৰিব পাৰিলেও,গীতৰ সুৰৰ সিমান সহজে ব্যাখ্যা কৰিব নোৱাৰি। গীতৰ শব্দসমূহ মগজুৰে গ্ৰহণ কৰি পাঠোদ্ধাৰ কৰে। কিন্তু গীতৰ সুৰ মগজুৰে গ্ৰহণ কৰে। গীতৰ সুৰে, শব্দসমূহক এনে এক মহত্ব প্ৰদান কৰে যে তাৰ তুলনাত কেতিয়াবা শব্দৰ অৰ্থ গৌণ হৈ পৰে আৰু কেতিয়াবা গীতৰ সুৰে শব্দএটিক এনে মহত্ব প্ৰদান কৰে যে ইয়াৰ গুণগুণনিয়ে মগজুত স্থায়িত্ব লাভ কৰে। গীতৰ সুৰৰ ব্যঞ্জনাৰ আলোকত গীত এটিয়ে প্ৰেৰণ কৰা বতৰা বা গীতিকাৰৰ মনৰ খবৰ সহস্ৰগুণে সপ্ৰতিভ হৈ উঠে। গীতৰ সুৰে আন্দোলিত কৰে শ্ৰোতাৰ অনুভৱৰ আকাশ। গীতৰ সুৰে শব্দক মূৰ্ত কৰে। গীতৰ প্ৰাণ প্ৰতিষ্ঠা কৰে। শব্দবোৰ কেতিয়াবা ঢৌ হয়। কেতিয়াবা বজ্ৰৰ দৰে টান হয়। শব্দবোৰ আয়তনযুক্ত হয়। কেতিয়াবা শব্দৰ ওজন বাঢ়ে। কেতিয়াবা মিহি সূতা এডালৰ দৰে অকোঁৱা-পকোৱা হয়। সকলো মিলি শব্দসমূহে শ্ৰৱণেন্দ্ৰীয়ত সুকোমল অথবা ব্যঞ্জনাময় স্বগতোক্তিৰ সৃষ্টি কৰে। সুৰৰ মায়াত শব্দবোৰ ছন্দোময় হয়।শব্দৰ ছন্দৰ আধাৰত আৱদ্ধ বাদ্যসমূহ

ছন্দিত হয়। কেতিয়াবা সুৰৰ ছন্দত আৱদ্ধ বাদ্য ছন্দিত নহয়। কীৰ্তন, দশম, নামঘোষা, চণ্ডীপাঠ, বিহুনামৰ যোজনা, তেনে জাতীয় সুৰ। বিয়ানাম, আইনাম আদিৰ সুৰত ছন্দ থাকিলেও কোনো আবদ্ধ বাদ্য (তবলা, ঢোল, খোল) ছন্দিত নহয়। গীতৰ সুৰ নিজে নিজে এক ব্যাকৰণৰ ভিত্তিত প্ৰতিষ্ঠিত হয়। ব্যাকৰণ মানি নচলাটোও অন্য এক ব্যাকৰণ, গ্ৰাম্য জনসাধাৰণে মনৰ অনুভৱেৰে আইনাম, বিয়ানাম, বিহুনাম, দেহ বিচাৰৰ গীত আদিৰ সুৰ দিছিল। সেই সুৰ সমূহতো ব্যাকৰণ আছে। সুৰে হয়তো এক বৃত্তাকাৰ নীতি মানি চলে। প্ৰথমে গোৱা শাৰীটো আৰু শাৰীকেইটা যেন পুনৰ ঘূৰি আহি এটা বৃত্তাকাৰ পথ ল'ব খোজে। গীতৰ অন্তৰা ভাগ গাই শেষ হ'লেই যেন স্থায়ী অংশৰ কোনোবা এটা শাৰী আপোনা-আপুনি কণ্ঠলৈ আহিব খোজে। জাত জাতকৈ যেতিয়া বিহুনাম গায় বা দেহ-বিচাৰৰ গীত গায় বা দিহানাম গায়, তেতিয়া প্ৰথমৰ স্থায়ী অংশ বাৰে বাৰে ঘূৰি আহে। সেই যে ঘূৰি আহিবলৈ সুৰৰ এটি সাঁকো ক'ব নোৱাৰাকৈয়ে সৃষ্টি হ'ল, তাতেই হয়তো ক'ব নোৱাৰাকৈয়ে 'নিয়ম' বা 'ব্যাকৰণ' এটিৰো সৃষ্টি হ'ল। তাকে হয়তো সংগীত সাধকে বিশ্লেষণ কৰি এটি নিয়ম (Rule) প্ৰণয়ন কৰিলে। সেয়ে হয়তো ব্যাকৰণ, কিন্তু সৃষ্টি সদায় আগ। ব্যাকৰণ পাছত সৃষ্টি হয়। সৃষ্টিশীল সাধকে ব্যাকৰণৰ নীতিৰে হয়তো সৃষ্টি নকৰে। সৃষ্টিৰ মাজতে আ পোন-আপুনি ব্যাকৰণ সৃষ্টি হয়। ব্যাকৰণ সম্পৰ্কত প্ৰখ্যাত সংগীত স্ৰষ্টা বিথোভেনে উপলব্ধি কৰিছল - 'I want to learn the rules in order to best way to breaking them' (মই সাৰ্থকভাৱে নিয়ম ভাঙিবলৈকে নিয়ম শিকিবলৈ বিচাৰো)।

পাৰ্ৱতিপ্ৰসাদ বৰুৱাই অসমীয়া সংস্কৃতিৰ মহাসমুদ্ৰত অৱগাহন কৰি গীত, নাট, বোলছবি, সাহিত্য আৰু অনেক ক্ষেত্ৰলৈ অনেক অৱদান আগবঢ়াই অসমীয়া সংস্কৃতিৰ বিশাল পথাৰখনক সহস্ৰযোজন পথ আগুৱাই থৈ গ'ল। পাৰ্ৱতীপ্ৰসাদ বৰুৱা আছিল সংগীতৰ ওজা। পাৰ্বতীপ্ৰসাদে স্বৰলিপি ভাঙি ৰবীন্দ্ৰ সংগীতৰ সুৰ আয়ত্ব কৰিছিল হাইস্কুলৰ ছাত্ৰ অৱস্থাতে। শাস্ত্ৰীয় সংগীতৰ সামগ্ৰিক চৰ্চা নাথাকিলে এটা সম্ভৱ নহয়। তদুপৰি পাৰ্বতিপ্ৰসাদে উজনি অসমৰ আইনাম, ভকতীয়া গীত, বিয়ানাম আদিৰ সুৰসমূহ হৃদয়ংগম কৰিছিল। সাৰ্থকভাৱে আয়ত্ব কৰিছিল সংগীতৰ ব্যাকৰণ। তেওঁৰ গীতৰ সুৰত মাটিৰ সুৰ অন্যান্য সুৰৰ সংমিশ্ৰণ ঘটিছিল। কিন্তু তাত মাটিৰ সুৰৰ শক্তি ইমানেই বেছি আছিল যে ই সহজেই বৰ্ণময় হৈ শ্ৰোতাক আকৃষ্ট কৰিছিল। শ্ৰোতাই যেন পাৰ্ৱতিপ্ৰসাদৰ গীতৰ সুৰত বিচাৰি পাইছিল চিনাকি মাটিৰ গোন্ধ। সেই কাৰণেই হয়তো যিমানেই বছৰ বাগৰিছে সিমানেই নিত্য-নতুন হৈ গীতবোৰ শ্ৰোতাৰ হৃদয়ে হৃদয়ে প্ৰৱেশ কৰিছে।

**(দুই)**

## পাৰ্ৱতীপ্ৰসাদৰ গীতৰ সুৰৰ নেপথ্য কথা ঃ

১৯০৪ চনত পাৰ্বতীপ্ৰসাদৰ জন্ম। ১৯২১ চনত কটন কলেজৰ ছাত্ৰ। বয়স সোতৰ। গান গায়। কটন কলেজৰ দিনবোৰ সুঁৱৰি পাৰ্বতিপ্ৰসাদে লিখিছে - 'সেই সময়ত কটন হোষ্টেলত সৰহভাগেই ৰবীন্দ্ৰনাথৰ গান চলিছিল। মই স্কুলত থাকোঁতে .... ৰবীন্দ্ৰনাথৰ 'কেতেকী', 'শেফালি',

'বৈতালিক', 'গীত পাঞ্চালিকা' আদি সুৰ চানেকীৰ কিতাপ চাই বহুত গীত শিকিছিলো। ... পিছে স্কুলত পঢ়া দিনৰে পৰা সদায়েই ৰবীন্দ্ৰনাথ বা দ্বিজেন্দ্ৰলাল ৰায়ৰ গানৰ সুৰত অসমীয়া গান ৰচিলে যে অসমীয়া সুৰৰ ভৱিষ্যৎ গঢ়িব নোৱাৰিম সেই কথাই মোৰ মনত বৰকৈ আঘাত দিছিল। সেই কাৰণেই অসমীয়া লোকগীত, আইনাম, বিয়ানাম, বিহুনামৰ সুৰ মিলহি কৰি ভয়ে ভয়ে গান ৰচিবলৈ আৰম্ভ কৰিলো।' (পাৰ্বতীপ্ৰসাদ বৰুৱা ৰচনাৱলী, পৃঃ ৩০৮)। মনত সেই সংকল্প লৈ প্ৰথমতে 'আহিন মহীয়া শেৱালি সৰিলে' শীৰ্ষক গীতত সুৰ দি প্ৰথমে মাকৰ আগত গাই শুনালে। মাকে মন্তব্য দিলে - 'এইটো কি গান হ'ল? এইটো নাম নাম যেন শুনাইছে।' পাৰ্বতিপ্ৰসাদে যেন মাকৰ পৰা তেনে মন্তব্যকে বিচাৰিছিল। তেওঁ মাকক ক'লে, 'আইতা মই তাকেহে বিচাৰিছো।' তেওঁ মাকক প্ৰকাৰান্তৰে বুজাই দিলে যে অসমত নাম বা গীতহে আছে। বাহিৰৰ ভাষাৰ পৰাহে আমাৰ দেশলৈ গান শব্দটো আমদানি হৈছে। তেওঁ ককায়েককো গীতটো গাই শুনালে। ককায়েকে শলাগিলে আৰু তেনেকুৱা গান ৰচিবলৈ উৎসাহ দিলে। এই প্ৰসংগতে পাৰ্বতিপ্ৰসাদে লিখিছে 'তেনেকুৱা আৰু কেইটামান গীত ৰচি সুৰ দি হোষ্টেললৈ আহি দুই-এজন অন্তৰঙ্গ বন্ধুক অকলশৰে ভয়ে ভয়ে গাই শুনোৱাত তেওঁলোকেও ভাল হৈছে বুলি ক'লে। পিছে মোৰ বন্ধুত্বৰ খাতিৰতহে তেনেকৈ কৈছে ভাবি আৰু সৰুৰে পৰা লাজকুৰীয়া স্বভাৱৰ গুণত ৰাজহুৱাকৈ গাবলৈ ভয় ভয়কৈ আছিলো।' (ৰচনাৱলী, পৃঃ ৩০৮)। তথাপি পাৰ্বতিপ্ৰসাদে কটন কলেজৰে এখন সভাত ড° সূৰ্যকুমাৰ ভূঞাৰ জয়মতী উপন্যাসৰ 'এহিসে অসম ভূমি/ নেপাইবাহা হেন তুমি/ এহি তিনি ভূৱন মাজে' গীতটি কীৰ্তন ঘোষাৰ সুৰত গাইছিল, সেই সভাত উপস্থিত থকা ড° ভূঞাই পাৰ্বতীপ্ৰসাদক প্ৰশংসা কৰিছিল। (ৰচনাৱলী, পৃঃ ৩০৯)। পাৰ্বতিপ্ৰসাদে 'ৰংপুৰৰ ৰংচৰা' নামৰ প্ৰবন্ধত আকৌ লিখিছে - 'তেতিয়াৰ দিনত ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু দ্বিজেন্দ্ৰলাল ৰায়ৰ গীতৰ সুৰত গীত ৰচি থাকিলে যে অসমীয়া গীতৰ ভৱিষ্যৎ গঢ়িব নোৱাৰি এই কথা ভাবি ১৯২১ চনৰে পৰা অসমীয়া আইনাম, বিয়ানাম, বিহুনামৰ সুৰ সংমিশ্ৰণ কৰি দুই-এটা গীত লিখিছিলো।' (ৰচনাৱলী, পৃঃ ৩৭৮)। পাৰ্বতীপ্ৰসাদৰ এই সম্বাগে এক ঐতিহাসিক তাৎপৰ্য বহন কৰিছে। 'জ্যোতিপ্ৰসাদৰ শোণিত কুঁৱৰীয়ে প্ৰথম পোহৰৰ মুখ দেখিছিল তেজপুৰৰ বাণ মঞ্চত ১৯২৪ চনৰ দুৰ্গাপূজাৰ সপ্তমীৰ নিশা ....' (অতুল চন্দ্ৰ হাজৰিকা, 'যুগদ্ৰষ্টা কলাকাৰ জ্যোতিপ্ৰসাদ', প্ৰকাশ, জানুৱাৰী, ১৯৮১, পৃঃ ১৪)। জ্যোতিপ্ৰসাদে লিখিছে যে বাণ থিয়েটাৰৰ শোণিত কুঁৱৰীৰ আখৰা চলি থকা সময়তে দেউতাকে অৰ্গেন বজাই গোৱা 'কৃষ্ণৰ বিক্ৰম ....'ৰ পদৰ সুৰ আৰু অন্যান্য অসমীয়া নামৰ সুৰ শুনি শোণিত কুঁৱৰী নাটকৰ গীতৰ সন্ধান পায়। (জ্যোতিপ্ৰসাদ ৰচনাৱলী, প্ৰথম প্ৰকাশ, পৃঃ ০৫-০৬)। এইখিনি কথাৰ পৰা প্ৰমাণ হয় যে শোণিত কুঁৱৰী নাটকৰ গীতৰ সুৰ ১৯২৪ চনত আখৰা চলি থকা সময়ত দিয়া। বিষ্ণুপ্ৰসাদ ৰাভাৰ এটি লেখাত জ্যোতিপ্ৰসাদে ১৯২১ চনত শোণিত কুঁৱৰীৰ গীতসমূহৰ সুৰ কৰে বুলি উল্লেখ কৰিছে। (বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ, দ্বিতীয় খণ্ড, পৃঃ ১২২৮)। জ্যোতিপ্ৰসাদে অৱশ্যে নিজেও লিখিছে যে '১৯২১ চনত জাতীয় ভাবৰ এটি অনুপ্ৰেৰণা অহাত আমাৰ অসমীয়া

নিজস্ব সুৰ থিয়েটৰী গানত দিব পাৰি নে নোৱাৰি ইত্যাদি ভাবে খেলাবলৈ ধৰে।' (জ্যোতি ৰচনাৱলী, প্ৰথম প্ৰকাশ, পৃঃ ০৫)। জ্যোতিপ্ৰসাদৰ এই লেখাই প্ৰমাণ কৰিছে যে তেখেতে ১৯২১ চনৰ পৰাহে অসমীয়া সুৰেৰে তেখেতৰ গানসমূহত সুৰ দিব খুজিছে। ড° বীৰেন্দ্ৰনাথ দত্তই এই প্ৰসংগত মন্তব্য দিছে - 'জ্যোতিপ্ৰসাদ গান্ধীৰ দ্বাৰা অনুপ্ৰাণিত হৈ তেওঁ অসমীয়া সুৰ বিচৰাত লাগিছে। এই কথা শোণিত কুঁৱৰীৰ তৃতীয় সংস্কৰণৰ পাতনিত স্পষ্টকৈ লিখিছে।' (গীতাশ্ৰী তামুলী, অখিল গগৈ - 'শিল্পীৰ আলোকযাত্ৰা', ড° বীৰেন্দ্ৰনাথ দত্তৰ সৈতে কথোপকথন, পৃঃ ১৮৪)। এই তথ্যখিনি এই কাৰণেই দিয়া হৈছে যে ১৯২১-১৯২৪ চনৰ সময়চোৱাতে জ্যোতিপ্ৰসাদ আৰু পাৰ্বতিপ্ৰসাদে হয়তো একান্ত স্বতন্ত্ৰভাবে অসমীয়া আধুনিক গীতৰ ধাৰাটোক নতুনকৈ সজাই জনপ্ৰিয় কৰিছিল। প্ৰহ্লাদ কুমাৰ বৰুৱাৰ মতে 'পাৰ্বতীপ্ৰসাদৰ গীত, জ্যোতিপ্ৰসাদ আগৰৱালাই প্ৰৱৰ্তন কৰা সংগীতৰ ধাৰাটোৰ বিস্তাৰিত ৰূপ।' (পাৰ্ৱতীপ্ৰসাদ বৰুৱা আৰু তেওঁৰ যুগ', গীতিকবি পাৰ্ৱতীপ্ৰসাদৰ জীৱন আৰু সৃষ্টিৰ মূল্যায়ন' গ্ৰন্থত, সম্পাদনা - পৰানন কোঁৱৰ, পৃঃ ১০)। হয়তো প্ৰহ্লাদ বৰুৱাৰ অনুভৱেই সঁচা, কাৰণ সেই সময়ত জ্যোতিপ্ৰসাদৰ গীতহে ৰাজহুৱা প্ৰচাৰ আৰু ক্ৰমান্বয়ে নাটকৰ যোগেদি প্ৰসাৰ লাভ কৰিছিল। কিন্তু এই কথাও ঠিক যে ১৯২৪ চনত পাৰ্বতিপ্ৰসাদে অসমৰ মাটিৰ সুৰত স্বৰচিত গীত গাই শিৱসাগৰত আলোড়ন সৃষ্টি কৰিছিল। এই প্ৰসংগতে মহেশ্বৰ নেওগে লিখিছে - '১৯২৪ চনত টিঙৰ বঙলা সজা শিৱসাগৰ নামঘৰত দেওবাৰে দেওবাৰে আমি গোট খাই ৰচনা পঢ়ো, গান শুনো। তেতিয়া কলেজত পঢ়া ডেকা পাৰ্ৱতীপ্ৰসাদ বৰুৱা, শ্ৰীযোগকান্ত বৰুৱা আদি আমাৰ জানিবা বাটকটীয়া ... এতিয়া ভাঙি পেলোৱা মঞ্চটোৰ ওপৰত বেঞ্চত বহি সুদৰ্শন পাৰ্ৱতীপ্ৰসাদ বৰুৱাই গীত গায়। একেবাৰে নতুন গীত, নিজে লিখা। সুৰো তেওঁ নিজেই দিছিল। কিন্তু এয়া আকৌ কি সুৰ। আইৰ মুখত শুনা, বিহুবলীয়াহঁতৰ মুখত শুনা ঘৰচীয়া নামৰ  জাতবোৰহে দেখোন। ইয়াৰ আগতে এনে জাত-পাতৰ ৰচনাক গীত বা গান নুবুলিলেহেঁতেন, বুলিলেহেঁতেন নাম। ... আহিন মহীয়া নিয়ৰ ভাঙি আমি সভালৈ আহো। দিখৌত লানি পাতি পাখি লগা পৰুৱা উটি আহে। বালিত উজাৰি উজাৰি নাৰ-বাট মাছৰ উজান উঠে, পাৰ্বতিপ্ৰসাদে নিৰাড়ম্বৰ কথাবোৰ ছন্দৰ অম্বৰ সানি দিয়ে।' (পাৰ্ৱতীপ্ৰসাদ বৰুৱা' - 'গীতিকবি পাৰ্ৱতীপ্ৰসাদ ঃ জীৱন আৰু সৃষ্টিৰ মূল্যায়ন' গ্ৰন্থত, পৃঃ ১২১)।

পাৰ্বতিপ্ৰসাদে নিজৰ লেখাত স্বীকাৰ কৰিছে যে তেওঁক জ্যোতিপ্ৰসাদে পৰোক্ষভাৱে উৎসাহিত কৰিছিল। এই প্ৰসংগত তেওঁ লিখিছে '.... লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ বিখ্যাত গীত 'সোণবৰণীয়া কেতেকী ধুনীয়া'ৰ জ্যোতিপ্ৰসাদে দিয়া নিভাঁজ অসমীয়া সুৰৰ সুৰ চানেকি কাকতত দেখিবলৈ পাওঁ। সুৰটো ..... ইমান ভাল লাগি গ'ল। কিয়নো সেই সময়ত ময়ো অসমীয়া গৰখীয়া নাম, আইনাম, বিয়ানাম আদিৰ সুৰত সুৰ মিলাই 'আহিন মহীয়া, শেৱালি সৰিলে, হেৰ' বলিয়া নয়ন ভৰি ভৰি চা' ইত্যাদি গীত অকলে ৰচি আছিলো। একে বাটেৰে বাটৰুৱা এজন পাই মন ভৰি উঠিলে।' (ৰচনাৱলী, পৃঃ ৩১৩)। পাৰ্বতিপ্ৰসাদে আপোনভাৱে প্ৰকৃতি আৰু চহা জীৱনক ভাল পাইছিল। সেই কাৰণে হয়তো তেওঁৰ গীত আৰু কবিতাত চহা জীৱনৰ কথিত শব্দৰাজি

ফেনে-ফোটোকাৰে উপচি পৰিছে। যিবোৰ হয়তো ভৱিষ্যতে অসমীয়া জাতিৰ সম্পদ হ'ব। তেওঁ চহা জীৱনৰ প্ৰাণৰ সুৰখিনিকে ধুই-পখালি, সোণত সুৱগা চৰাই তেওঁৰ প্ৰায়বোৰ গীতক ঐশ্বৰ্যশালী কৰি তুলিছে।

(তিনি)

## পাৰ্ৱতীপ্ৰসাদ বৰুৱাৰ কেইটিমান গীতৰ সুৰ ঃ

পাৰ্ৱতীপ্ৰসাদ বৰুৱাৰ গীতৰ সুৰ আৰু বাদ্যৰ ছন্দ (Rhythmic Pattern) অনুভৱ কৰাৰ আগতে আমি উপলব্ধি কৰিছোঁ আমাৰ অক্ষমতা। এই প্ৰসংগত সংগীত সাধক জুলিয়ানা হাৰবেজ-এ (Julian Harbage) অতি আন্তৰিকতাৰে উপলব্ধি কৰা কথা এযাৰ মনলৈ আহিছে। হাৰবেজৰ মতে - 'অতি সূক্ষ্মাতিসূক্ষ্মভাৱে সংগীত ৰস আস্বাদন কৰা ব্যক্তি এজনক সংগীতৰ মূল্যায়ন কৰিবলৈ দিয়াটো অপৰাধ। কাৰণ তেনে শ্ৰোতাই কোনটোস্বৰ কেনেকৈ ব্যৱহাৰ হৈছে, আগত কি স্বৰ আছিল, পিছত কি স্বৰ আহিব তাক ইমান সচেতনভাৱে নিৰীক্ষণ কৰে যে তেওঁ সংগীতৰ পূৰ্ণ ৰসাস্বাদন কৰিবলৈ অসমৰ্থ হয়।' (There are those who 'follow' the music with minute attention, who listen consciously to every note in order to perceive its relation to what has gone before and what will come after. To such a listener ir is crime to allow thoughts to wander, it is a singn of fatigue, or inability to achieve full apprehension)। হাৰবেজৰ এই অনুভৱ আমাৰ বাবে সঞ্জীৱনী স্বৰূপ। আমি গীতৰ সুৰৰ ৰসাস্বাদনহে কৰিব খুজিছোঁ। গীতত কি স্বৰ ব্যৱহাৰ কৰিছে, কি কৰিব লাগিছিল সেয়া আমাৰ আলোচ্য বিষয় নহয়।

(চাৰি)

অসমৰ আইনামসমূহ তালবিহীনভালে গোৱা হয়। পাৰ্বতীপ্ৰসাদ বৰুৱাই 'আই মোৰ, সোণৰে অসমত/ সোণৰে মন্দিৰ/ ৰ'দত চিকে মিকে কৰে' গীতটিৰ সুৰ সম্পূৰ্ণৰূপে আইনামৰ সুৰত বান্ধিছে। তাল বিহীনভাৱে গোৱা গীতটিত আইনমাৰ সুৰ মুকুতা জিলিকাদি জিলিকি উঠিছে।

পাৰ্বতীপ্ৰসাদৰ এটি বিখ্যাত গীত 'পূজো আহা আই মাতৃৰ চৰণ কমল' গীতটিতো ছন্দিত হৈছে আইনামৰ সুৰ। গীতটিৰ সুৰৰ লগত মিলি যোৱা আমি শুনা আইনামৰ প্ৰথম শাৰী দুটা হৈছে, 'গধূলিতে আই আহে পদূলিলৈ চাই/ তাৰ পাচত মাজৰ শাৰী এটিত-' আগত দিয়া , পাছত দিয়া/ পঞ্চ আয়তিয়ে' দিয়াৰ দৰে বিয়ানামৰ সুৰৰ আভাস। পাৰ্বতীপ্ৰসাদে কেৱল 'আগত-দিয়া, পাছত-দিয়া' শব্দাংশৰ সুৰ গ্ৰহণ কৰি 'আই মাতৃৰ চৰণ সেৱী' শব্দাংশ ব্যৱহাৰ কৰিছে আৰু 'হৃদয় কৰো জুৰ' শব্দাংশৰ পাৰৰ্তিপ্ৰসাদৰ নিজৰ সুৰ ধ্বনিতহয়। পাৰ্বতিপ্ৰসাদৰ সৃষ্টিশীল

মনৰ অনুভৱ। ইফালে 'পূজাৰ দ'লৰ চন্দন চ'ৰা'ৰ সুৰত প্ৰতিধ্বনিত হয় মহাপুৰুষ মাধৱদেৱৰ 'ঐ চন মোহন বাল গোপাল' বৰগীতৰ 'কমল লোচ স্বামী' শাৰীটোৰ সুৰ। আইনাম, বৰগীত আৰু বিয়ানামৰ সুৰৰ আশ্ৰয় লৈ গীতটিৰ আত্মাত বৰপীৰা পাৰি বহি আছে পাৰ্ৱতীপ্ৰসাদৰ সুৰৰ সত্তা। সুৰ সংমিশ্ৰণৰ দক্ষতাৰ অবিহনে এনে যুগজয়ী সুৰ অসম্ভৱ। পাৰ্বতি প্ৰসাদৰ সমসাময়িক কলাকাৰ সুৰকাৰসকলৰ বাবেই নহয়, সাম্প্ৰতিক কালৰ বাবেই ই সুৰ সংমিশ্ৰণৰ এক সফল উদাহৰণ।

(পাঁচ)

## 'লুইতী'ৰ গীতসমূহৰ সুৰ ঃ

'লুইতী'ৰ (গীতৰ পুথি) পাতনিত উল্লেখ আছে - 'এই গীতবোৰৰ সুৰ বনগীত সুৰীয়াকৈ দিয়া আছিল' কথাষাৰৰ মৰ্মাৰ্থ উপলব্ধি হয় গীতৰ শব্দচয়নত। ফুলতী গাভৰু হ'ল, কপউ ভূৰুকি গ'ল, তিনিফেৰেঙীয়া ডাল, চিকুণ কুমলীয়া পাত, ৰ'দালি ৰেঙালে পূবে, জিলিকি উঠিল নৈ, চিকমিক চিকমিক কৈ, অৰণ্যই পঢ়িলে স্তৱ, ওপৰে উৰিলে টুনী, ধানৰে সেউজীয়া বৰণ, চাবত চাবে মাৰি ব'ঠা, আগালত ঘৰ, লিহিৰি কপিলে পাৰত, দীঘল ডঁৰিয়লি বালিত, চাইনো চাই বুলিবৰ বাট, তৰি দে শুকুলা পাল, তুল বুল কৰিব নাও আদি শব্দৰ সমদলে লুইতীৰ গীতসমূহক সমৃদ্ধ কৰিছে। পাতনিত পাৰ্বতিপ্ৰসাদে আক্ষেপ কৰিছে - 'সেই সুৰ কাকো শিকাই নাইবা চানেকি কৰি ৰাখিবলৈ নহ'ল। বৰ্তমানে মই কণ্ঠহীন। কোনোবাই ইচ্ছা কৰিলে বনগীতৰ সুৰ দি গীতবোৰ গালে ভাল পাম।' (ৰচনাৱলী, পৃঃ ১৪০)। 'লুইতী' পুথিখনৰ শেষত গীতটিত ('মানুহৰ দেহাতে জীৱই কলেমলাই/ খাবলৈ খুদকণ নাই/ মানুহৰ ভোগতে ভোগ পৰমানত খুদকণ কমিলেই দায়।') অতি সংবেদনশীলতাৰে সুৰ দিছে পাৰ্ৱতীপ্ৰসাদৰ সুযোগ্য সন্তান প্ৰণৱিৰাম বৰুৱাই. গীতত উপলব্ধ হোৱা মানৱীয় প্ৰমূল্যবোধৰ প্ৰতি লক্ষ্য ৰাখি সুৰত সেই ধৰণৰ স্বৰ বিন্যাস ঘটোৱা হৈছে। (নানা ৰহনীয়া গীত লং-প্লেয়িং ৰেকৰ্ড S/45 NLP 2051) গীতটোৰ স্থায়ী অংশত জটিলস্বৰ বিন্যাস থাকিলেও অন্তৰা দুটিৰ প্ৰথম শাৰী দুটাত টোকাৰী গীতৰ মৃদু প্ৰতিধ্বনি শুনা যায়। সামগ্ৰিকভাৱে গীতটোৰ সুৰত বনগীতৰ স্বাদ পোৱা নাযায়। 'লুইতী' পুথিখনৰ আন এটি গীত 'আকৌ সেউজীয়া বজালে বীণ'ত শব্দৰ লগত সুৰৰ সামঞ্জস্য থাকিলেও বনগীতত সাধাৰণভাৱে ব্যৱহৃত স্বৰসমূহ বঞ্চিত হৈছে। কিন্তু 'লুইতৰ পাৰৰে/ ঝাও গছ এজুপি'ত বনগীতৰ সুৰৰ অনুৰণন উপলব্ধি হয়। সেইদৰে 'লুইতৰ চাপৰিত কলে নাৰৰীয়া' শীৰ্ষক গীতটোৰ সুৰত ধ্বনিত হয়........ । 'নাচাহে গোপাল গোৱালী পাৰাতে নাচা' শীৰ্ষক ৰাসৰ গীতৰ সুৰ। য'ত ছন্দিত হয় খোল বাদ্যৰ একতালৰ ছন্দ (ধেই তাত খিতি/ দাও S S খিতি/ তাধি S S নাক/ ধেই S S S S/)।

(ছয়)

## প্ৰণৱিৰাম বৰুৱাৰ সুৰাৰোপিত পাৰ্ৱতীপ্ৰসাদ বৰুৱাৰ গীত ঃ

'আজি আকাশৰ/ শেষ হ'ব পায়' গীতটোৰ সুৰৰ চানেকি পাৰ্বতিপ্ৰসাদে কৰি থৈ গৈছে। গীতটো দাদ্ৰা তালতসুৰাৰোপিত কৰিছিল পাৰ্বতিপ্ৰসাদে (ৰচনাৱলী, পৃঃ ২৭৩-২৭৪)। কিন্তু সুৰ চানেকীৰ বিপৰীতে গীতটিক ৰূপক তালত নতুনকৈ সুৰাৰোপিত কৰিছে প্ৰণৱিৰাম বৰুৱাই। কণ্ঠদান কৰিছে ভূপেন হাজৰিকাই (নানা ৰহনীয়া গীত, পূৰ্বে উল্লিখিত)। নতুনকৈ সুৰাৰোপিত হ'লেও গীতটোৰ শব্দৰ যথাৰ্থ সুৰেই বহন কৰিছে। সেই একেখন লং-প্লেয়িং ৰেকৰ্ডতে একে কণ্ঠতে বাণীবদ্ধ হোৱা 'কিনো পখীয়ে/ পুৰতি গালে/ নিচিনিলো তাৰ মাত' গীতটোত যথাৰ্থভাবে সুৰাৰোপন কৰিছে প্ৰণৱিৰাম বৰুৱাই। আৰু হয়তো বহুতো পাৰ্বতীপ্ৰসাদৰ গীত আছি যিবোৰৰ সুৰ পাৰ্ৱতীপ্ৰসাদৰ সুৰৰ ধাৰাতে সুৰাৰোপিত কৰিছে প্ৰণৱিৰাম বৰুৱাই। উল্লেখ কৰা প্ৰয়োজন যে পাৰ্বতীপ্ৰসাদৰ গীতৰ ধাৰাটোৰ গতি সজীৱ কৰি ৰখাত নিষ্ঠা আৰু একাগ্ৰতাৰে দায়িত্ব বহন কৰিছে প্ৰণৱিৰাম বৰুৱা আৰু পৰিয়ালৰ সদস্যসকলে।

(সাত)

## 'বজালে আহিনে বাঁহী নে বীণ' ঃ

থমকি থমকি বীণ বাজে, থমকি থমকি শব্দবোৰ সুৰ হয়। আহিনৰ কঁহুৱা ফুল, উদাসী বাঁহী, বনৰ আঁৰত ব'ৰাগীৰ বীণ, শুকুলা ডাৱৰ, কঁহুৱা ফুল - এই সমূহ প্ৰতিচ্ছবি ফুটাই তুলিব পৰাকৈ মনৰ অনুভৱেৰে 'চিনো যেন চিনো যেন লগাকৈ' এটিসুকোমল সুৰ সৃষ্টি কৰিছে পাৰ্বতিপ্ৰসাদে। 'আজি মৃদু পৱনত' গীতটোৰ সুৰত আছে বিচিত্ৰ বৰ্ণময় অৰৈখিক (Non-linear) স্বৰৰ মেলা। গীতটোৰ সুৰে কোনোবা ৰাগত আশ্ৰয় ল'ব খুজিও যেন আঁতৰি গৈছে। 'ওৰে ৰাতি অন্ধকাৰত' গীতটি 'ৰূপক' তালৰ ছন্দত সুৰাৰোপ কৰা হৈছে। হিন্দুস্থানী সংগীতত ৰূপক তালত সাধাৰণতে কৰুণ ৰসযুক্ত গীতত সুৰাৰোপ কৰা হয়। অৱশ্যে ই ধৰা বন্ধা নহয়। ৰূপক তাল সাত মাত্ৰাৰ। মাত্ৰাসমূহ তিনি আৰু চাৰি মাত্ৰাকৈ দুটা ভাগত বিভক্ত। দুয়োটা ভাগ অসমান হোৱা বাবে তালটিৰ ছন্দ দুটা অসমান সময়ৰ অন্তৰে অন্তৰে ছন্দিত হয়। অসমান ছন্দৰ বাবেই হয়তো কৰুণ ৰসাত্মক বোলা হৈছে। অসমৰ সত্ৰীয়া সংগীততো এক ৰূপক তাল আছে। ই বাৰ মাত্ৰাৰে গঠিত। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱেও কৰুণ ৰসাত্মক বৰগীত, অংকীয়া নাটৰ গীতৰ সুৰ ৰূপক তালত কৰিছিল। অৱশ্যে ই ধৰাবন্ধা নহয়। কাৰণ বহুতো সত্ৰীয়া কৰুণ ৰসাত্মক গীতত 'ধৰমজ্যোতি' আদি তাল ব্যৱহাৰ কৰা হৈছে।

'ওৰে ৰাতি অন্ধকাৰত' গীতটিৰ এটা শাৰীত বৰ্ণিত হৈছে গভীৰ দুখ। (আন্ধাৰ নিশা বন্ধ ঘৰত আছিলোঁ শুই দুখৰ ভৰত) গোটেই গীতটোত হয়তো জান-নেজান কৈ হুমুনিয়াহ নিগৰিত হৈছে। দুখৰ অন্তঃস্ৰোতে হয়তো গীতটোৰ সুৰক ৰূপক তালত ছন্দিত কৰিছে। গীতটো শুনিলে 'আলো মঞি কি কহুবো দুখ, পৰাণ নিগৰে না দেখিয়া ছান্দ মুখ' বৰগীতটিৰ সুৰলৈ

মনত পৰে। 'সেউজী পাৰৰ/ তোমাৰ নিৰলা ঘৰত' গীতটিৰ সুৰত আছে কোমল স্বৰ-বিন্যাস আৰু ব্যঞ্জনাময় শব্দ ধ্বনি। উৰ্দু গজলৰ দৰে গীতটিত আছে প্ৰেমিকক অতীত সোঁৱৰাই দি বেদনাত জৰ্জৰিত হোৱা অন্তৰৰ করুণ বিননি। সেইদৰে 'শাৰদী সন্ধিয়া জোনাকী মেল' গীতটিৰ সুৰত আছে পাৰ্বতীপ্ৰসাদৰ অনুভৱী মনৰ মেলা। 'হেৰ' বলিয়া নয়ন ভৰি ভৰি চা' গীতটিৰ সুৰত বিচাৰি পাওঁ 'অ বনমালী ৰৈ ৰৈ ধেমালি, কৰা বনমালী ৰৈ ৰৈ ধেমালি কৰা' টোকাৰী গীতৰ সুৰ, পাৰ্বতীপ্ৰসাদে ছাত্ৰ অৱস্থাতে এই গীতটোৰ সুৰ কৰিছিল। কলিকতাৰ কলেজত পঢ়ি থাকোঁতে এই গীতটি বহুতো বংগভাষী ছাত্ৰই পাৰ্বতীপ্ৰসাদৰ পৰা শিকিছিল।

'ঐ উভতি বলিছে বা/ জকাই চুক পথাৰৰ বতাহৰ ঢালতে কি সুৰ শুনি যা' - গীতটো শুনিলে মনত পৰে 'মণিৰাম দেৱান'ৰ গীতৰ সুৰলৈ। গীতটিৰ দ্বিতীয় চৰণত প্ৰত্যক্ষভাৱে মণিৰাম দেৱানৰ গীত এফালি সন্নিবিষ্ট কৰা হৈছে - 'চালত মলঙিলে চালেদৈ কোমোৱা/ টেকেলিত মলঙিলে লোণ/ মাটি মলঙিলে মণিৰাম দেৱাম ঐ নেকান্দি থাকিব কোন।' মণিৰাম দেৱানৰ সোঁৱৰণেৰে গীতটিত অসমবাসীক জাগি উঠিবলৈ আহ্বান জনাইছে। গীতটিৰ সুৰৰ আধাৰ মণিৰাম দেৱানৰ গীত।

## (আঠ)

'আজি ফাগুনৰ/ পুৱা বেলাতেই/ মেঘে ওন্দোলাই আনিলে' গীতটিৰ প্ৰথম শাৰীটোৰ সুৰটি যেন চিনাকি চিনাকি, ঘৰুৱা, সদায় শুনি থকা তেনেকুৱা ভাৱ হয়। কিয় এনেকুৱা লাগে বুলি প্ৰশ্ন কৰিলে মনলৈ অহা উত্তৰটো হ'ল গীতটোৰ স্বৰ-বিন্যাস। গীতটোত ব্যৱহৃত কোমল গা, মা, পা আৰু কোমল নি স্বৰৰ সৰল-ৰৈখিক গতিয়ে উজনি অসমৰ আইনাম, বিয়ানাম, বনগীত, টোকাৰী গীতৰ সুৰ প্ৰতিনিধিত্ব কৰে। সেয়ে চিনাকি, ঘৰুৱা অথবা সহজে। এনে ধৰণৰ স্বৰ-বিন্যাসৰ আন এটি গীত 'গৰখীয়া হেৰ' গৰখীয়া/ কি সুৰ বজালি দুপৰীয়া।'

## (ন)

'কোনে ডাৱৰে ডাৱৰেমৃদং বজায় গুৰ্ গুৰ্ গুৰ্ গুৰ্
কোন বায়নৰ খোলৰ বোলত আকাশ ভৰপূৰ'

অসমৰ সত্ৰীয়া সংগীতত 'চুটকলা' নামৰ এটি খোল বাদ্যৰ ছন্দ (Rhythmic Pattern) আছে। ছন্দটি চৈধ্য মাত্ৰাৰ। এই ছন্দটি হিন্দুস্থানী সংগীতৰ ৰূপক তালৰ লগত একে। 'চুট কলা'ৰ বোলসমূহ হৈছে -

| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ |
|---|---|---|---|---|---|---|
| ধেই | তাত | খিতা | ধিS | নাS | খিS | তিS |
| তাS | খিS | তিS | দাও | S | খিত | SS |

**(দহ)**

পাৰ্ব্বতিপ্ৰসাদৰ গীত মানেই ব্যঞ্জনাময় শব্দৰ সমদল। শব্দত বিচিত্ৰ হয় পোহৰৰ কাড়েঁ ডাৱৰ সৰকোৱা দৃশ্য, ডাৱৰ আৰু সূৰুয যুঁজ, যুঁজত সূৰুয জিকে, এন্ধাৰ আঁতৰি যায়। তেওঁৰ গীতত আছে আলফুলীয়া শব্দ, ফুলকুমলীয়া শব্দ, হৃদয়ত গুণগুণি তোলা শব্দ, সোণাৰু ফুলীয়া শব্দ, জিৰজিৰিয়া শব্দ ....। সোণসেৰীয়া শব্দই বন্দী কৰে হৃদয় অনুভূতি, আৱেগ আৰু জীৱনৰ শত সহস্ৰ সঞ্চিত অবিজ্ঞতা। য'ত মানৱীয় প্ৰমূল্যবোধ আছে, গভীৰ জীৱনবোধ আছে, জীৱনক বুজা-নুবুজাৰ ৰহস্য আছে আৰু আছে গভীৰ দেশপ্ৰেম।

দেশপ্ৰেম সম্পৰ্কত পাৰ্ব্বতিপ্ৰসাদৰ ধাৰণা স্পষ্ট। যিজনে মৰণক জয় কৰিব পাৰে তেওঁৰ মৃত্যুত ভয় নাথাকে। তেওঁ মৃত্যু শপত খাই দেশমাতৃক উদ্ধাৰ কৰিবলৈ আগবাঢ়ে। দেশমাতৃৰ বাবে উছৰ্গা কৰিব খোজে জীৱনষ ডেকাশক্তিক মনোবল জগাবলৈ তেখেতে লিখিছে - 'আহিছে আজি নৱ জীৱনৰ ঢল/ ... মৰণজয়ীৰ মৃত্যুৰ ভয় নাই/ যায় আগবাঢ়ি জীৱনৰ জয় গাই/ কেঁচা কলিজাৰ তপত তেজৰ ধাৰা/ জননী পূজাৰ সেয়ে হ'ক উপচাৰ/ ব'লা সমুকলৈ বিঘিনি গুচাই/ জয় যাত্ৰাৰ সমদল।'

**(এঘাৰ)**

## 'আইতকৈনো বাৰু আছেনে আপোন/ আছেনে কোনোব বৰ' ঃ

দেশখনক পাৰ্বতিপ্ৰসাদে ভাল পায়। সেই ভাল পোৱা কিন্তু আবেগ সৰ্বস্ব নহয়। তেওঁ নিৰ্মোহ ভাৱে দেশখনক অৱলোকন কৰিছে, হৃদয়েৰে উফলব্ধি কৰিছে দেশখনৰ দৈন্য ৰূপটো। দেশখন সোণৰ নহয়, মাটিৰ দেশ। মাটিৰ দেশ হ'লেও এই দেশ সোণতকৈ চৰা। যিখন ঠাইত তেওঁ জন্ম গ্ৰহণ কৰিছে তাতকৈ আপোন কোন হ'ব পাৰে। আপোন হ'লেও দেশখনৰ নিচলা ৰূপটো তেওঁ মৰ্মে মৰ্মে অনুভৱ কৰিছে - 'অতীতত তোৰ/ কি ধন আছিল/ কেলেই লাগিছে মোক/ এতিয়া যে তই/ নিচেই নিছলা/ দুবেলা নুগুচে ভোক।' হয়তো লক্ষ্মীনাথ বেজবৰুৱাই লিখা সেই কবিতা ফাকি পাৰ্বতিপ্ৰসাদে অসাৰ অনুভৱ কৰিছে। বেজবৰুৱাই কৈছিল - 'আমি অসমীয়া/ নহওঁ দুখীয়া/ কিহৰ দুখীয়া হ'ম/ সকলো আছিল/ সকলো আছে/ নুশুনো নলওঁ গম।' কিন্তু ইয়াৰ বিপৰীতে পাৰ্বতিপ্ৰসাদে অনুভৱ কৰিছে - হয় আছিল, কিন্তু এতিয়াতো নাই, 'এতিয়া যে তই নিচেই নিছলা/ দুবেলা নুগুচে ভোক।' তথাপি নিজৰ মাতৃভূমি সবাতোকৈ আপোন। পৃথিৱীৰ চুকে-কোণে বিচাৰি চলাথ কৰিলেও আইৰ সমান আপোন আৰু ক'তো বিচাৰি পোৱা নাযাব। এনে তাগিদাতে হয়তো পাৰ্ব্বতীপ্ৰসাদৰ অন্তৰৰ পৰা নিগৰিত হৈছিল মাটিৰ সুৰ, মাটিৰ মানুহৰ হৃদয়ৰ শব্দ আৰু তাৰেই সজাইছিল গীত, পাৰ্ব্বতীপ্ৰসাদৰ যুগমীয়া গীত।

পাৰ্বতিপ্ৰসাদৰ গীতসমূহ সাম্প্ৰতিক কালতো অতি জনপ্ৰিয়। নৱপ্ৰজন্মই বিভিন্ন ঠাইত পাৰ্ব্বতি সংগীতৰ কৰ্মশালা কৰিছে,কিছুমান গীত নতুনকৈ পুনৰ বাণীবদ্ধ কৰি পাৰ্ব্বতি প্ৰসাদৰ অমৰ সৃষ্টিখিনি জীয়াই ৰাখিছে।

## ৪.০ উপসংহাৰঃ

পাৰ্ৰতিপ্ৰসাদ বৰুৱাই অসমীয়া সংস্কৃতিৰ মহাসমুদ্ৰত অৱগাহন কৰি গীত, নাট, বোলছবি, সাহিত্য আৰু অনেক ক্ষেত্ৰলৈ অনেক অৱদান আগবঢ়াই অসমীয়া সংস্কৃতিৰ বিশাল পথাৰখনক সহস্ৰযোজন পথ আগুৱাই থৈ গ'ল। পাৰ্বতীপ্ৰসাদে স্বৰলিপি ভাঙি ৰবীন্দ্ৰ সংগীতৰ সুৰ আয়ত্ব কৰিছিল হাইস্কুলৰ ছাত্ৰ অৱস্থাতে। শাস্ত্ৰীয় সংগীতৰ সামগ্ৰিক চৰ্চা নাথাকিলে এটা সম্ভৱ নহয়। তদুপৰি পাৰ্বতিপ্ৰসাদে উজনি অসমৰ আইনাম, ভকতীয়া গীত, বিয়ানাম আদিৰ সুৰসমূহ হৃদয়ংগম কৰিছিল। সাৰ্থকভাৱে আয়ত্ব কৰিছিল সংগীতৰ ব্যাকৰণ। তেওঁৰ গীতৰ সুৰত মাটিৰ সুৰ অন্যান্য সুৰৰ সংমিশ্ৰণ ঘটিছিল। কিন্তু তাত মাটিৰ সুৰৰ শক্তি ইমানেই বেছি আছিল যে ই সহজেই বৰ্ণময় হৈ শ্ৰোতাক আকৃষ্ট কৰিছিল। শ্ৰোতাই যেন পাৰ্ৰতিপ্ৰসাদৰ গীতৰ সুৰত বিচাৰি পাইছিল চিনাকি মাটিৰ গোন্ধ। সেই কাৰণেই হয়তো যিমানেই বছৰ বাগৰিছে সিমানেই নিত্য-নতুন হৈ গীতবোৰ শ্ৰোতাৰ হৃদয়ে হৃদয়ে প্ৰৱেশ কৰিছে।

## ৫.০ সহায়ক গ্ৰন্থপঞ্জী

১. বৰুৱা, পাৰ্ৰতিপ্ৰসাদ ঃ **'লুইতী'**

২. শৰ্মা, পৰনাথ ঃ 'পাৰ্ৰতিপ্ৰসাদ বৰুৱাৰ জীৱন আৰু কৰ্ম'

৩. কাগ্য়ুং, ৰঘুনাথ ঃ 'পাৰ্ৰতিপ্ৰসাদ বৰুৱাৰ কবিতাৰ সমীক্ষণ'

# অসমৰ পৰা প্ৰব্ৰজিত ম্যানমাৰৰ বাসিন্দাসকলৰ ইতিহাস আৰু বৰ্তমান ঃ এটি অধ্যয়ন

**দেৱজিৎ বড়া**
**সহকাৰী অধ্যাপক, অসমীয়া বিভাগ,**
**সোণাৰি মহাবিদ্যালয়**

## সাৰাংশ ঃ

প্ৰব্ৰজন মানুহৰ আদিম প্ৰৱণতা। মানুহে ইঠাইৰ পৰা সিঠাইলৈ সামাজিক, প্ৰাকৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি ভিন্ন কাৰণত প্ৰব্ৰজন কৰি আহিছে। বিশ্বৰ বিভিন্ন প্ৰান্তত সাম্প্ৰতিক সময়তো প্ৰব্ৰজন হৈ থকা দেখা যায়। অসমৰ ইতিহাস বিচাৰ কৰি চালে অনুধাৱন কৰিব পাৰি যে অসমৰ গৰিষ্ঠসংখ্যক জাতি-জনজাতি প্ৰব্ৰজন কৰি আহি অসমত স্থায়ীভাৱে বসবাস কৰি আছে। দ্বাদশ শতিকাতে অসমলৈ প্ৰব্ৰজন কৰা আহোমসকলৰ শাসনকালত বহু জাতি-জনগোষ্ঠীয় লোকসকলে অসমলৈ প্ৰব্ৰজন কৰি অসমত স্থায়ীভাৱে বসবাস কৰে। দ্বাদশ শতিকা বা তাৰ আগৰ পৰা সাম্প্ৰতিক সময়লৈকে অসমৰ বিভিন্ন স্থানলৈ প্ৰব্ৰজনৰ অবিৰত ধাৰা এটা বৈ অহা দেখা যায়।

অসমলৈ প্ৰব্ৰজন কৰা অহোমসকলে লাহে লাহে অসমৰ স্থায়ী বাসিন্দাসকলৰ লগত যুদ্ধ বা মিত্ৰ কৰি অসমত শাসন কৰে। অসমত আহোমৰ ৬০০ বছৰীয়া শাসনকালৰ আটাইতকৈ প্ৰত্যাহ্বানেৰে ভৰা সময়ছোৱা হ'ল ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ সময়খিনি অৰ্থাৎ মানৰ অসম আক্ৰমণৰ সময়ছোৱা। অসমক মান সেনাই তিনিবাৰ আক্ৰমণ কৰিছিল আৰু তিনিওটা আক্ৰমণতে অসমীয়া সৈন্য পৰাস্ত হৈছিল। অসমৰ পৰা প্ৰব্ৰজিত ম্যানমাৰৰ বাসিন্দাসকলৰ ইতিহাস এই সময়ছোৱাৰ ঘটনাৰ সৈতেই জড়িত বুলি ক'ব পাৰি। কাৰণ মানৰ অসম আক্ৰমণৰ সময়তে হাজাৰ হাজাৰ অসমীয়া সৈন্যক মানসকলে যুদ্ধবন্দী হিচাপে লৈ যায় আৰু তেওঁলোকক দাস হিচাপে নিয়োগ কৰে। তাৰোপৰি মানৰজাক উপহাৰ হিচাপে আহোম ৰজাই হেম আইদেউ নামৰ এগৰাকী কুঁৱৰীক বিয়া দিয়ে আৰু কুঁৱৰীৰ আল-পৈচান ধৰিবলৈ তেওঁৰ লগত বহু অসমীয়া প্ৰজা মানদেশলৈ পঠায়। এই প্ৰব্ৰজিত অসমীয়া লোকসকলৰ সতি-সন্ততিসকল বৰ্তমানেও ম্যানমাৰৰ

বিভিন্ন প্ৰদেশত বসবাস কৰি আছে। তেওঁলোক বৰ্তমান ম্যানমাৰৰ সমাজ-সংস্কৃতিৰ সৈতে মিলি গ'ল যদিও তেওঁলোকৰ সত্তাত আজিও অসম আৰু অসমীয়াৰ প্ৰতি থকা ভালপোৱা সমূলি নিঃশেষ হৈ যোৱা নাই।

**বীজ শব্দ ঃ** অসমীয়া, ম্যানমাৰ, প্ৰব্ৰজন, মান, সমাজ, সংস্কৃতি ইত্যাদি।

## ০.০ অৱতৰণিকা

## ০.১ বিষয়ৰ পৰিচয় ঃ

অসমৰ সৰহ সংখ্যক নৃ-গোষ্ঠীয়লোক ভিন্ন সময়ত বিভিন্ন প্ৰদেশৰ পৰা প্ৰব্ৰজন কৰি অসমত বসবাস কৰি আছে। আহোম ৰাজত্বৰ সময়ছোৱাত অসমৰ দাঁতি-কাষৰীয়া ৰাজ্যসমূহৰ উপৰিও সীমান্তীয় দেশৰ ভৌগোলিক চাৰিসীমালৈ অসমৰপৰা প্ৰব্ৰজিত অসমীয়া মানুহৰ বৰ্ণনা বুৰঞ্জীসমূহত পোৱা যায়। আহোম শাসনকালৰ ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ মানৰ আক্ৰমণে অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক ভেটি সম্পূৰ্ণৰূপে ভাঙি পেলায় । অসমৰ হাজাৰ হাজাৰ লোকৰ মৃত্যু হয় আৰু অসমৰ বহু বাসিন্দা প্ৰাণৰ ভয়ত দাঁতিকাষৰীয়া ৰাজ্যত আশ্ৰয় গ্ৰহণ কৰে। মান আৰু আহোমৰ যুদ্ধত কেইবাহাজাৰ যুদ্ধবন্দী সৈন্য আৰু প্ৰজাক মানসকলে যাত্ৰা পথত ভাৰ কঢ়িয়াবলৈ আৰু নিজদেশত দাস হিচাপে নিয়োগ কৰিবলৈ লৈ গৈছিল।

অসমৰপৰা প্ৰব্ৰজিত ম্যানমাৰৰ বাসিন্দাসকলৰ বিষয়ে দুই তিনিখন গ্ৰন্থ (ভ্ৰমণ বিষয়ক) প্ৰকাশ হৈছে যদিও গ্ৰন্থকেইখনত তেওঁলোকৰ ইতিহাস,প্ৰব্ৰজনৰ কাৰণ আৰু প্ৰব্ৰজিতসকলৰ পূৰ্বৰ সমাজখনৰ সকলো দিশৰ আলোচনা হোৱা নাই। ঐতিহাসিক দৃষ্টিভংগীৰে নৃ-তাত্ত্বিক পদ্ধতিৰ সহায়ত ম্যানমাৰৰ অসমৰ বাসিন্দাসকলৰ ইতিহাস আৰু বৰ্তমানৰ অৱস্তিতিৰ বিষয়ে অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা আছে।

## ০.২ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ

অসমৰ পৰা ম্যানমাৰলৈ প্ৰব্ৰজিত লোকসকলৰ ইতিহাস আৰু বৰ্তমানৰ অৱস্থিতিৰ বিষয়ে কৰা আলোচনা সীমিত। অসমৰ বুৰঞ্জীসমূহত মানৰ বিস্তৃত বিৱৰণ পোৱা যায় কিন্তু মানে বন্দী হিচাপে লৈ যোৱা অসমীয়াসকলৰ পিছৰ সময়ছোৱাৰ বিষয়ে কোনো এখন গ্ৰন্থত আলোচনা কৰা নাই। মানৰ লগত আহোমৰ পৰাজয়ৰ সন্ধিস্বৰূপে মানৰজালৈ আহোম কুঁৱৰী আৰু বহু সংখ্যক অসমীয়া লোকক বলপূৰ্বকভাবে ম্যানমাৰলৈ পঠোৱা হৈছিল। এই অসমীয়া লোকসকলৰ বিষয়ে অসমৰ কোনো এখন বুৰঞ্জীতে উল্লেখ কৰা নাই। কেৱল সময় আৰু যুদ্ধৰ বৰ্ণনাতে আলোচনা সামৰা হৈছে। লক্ষ্যণীয়ভাবে পূৰ্ণকান্ত বুঢ়াগোঁহাইৰ ভ্ৰমণবিষয়ক *পাত্‌কাইৰ ইপাৰে ন বছৰ* (২০১৩), গ্ৰন্থখনত ম্যানমাৰৰ বিভিন্ন অঞ্চলত অসমীয়া সংস্কৃতিৰে পৰিপূৰ্ণ অসমৰ বাসিন্দাসকলৰ বিষয়ে বৰ্ণনা কৰা হৈছে। তাৰ পিছত তপন কুমাৰ শৰ্মাৰ *মানৰ দেশত* (২০১৬),

বিমল ফুকনৰ *এই যাত্ৰা অবিৰাম* (২০১৬), গ্ৰন্থদুখনত মানৰ আক্ৰমণৰ সময়তে অসমৰ পৰা প্ৰব্ৰজিত হৈ ম্যানমাৰ দেশৰ জনসাধাৰণৰ লগত কেনেদৰে বসবাস কৰি আছে তাৰে আলোচনা কৰা হৈছে। কিন্তু তিনিওখন গ্ৰন্থ ভ্ৰমণ বিষয়ক হোৱা হেতুকে ম্যানমাৰলৈ প্ৰব্ৰজিত অসমৰ বাসিন্দাসকলৰ ইতিহাস,প্ৰব্ৰজন,সমাজ-সংস্কৃতি আদি সকলোবোৰ দিশৰ গৱেষণাধৰ্মী আলোচনা হেৰা নাই। এয়া গ্ৰন্থকেইখনৰ সীমাৱদ্ধতাও হ'ব পাৰে। বাসিন্দাসকলৰ প্ৰব্ৰজনৰ কাৰণসমূহৰ লগতে ম্যানমাৰৰ সংস্কৃতিৰ সংস্পৰ্শত অসমৰ বাসিন্দাসকলৰ ভাষা-সংস্কৃতি পৰিৱৰ্তনৰ কাৰকসমূহৰ ব্যাখ্যা বৰ্তমানলৈ প্ৰকাশিত কোনো এখন গ্ৰন্থতে পোৱা নাযায়।

## ০.৩ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ

ৰাষ্ট্ৰীয় বহিৰ্ভূত জনসমষ্টী এটাৰ প্ৰব্ৰজনৰ ইতিহাস অধ্যয়ন কৰিবলৈ যাওঁতে কিছুমান সমস্যাৰ সৃষ্টি হ'ব পাৰে। বিশেষকৈ ম্যানমাৰৰ অসমৰ বাসিন্দাসকলৰ প্ৰব্ৰজনৰ ইতিহাস সমন্ধে বুৰঞ্জীৰ পাতত লিপিবদ্ধ তথ্যসমূহ কিমানদূৰ সত্য বা মূলৰ সৈতে বিচ্ছিন্ন হোৱা কাৰণসমূহ আৰু সমাজ-সংস্কৃতিৰ সংমিশ্ৰণৰ কাৰকসমূহৰ অধ্যয়নত সঠিক পদ্ধতি আৰু সঠিক তথ্যৰ অবিহনে আলোচনাৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হ'ব পাৰে। অসমৰ পৰা প্ৰব্ৰজিত ম্যানমাৰৰ বাসিন্দাসকলৰ অধ্যয়ন ভৌগোলিকভাবে আন্তঃৰাষ্ট্ৰীয় অধ্যয়ন। অধ্যয়নৰ বিষয় বিশ্লেষণত সমস্যা নাথাকিলেও প্ৰব্ৰজিত লোকসকলৰ ইতিহাস,সমাজ-সংস্কৃতি আৰু বৰ্তমানৰ অৱস্তিতি সম্পৰ্কীয় তথ্য আহৰণৰ ক্ষেত্ৰত আভ্যন্তৰীণ বা ৰাজনৈতিক সমস্যা হ'ব পাৰে। গতিকে অসমৰ পৰা প্ৰব্ৰজিত লোকসকলৰ ইতিহাস আৰু বৰ্তমান অৱস্তিতি অধ্যয়নৰ প্ৰয়োজনীয়তা আছে। এই উদ্দেশ্যে **অসমৰ পৰা প্ৰব্ৰজিত ম্যানমাৰৰ বাসিন্দাসকলৰ ইতিহাস আৰু বৰ্তমান ঃ এটি অধ্যয়ন** বিষয়টো এই আলোচনা পত্ৰত আলোচনা কৰিবলৈ লোৱা হৈছে।

প্ৰায় দুশবছৰ আগতেই ম্যানমাৰলৈ প্ৰব্ৰজিত অসমীয়াসকলৰ প্ৰাসংগিকতা গুৰুত্বপূৰ্ণ। ম্যানমাৰৰ বিভিন্ন অঞ্চলত বসবাস কৰি থকা অসমৰ বাসিন্দাসকলৰ প্ৰব্ৰজনৰ ইতিহাস আৰু সমাজ-সংস্কৃতি পৰিৱৰ্তনৰ কাৰকসমূহৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আছে নে নাই এই আলোচনাপত্ৰৰ আলোচনাৰ পৰা জানিব পৰা যাব। গতিকে এই দিশৰ পৰা আলোচনা পত্ৰখনৰ অধ্যয়নৰ গুৰুত্ব নিৰ্ণয় কৰিব পাৰি।

## ০.৪ অধ্যয়নৰ পদ্ধতি ঃ

**অসমৰপৰা প্ৰব্ৰজিত ম্যানমাৰৰ বাসিন্দাসকলৰ ইতিহাস আৰু বৰ্তমান ঃ এটি অধ্যয়ন** শীৰ্ষক আলোচনাপত্ৰখনৰ অধ্যয়নৰ পদ্ধতি হিচাপে প্ৰধানকৈ ঐতিহাসিক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ প্ৰয়োগ কৰা হৈছে। ঐতিহাসিক পদ্ধতিৰ জৰিয়তে ম্যানমাৰৰ অসমৰ বাসিন্দাসকলৰ ইতিহাস অধ্যয়ন কৰা হ'ব। ক'ৰ পৰা কেতিয়া, কিয় আৰু কেনেকৈ অসমৰ বাসিন্দাসকল প্ৰব্ৰজিত

হৈছিল তাৰ ইতিহাস অধ্যয়নত ঐতিহাসিক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। ইতিহাস অধ্যয়ন কৰোঁতে প্ৰাপ্ত তথ্যসমূহ বৰ্ণনা বা আলোচনা কৰোঁতে আৰু বিষয় অধ্যয়নৰ পদ্ধতি-বিচাৰ আৰু প্ৰাসংগিকতাৰ আলোচনাৰ ক্ষেত্ৰত বিশ্লেষণাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

### ০.৫ অধ্যয়নৰ পৰিসৰ ঃ

আলোচনা পত্ৰখনৰ পৰিসৰত অসমৰপৰা প্ৰব্ৰজিত ম্যানমাৰৰ বাসিন্দাসকলৰ ইতিহাস অধ্যয়ন, বৰ্তমানৰ অৱস্তিতি আৰু সমাজ-সংস্কৃতিৰ বিষয়ে আলোচনা কৰা হ'ব।

## ১.০ অসমৰ পৰা প্ৰব্ৰজিত ম্যানমাৰৰ বাসিন্দাসকলৰ ইতিহাস ঃ

## ১.১ অতীতৰ পৰা বৰ্তমানলৈ

অসমত আহোমৰ ৬০০ বছৰীয়া শাসনকালত বহু উত্থান-পতন হৈছে। অসমৰ বাসিন্দাসকলে বহু প্ৰত্যাহ্বানেৰে ভৰা সময় পাৰ কৰিবলগীয়া হৈছে। কিন্তু অসমৰ বাবে আটাইতকৈ দুখ আৰু উদ্বেগজনক সময়খিনি হ'ল ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ সময়খিনি অৰ্থাৎ মানৰ অসম আক্ৰমণৰ সময়ছোৱা। অসমক মান সেনাই তিনিবাৰ আক্ৰমণ কৰিছিল। আহোম মন্ত্ৰীসভাৰ বুঢ়াগোহাই পদবীৰ *পূৰ্ণানন্দ* আৰু বৰফুকন পদবীৰ *বদন* ৰ মাজত মুকলিকৈ বিবাদৰ সৃষ্টি হয়। বদন গৈ মানদেশৰ ৰজাৰ ওচৰত সহায় ভিক্ষা কৰিলে। মান ৰজাৰ আজ্ঞা অনুসৰি ১৮১৭ চনত মান সেনাৰ সেনাপতি আৰু প্ৰায় ১৫ হাজাৰ সৈন্য লৈ অসম আক্ৰমণ কৰিলে। এইয়া হ'ল মানৰ প্ৰথম অসম আক্ৰমণ। ইয়াৰ পিছত ১৮১৯ আৰু শেষৰবাৰ ১৮২১ চনত পুনৰ দুবাৰকৈ অসম আক্ৰমণ কৰি ১৮২১ চনৰ পৰা ১৮২৪ চনলৈ ৩ বছৰ ১০ মাহ ১৯ দিন অসমত মানে ৰাজত্ব কৰিছিল।[১] মান সকলে অসমৰ প্ৰজাৰ ওপৰত অমানৱীয় অত্যাচাৰ কৰিছিল। মানুহক অতি নিৰ্দয়ভাবে হত্যা কৰি ধন-সোণ লুটপাত কৰি নিছিল। উল্লেখযোগ্য যে মানৰ তিনিওটা আক্ৰমণতে অসমীয়া সৈন্য পৰাস্ত হৈছিল। মান সৈন্য যুদ্ধত জয়ী হৈ অসমীয়া সৈন্যসকলক বৰ্বৰ শাস্তি দিছিল। মানে প্ৰথম আক্ৰমণত জয়ী হৈ চন্দ্ৰকান্ত সিংহক ৰাজ্য ওভতাই দিয়া আৰু যুদ্ধৰ খৰচৰ বাবদ তেওঁলোকে ৰজাৰ পৰা উপহাৰ বিচাৰিলে। চন্দ্ৰকান্ত সিংহই তুঙ্গখুঙ্গীয়া ফৈদৰ জাম্বৰ চাৰিং ৰজাৰ ডালৰ বগা কোঁৱৰৰ জীয়েক হেম আইদেউক ৰজাৰ নিজৰ জীয়েক বুলি মান ৰজা বডোফালৈ বিয়া দি মিত্ৰতা কৰিলে। হেম আইদেউৰ লগত ককায়েক বিহুৰাম কোঁৱৰৰ সহিতে অনেক মিতিৰ-কুটুম্ব আৰু ভালেমান আইদেউৰ সমনীয়া ছোৱালী লগত দি পঠালে। ইয়াৰ বাহিৰেও আইদেউৰ আল-পৈচান ধৰিবলৈ অনেক বন্দী-বেটী গৈছিল আৰু আইদেউৰ সন্মানৰ অৰ্থে পাঁচশ (৫০০) অসমীয়া ৰণুৱাক সপৰিবাৰে তেওঁৰ লগত মান দেশলৈ পঠোৱা হৈছিল। ইয়াৰ উপৰিও প্ৰায় ত্ৰিশ হাজাৰ(৩০,০০০) অসমীয়া সৈন্যক বন্দী কৰি লৈ যায় আৰু তাৰে বহুতকে অত্যাচাৰ কৰি হত্যা কৰে। বাকী সৈন্যসকলক তেওঁলোকে দাস হিচাপে নিয়োগ কৰিছিল।[২]

ইংৰাজ গ্ৰন্থকাৰ V.C.Scott O'Connor ৰ "The Silken East " নামৰ গ্ৰন্থত

লিখিছে যে ব্ৰহ্মদেশৰ ভামো অঞ্চলৰ দাঁতিত "উইথালী" নামৰ এখন অসমীয়া গাঁও আছে। ব্ৰহ্মদেশৰ বডোফা ৰজাৰ সময়ত অৰ্থাৎ অসমত মানৰ প্ৰথম আক্ৰমণৰ সময়ত অহা পাঁচশ(৫০০) অসমীয়া সৈন্যৰ বংশ-পৰিয়াল উইথালী গাঁৱত বসবাস কৰি আছে। ইংৰাজী ১৮৯১ চনত ব্ৰহ্মদেশৰ চেন্সাচ ৰিপ'ৰ্টত ব্ৰহ্মদেশত বসবাস কৰি থকা অসমীয়া মানুহৰ বিষয়ে উল্লেখ থকা অনুসৰি যোগেশ্বৰ সিংহৰ মাক যোৱা নাছিল, তেওঁৰ জীয়েক (হেম আইদেউ) আৰু দুটি পুত্ৰৰ সৈতে মান সেনাৰ লগত ব্ৰহ্মদেশলৈ গৈছিল।[৩] কিন্তু কেৱল যোগেশ্বৰ সিংহ, জীয়েক আৰু পুত্ৰ দুজনেই যোৱা নাছিল। তেওঁলোকৰ লগত সৈন্য, লিগিৰা-লিগিৰী, ভকত, নাচ-গান কৰা লোক আৰু সাদাৰণ প্ৰজাকে ধৰি বহু অসনীয়া মানুহ ব্ৰহ্মদেশলৈ গৈছিল।

"পাটকাইৰ সিপাৰে ন'বছৰ" গ্ৰন্থত পূৰ্ণকান্ত বুঢ়াগোঁহাঞিয়ে ব্ৰহ্মদেশত অসমৰ পৰা যোৱা অসমীয়াৰ সতি-সন্ততি সকল কেনেদৰে আছে তাৰ বিষয়ে উল্লেখ কৰিছে। ব্ৰহ্মদেশৰ মুগং,মান্দালয়,কিৎকিনা,ভামো,হুকং আদি অঞ্চল সমূহত অসমৰ পৰা যোৱা বাসিন্দাসকল সম্পূৰ্ণভাবে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিয়ে বসবাস কৰি আছে। তেওঁলোকৰ মাজত চৰকাৰী চাকৰি কৰা অসমীয়া মানুহ থকা বুলি উল্লেখ কৰিছে। তাপিং উপত্যকাৰ মাউবেন গাঁৱত গঙ্গাৰাম বৰগোহাঞি(বৰ্মা নাম থুংজী)য়ে 'তজী' অৰ্থাৎ গাঁওবুঢ়াৰ কাম কৰে। এওঁ হেম আইদেউৰ লগত অহা মানুহৰ বংশৰ। ভামোৰ স্বৰ্গীয় নাৰায়ণ বৰগোহাঞিৰ পুত্ৰ।[৪] হেম আইদেউৰ লগত যোৱা ককায়েক যোগেশ্বৰ কোঁৱৰক ব্ৰহ্মৰজাই 'মোগং' নামৰ ঠাইৰ শাসনকৰ্তা পাতে। তেওঁৰ লগত যোৱা সৈনিক সকলক পৰিয়ালৰ সতে মোগাঙতে থাকিবলৈ দিয়ে। ঠিক তেনেদৰে মান্দালয়ৰ পশ্চিমদিশৰ 'দনাজান' গাৱত প্ৰায় ৩০ ঘৰমান অসমীয়া মানুহ গাঁওপাতি থকাৰ কথা পূৰ্ণকান্ত বুঢ়াগোহাঞিয়ে উল্লেখ কৰিছে। এই অসমীয়া মানুহবোৰৰ মাজত কায়স্থ,কলিতা,মতক,কছাৰী,আহোম,বামুণ আদি খেলৰ মানুহ আছে। হেম আইদেউৰ স্বামী বাগ্যিদৰাই গাঁও পাতি থাকিবলৈ দিছিল। এই লোকসকল বৌদ্ধ ধৰ্মাৱলী হয় যদিও অসমীয়া নিয়মেৰে সকাম-নিকাম কৰি অসমীয়া সংস্কৃতিৰে জীয়াই আছিল। গাঁৱত নামঘৰ আছিল আৰু সিংহাসন বৌদ্ধ মঠৰ দৰে তৈয়াৰি কিন্তু থাপনাত কীৰ্ত্তন পুথি আছিল।[৫]

তপন কুমাৰ শৰ্মাৰ *মানৱ দেশত* গ্ৰন্থত উল্লেখ কৰিছে যে ১৮২৪ চনৰ পৰা ১৮৩৭ চনৰ ভিতৰত ব্ৰিটিছসকল অসম আৰু হুকং উপত্যকা জিংপাও (চিংফৌ) সকলৰ সংস্পৰ্শলৈ আহিছিল। ব্ৰিটিছৰ অনুসন্ধানত জিংপাওসকলে বহু অসমীয়ালোকক দাস হিচাপে ব্যৱহাৰ কৰিছিল আৰু অন্য জাতিক বিক্ৰী কৰিছিল। ১৮৩৫ চনলৈকে দাসসকল সম্পূৰ্ণৰূপে অসমীয়া আছিল। ১৯২৫ চনত ব্ৰিটিছসকলে দাসসকলক মুক্তি দিয়ে। মুঠ ৭৯০৩ জন দাসৰ ভিতৰত ৩৪৬৬ জন দাস পোৱা গৈছিল। সেইসময়লৈ সকলো দাসেই জিংপাও ভাষা ব্যৱহাৰ কৰিছিল, তাৰে ২০৮১ জনে নিজকে অসমীয়া বুলি পৰিচয় দিছিল।[৬]

বৰ্তমান ম্যানমাৰৰ মান্দালয়, ভামো, অমৰাৱতী, হুকং আদি অঞ্চলত মান ৰজালৈ বিয়া দিয়া হেম আইদেউৰ লগত যোৱা প্ৰায় ত্ৰিশ ঘৰমান অসমীয়া মানুহে বাস কৰে । এওঁলোকে অসমীয়া

ভাষা সমূলি পাহৰি পেলাইছে। ভাষা-সাহিত্য-সংস্কৃতিৰ সংমিশ্ৰণৰ ফলত নিজৰ ভাষা-সাহিত্য-সংস্কৃতি নোহোৱা হ'ল। ম্যানমাৰৰ অসমৰ প্ৰব্ৰজিত বাসিন্দাসকলৰ মাজত কেৱল দুই এজন বাসিন্দাই নিজৰ অসমীয়া ভাষা ভঙা-ভঙাকৈ ক'বলৈ চেষ্টা কৰে। উল্লেখনীয়ভাবে মান্দালয় নগৰৰ বাসিন্দা পদ্মমালা ( ৮৫, বৰ্তমান মৃত) নামৰ অসমীয়া মহিলা গৰাকীয়ে আত্মজীৱনীমূলক পুস্তিকা এখন প্ৰকাশ কৰিছে। তেওঁৰ পুস্তিকাখনৰ বেটুপাতত লিখিছে "বৈশালী ৰাণীৰ অনুগামী - আমি অসমীয়াসকল" (The Followers of Princess Vaisale - we the Assamies)। তেওৰঁ পুস্তিকাখনৰ প্ৰথম অধ্যায়টোৰ নাম "বৈশালী ৰাণীৰ আত্মীয় আৰু অনুগামীসকল"(The Relatives and Followers of Princess Vaisale)। তেওঁ দেউতাকহঁতৰ মুখৰ পৰা শুনা বৈশালী ৰাণী আৰু তদানীন্তন সময়ৰ অসমীয়া সমাজখনৰ চমু ইতিহাস আৰু সামাজিক সংঘাতসমূহ বৰ্ণনা কৰিছে।[৭]

## ১.২ প্ৰব্ৰজনৰ কাৰণসমূহ

অসমৰ পৰা ম্যানমাৰলৈ প্ৰব্ৰজিত হোৱা লোকসকলৰ প্ৰব্ৰজনৰ কাৰণসমূহ বিশ্লেষণ কৰিলে বহুকেইটা কাৰণ পোৱা যায়

(ক) মান আৰু আহোমৰ যুদ্ধত হাজাৰ হাজাৰ সৈনিক মৃত্যু আৰু বন্দী হয়। দুয়োপক্ষৰ এই যুদ্ধবন্দী সৈনিকসকল দুখন দেশলৈ প্ৰব্ৰজিত হয়। ম্যানমাৰৰ বন্দী সৈনিকসকল অসমলৈ আৰু অসমৰ সৈনিকসকল ম্যানমাৰলৈ প্ৰব্ৰজিত হয়। দুখন দেশৰ যুদ্ধৰ ফলস্বৰূপে অনিচ্ছাকৃতভাবে তেওঁলোকে প্ৰব্ৰজন কৰিবলগীয়া হয়। গতিকে এই প্ৰব্ৰজন সম্পূৰ্ণভাৱে অনিচ্ছাকৃত।

(খ) দ্বিতীয়তে, যুদ্ধত পৰাস্ত আহোম ৰজাই মানদেশৰ ৰজাক বিভিন্ন উপঢৌকনৰ লগতে গাভৰু ছোৱালী, বিভিন্ন ধৰণেৰে পাকৈত ৰণুৱা-বনুৱা, সাধাৰণ প্ৰজা আদি দিব লগা হৈছিল। এই লোকসকল নিজ ইচ্ছানুসৰি মানদেশলৈ যোৱা নাছিল,ৰজাৰ আদেশ অনুসৰি গৈছিল আৰু ৰজাৰ আদেশ অমান্য কৰা শক্তি কাৰো নাছিল।

(গ) মান দেশৰ ৰজাক আহোম ৰজাই উপহাৰ স্বৰূপে আহোম কুঁৱৰী *হেম আইদেউক* মানৰজা বাগ্যিদৰাক বিয়া দিছিল। কুঁৱৰীৰ লগত প্ৰায় ৫০০০ হাজাৰ অসমীয়া প্ৰজা মানদেশলৈ পঠাইছিল। এই প্ৰজাসকলে অসমীয়া সংস্কৃতিৰ প্ৰায়সমূহ উপাদান লগত লৈ গৈছিল। এই প্ৰব্ৰজন কিছু সংখ্যকলোকৰ ইচ্ছাকৃত আৰু কিছুমানৰ অনিচ্ছাকৃত প্ৰব্ৰজন আছিল।

(ঘ) মানসকল অসমৰপৰা যোৱাৰ পাছতো অসমৰ বহুলোকে ম্যানমাৰলৈ প্ৰব্ৰজন কৰিছে। ঊনবিংশ আৰু বিংশ শতিকাত চাকৰি, বিভিন্ন ধৰণৰ ব্যৱসায় কৰিবলৈ অসমৰ লোকসকল ম্যানমাৰলৈ প্ৰব্ৰজন কৰিছিল।

## ২.০ অসমৰপৰা প্ৰব্ৰজিত ম্যানমাৰৰ বাসিন্দাসকলৰ বৰ্তমানৰ অৱস্থান

## ২.১ সামাজিক-সাংস্কৃতিক অৱস্থান

অসমৰপৰা প্ৰব্ৰজিত ম্যানমাৰৰ বাসিন্দাসকলৰ কিছুসংখ্যক বাসিন্দা বৰ্তমান ম্যানমাৰৰ 'মান্দালয়' নামৰ নগৰৰ আশে-পাশে বাস কৰে। প্ৰায় বিশ ঘৰমান অসমীয়ালোকে বাস কৰে। এই প্ৰব্ৰজিত অসমীয়া লোকসকল ম্যানমাৰৰ সমাজ-সংস্কৃতিৰ লগত সম্পূৰ্ণৰূপে মিলি গ'ল। ঊনবিংশ শতিকাৰ প্ৰব্ৰজিত অসমীয়া লোকসকলৰ যি সমাজ-ব্যৱস্থা আছিল বৰ্তমান সমূলি নাই। অসমীয়া ভাষা,ৰীতি-নীতি,আচাৰ-অনুষ্ঠান,সাহিত্য-সংস্কৃতি সকলো হেৰুৱালে। অসমীয়া সংস্কৃতিৰ প্ৰাণ কেন্দ্ৰস্বৰূপ নামঘৰ, য'ত সকলো প্ৰব্ৰজিত অসমীয়া লোকসকলে একেলগে নাম-কীৰ্ত্তন কৰিছিল, বিভিন্ন ধৰণৰ সামাজিক আলোচনা হৈছিল, আইনাম,পানীতোলা সবাহ,জন্মাষ্ট্ৰমী,শংকৰদেৱ-মাধৱদেৱৰ তিথিও পাতিছিল, কিন্তু বৰ্তমান তেওঁলোকৰ সমাজত নামঘৰ নাই। বৰ্তমান তেওঁলোক বাৰ্মান আৰু অসমীয়া সংমিশ্ৰত সংস্কৃতিৰ মাজেৰে সমাজত বসবাস কৰি আছে।

বৰ্তমানৰ প্ৰব্ৰজিত ম্যানমাৰৰ অসমীয়াসকল বৌদ্ধ ধৰ্মালম্বী। বাৰ্মানসকলৰ সংস্কৃতি আৰু হিন্দু সংস্কৃতিৰ সংমিশ্ৰণেৰে সৃষ্ট এখন নতুন সমাজৰ নীতি-নিয়মৰ মাজেৰে তেওঁলোকে বসবাস কৰি আছে। বৌদ্ধ ধৰ্মৰ ৰীতি-নীতিৰে পৰিয়ালৰ সকলো নিয়ম পালন কৰে। তেওঁলোকে দৈনন্দিন কথা-বাৰ্তাত বাৰ্মান ভাষা ব্যৱহাৰ কৰে,খাদ্য,সাজপাৰ আদি সকলো ক্ষেত্ৰত বাৰ্মান সংস্কৃতি গ্ৰহন কৰে, কিন্তু তাৰ মাজতে হিন্দু ধৰ্মৰ লক্ষ্মী পূজা, দূৰ্গা পূজা, কৃষ্ণ জন্মাষ্ট্ৰমী আৰু অন্য ধৰ্মীয় তিথি সমূহও পালন কৰে। বৰ্তমান মান্দালয়,দোনাজান,ভামো আদি অঞ্চলত অসমীয়া লোকসকল আছে। অৱশ্যে ভাষা,খাদ্য,সামাজিক-সাংস্কৃতিক দিশৰ পৰা তেওঁলোক অসমীয়া নহয় বাৰ্মানিহে। চৰকাৰী ভাবে তেওঁলোকৰ বাৰ্মান নাম আৰু ঘৰুৱাভাবে অসমীয়া নাম ব্যৱহাৰ কৰে। যেনে—

| বাৰ্মান নাম | অসমীয়া নাম |
|---|---|
| থেন জিন | শিৱচন্দ্ৰ |
| হিন ছি | চন্দ্ৰময়ী |

## ২.২ ৰাজনৈতিক অৱস্থান

ম্যানমাৰৰ প্ৰব্ৰজিত অসমীয়াসকলৰ বৰ্তমান ৰাজনৈতিক অৱস্থান সম্পৰ্কে আলোচনা কৰিবলৈ যোৱাৰ আগত অসম আৰু মান দেশৰ পূৰ্বৰ ৰাজনৈতিক পটভূমি সম্পৰ্কে অৱগত হ'ব লাগিব। মানৰ আক্ৰমণে দুয়োখন দেশৰ ৰাজনৈতিক পৃষ্ঠভূমি সম্পূৰ্ণ সলনি কৰি পেলায়। মানসকলে অসম আক্ৰমণ কৰা বিষয়টো বদনচন্দ্ৰৰ আমন্ত্ৰণ মৰ্মে নে পূৰ্বৰ কোনো ৰাজনৈতিক বিবাদৰ ফলত আক্ৰমণ কৰিছিল, সেই বিষয়ে সঠিকৈ কোৱাটো কঠিন। বিভিন্ন সময়ত মানদেশৰ ৰাজনৈতিৰ পটভূমি সলনি হোৱা দেখা যায়। আনুমানিক খ্ৰীষ্টিয় ৬৫০ চনত চীনদেশীয় টাইসকলে

উত্তৰ ব্ৰহ্মদেশলৈ প্ৰব্ৰজন কৰি ৰাজ্য বিস্তাৰ কৰিবলৈ আৰম্ভ কৰে আৰু 'নানচাও' নামেৰে বিশাল শ্বান বা টাই সাম্ৰাজ্য প্ৰতিষ্ঠা কৰে। পিছলৈ 'নানচাও' সৰু সৰু টাই ৰাজ্যলৈ ৰূপান্তৰিত হয় আৰু তাৰে এটা খণ্ডৰ নাম হ'ল 'দালি' সাম্ৰাজ্য। ১২৫৫ চনত মংগোলসকলে 'দালি' দখল কৰে আৰু ব্ৰহ্মদেশত নিজৰ আধিপত্য বিস্তাৰ কৰে। আনুমানিক ত্ৰয়োদশ শতিকাৰ শেষৰ ফাললৈ মংগোলসকলে ব্ৰহ্মদেশৰ মানসকলে শাসন কৰা 'পাগান' দখল কৰে, মংগোলসকলক সহায় কৰিছিল শ্বানসকলে। মংগোলসকল ব্ৰহ্মদেশ এৰি যোৱাৰ পাছত সৰহ অংশ শ্বানসকলে শাসন কৰে। ব্ৰহ্মদেশৰ মানসকলে বহু বছৰ ধৰি হেৰুৱা ৰাজ্য উদ্ধাৰৰ বাবে শ্বানসকলৰ লগত সংঘৰ্ষত লিপ্ত হৈছিল। ষষ্ঠদশ শতিকাৰ মাজভাগলৈ মানসকলে শ্বানসকলক পৰাস্ত কৰি হেৰুৱা ৰাজ্য উদ্ধাৰ কৰিছিল।[৮] এই শ্বানসকলৰে এটা ঠাল চুকাফাৰ নেতৃত্বত পাটকাই পাৰ হৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসম ভূমিলৈ নামি আহিছিল।

মানসকলে তিনিবাৰ অসম আক্ৰমণ কৰি প্ৰায় চল্লিচ হাজাৰ অসমীয়া মানুহ ধৰি আনিছিল। তাৰে কিছুসংখ্যক জ্বৰ নৰীয়াত পৰি মৰিল,বাকীসকলক মানসকলে দাস হিচাপে নিয়োগ কৰিলে আৰু কিছুমান অসমীয়া প্ৰজাক ব্ৰহ্মদেশৰ বিভিন্ন অঞ্চলত থাকিবলৈ দিয়ে। মোগাং,হুকং,আৰাকান,ভামো,অমৰাৱতী আদি অঞ্চলসমূহত অসমীয়াসকলে গাঁও পাতি বসবাস কৰি আছিল। এই মোগাং নামৰ অসমীয়া গাঁৱৰ *কদমতী আইদেউ*ক মান ৰজাই ৰাণী পাতিছিল আৰু ৰাণীৰ ককায়েক *লুপুৰ কোঁৱৰক*ক মান ৰজাই *চিকিমিন্দা* (বাৰ্মান ভাষা)নাম দি মোগাংৰ ৰজা পাতি দিছিল। আহোম ৰজা চন্দ্ৰকান্তই মান ৰজাক উপহাৰ হিচাপে দিয়া *হেম আইদেউ*ক ৰজা বাগ্যিড'ৱাই ৰাণী পাতিছিল আৰু ককায়েক টংকেশ্বৰ কোঁৱৰক মান্দালয়ত ৰাজবিষয়া পাতে। সৰু ককায়েক মল্লো কোঁৱৰক কাথাৰৰ ৰজা পাতে। ঊনবিংশ শতিকাত মিন্দ'ন ৰজাই টংকেশ্বৰ কোঁৱৰৰ জীয়েক *নাং মাদেয়া মাপেয়াক* ৰাণী পাতি অসমীয়াসকলক ৰাজমৰ্য্যদা প্ৰদান কৰিছিল।[৯] ইয়াৰোপৰি মান ৰজাই হেম আইদেউৰ লগত যোৱা বহু অসমীয়া মানুহক বিভিন্ন ৰাজবিষয়া,কৰ-কাতল সংগ্ৰহৰ পদবী পাতি দি অসমীয়াসকলক সন্মান দিছিল। ইংৰাজৰ শাসনকালতো বহু অসমীয়ালোকে ইংৰাজসকলৰ বিষয়বাপ পাইছিল। চৰকাৰী কেৰাণী,গাঁওবঢ়া,পিয়ন আদি চাকৰী কৰি অসমীয়া হৈ গৌৰৱ অৰ্জন কৰিছিল।

বৰ্তমান প্ৰব্ৰজিত অসমীয়া লোকসকলে ৰাজনৈতিক ভাবে বিশেষ সুবিধা লাভ কৰা দেখা নাযায়। ক্ষেত্ৰ অধ্যয়নৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি তেওঁলোকৰ কোনো এজনলোক চৰকাৰী চাকৰি বা চৰকাৰৰ বিশেষ পদবীটো নাই। অৰ্থনৈতিক ভাবে তেওঁলোক যথেষ্ট পিছপৰা। অৱশ্যে ভোটাধিকাৰ লাভ কৰিছে কিন্তু চৰকাৰীভাবে তেওঁলোক অসমীয়া নহয়। তেওঁলোক যে অসমৰ পৰা প্ৰব্ৰজিত এই তথ্য চৰকাৰৰ ওচৰত নাই। প্ৰব্ৰজিত লোকসকলৰ পূৰ্বপুৰুষ সকলে যে ৰাজমৰ্য্যদা পাইছিল বা তেওঁলোকে অসমীয়া সমাজ-সংস্কৃতিৰে বসবাস কৰিছিল এই কথা বৰ্তমান ম্যানমাৰৰ অসমীয়া লোকসকলে সমূলি পাহৰি পেলাইছে। বৰ্তমানৰ ম্যানমাৰৰ প্ৰব্ৰজিত অসমীয়াসকলে অসমীয়াত্ব হেৰুৱা কেইবাটাও কাৰণৰ ভিতৰত দুটা মুখ্য কাৰণ হ'ল-প্ৰথম কাৰণ, প্ৰব্ৰজিত

অসমীয়া গাঁও সমূহত কাচিন সকলে কৰা উপদ্ৰৱ। কাচিনসকলে অসমীয়া লোকসকলৰ গাঁও সমূহত সোমাই সা-সম্পত্তি লোট-পাত কৰিছিল,মানুহ হত্যা কৰি কিছুমানক ধৰি লৈ গৈছিল। কাচিনসকলৰ উপদ্ৰৱত অসমীয়া লোকসকলৰ গাঁওসমূহ থানবান হৈ গৈছিল। দ্বিতীয় কাৰণটো হ'ল দ্বিতীয় বিশ্বযুদ্ধ। দ্বিতীয় বিশ্বযুদ্ধই ম্যানমাৰৰ অসমীয়া লোকসকলে নতুনকৈ পাতি লোৱা গাঁওসমূহ আকৌ ধ্বংসত পৰিণত হয়। বিশ্বযুদ্ধত বহু অসমীয়া মানুহৰ মৃত্যু হৈছিল। এই দুটা কাৰণতে ম্যানমাৰৰ অসমীয়াসকলে অসমীয়াত্ব হেৰুৱাইছিল।

## উপসংহাৰ ঃ

বৰ্তমান বিশ্বৰ বিভিন্ন দেশৰ প্ৰব্ৰজিত লোকসকলৰ আৰ্থ-সামাজিক, ভাষা, সাহিত্য, সংস্কৃতি, ধৰ্ম, ৰাজনৈতিক আদি বিষয়সমূহৰ অধ্যয়ন হৈ আছে। প্ৰব্ৰজিত লোকসকলক লৈ বৰ্তমান বহু ৰাষ্ট্ৰই উদ্বেগ প্ৰকাশ কৰি আহিছে। এখন ৰাষ্ট্ৰৰ পৰা যেতিয়া জনসমূহে বিভিন্ন কাৰণত প্ৰব্ৰজিত হ'ব লগীয়া হয় বা বলপূৰক ভাবে বাধ্য কৰোৱা হয়, তেনে সময়ত সেই প্ৰব্ৰজিত লোকসকলৰ জীৱন-জীৱিকা বহু প্ৰত্যাহবানেৰে ভৰি পৰে। নতুন জীৱনশৈলীৰে বেলেগ এখন দেশৰ সমাজ-সংস্কৃতিৰ অংগীভূত হৈ প্ৰথমাৱস্থাত আংশীকভাবে মিলি যাবলৈ চেষ্টা কৰে। বহু নতুন নতুন সমস্যাৰ সন্মুখীন হ'ব লগা হয়। অৱশ্যে লাহে লাহে পিছলৈ সম্পূৰ্ণৰূপে মিলি যোৱা দেখা যায়। সংস্কৃতিৰ ক্ষেত্ৰত দুই-এটা জনগোষ্ঠীয়েহে স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰি নতুন এখন সমাজৰ নীতি-নিয়মৰ মাজেৰে বসবাস কৰিবলৈ সক্ষম হয়।

ম্যানমাৰলৈ প্ৰব্ৰজিত অসমৰ লোকসকলৰ সমাজ-সংস্কৃতিৰ ক্ষেত্ৰত সংস্কৃতিৰ সংমিশ্ৰণ বা সংস্কৃতি গ্ৰহণ (Cultural Acculturation) প্ৰক্ৰিয়াৰ মাজেৰে অধ্যয়ন কৰিব পাৰি। যি প্ৰক্ৰিয়াৰদ্বাৰা কোনো এটা জনগোষ্ঠী বা এমুঠি জনসমষ্টীয়ে তেওঁলোকৰ সাংস্কৃতিক জীৱন অন্য এটা সংস্কৃতিৰ বৈশিষ্ট্যৰ প্ৰভাৱৰ ফলত সম্পূৰ্ণভাৱে পৰিবৰ্তিত হয় তাক সংস্কৃতি গ্ৰহণ (Cultural Acculturation) প্ৰক্ৰিয়া বুলি কোৱা হয়। কিন্তু তথাপিও ম্যামাৰৰ প্ৰব্ৰজিত অসমীয়াসকলৰ ক্ষেত্ৰত সংস্কৃতি সমাহৰণ (Cultural Assimilation) অভিধাটোহে বেছি প্ৰযোজ্য হ'ব। কিয়নো তেওঁলোক বাৰ্মান সংস্কৃতিৰ লগত সম্পূৰ্ণভাৱে মিলি গ'ল, দুয়োৰে সংস্কৃতিৰ মাজত পাৰ্থক্য বিচাৰি উলিওৱা কঠিন। এই আলোচনা প্ৰত্ৰখনৰ সহায়ত প্ৰব্ৰজিত লোকসকলৰ ইতিহাস, প্ৰব্ৰজনৰ কাৰণ সম্পৰ্কে জনাত সহায়ক হৈছে। ম্যানমাৰৰ প্ৰব্ৰজিত লোকসকলৰ বৰ্তমানৰ অৱস্থিতিৰ দিশটোও পোহৰলৈ আহিছে।

উদ্ধৃত বিষয়টোৰ অধ্যয়নৰ অন্তত তলত দিয়া সিদ্ধান্তসমূহত উপনীত হ'ব পৰা গ'ল—
(ক) অসমৰ পৰা ম্যানমাৰলৈ প্ৰব্ৰজিত হোৱা অসমীয়া লোকসকলৰ প্ৰধান কাৰণটো হ'ল মানৰ অসম আক্ৰমণ। মানসকলে যুদ্ধৰ পিছত বহু হাজাৰ অসমীয়া প্ৰজাক বন্দী হিচাপে লৈ যায়। অসমীয়াসকলৰ এই প্ৰব্ৰজন ইচ্ছানুসৰী হোৱা নাছিল,তেওঁলোকক ম্যানমাৰলৈ বলপূৰ্বকভাৱে লৈ যোৱা হৈছিল। গতিকে ম্যানমাৰৰ অসমীয়াসকলৰ প্ৰব্ৰজন সম্পূৰ্ণৰূপে বলপূৰ্বক।

(খ) বৰ্তমান ম্যানমাৰৰ অসমীয়াসকলে নিজস্ব সংস্কৃতি হেৰুৱাৰ মুখ্য কাৰণ হ'ল অসমীয়াসকলৰ ওপৰত কৰা কাচিনসকলৰ উপদ্ৰৱ, দ্বিতীয় বিশ্বযুদ্ধ আৰু অসমীয়া সংস্কৃতিৰ ওপৰত পৰা বাৰ্মান সংস্কৃতিৰ প্ৰভাৱ। এই তিনিটা প্ৰধান কাৰণৰ বাবেই বৰ্তমানৰ ম্যানমাৰৰ অসমীয়াসকলে নিজৰ ভাষা-সংস্কৃতি হেৰুৱাবলগীয়া হৈছিল।

(গ) অসমৰ পৰা প্ৰব্ৰজিত ম্যানমাৰৰ বাসিন্দাসকলৰ প্ৰব্ৰজনৰ ইতিহাসৰ পৰা বৰ্তমানলৈ তেওঁলোকৰ ভাষা-সাহিত্য-ধৰ্ম-সংস্কৃতি আদি বিভিন্ন দিশেৰে পৰিৱৰ্তন আহিল। কিন্তু বৰ্তমানেও তেওঁলোকে পূৰ্বৰ কিছুমান পৰম্পৰা আজিও ধৰি ৰাখিছে। কৃষ্ণ জন্মাষ্টমী,লক্ষ্মী পূজা, অন্যান্য ধৰ্মীয় তিথি আদি তেওঁলোকে আজিও নিয়মীয়াকৈ পালন কৰে।

(ঘ) ম্যানমাৰৰ অসমৰ বাসিন্দাসকলৰ সংস্কৃতি ম্যানমাৰৰ স্থানীয় সংস্কৃতিৰ লগত সম্পূৰ্ণৰূপে সংমিশ্ৰণ হৈ 'সাংস্কৃতিক সমাহৰণ' বা 'সাংস্কৃতিক সংমিশ্ৰণ' ৰূপ পালে বুলি ক'ব পাৰি। কাৰণ তেওঁলোকে নিজৰ পৰম্পৰা ধৰি ৰখাৰ লগতে কালক্ৰমত বাৰ্মান সংস্কৃতিৰেও সমৃদ্ধ হ'ল।

## পাদটীকা ঃ

[১] হিতেশ্বৰ বৰুৱা, *আহোমৰ দিন,* পৃ.৭৮১

[২] উল্লিখিত, পৃ.৩৮৪

[৩] উল্লিখিত, পৃ. ৩৮৫

[৪] পূৰ্ণকান্ত বুঢ়াগোহাঁই, *পাত্‌কাইৰ সিপাৰে ন বছৰ,* পৃ. ৯৭

[৫] উল্লিখিত, পৃ. ১১৭

[৬] তপন কুমাৰ শৰ্মা, *মানৰ দেশত,* পৃ. ৩৩

[৭] উল্লিখিত, পৃ. ৫৯

[৮] ড° ৰক্তিম ৰঞ্জন শইকীয়া *মানৰ অসন আক্ৰমণ ঃ পৰ্দাৰ আঁৰৰ ৰাজনীতি* পৃ. ৫৭,৫৮

[৯] পূৰ্ণকান্ত বুঢ়াগোহাঁই, *পাত্‌কাইৰ সিপাৰে ন বছৰ,* পৃ. ৮৭

# 'প্ৰথম কুকুৰাৰ ডাক' ঃ এখন সৰল সামাজিক উপন্যাস

**ডঃ অজিৎ শইকীয়া**
**দুলীয়াজান, ডিব্ৰুগড়, অসম**

## ১.০ অৱতৰণিকাঃ

বগাৰাম নাথৰ এখন উল্লেখযোগ্য আৰু বহুজনপঠিত উপন্যাস 'প্ৰথম কুকুৰাৰ ডাক'। উপন্যাসখন প্ৰথম প্ৰকাশ পায় ১৯৯৭ চনত। উপন্যাসৰ বিষয়বস্তু মূলতঃ মিচিং সমাজকেন্দ্ৰিক।

গ্ৰন্থখনৰ সম্যক পৰ্যালোচনা কৰাই এই গৱেষণা পত্ৰিকাৰ মূল উদ্দেশ্য। ব্যাখ্যামূলক অধ্যয়ন পদ্ধতি এই আলোচনাত ব্যৱহাৰ কৰা হৈছে।

## ২.০ বিষয়বস্তুৰ আলোচনাঃ

এটা জাতিৰ ৰাজনৈতিক বা আৰ্থ-সামাজিক জীৱনলৈ পৰিৱৰ্তন আনিব পৰা যিকোনো ধৰণৰ এটি বিপ্লৱ বা আন্দোলনো যে, এখন উপন্যাসৰ বাবে বিষয়বস্তু হ'ব পাৰে তাৰে নিদৰ্শন হৈছে বগাৰাম নাথৰ 'প্ৰথম কুকুৰাৰ ডাক' (১৯৯৭)। যোৱা শতিকাৰ আশীৰ দশকত বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ত গঢ় লৈ উঠা অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনক মূল বিষয় হিচাপে লৈ ৰচিত হোৱা উপন্যাসখনত মাজুলীৰ মিচিং জনজাতীয় সমাজ এখনো প্ৰতিফলিত হৈছে। আন্দোলনটোক কেন্দ্ৰ কৰি সমাজৰ বিভিন্ন লোকৰ মাজত গঢ় লৈ উঠা ভিন্ন মানসিকতা ইয়াত যেনেকৈ প্ৰতিফলিত হৈছে সেইদৰে, মিচিং জনজাতীয় জীৱনত আন্দোলনটোৰ মূল বিষয়টোৱে লোৱা স্থিতি আৰু তাৰ ব্যাপকতাও ইয়াত প্ৰতিফলিত হৈছে।

মইনাপাৰ আৰু মৰঙি দুখন নৈপৰীয়া গাঁও। মাজত এখন নৈ - মৰঙি। প্ৰায় আঢ়ৈকুৰি মিচিং পৰিয়ালে বসবাস কৰা মইনাপাৰৰ মুখিয়াল আৰু খেতিবাতিৰে আঢ্যৱন্ত লোক বিক্ৰম পায়েং। উদাৰ ব্যক্তি বিক্ৰমৰ ডাঙৰ ল'ৰা ধনবৰে প্ৰবেশিকা পাছ কৰি ডিব্ৰুগড়ৰ কানৈ কলেজত পঢ়িছিল যদিও ৰাজ্যজুৰি চলা অস্তিত্ব ৰক্ষা আন্দোলনত যোগদান কৰি সি পঢ়া এৰে। আন্দোলনৰ কামত ঘৰ-দুৱাৰ এৰি ঘূৰি ফুৰা ধনবৰে নিজৰ সংগ্ৰামী কাম-কাজৰ বাবে এদিন চৰকাৰৰ চকুৰ কুটা হৈ পৰিল। ককায়েকৰ এনে কামত তাৰ ভনীয়েক ঐছিঙেও সহযোগ কৰে। আনহাতে, প্ৰায় দুকুৰি অ-জনজাতীয় লোকে বাস কৰা মৰঙি গাঁৱৰ গাঁওবুঢ়া অভিৰাম। জাত্যাভিমানী আৰু দাম্ভিক স্বভাৱৰ অভিৰামে চৰকাৰী নিৰ্দেশ পালন কৰিবলৈ গৈ নিজৰ গাঁও আৰু সমাজলৈ বিপদ

কঢ়িয়াই আনে। নিজৰ জীয়েক নিৰ্মলাক গাঁৱৰ শিক্ষিত যুৱক ফটিকলৈ বিয়া দিবলৈ চেষ্টা কৰি বিফল হোৱাত তাৰ হোৰ তুলিবলৈকে ফটিকৰ বিৰুদ্ধে তেওঁ পুলিচৰ উচতায়। তেওঁৰ প্ৰৰোচনাতে গাঁৱত পুলিছ-মিলিটেৰী সোমাই গোটেই গাঁও তহিলং কৰে। আঞ্চলিক সংগ্ৰাম পৰিষদৰ সভাপতি ফটিকে পুলিছৰ ভয়ত ঘৰৰ পৰা পলাই ফুৰিব লগা হয়। মইনাপাৰ স্কুলৰ শিক্ষক ৰজনী নাথো আছিল আন্দোলনৰ সমৰ্থক। আন্দোলনৰ ভৰপকৰ সময়ত স্কুল বন্ধ হোৱাত তেওঁ সংগ্ৰামী ৰাইজৰ মুখপত্ৰ ‘অগ্নিশিখা’ৰ জৰিয়তে আন্দোলনৰ প্ৰচাৰ-প্ৰসাৰৰ কাম হাতত লয়। বিক্ৰমৰ জোঁৱায়েক মনোজ, কুকুৰা বেপাৰী ৰহমত আলি, শঙ্কৰদেৱ সংঘৰ জিলা সভাপতি ধৰ্মকান্ত মেধি, গাঁওবুঢ়া দীনেশ দত্ত, বংশী গাঁওবুঢ়া, অধিবক্তা গৌতম বৰুৱা, ৰবিন হাজৰিকা আৰু বিবেক বৰুৱা, চিকিৎসক হৰেন বৰুৱা, অধ্যাপক অবিনাশ চৌধুৰী, মহকুমাধিপতি ৰজত হাজৰিকাকে মুখ্য কৰি সাধাৰণ ব্যক্তি মূলাচন দলে, সুৱাগী হাজৰিকা, ভানুমতী আদিয়ে আন্দোলনটোৰ সপক্ষে থাকি কাম-কাজ কৰাৰ বিপৰীতে নিজৰ সান্দহ খোৱা বালি তল যোৱাৰ ভয়ত বিধায়ক ত্ৰিনয়ন মৰাং, বলেন পেগু, গাঁওবুঢ়া অভিৰাম, টংকেশ্বৰ বৰুৱা, বিচাৰপতি নগেন চৌধুৰী, অধ্যাপক জগত বৰদলৈ, ৰাজনীতিক মথুৰা তাঁতী, পুনীৰাম ৰংপী, কমল চৌধুৰী আদিয়ে ইয়াৰ পূৰ্ণ বিৰোধ কৰি আন্দোলনটোক বিফল কৰাৰ পূৰ্ণ চেষ্টা অব্যাহত ৰাখে। তাৰ মাজতে ১৯৮৩ চনৰ নিৰ্বাচনো হৈ যায়। এইবোৰত বাধা দিবলৈ যাওঁতেই পুলিছ-মিলিটেৰীৰ নিৰ্যাতন দিনক দিনে বাঢ়ি যায় যদিও আন্দোলনৰ সংগঠন আৰু কাম-কাজত যতি নপৰে। পুলিছৰ অত্যাচাৰত বহুতে বহু হেৰুৱালে, বহুত জখম হ’ল, ধনেশ্বৰী নামৰ বোৱাৰী এজনীৰ লগতে অভিৰামৰ জীয়েক নিৰ্মলাৰ মৃত্যু হয়। একেৰাহে কেইবা বছৰ ধৰি চলা আন্দোলনৰ পাছত অৱশেষত আন্দোলনকাৰীৰ নেতৃবৃন্দৰ লগত কেন্দ্ৰীয় চৰকাৰৰ এক চুক্তি স্বাক্ষৰিত হয়। ইয়াৰ জৰিয়তে জাতিৰ সুখ-সমৃদ্ধিৰ নতুন যুগৰ আৰম্ভণি হোৱাৰ ইংগিতেৰে উপন্যাসৰ কাহিনী সামৰণি পৰিছে।

উপন্যাসখনৰ কাহিনীটো যিহেতু অসম ইতিহাসৰ এক সঁচা কাহিনীৰ পটভূমিত থিয় কৰোৱা হৈছে; সেয়ে লেখকে ইতিহাসৰ ঘটনাৱলীৰ পৰা বৰ বেছি আঁতৰি যাব পৰা নাই। যোৱা শতিকাৰ আশীৰ দশকত হোৱা বিদেশী খেদা আন্দোলনৰ সময়ত সংঘটিত ঘটনাৱলীৰ আলমতে তেওঁ কিছুমান কাল্পনিক চৰিত্ৰৰ যোগেদি ইয়াত ঘটনাৱলী ৰূপায়িত কৰিছে। চৰিত্ৰ আৰু ঘটনাৰ বাহ্যিক সংঘাতৰ যোগেদি কাহিনীটো আগবঢ়াই নিবলৈ যাওঁতে লেখকে ইয়াত যিবোৰ কৌশল অৱলম্বন কৰিছে সেইবোৰে উপন্যাসখনক এখন সৰল গাঁথনিৰ উপন্যাসলৈ পৰিণত কৰিছে। আনহাতে, মুল বিষয়ৰ গতিধাৰা আৰু পৰিণতিত বিভিন্ন চৰিত্ৰই লোৱা ভূমিকাই কাহিনীটোক যি ৰূপ দিছে সি বিশ্বাসযোগ্য হৈ ধৰা দিছে।

এটি ৰাজনৈতিক বিষয়ক উপস্থাপন কৰিবলৈ যাওঁতে উপন্যাসখনত সমাজৰ বিভিন্ন স্তৰৰ প্ৰায় চাৰিকুৰিমান চৰিত্ৰই ভুমুকি মাৰিছে যদিও ইয়াৰে সকলো চৰিত্ৰই সমানে গুৰুত্ব পোৱা নাই। মন কৰিবলগীয়া যে, মুঠ চৰিত্ৰৰ প্ৰায় আধা সংখ্যকেই আকৌ অজনজাতীয় চৰিত্ৰ।

উপন্যাসখনৰ কাহিনীৰ তিনিটা মূল চৰিত্ৰ হৈছে ধনবৰ, ফটিক আৰু ৰজনী। মইনাপাৰ গাঁৱৰ ধনী লোক বিক্ৰম পায়েঙৰ বৰপুত্ৰ ধনবৰে ডিব্ৰুগড়ৰ কানৈ কলেজত পঢ়ি থাকোঁতে আন্দোলনত নামি পৰে। দেউতাক বিক্ৰমৰ মতে পঢ়া এৰিলে যেতিয়া ধনবৰে বিয়া পতাই উচিত। তেওঁ চৰাইমুৰীয়া গাঁৱৰ বংশী গাঁওবুঢ়াৰ জীয়েক ভানুমতীক বোৱাৰী কৰাৰ কথা ভাবে, কিন্তু ল'ৰাই আকৌ পছন্দ কৰে চিলনী চাপৰিৰ মাঘিৰাম সাতোলাৰ জীয়েক ডালিমীকহে। পিছলৈ কি কাৰণে এই একেজন ধনবৰৰ মন ডালিমীৰ পৰিৱৰ্তে ভানুমতীৰ ফালে ঢাল খাই সেয়া জনা নাযায়। পুলিছৰ ভয়ত আত্মগোপন কৰি থকা সময়ত এবাৰ ভানুমতীয়ে তাইক নিজৰ কৰি ল'বলৈ ধনবৰক জোৰ কৰাত সি কোৱা কথাখিনিৰ জৰিয়তে তাৰ জাতীয় আন্দোলনটোৰ প্ৰতি থকা নিষ্ঠা প্ৰকাশ পাইছে। সি কৈছে,

> "ধৈৰ্য্য ধৰ ভানু। মই তোৰ দায়িত্ব লৈছোঁ; কিন্তু এতিয়া নহয়। ..... আমি এটা আদৰ্শৰ কাৰণে আন্দোলন কৰিছোঁ। সেই আদৰ্শ হ'ল দেশখনত আসন্ন সংকটৰ পৰা ৰক্ষা কৰা। সেই আদৰ্শ অস্তিত্বৰ আদৰ্শ। সেই আদৰ্শ মোৰ বাবে নহয়, প্ৰতিজন অসমীয়া লোকৰ কাৰণে। এই মহান আদৰ্শ ৰক্ষা কৰিবলৈ যাওঁতে আমাৰ লগত হাজাৰ হাজাৰ মানুহ ওলাই আহিছে। তোক মই আজিয়েই পত্নী হিচাপে গ্ৰহণ কৰিলে ৰাইজে আমাক বেয়া বুলিব। ৰাইজ আমাৰ পৰা আঁতৰি যাব।" (পৃষ্ঠা ঃ ১২৪)

আন্দোলনৰ কামত দেহে কেহে লাগি থকা ধনবৰ আন্দোলনকাৰী সংগঠনৰ স্থানীয় সম্পাদক হৈ বিভিন্ন ঠাইত সংগঠনৰ কাম-কাজ কৰি থকাত সোনকালেই পুলিছৰ চকুত পৰে। সংগ্ৰামৰ কামত গোটেই অসমতে ঘূৰি ফুৰি একাধিকবাৰ গ্ৰেপ্তাৰ হোৱা ধনবৰক এসময়ত পুলিছে য'তে পাই তাতে গুলী কৰি মৰাৰ জাননীও জাৰি কৰে।

ধনবৰৰ বন্ধু ফটিক মৰঙি গাঁৱৰ শিক্ষিত যুৱক। ওচৰৰ মাইনৰ স্কুলৰ শিক্ষক বুলিয়েই নহয়, লেখা-পঢ়া জনা সু-চৰিত্ৰৰ অধিকাৰী ফটিকৰ সমাজত এটা নামো আছে। মইনাপাৰৰ ধনবৰহঁতৰ লগ হৈ সিহঁতে গোটেই অঞ্চলটোতে আন্দোলনৰ এটি বুনিয়াদ গঢ়ি তুলিছে। বিশেষকৈ জনজাতীয় গাঁওসমূহক প্ৰত্যক্ষভাৱে আন্দোলনটোত জড়িত কৰাৰ ক্ষেত্ৰত ফটিকহঁতৰ অৱদান বহু বেছি। আঞ্চলিক সংগ্ৰাম পৰিষদৰ সভাপতি হিচাপে ফটিকৰ ওপৰতো ৰজাঘৰৰ শেনচকু। বিশেষকৈ মৰঙি গাঁৱৰ গাঁওবুঢ়া অভিৰাম তাৰ প্ৰধান শত্ৰু। নিজৰ জীয়েক নিৰ্মলাক ফটিকলৈ যাচি দিওঁতেও 'বিয়া পতাৰ আগতে তাৰ নিজা আৰু সমাজৰ কাৰণে বহু কৰণীয় আছে' বুলি জনাই সেই প্ৰস্তাৱ অগ্ৰাহ্য কৰাৰ পাছৰ পৰাই অভিৰামে ফটিকৰ ওপৰত হোৰ তুলিবলৈ ছেগ চাই থাকে। আন্দোলনে সেই সুবিধা আনি দিয়াত অভিৰামে হকে-বিহকে পুলিছৰ ওচৰত ফটিকৰ বদনাম গাই তাক দেশদ্ৰোহী সজায়। পুলিছৰ ভয়ত ফটিক পলাই ফুৰিব লগা হয়। সি পলাই গৈ মৰঙি নৈৰ সিপাৰৰ চাপৰি অঞ্চলৰ মিচিং বসতিপূৰ্ণ ঠাইখন পায়গৈ। তাৰ মইনাপাৰ গাঁৱৰ শিক্ষক ৰজনী নাথৰ ঘৰত আত্মগোপন কৰি থাকি তাৰ পৰাই আন্দোলনৰ কাম-কাজ কৰাৰ

পৰিকল্পনা কৰে। ফটিকে নিৰ্মলাক বেয়া নাপায়, কিন্তু খিংখিঙীয়া আৰু দাম্ভিক স্বভাৱটোৰ বাবেই তাইৰ দেউতাক অভিৰামক ভাল নাপায়। এই ফটিকৰ তত্ত্বাৱধানতে মৰঙি গাঁৱত গোটেই কমলপুৰ মহকুমাৰ প্ৰায় ত্ৰিশ-চল্লিশখন গাঁৱৰ ৰাইজৰ সহযোগত গণ সমাবেশৰ আয়োজন চলে। মহকুমাধিপতি ৰজত হাজৰিকাই গণ সমাবেশৰ অনুমতি দিলে যদিও ফটিকৰ মনৰ সন্দেহেই শেষত সত্য হ'ল। ছাত্ৰ সন্থা, গণসংগ্ৰাম পৰিষদৰ শোভাযাত্ৰা আৰম্ভ হওঁতেই চৰকাৰৰ ঊৰ্দ্ধতন কৰ্তৃপক্ষৰ কাঢ়া নিৰ্দেশত পুলিছে বাধা প্ৰদান কৰে। ৰাইজ আৰু পুলিছৰ মাজত হোৱা হৈ-চৈৰ মাজতে কোনোবাই পুলিছৰ গালৈ শিলগুটি দলিওৱাৰ লগে লগে পুলিছৰ বন্দুক গৰজি উঠিল। পুলিছৰ গুলীৰ পৰা ফটিকক বচাবলৈ যাওঁতেই নিৰ্মলাৰ বুকুয়েদি গুলী পাৰ হৈ গ'ল। আন্দোলন শাম কটাৰ পাছত আন্দোলনকাৰী আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত হোৱা আলোচনালৈ নিমন্ত্ৰণ পায়ে ফটিকৰ তালৈ যোৱা নহ'ল।

নগাঁৱৰ মুৰমুৰীয়া গাঁৱৰ অভয় নাথ মৌজাদাৰৰ পঞ্চম পুত্ৰ ৰজনী নাথ। সৰুৰে পৰা একেলগে পঢ়া ওচৰৰে চৌকত আলিৰ জীয়েক ৰৌচনক লৈ এদিন সি গাঁৱৰ পৰা নিৰুদ্দেশ হয়। কিছুদিন য'ত-ত'ত ঘূৰি ফুৰি শেষত ব্ৰহ্মপুত্ৰ পাৰ হৈ পকীমুৰি চাপৰিত থাকি মাছ আৰু গাখীৰৰ বেপাৰ কৰি জীৱিকা চলায়। এবাৰ গাখীৰ বিক্ৰী কৰিবলৈ গৈ ঘৰলৈ ঘূৰি আহিব নোৱৰা নিশা এটাতে প্ৰচণ্ড ধুমুহাই ৰজনীৰ ঘৰটো ভাঙি সদ্যজাত সন্তানটোৰ স'তে ৰৌচনক তাৰ পৰা কাঢ়ি লৈ গ'ল। সেই ঘটনাৰ পাছতে মনৰ দুখত সি পকীমুৰি এৰি প্ৰায় পঞ্চাশ কিলোমিটাৰ নিলগৰ মইনাপাৰ চাপৰিলৈ গুচি আহে। প্ৰথমে বিক্ৰম পায়েঙৰ আশ্ৰয়তে থাকি সি তামোল-পাণৰ বেপাৰ কৰিছিল যদিও পিছলৈ ৰাইজক বুজাই-বৰাই এখন প্ৰাথমিক বিদ্যালয় আৰম্ভ কৰি তাৰে প্ৰধান শিক্ষকৰ দায়িত্ব লয়। বিক্ৰমহঁতৰ কাষতে বাস কৰা ৰজনীয়ে নিজৰ জীৱনৰ কৰুণ কাহিনী কাকো কোৱা নাছিল। ধনবৰ আৰু ফটিকৰ বন্ধু হিচাপে বিক্ৰমৰ ঘৰখনত তাৰ যথেষ্ট আদৰ। ধনবৰ পলাই ফুৰাৰ সময়ত নিজৰ সৰু ভনীয়েক ঐছিঙৰ লগতে সিহঁতৰ অঞ্চলটোৰ আন্দোলনৰ দায়িত্বও তাকে দিছিল। তাৰ উপৰিও আন্দোলনকাৰীসকলে প্ৰকাশ কৰা মুখপত্ৰ 'অগ্নিশিখা'ৰ মুখ্য সম্পাদকৰ দায়িত্বত আছিল তাৰ ওপৰতে। 'অগ্নিশিখা'ৰ প্ৰকাশিত সম্পাদকীয় আৰু অন্য প্ৰবন্ধই অধ্যাপক অবিনাশ চৌধুৰীৰ দৰে দেশপ্ৰেমিকৰো অন্তৰ স্পৰ্শ কৰে। চৰকাৰক সমালোচনা কৰি ৰাইজক আন্দোলনৰ প্ৰতি প্ৰৰোচিত কৰাৰ অপৰাধত শেষত চৰকাৰে জনপ্ৰিয় কাকতখন বন্ধ কৰে। ধনবৰৰ ভনীয়েক ঐছিঙৰ মনটো তাৰ প্ৰতি ঢাল খোৱাৰ কথাটো ৰজনীয়ে নজনা নহয়, কিন্তু ৰৌচনৰ স্মৃতিয়ে তাক বাধা দিয়ে। সহজ-সৰল ঐছিঙে আন্দোলনৰ জটিল কথাবোৰ ভালকৈ বুজি নাপায় যদিও ফটিক-ৰজনীহঁতৰ কথাবোৰ শুনি শুনি তায়ো যেন আন্দোলনটোৰ অন্তৰালত থকা মহৎ উদ্দেশ্যবোৰ অনুধাৱন কৰিব পৰা হয়। চেহেৰা-পাতিয়ে ধুনীয়া, কামে-কাজে পাকৈত ঐছিঙক ৰজনীৰো মৰম লাগে। সমাজত প্ৰচলিত জাত-কূলৰ বিষয়বোৰ আগতকৈ শিথিলো হৈছে। পিছলৈ সৰলচিতীয়া এই ছোৱালীজনীকে ৰজনীয়ে গ্ৰহণ কৰে।

উপন্যাসখনৰ এটি গুৰুত্বপূৰ্ণ চৰিত্ৰ হৈছে মইনাপাৰৰ ধনী তথা সম্ভ্ৰান্ত ব্যক্তি বিক্ৰম

পায়েং। ধান-সৰিয়হৰ খেতিৰে কেইবাটাও ভঁৰালৰ গৰাকী বিক্ৰমে দুটাকৈ হাতী পাহাৰৰ ঠিকা কামত লগায়, ম'হৰ খুঁটিতো প্ৰায় তিনিকুৰি ম'হ পোহে। বছৰি তিনি-চাৰিহাল গেঁৰা ম'হ বিক্ৰী কৰাৰ উপৰিও দহ-বাৰজনী ম'হৰ গাখীৰ সি বিক্ৰী কৰে। গাখীৰ বিক্ৰী কৰিয়েই সি দহ-বাৰ হাজাৰকৈ টকা একেলগে লয়। উপাৰ্জন যেনেকৈ বেছি বিক্ৰমৰ খৰচো কম নহয়। দুটা ভঁৰালৰ এটাৰ ধানখিনি বছৰটোৰ মদ-ভাত, আপঙতে শেষ হয়। বিহু, উৎসৱ-পাৰ্বণত বিক্ৰমৰ ঘৰত আলহীও বহুত হয়। জী-জোঁৱাই, মিতিৰ-কুটুম গোট খাই তাৰ ছকুৰিহতীয়া চাংঘৰটো ভাঙো ভাঙো কৰে। তাৰ ডাঙৰ ছোৱালী পদ্মাৱতী সোৱণশিৰিৰ পাৰৰ মনাই নামৰ ডেকা এটাৰৈ পলাই যোৱা পাঁচ বছৰমানেই হ'ল। দ্বিতীয় ছোৱালী অমিয়া ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোঁতেই অৰুণাচলৰ ফালৰ দাম্বকিয়াল ফৈদৰ ল'ৰা এটাৰৈ পলাই গ'ল। তৃতীয়জনী নামে কামে মধুমতী। গীতে-মাতে, সভাই-সমিতিয়ে আগভাগ লোৱা মধুমতীয়ে এবাৰ ৰাসত ৰাধা হৈ কৃষ্ণৰূপী মনোজমোহন মহন্তৰ লগত নিৰুদ্দেশ হয়। পিছলৈ বিক্ৰমৰ এইজন জোঁৱায়েক মনোজে ধনবৰহঁতৰ লগত অসম আন্দোলনত আত্মনিয়োগ কৰে। সৰু জীয়েক ঐছিং বিক্ৰমৰ নুমলীয়া ছোৱালী। আনহাতে, বৰপো ধনবৰ হ'ল অস্তিত্ব ৰক্ষা আন্দোলনৰ সংগ্ৰামী আৰু সৰু পুত্ৰ বাবুলা হাতী দুটাৰ কাম-কাজৰ পৰিচালক।

এজন সাধাৰণ গাঁৱলীয়া কৃষক হিচাপে বাহিৰা হাল-জাল নজনা বিক্ৰম অতি সহজ-সৰল স্বভাৱৰ। কাম-বন কৰি টকা-পইচা ঘটিব লাগে এয়াই তাৰ চিন্তা। তদুপৰি, ওপৰ দেৱতাৰ পূজা, নৰাছিগা বিহু, বৰসেৰা আদিত অগাধ বিশ্বাসী বিক্ৰমৰ মনটোও উদাৰ। যাক সি ভাল পায় তাৰ প্ৰতি সকলো উদঙাই দিয়াটো তাৰ স্বভাৱ। মৰঙি গাঁওবুঢ়া অভিৰামৰ লগত থকা বন্ধুত্বৰ বাবেই তেওঁৰ বৰজীয়েকৰ বিয়াত বিক্ৰমে পাঁচ মোন গাখীৰ বিনামূল্যে দিছিল। গাঁওবুঢ়াৰ পুতেকৰ চাকৰিৰ সময়ত নগদ টকা দি সহায় কৰিছিল। বিদেশী খেদা আন্দোলনত যোগ নিদিলেও ল'ৰাহঁতৰ কাম-কাজবোৰ দেখি-শুনি বিক্ৰমেও আন্দোলনৰ এটা ৰেহ-ৰূপ অনুমান কৰিব পৰা হয়। আন্দোলনটোৰ প্ৰতি তাৰ সমৰ্থন আছিল বাবেই গাঁৱত পতা আন্দোলনকাৰীৰ নৈশ সভাখনৰ বাবে এমোন চাউল সি আগবঢ়ায়। পুতেক ধনবৰ গ্ৰেপ্তাৰ হোৱা বুলি শুনিও বিক্ৰম বিচলিত হোৱা নাই। তাৰ মতে দেশ গ'লে তাৰ ল'ৰাও যাওক। আনবোৰ ল'ৰা ঘূৰি আহিব পাৰিলে তাৰ ল'ৰাও এদিন আহিব। বিক্ৰমক চাই তাৰ পত্নী আইমণিও নাৰীসুলভ বৈশিষ্ট্যৰে সমুজ্জ্বল আৰু একেই উদাৰ স্বভাৱৰ। বিক্ৰম পায়েঙৰ বিপৰীতে তাৰ বন্ধু মৰঙি গাঁৱৰ গাঁওবুঢ়া অভিৰাম কিন্তু স্বাৰ্থপৰ, জাত্যাভিমানী, পৰশ্ৰীকাতৰ আৰু সুবিধাবাদী। তেওঁ বন্ধুত্বৰ দোহাই দি বিক্ৰমৰ পৰা গাখীৰ-পানী, শাক-পাচলি সকলো ল'ব পাৰে কিন্তু বিক্ৰমৰ ঘৰলৈ কিবা উৎসৱ-পাৰ্বণত নিমন্ত্ৰণ দিলে তাৰ চাঙত উঠাৰ সলনি বাহিৰৰ মাটিঘৰতে গোটা তামোল-পাণ কাটি খায়, জলপানৰ সলনি দিয়া গাখীৰখিনিও ঘৰলৈ নি গা-পা ধুইহে খায়। এই অভিৰামেই নিজৰ ছোৱালী নিৰ্মলাৰ বিবাহ-প্ৰস্তাৱ অগ্ৰাহ্য কৰাৰ বাবে ফটিকৰ ওপৰত পোটক তুলিবলৈ থানালৈ গৈ তাৰ বিৰুদ্ধে অভিযোগ দি পুলিছৰ দ্বাৰা সিহঁতৰ ঘৰখনত অত্যাচাৰ কৰোৱায়।

জাতি-ধৰ্ম নিৰ্বিশেষে যোগদান কৰা আন্দোলনটোত সমাজৰ সকলো স্তৰৰ লোকেই যোগদান কৰিছিল। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ জিলা সভাপতি ধৰ্মকান্ত মেধিয়েও মনে-প্ৰাণে আন্দোলনত আত্মনিয়োগ কৰিছিল। বিভিন্ন ঠাইত ধৰ্মীয় কথাৰে জাতি-জনগোষ্ঠীৰ মাজত সমন্বয় গঢ়াৰ যোগেদি আন্দোলনৰ প্ৰাসংগিতাৰ বিষয়ে বক্তৃতা দি ফুৰা মেধিয়ে খাগৰিজানলৈও আহিছে বক্তৃতা দিবলৈ। মেধিৰ মতে,

> "সকলো ধৰ্মৰ মানুহ একগোট হৈ মহাপুৰুষ দুজনাৰ আদৰ্শেৰে অসম দেশখনক গঢ়ি তুলিব লাগে। অসমৰ পৰা বিদেশীক খেদাব নোৱাৰিলে যে অসমৰ ধৰ্ম, সংস্কৃতি বিপন্ন হ'ব সেয়া নিশ্চিত।"(পৃষ্ঠা ঃ ৬৬)

কিন্তু মেধিৰ সেই বক্তৃতা শুনি থাকিবলৈ তাত উপস্থিত থকা বিৰোধীসকলৰ ধৈৰ্য নাছিল। সিহঁতে হৈ চৈ লগাই সভাখন বিফল কৰাৰ চেষ্টা কৰি কাজিয়াৰ সৃষ্টি কৰিলে। এটা শিল আহি মেধিৰ মূৰত পৰাত সভা ভংগ হ'ল। মেধি চিকিৎসাধীন হ'ল যদিও তেওঁ নাবাচিল। অৱশ্যে মেধিৰ মৃত্যুৱে সমাজখনলৈ পৰিৱৰ্তনো আনিলে। বুঢ়া-মেথাসকলে ঘটনাটোক ধিক্কাৰ দিলে। নিজৰ ঠাইখনৰ বদনাম হোৱাৰ বাবেই বহু আন্দোলন-বিৰোধী ব্যক্তিয়ে আন্দোলনত যোগদান কৰিলে।

ৰহমত আলি উপন্যাসখনৰ এটি গুৰুত্বপূৰ্ণ চৰিত্ৰ। কলেজত দুটা শ্ৰেণী পঢ়িয়েই পঢ়া এৰা ৰহমতৰ ঘৰ যোৰহাটত। সি চাইকেলত খাং দুটা বান্ধি মিচিং গাঁওবোৰত ঘূৰি হাঁহ-কুকুৰা, ছাগলী আদি বিচাৰি ফুৰে। সেইবোৰ নি সি যোৰহাটত বিক্ৰী কৰি পৰিয়াল পোহপাল দিয়ে। শিক্ষিত ৰহমতে চাকৰি এটা পায়ো নকৰিলে। তাৰ মতে চাকৰিতকৈ ব্যৱসায়েই ভাল। মিচিং গাঁওবোৰত ঘূৰি ঘূৰি সি স্থানীয় মানুহবোৰৰ ভাষাটো শিকি লোৱাৰ বাবে মানুহবোৰেও তাক ভাল পায়। এইদৰে ঘূৰি ফুৰা ৰহমতক আন্দোলনকাৰীসকলে ইঠাইৰ বাতৰি সিঠাইত দিয়াৰ দায়িত্বদিয়ে। আন্দোলনৰ নেতৃস্থানীয় ব্যক্তিসকলে তাক যেনেকৈ বিশ্বাস কৰে, মুছলমান লোক হোৱা বাবে তাক চৰকাৰী পক্ষয়ো সন্দেহ নকৰে। সেয়ে সি ৰাজহুৱা দায়িত্বটো সুকলমেই পালন কৰি ৰজনী-ধনবৰহঁতৰ কাম-কাজত সহায় কৰিব পাৰে।

ত্ৰিনয়ন মৰাং হ'ল বিক্ৰমহঁতৰ বিধায়ক। ৰাজনীতিৰ নামত নিজৰ মানুহখিনিকে লুটি-পুতি খোৱাত সিদ্ধহস্ত ত্ৰিনয়নে আন্দোলন মুঠেই সমৰ্থন নকৰে। আন্দোলনে জাতিটোৰ কি উন্নতি কৰিব বা নকৰিব সেইবোৰ তেওঁৰ চিন্তাৰ বিষয় নহয়, এইবোৰৰ যোগেদি যে হোজা মানুহখিনিয়ে তেওঁলোকৰ ফাকতি ধৰা পেলাব আৰু তাৰ ফলত সান্দহ খোৱা বালি তল যাব সেইটোহে তেওঁৰ চিন্তাৰ বিষয়। আন্দোলন-বিপ্লৱ আদিৰ মহত্ত্ব বুজি নোপোৱা মিচিং ৰাইজক আন্দোলনমুখী কৰাৰ বাবে ধনবৰো লাহে লাগে মৰাঙৰ প্ৰতিদ্বন্দ্বী হৈ পৰে। ত্ৰিনয়নৰ দৰে তেওঁৰ ভায়েক ৰমাকান্তও একে স্বভাৱৰ। ককায়েকৰ প্ৰতাপতে ব্যবসায় কৰি বিত্তশালী হৈ পৰা ৰমাকান্তয়ো নিজৰ মানুহখিনিকে লুটি-পুতি খায়। তাৰ দোকানৰ মুনিব পৰ্শুৰাম মৰাঙো একে স্বভাৱৰ লোক। ত্ৰিনয়ন মৰাঙৰ দৰে একে স্বভাৱৰ আন এজন সুবিধাবাদী আৰু স্বাৰ্থপৰ জনজাতীয়

বিধায়ক হ'ল বলেন পেগু। চৰাইমৰীয়া গাঁৰত ভাৰাতীয়া গাড়ীৰে মানুহ কঢ়িয়াই আনি তদ্ৰূপ নেতাৰ স'তে বিশাল জনসভা পাতি বিভাজনমুখী বক্তৃতাৰে ৰাইজৰ মাজত তেওঁলোকে বিভাজন সিঁচিছে। এই কামত তেওঁৰ সহযোগী হৈছে মথুৰা তাঁতী, পুনীৰাম ৰংপী আৰু কমল চৌধুৰী।

হুন্ডাৰ চাহাব ওৰফে সেনাপতি হাজৰিকা হ'ল থানাৰ মুৰব্বী বিষয়া। আন্দোলন মষিমূৰ কৰিবৰ বাবে উঠি-পৰি লগা হাজৰিকাই অঞ্চলটোৰ পঁচিশজন গাঁওবুঢ়াক থানালৈ মাতি নি আন্দোলনত লাগি থকা গাঁৰৰ ল'ৰাবোৰৰ বিষয়ে চিন্তা কৰিবলৈ দায়িত্ব দিয়ে। তেওঁৰ মতে এই ল'ৰাবোৰেই আন্দোলনৰ নামত দেশখন তেনেই জোকাৰি পেলাইছে। ইহঁতৰ কোনো আদৰ্শ বা উদ্দেশ্যও নাই। গাঁওবুঢ়া টঙ্কেশ্বৰ বৰুৱা আদি হুন্ডাৰ চাহাবৰ আজ্ঞাবাহী সাধাৰণ চৰিত্ৰ মাত্ৰ। এওঁলোকৰ বিপৰীতে আন দুজন গাঁওবুঢ়া বংশী আৰু দীনেশ দত্ত কিন্তু ব্যতিক্ৰম। জিলা আদালতৰ বিচাৰপতি নগেন চৌধুৰী হৈছে আন এক সুবিধাবাদী চৰিত্ৰ। জিলাৰ পৰা উচ্চ আদালতলৈ যোৱাৰ তেওঁৰ এক হাবিয়াস আছে। সেয়ে, চৰকাৰক সন্তুষ্ট কৰিবৰ বাবেই তেওঁ অধিবক্তা ৰবিন হাজৰিকা আৰু বিবেক বৰুৱাই ধনবৰৰ সপক্ষে অকাট্য যুক্তি প্ৰদৰ্শন কৰাৰ পিছতো সেয়া মানি ল'ব পৰা নাই।

চৰাইমৰীয়া গাঁৰৰ গাঁওবুঢ়া বংশীৰ জীয়েক মনোমতী। প্ৰবেশিকা পাছ কৰি আন কেইজনীমান ছোৱালীৰ লগ হৈ বোৱা-কটা উদ্যোগত ধৰা ভানুমতী দেউতাকৰ দৰেই ব্যক্তিত্বসম্পন্ন। ধনবৰহঁতৰ আন্দোলনটোৰ তায়ো ভাগীদাৰ। এইজনী ভানুমতীকে পুতেক ধনবৰলৈ পছন্দ কৰিছিল বিক্ৰম পায়েঙে। পিছলৈ আন্দোলনটোৰে বেছি কাষ চপাই অনা এই ভানুমতীকে ধনবৰে নিজৰ কৰি লৈছে। চিলনী চাপৰিৰ মাঘিৰাম সাতোলাৰ জীয়েক ডালিমী। তাই ধনবৰক প্ৰাণভৰি ভাল পাইছিল। কিন্তু তাই বাৰগাম আৰু ধনবৰ দহগাম ফৈদৰ হোৱা বাবেই সিহঁতৰ সম্বন্ধক সমাজে কেতিয়াও স্বীকৃতি নিদিয়ে। সেয়ে তাই ধনবৰৰ বাবে বাট চোৱাৰ কথা চিন্তা কৰে। আচৰিত কথা, এই ডালিমীজনী আকৌ ১১৭ পৃষ্ঠাত ভুবনেশ্বৰী হৈ পৰিছে কিয় জনা নাযায়। পিছলৈ ভানুমতীৰ লগত সম্পৰ্ক হোৱাৰ পাছত ডালিমী বা ভুবনেশ্বৰীৰ কি হ'ল তাৰ উৱাদিহ উপন্যাসখনত পাবলৈ নাই।

অচ্যুত বাণিক্য হ'ল আন্দোলনকাৰীসকলৰ জিলা সভাপতি। মইনাপাৰ গাঁৰত অনুষ্ঠিত হোৱা নৈশ সভাত যোগ দিবলৈ অহা বাণিক্যহঁতৰ দৰে নেতৃবৰ্গক গাঁৱৰে দুজনমান ডেকাই নাৱেৰে লৈ আহে। বাণিক্যৰ মতে অপমানিতা, লুণ্ঠিতা মাতৃভূমিক বচাবলৈ ত্যাগতো কৰিব লাগিবই, প্ৰয়োজন হ'লে আমি আত্মবলিদানো দিব লাগিব। আনহাতে, বিকাশ বৰুৱা, বিবেক চৌধুৰী আদি এই সভাত উপস্থিত থকা আন দুজনমান সাহসী সংগ্ৰামী। নগেন চাংমাই হ'ল পুলিছ-মিলিটেৰীৰ দলটোক গাঁৱলৈ লৈ যোৱা দলটোৰ অধিনায়ক। তেওঁ বাহিৰত সংগ্ৰামীহঁতক বিচৰাৰ ভাও দিলেও আচলতে সেয়া যে কৰ্তব্যৰ তাগিদাত হে কৰিছে সেয়া নিজেই স্বীকাৰ কৰিছে। চৰাইমৰীয়া গাঁৰৰ গাঁওবুঢ়া দধিৰামক তেওঁ কৈছে যে, এনে সময়ত তেওঁলোক বাহিৰত কাঢ়া হ'লেও মনটো কিন্তু বৰ কোমল। ৰাইজক বচাবৰ কাৰণেই তেওঁ চিপাহীবোৰক ভুল বাটেৰে

সেইখন গাঁৱলৈ লৈ গৈছে। চৰকাৰী চাকৰিয়াল হৈও আন্দোলনৰ সপক্ষে কাম কৰা আন এটা চৰিত্ৰ হৈছে চৰকাৰী চিকিৎসালয়ৰ চিকিৎসক ডাঃ হৰেন বৰুৱা। শোভাযাত্ৰাত যোগদান কৰা ঐছিং আৰু ভানুমতীৰ ভৰিত পুলিছৰ গুলী লগাত এই বৰুৱায়ে চিকিৎসা কৰিছে। সাতোলা মূলাচন দলে, সুৱাগী হাজৰিকা, বংশী গাঁওবুঢ়া আদি আন্দোলন সমৰ্থন কৰা কেইগৰাকীমান বয়সস্থ ব্যক্তি। এওঁলোকে নৰসিংহপুৰ হাইস্কুলৰ খেলপথাৰত সমবেত হোৱা বিশাল ৰাইজক আন্দোলনৰ পক্ষত সম্বোধনো কৰিছিল। নৰসিংহপুৰ হাইস্কুলৰ শোভাযাত্ৰাত গুলী চালনা হোৱাত বংশী গাঁওবুঢ়াই ডাৰোগাক ধমক দি কৈছে,

> "ডাৰোগা চাহাব, বন্দুক আমৰি থওক। আমি অখমীয়াবিলাকে আমাৰ দেখৰ কাৰণে আন্দোলন কৰিছে। আমাৰ জীৱনতকৈ দেখ ডাঙৰ। তুমিলোগ অছমীয়া মানুহ। চৰকাৰৰ ঘৰৰ হুকুমমতে তঙতে অছমীয়া মানুহ গুলী কৰিবনে ? এইবিলাক তঙতৰ ল'ৰা-ছোৱালী নহয়না ?" (পৃষ্ঠা ঃ ৯২)

আনন্দপুৰ কলেজৰ অৰ্থনীতি বিজ্ঞানৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট লেখক অবিনাশ চৌধুৰীৰ মতে অকল খাই-বৈ থকাটোৱেই জীৱন নহয়, সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা সকলোৱেই চিন্তা কৰিব লাগিব। ৰাজ্যৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনটোৰ ন্যায্যতা আছে বুলি ভাবে বাবেই তেওঁ 'বিস্ফোৰণ' নামৰ কাকতখনৰ সম্পাদক মনোজ মোহন মল্লিকে অসম আন্দোলনৰ বিৰুদ্ধে মিছা কথাৰে লিখা সম্পাদকীয়টো পঢ়ি খঙত জ্বলিপকি উঠিছে। চৌধুৰীৰ বিপৰীতে ৰাজনীতি বিজ্ঞানৰ অধ্যাপক জগত বৰদলৈ এজন প্ৰতিক্ৰিয়াশীল, স্বাৰ্থপৰ ব্যক্তি। ভৱিষ্যতে ৰাজনৈতিক মুনাফা লাভৰ বাবে ৰাজনীতি কৰা স্বভাৱৰ বাবেই তেওঁ ৰজনীহঁতে উলিওৱা 'অগ্নিশিখা' পঢ়ি আস্ফালন কৰি মৰিছে। বগেন, দিলীপ, পৱন, মণিকান্ত, বাবুৰাম গাঁওবুঢ়া, ৰমেন, ভৈৰৱ, ৰত্নকান্ত, নন্দ, শান্তনু চলিহা, জনাৰ্দন কেওট, ধনেশ্বৰ, বৃন্দা, আৰতি, ময়ূৰী, নিৰুমাই, যোগমায়া আন্দোলনৰ সমৰ্থক সাধাৰণ চৰিত্ৰ। লম্বোদৰ পাম এজন নাৱৰীয়া, যি বুদ্ধি কৰি গাঁৱলৈ অহা পুলিছ-মিলিটেৰীকেইজনক নাৱেৰে দূৰৰ চৰাইমৰীয়া গাঁৱলৈ লৈ যায়। এওঁলোকৰ বিপৰীতে পঞ্চায়তৰ সদস্য মূলাৰাম হ'ল নিজৰ মানুহকে ঠগি খোৱা সুবিধাবাদী লোকৰ চৰিত্ৰ। আনহাতে, মেধি, শলীয়া, গজেন আদি তেনেই সাধাৰণ চৰিত্ৰ।

কিনাৰাম হাজৰিকা আৰু মোহন বৰুৱা ক্ৰমে জকাইচুক আৰু শ'লমাৰী গাঁৱৰ গাঁওবুঢ়া। গাঁওবুঢ়াবিলাকৰ হঠকাৰী দিশটো দাঙি ধৰাৰ বাদে এই দুটা চৰিত্ৰৰ কাহিনীত ভূমিকা নাই। সেইদৰে, বৈকুণ্ঠপুৰী সত্ৰৰ সত্ৰাধিকাৰ আৰু তেওঁৰ আলধৰা ৰাজেন চৰিত্ৰ দুটাৰো কাহিনীত তেনে কোনো সম্পৰ্ক নাই। জাত্যাভিমান আৰু জাত-পাতৰ বিচাৰত নিমজ্জিত হৈ থকা সত্ৰৰ ৰূপটো দেখুৱাবলৈহে এই দুটা চৰিত্ৰ ৰূপায়ণ কৰা যেন লাগে। অনিল ঘোষ, অচিন্ত্য ঘোষ আদি জনজাতি অধ্যুষিত অঞ্চলত ব্যৱসায় কৰা অজনজাতীয় চৰিত্ৰ। মূল কাহিনীৰ লগত সম্পৰ্ক নথকা এইবোৰ জনজাতীয় সমাজখনৰ অজ্ঞতাৰ সুযোগ লোৱা চৰিত্ৰ হিচাপেই চিত্ৰিত হৈছে। বিক্ৰমৰ ম'হৰ খুঁটিত কাম কৰা নেপালী সম্প্ৰদায়ৰ লোক বাহাদুৰ এটা তেনেই সাধাৰণ চৰিত্ৰ।

উপন্যাসখনত ইমানবোৰ চৰিত্ৰ ৰূপায়িত হৈছে যদিও অস্থিৰ ৰাজনৈতিক অৱস্থাটোৰ ৰূপদানতে লেখকে অধিক মনোনিবেশ কৰা বাবে ইয়াৰ কোনোটা চৰিত্ৰই এককভাৱে নায়কৰ স্থানলৈ উন্নীত হোৱা নাই। ধনবৰ, ফটিক আৰু ৰজনীৰ মাজেৰে সামগ্ৰিকভাৱে এটি সত্তাৰ প্ৰকাশ পাইছে যদিও ইয়াৰে এজনকো আমি নায়কৰ স্থানত বহুৱাব নোৱাৰোঁ। উপন্যাসখনৰ গোটেইবোৰ চৰিত্ৰই স্থিতিশীল গতানুগতিক চৰিত্ৰ।

মিচিং জনজাতি বসবাস কৰা এটি অঞ্চলক কেন্দ্ৰ কৰি ৰচনা কৰা উপন্যাস হিচাপে 'প্ৰথম কুকুৰাৰ ডাক'ত জনজাতিটোৰ সামাজিক জীৱনৰ বহু ছবি প্ৰতিফলিত হৈছে। মিচিং সমাজত মৃতকৰ সৎকাৰৰ পাছত কাজ-সকামৰ আয়োজন কৰা প্ৰথা প্ৰচলিত। এইবোৰত জা-জলপান, ঘৰুৱা মদৰ ব্যৱহাৰ কৰা হয়। উপন্যাসখনত দুঠাইত এনে কাজৰ উল্লেখ পোৱা যায়। নৈপৰীয়া মিচিংসকলে ধানখেতিৰ লগতে শাক-পাচলি আৰু ফল-মূলৰ খেতিও কৰে। লগতে গৰু, ম'হ, গাহৰি, হাতী, হাঁহ, কুকুৰা আদিও পোহে। মিচিং গাঁৱলীয়া সমাজত প্ৰতিটো পৰিয়ালতে ভঁৰালঘৰ, গোহালিঘৰ, কুকুৰা গঁৰাল আদি দেখিবলৈ পোৱা যায়। মিচিং তিৰোতাসকল কৰ্মপটু। খৰি-খেৰ গোটোৱাৰ পৰা পোহনীয়া জীৱ-জন্তুৰ বাবে খাদ্যৰ যোগাৰ কৰা, উৰালত ধান খুন্দা, ভাত ৰন্ধা, তাঁতশালত কাপোৰ বোৱা আদি তেওঁলোকৰ দৈনন্দিন কামৰ তালিকা। উপন্যাসখনৰ আৰম্ভণিতেই মিচিং গাঁৱৰ এনে এখন ছবি পোৱা যায়। যথা -

> "কুকুৰাৰ গঁৰালত কুকুৰাই ডাক দিছে। ওচৰৰ ভঁড়ালঘৰ, গোহালিঘৰত, তাঁতশালৰ ঘৰটোৰ চালৰ খেৰবোৰ বতাহে ফঁহিয়াই থৈছে। অনতি দূৰত থকা ম'হৰ খুঁটিখনত ম'হবোৰ তিতি আছে। খুঁটিখনো বৰষুণৰ পানীৰে বোকা হৈ গৈছে। হাঁহ, কুকুৰাৰ পোৱালীবোৰে বাঁহৰ পৰা ওলাই কোক্-কোকাই, নোক্-নোকাই খাদ্য বিচৰাত লাগিছে। চাঙৰ কাষতে থকা উৰালটোত তাৰ জীয়েক ঐছিঙে ধান খুন্দিবলৈ আৰম্ভ কৰিছে। হালোৱাবিলাকে পথাৰলৈ হালোৱা গৰুবোৰ খেদি নিছে।" (পৃষ্ঠা ঃ ১)

মিচিংসকল সাধাৰণতে কৃষিজীৱী। ধান, সৰিয়হ, তামোল-পাণ, লাই-লফা শাক, আদা, জলকীয়া আদি তেওঁলোকৰ প্ৰধান উৎপাদিত শস্য। ধানৰ ভিতৰত অমনা, নেঘেৰি, দেউৰী, ৰাঙলি বাও, শ'লপোনা, জহা, বেতগুটি, প্ৰসাদভোগ, নিয়ৰ, কদম, চকোৱা আদিয়েই প্ৰধান। বিবাহ সম্পৰ্কীয় নীতি-নিয়মৰ কথাও উপন্যাসখনত পোৱা যায়। মিচিং সমাজত সগোত্ৰীয় বিবাহ নিষিদ্ধ। পাগৰ লগত ময়েঙীয়াৰ, দহগামৰ লগত বাৰগামৰো বিবাহ স্বীকৃত নহয়। একালত মিচিঙৰ লগত মিপাগ বা অনা-মিচিঙৰ বিবাহো প্ৰচলিত নাছিল। আজিকালি অৱশ্যে এই সকলোবোৰ নিময়তে শিথিলতা আহিছে। উপন্যাসখনত ৰজনী-ঐছিং, মনোজমোহন-মধুমতীৰ সম্পৰ্কই এইবোৰ কথাকে ক'ব বিচাৰে। ডেকা-গাভৰুৰ মাজৰ প্ৰেম-বিবাহ তেওঁলোকৰ সমাজত স্বীকৃত যদিও সেই বিবাহত উভয় পৰিয়ালৰ সন্মতিৰ প্ৰয়োজনীয়তা বিচাৰ কৰা হয়। সেইদৰে, নৰাছিগা বিহু, ওপৰ দেৱতাৰ পূজা, বৰসেৱা, মৃতকৰ শ্ৰাদ্ধ আদি মিচিং সমাজত চলা উৎসৱ-পাৰ্বণৰ উল্লেখো

উপন্যাসখনত পোৱা যায়। এনে উৎসৱত ঘৰুৱা মদ, কুকুৰা-গাহৰিৰ মাংস, বিভিন্ন তৰহৰ শাক-পাচলি প্ৰধান খাদ্য হিচাপে বিবেচিত। নৈপৰীয়া মিচিংসকলৰ মাছো বৰ প্ৰিয় খাদ্য। উপন্যাসখনত কাৰৈ, মাগুৰ, খলিহনা আদি মাছৰ উল্লেখ পোৱা যায়। বৰ জুতি-বুধি বিচাৰি নুফুৰা মিচিংসকলে নিমখ-কেঁচা জলকীয়া আৰু পোৰা মাছেৰেই আনন্দ মনেৰে ভাতসাজ খাব পাৰে। ৰাগিয়াল দ্ৰব্যৰ ভিতৰত আপং, চুৰট, ধপাত, খৈনী আদি তেওঁলোকে ব্যৱহাৰ কৰে।

মিচিং সমাজত জাতি-ভেদ প্ৰথা বৰ বেছি নাই যদিও বিবাহৰ ক্ষেত্ৰত কিছু বিধান প্ৰচলিত। তেওঁলোকে অনা-মিচিঙৰ লগত বৰ বেছি মিলামিচা নকৰে যদিও তেওঁলোকক নিজতকৈ হীন বুলিও নাভাবে। এইটো গুণৰ বাবেই বিক্ৰম পায়েঙৰ দৰে সমাজৰ আঢ্যৱন্ত লোকেও অনা-মিচিং লোক অভিৰাম গাঁওবুঢ়া, বাহাদুৰৰ দৰে নেপালী ম'হগুৱাল, অচিন্ত্য ঘোষৰ দৰে বঙালী কৰ্মচাৰীৰ প্ৰতি বন্ধুত্বসুলভ ব্যৱহাৰ দেখুৱাব পাৰিছে। সেইদৰে, ঐছিঙেও অ-জনজাতীয় লোক হোৱা সত্বেও ৰজনী বা ফটিকক নিজৰ মাজত বিশ্বাসেৰে আশ্ৰয় দিব পাৰিছে। মিচিংসকলৰ বিপৰীতে অ-জনজাতীয় সমাজখন কিন্তু জাতি-ভেদ আৰু জাত্যাভিমানী ভাবধাৰাৰে পুষ্ট। এনে ভাবৰ বাবেই অভিৰাম গাঁওবুঢ়া বিক্ৰমৰ বন্ধু হোৱা সত্বেও তাৰ ঘৰৰ চাঙত নুঠে বা বিক্ৰমৰ ঘৰলৈ গ'লেও নিজে বাহিৰতে বহি তামোল কাটি খায়। অ-জনজাতীয় লোকৰ এনে মনোভাৱৰ বাবেই আত্মগোপন কৰি থকাৰ সময়ছোৱাত ধনবৰেও তেনে লোকৰ গাঁওবোৰত নিৰাপদ অনুভৱ কৰা নাই।

নৃত্য-গীত হৈছে মিচিংসকলৰ উৎসৱ-পাৰ্বণবিলাকৰ এক প্ৰধান অলংকাৰ। পঃৰাগ, আলি-আয়ে-লৃগাং, শ্ৰাদ্ধাদিত তেওঁলোকৰ ডেকা-গাভৰুসকলে হেঁপাহ পলুৱাই নৃত্য-গীত পৰিৱেশন কৰে। ইয়াৰ উপৰিও আন সময়তো তেওঁলোকৰ বিশেষকৈ ডেকা-গাভৰুসকলৰ মুখত লোকগীত ঐনিতমৰ কলি একোটা লাগি থাকেই। এনে ধৰণৰ মিচিংগীতৰ উল্লেখ গোটেই উপন্যাসখনৰ বহু ঠাইত পোৱা যায়। উল্লেখযোগ্য যে, কাহিনীৰ বিভিন্ন ঠাইত ৰেডিঅ'ৰ দ্বাৰাই হওক বা কোনো চৰিত্ৰৰ যোগেদিয়েই হওক ওমৰ খায়ামৰ কবিতা, শঙ্কৰ-মাধৱৰ গীত-পদ, কাজী নজৰুল ইছলাম, ডঃ ভূপেন হাজৰিকাৰ দেশপ্ৰেমমূলক গীত, জয়ন্ত হাজৰিকাৰ গীত, ৰবীন্দ্ৰনাথ ঠাকুৰৰ গীতি-কবিতা আদিৰ সঘন প্ৰয়োগ হৈছে।

মিচিংসকলৰ স্বভাৱ সাধাৰণতে একুবীয়া। যিটো কৰিম বুলি তেওঁলোকে ভাবে সেইটো কৰিহে শান্তি পায়। এবাৰ মইনাপাৰ গাঁৱত সোমোৱা পাঁচোটা চিপাহীয়ে মদ খাই গাঁৱৰ ছোৱালী জোকোৱাত গঞাই একগোট হৈ পাঁচোটাকে বন্দী কৰি বস্তাত ভৰাই শিল বান্ধি নৈত পেলাই দিছিল। এই কথাৰ শুং-সূত্ৰ পিছত কোনেও উলিয়াব পৰা নাছিল। তদুপৰি, ক'বলৈ নিবিচৰা কথাটো হাজাৰ যত্ন কৰিলেও তেওঁলোকৰ মুখৰ পৰা উলিয়াব নোৱাৰি। অনা-মিচিং লোকে সাধাৰণ কথাতে মানুহৰ বদনাম ৰটনা কৰা কথাটোও মিচিং সমাজত দেখা নাযায়। সাধাৰণতে সহজ-সৰল স্বভাৱৰ মিচিং গ্ৰাম্য সমাজত হিংসা-হিংসি ভাব দেখা নাযায়। এনে সৰলতাৰ কাৰণেই ঐছিঙে জ্বৰীয়া ৰজনীৰ কাষত গোটেই নিশাটো পাৰ কৰি দিব পাৰে, ভানুমতীয়ে দূৰৈৰ পথাৰত

ধনবৰক অকলে লগ পায়ো সংযত হৈ থাকিব পাৰে।

ধৰ্মত মিচিংসকল কৌলিক-পন্থী যদিও কিছু সংখ্যকে বৈষ্ণৱ ধৰ্মও গ্ৰহণ কৰা দেখা যায়। পৰম্পৰাগত সমাজখনে দনি-পল'ক বিশ্বাস কৰাৰ বিপৰীতে বৈষ্ণৱসকলে বিষ্ণুক উপাসনা কৰে। মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰভাৱো তেওঁলোকৰ ওপৰত বিদ্যমান। আন্দোলনৰ কামত খাগৰিজানৰ সভাত বক্তৃতা দিবলৈ যোৱা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ জিলা সভাপতি ধৰ্মকান্ত মেধিৰ ভাষণ সমবেত জনজাতীয় ৰাইজে একাণপতীয়াকৈ শুনিছে। আনকি, মেধিক বিৰোধী পক্ষৰ দুৰ্বৃত্তই আক্ৰমণ কৰাৰ পাছত আন্দোলন-বিৰোধী শঙ্কৰদেৱ সংঘৰ লোকসকলেও আন্দোলনত যোগদান কৰিছেহি। ইয়াৰ বিপৰীতে সত্ৰবিলাক যে, মহাপুৰুষ দুজনাই সৃষ্টি কৰা উদাৰনৈতিক চিন্তা-ধাৰা-ৰহিত হৈ পঁয়া লগা অৱস্থালৈ গতি কৰিছে সেই কথা বৈকুণ্ঠপুৰী সত্ৰৰ সত্ৰাধিকাৰৰ লগত মেধিৰ হোৱা কথোপকথনৰ যোগেদি ব্যক্ত হৈছে।

মিচিংসকল সাধাৰণতে শান্তিপ্ৰিয়। ওচৰা-উচৰিকৈ থকা আন লোকৰ লগতে মিলিজুলি থাকিহে তেওঁলোকে ভাল পায়। দ্বন্দ্ব-খৰিয়াল, হাই-উৰুমি তেওঁলোকৰ মাজত সাধাৰণতে দেখা নাযায়। লেখকৰ বৰ্ণনাত জনজাতিটোৰ এই জাতিগত স্বভাৱ মূৰ্ত হৈ উঠিছে। শান্তিপ্ৰিয় মিচিংসকলে গাঁৱৰ গাঁওবুঢ়া আৰু বুঢ়া-মেথাসকলৰ বিচাৰ ব্যৱস্থাতে আস্থা ৰাখে। গাঁৱলৈ পুলিছ অহাটো তেওঁলোকৰ বাবে বৰ লাজৰ কথা। গাঁৱত পুলিছ সোমালে গাঁৱৰ পৰা লখিমী পলাই যায় বুলি তেওঁলোকৰ বিশ্বাস। উংসৱ-পাৰ্বণত সাতোলা আৰু পুৰোহিতৰ ওপৰতে তেওঁলোকে যিদৰে নিৰ্ভৰ কৰে, সেইদৰে গাঁৱৰ প্ৰশাসনিক দিশত গাঁওবুঢ়া আৰু জ্যেষ্ঠসকলৰ বিধানেই চূড়ান্ত বুলি ভাবে।

মিচিং জনজাতীয় সমাজত শিক্ষাৰ আদৰ আছে যদিও পিছপৰা অঞ্চলবিলাকত শিক্ষাৰ নামত কেনে প্ৰহসনময় কাৰ্য চলি আছে লেখকে তাৰো সম্যক পৰিচয় দাঙি ধৰিছে। পিছপৰা বহু ঠাইত যিদৰে ভাৰাতীয়া শিক্ষকেৰে স্কুল চলি থাকে সেইদৰে বহু ঠাইত আকৌ ছাত্ৰ-ছাত্ৰীও সলনা-সলনিকৈয়ে বিদ্যালয়লৈ আহি পাঠদান গ্ৰহণ কৰে। শিক্ষা অৰ্জন কৰাতকৈ তেনে ক্ষেত্ৰত শিক্ষকক সন্তুষ্ট কৰা বা চৰকাৰী কাৰ্যসূচী চলাই থকা বিষয়টোৱেহে বেছি গুৰুত্ব পায়। চৰকাৰৰ শিক্ষা বিভাগ বা ৰাইজৰ প্ৰতিনিধিৰো এইবোৰৰ প্ৰতি ভ্ৰুক্ষেপ নাই। উপন্যাসখনত এনে এখন ছবি লেখকে দাঙি ধৰিছে। ৰজনী নাথে স্কুলৰ পৰা গুচি অহাৰ দুটা কাৰণৰ কথা কোৱা হৈছে। এটা হ'ল ভলণ্টিয়াৰ কিছুমান আহি অসম বন্ধৰ জাননী দিয়া আৰু আনটো হৈছে -

> "লগতে গাঁৱত এটা কাজ হোৱাত বহুত ল'ৰা-ছোৱালী স্কুললৈ নাহিল। কেইটামান মাত্ৰ আহিছিল ককায়েকহঁতৰ সলনি দিবলৈ; দগেৰ বোলা ল'ৰাটো আহিছিল ককায়েক মালভোগৰ সলনি; মালভোগ ম'হ ৰখিবলৈ গৈছিল। বৃকোদৰ নামৰ ল'ৰাটো অনুপস্থিত থকাত তাৰ ভায়েক ইলাৰন্ত আহিছিল। সাতোলাৰ পুতেক চকৰৰ পৰিৱৰ্তে তাৰ নাতিনীয়েক বুদাই আহিছিল।" (পৃষ্ঠা ঃ ৩৫)

মিচিংসকল যেন প্ৰকৃতিৰ মুক্ত সন্তান। প্ৰকৃতিক মাতৃ বুলি জ্ঞান কৰা মিচিংসকল প্ৰকৃতি উপাসক। এই প্ৰকৃতিৰ লগত নিজৰ জীৱন আৰু জগতক তেওঁলোকে অভিন্ন বুলি জ্ঞান কৰে। লেখকে প্ৰকৃতিৰ লগত মিচিংসকলৰ জীৱনৰ এই এৰাব নোৱাৰা সম্পৰ্ক কথা উপন্যাসখনৰ কেইবা ঠাইতো উল্লেখ কৰিছে। মিচিংসকলৰ প্ৰকৃতি-প্ৰেমৰ কাৰণো লেখকে ব্যক্ত কৰিছে। তেওঁৰ মতে, কৃত্ৰিম অনুশাসন, হাই-কাজিয়া আদিৰ পৰিৱৰ্তে মুকলি আকাশ, বিনন্দীয়া প্ৰকৃতিৰ গছ-বন, স্ৰোতস্বিনী নদী আদিৰ লগত তেওঁলোকৰ নিবিড় সম্পৰ্ক। দ্বিতীয়তে, দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজন হোৱা কাঠ-বাঁহ, খৰি-খেৰ, ঘৰ-দুৱাৰৰ সামগ্ৰী তেওঁলোকে এই প্ৰকৃতিৰ পৰাই আহৰণ কৰিব পাৰে। তদুপৰি, কৃষিকৰ্ম কৰি ভাল পোৱা মিচিংসকলৰ বাবে জংঘলৰ মাটি মুকলি কৰি লোৱাটোৱেই আটাইতকৈ সুবিধাজনক। নদীক বাদ দি এই নৈপৰীয়া জনজাতিৰ লোকসকলৰ কথা যেন ভাবিবই নোৱাৰি।

জনজাতীয় লোকৰ সৰলতাৰ সুবিধা লৈ শিক্ষিত আৰু জনজাতীয় বা অ-জনজাতীয় লোকে তেওঁলোকক ঠগি খোৱাটো যেন এক সাধাৰণ আৰু পৰিচিত ঘটনা। উপন্যাসখনত দেখুওৱা হৈছে বিধায়ক ত্ৰিনয়ন মৰাঙৰ ভায়েক ৰমাকান্তই কেনেকৈ দুখীয়া ৰায়তক খেতিৰ সময়ত মটৰ, সৰিয়হৰ বীজ ধাৰে দি উৎপাদনৰ সময়ত দুগুণ পৰিমাণৰ শস্য সংগ্ৰহ কৰাৰ লগতে উৎপাদিত অতিৰিক্ত শস্যখিনিও তেনেই কম দামতে কিনি লৈছে। সেইদৰে, বিক্ৰম পায়েঙৰ আঢ়ৈশ কুইণ্টল সৰিয়হ মাত্ৰ পঞ্চাশ হাজাৰ টকাতে কিনি কেনেকৈ অনিল মহাজনে ডেৰ লাখ টকা লাভ কৰিছে; কম দামতে গাঁৱৰ পৰা গাখীৰ কিনি নগৰত সেইবোৰ বেছি দামত বিক্ৰী কৰি তেওঁলোকে কেনেকৈ ধনৰ পাহাৰ গঢ়িছে, অথবা নগৰৰ পৰা কম দামতে অনা ইটা, চিমেণ্ট, ৰদ আদি বহু বেছি দামত গঞাক বিক্ৰী কৰিছে। এনে ধূৰ্ত আৰু চতুৰ লোকৰ যোগেদি গাঁৱলীয়া সমাজখনলৈও কেনেদৰে দুৰ্নীতি সোমাই পৰিছে তাৰো আভাস উপন্যাসখনত পোৱা যায়। গাঁৱত ব্যৱসায় কৰি ধনী হোৱা এই মহাজনবোৰে অসৎ উপায়েৰে সহজ মানুহবোৰক নঠগিলেও নহয়। কাৰণ, তেওঁলোকৰ মুনাফাৰ ভাগ ৰাজনৈতিক নেতাবোৰেও বিচাৰে।

অসমৰ খিলঞ্জীয়া সাধাৰণ ৰাইজৰ মুখৰ ভাত কাঢ়ি খোৱা, দুৰ্নীতিৰ যোগেদি যুগ যুগ ধৰি সাধাৰণ ৰাইজক প্ৰবঞ্চনা কৰি অহা, ৰাজনীতিৰ নামত বিভাজনী লাভ-লোকচানৰ অংক কৰা এইসকল লোকৰ বিৰুদ্ধেই গৰজি উঠিঠে অসমৰ সমগ্ৰ সাধাৰণ ৰাইজ। অসমৰ ছাত্ৰ সমাজে নেতৃত্ব দিয়া এই আন্দোলনৰ প্ৰভাৱে মইনাপাৰ, খাগৰিজান, চৰাইমৰীয়া, মৰঙি আদি গাঁৱৰ ৰাইজকো প্ৰভাৱিত কৰাটো সেয়ে বিধায়ক ত্ৰিনয়ন মৰাংহঁতে ভাল পোৱা নাই। আন্দোলনটোৰ মূল লক্ষ্য আৰু উদ্দেশ্য কি সেয়া তেওঁলোকে নুবুজা নহয়; কিন্তু এই আন্দোলনৰ জোকাৰণি বন্ধ কৰিব নোৱাৰিলে যে তেওঁলোকৰ সান্দহ খোৱা বালি তল যাব সেই কথাও তেওঁলোকে নুবুজা নহয়। সেয়ে দুয়োপক্ষৰ মাজৰ এই দ্বন্দ্ব অৱশ্যম্ভাৱী। এনে প্ৰতিবাদী কণ্ঠ ৰোধ কৰিবৰ বাবে শাসক পক্ষই যিকোনো পদক্ষেপ লোৱাটো একো আচৰিত কথা নহয়। তেনে পদক্ষেপৰে নমুনা হৈছে ফটিক, ধনবৰহঁতৰ বিৰুদ্ধে জামিনবিহীন গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা, ধনবৰক য'তে

দেখিলেও গুলী কৰাৰ নিৰ্দেশ ইত্যাদি।

অসমৰ বিদেশী খেদা আন্দোলনৰ সময় হৈছে কুৰি শতিকাৰ সত্তৰৰ দশকৰ শেষৰ পৰা আশীৰ দশকৰ মাজছোৱা পৰ্যন্ত। এইছোৱা সময়ৰ মিচিং বসতিপূৰ্ণ এটি অঞ্চলৰ পটভূমিত ৰচনা কৰা উপন্যাস হিচাপে জনজাতীয় সমাজখনৰ বিকশিত ৰূপটোও উপন্যাসখনত দেখুওৱা হৈছে। জনজাতীয় গাঁওসমূহত প্ৰাথমিক বিদ্যালয় হৈছে, গাঁৱৰ ডেকা-গাভৰুৱে স্কুল-কলেজত শিক্ষা গ্ৰহণ কৰাৰ লগতে ৰাজ্যখনৰ তদানীন্তন ৰাজনৈতিক-অৰ্থনৈতিক অৱস্থাৰ লগত পৰিচিত হৈ জাতীয় জাগৰণত যোগ দিয়াটো প্ৰয়োজন বুলিও উপলব্ধি কৰিছে। জনজাতীয় সমাজৰ পৰাই ৰাইজৰ প্ৰতিনিধি নিৰ্বাচিত হৈ নিজৰ সমাজখনকে ঠগি খাব পৰাকৈও তেওঁলোকৰ মাজত চতুৰ লোক ওলাইছে। এখন আধুনিক সমাজৰ পটভূমিত কাহিনী থিয় কৰোৱাৰ বাবেই হাতঘড়ী, ৰেডিঅ’, টি-ভি, মাইক, ছেক্ৰেটেৰী আদিৰ দৰে অপৰিচিত শব্দবোৰৰ লগতে অস্থিৰ পৰিস্থিতিৰ কিছুমান বিক্ষিপ্ত ঘটনাও জনজাতীয় সমাজখনত পৰিচিত হৈ পৰিছে।

উপন্যাসখনৰ ভাষা আৰু চৰিত্ৰসমূহৰ কথোপকথনৰ দিশটো মন কৰিবলগীয়া। উপন্যাসখনৰ বৰ্ণনাৰ ভাষা তৃতীয় পুৰুষৰ। পৰিৱৰ্তনশীল এটি সময়ৰ ৰেহ-ৰূপ অংকন কৰিবলগীয়া হোৱা বাবে লেখকে সমাজৰ বিভিন্ন স্তৰৰ পৰা বুটলি অনা চৰিত্ৰবোৰৰ মুখত সিহঁতৰ ওজন অনুযায়ী ভাষা ব্যৱহাৰ কৰিবলগীয়া হৈছে। গাঁৱলীয়া অশিক্ষিত বা অৰ্ধশিক্ষিত লোকৰ মুখত যেনেকৈ ভঙা ভঙা কোমল অসমীয়া ব্যৱহাৰ কৰা হৈছে সেইদৰে, শিক্ষিত জনজাতীয় চৰিত্ৰৰ মুখত মান্য অসমীয়া ব্যৱহাৰ কৰা হৈছে। সেইদৰে, অনা-অসমীয়া চৰিত্ৰৰ মুখত হিন্দী বা ইংৰাজী ভাষা ব্যৱহাৰ কৰাটো মন কৰিবলগীয়া। লেখকে ঠায়ে ঠায়ে জতুৱা খণ্ডবাক্য আৰু ঘৰুৱা কথনশৈলীৰে উপন্যাসখনৰ ভাষাক এক ঘৰুৱা ৰূপ দিয়াৰ চেষ্টা কৰিছে।

এখন সৰল উপন্যাস হিচাপে ‘প্ৰথম কুকুৰাৰ ডাক’ত লেখকৰ সৎ প্ৰচেষ্টা থাকিলেও তাৰ মাজত বহু দুৰ্বলতাও প্ৰত্যক্ষ কৰা যায়। লেখকে ভাষাত এটি ঘৰুৱা পৰিবেশ দিবলৈ যিমানেই চেষ্টা নকৰক কিয় উপন্যাসখনৰ পাতে পাতে সিঁচৰতি হৈ থকা ভুল বানান আৰু আখৰ-জোঁটনিয়ে সচেতন পাঠকক বিমোৰত পেলায়। তৃতীয় পুৰুষত বৰ্ণিত উপন্যাস হিচাপে লেখকে কাহিনীৰ কথনত এনে ৰীতিয়েই লোৱা দৰকাৰ যাৰ দ্বাৰা লেখকজনক পোনপটীয়াকৈ কাহিনীত বিচাৰি পোৱা নাযায়। কিন্তু আলোচিত উপন্যাসখনত লেখকে মাজে মাজে কাহিনীৰ মাজত সোঁশৰীৰে প্ৰবেশ কৰি ইয়াৰ সৌন্দৰ্য খৰ্ব কৰিছে। উপন্যাসখনত বৰ্ণিত কাহিনীটোত মইনাপাৰ, চৰাইমৰীয়া, মৰঙি আদি যিবোৰ নৈপৰীয়া ভিতৰুৱা জনজাতীয় গাঁৱৰ কথা উল্লেখ কৰা হৈছে তাত গাড়ী-মটৰ চলাৰ কথা উল্লেখ নাই। অন্য যাতায়ত-যোগাযোগৰ বিশেষ সাধন থকাৰ কথাও পোৱা নাযায়। তাৰ মাজতো ‘The International’ নামৰ আন্তৰ্জাতিক খবৰ কাকতখন পঢ়িবলৈ পোৱাটো বৰ খাপ খোৱা যেন নালাগে। উপন্যাসখনত এনে ধৰণৰ খুটি-নাতি বহুত ওলাব। তথাপি, জাতীয় জীৱনলৈ অহা এটি সংকটৰ সময়ত জনজাতীয় সমাজখনে কিদৰে তাত জড়িত হৈ বৃহত্তৰ জাতিসত্তাৰ মাজত নিজৰ স্থান উলিয়াই লৈছে তাৰ এক সম্যক

প্ৰতিচ্ছবি সহানুভূতিশীলতাৰে অংকন কৰাৰ বাবেই উপন্যাসখনে এই ধাৰাৰ উপন্যাসৰ ভিতৰত স্থান লাভ কৰিব।

## ৩.০ উপসংহাৰঃ

মিচিং জনজাতি বসবাস কৰা এটি অঞ্চলক কেন্দ্ৰ কৰি ৰচনা কৰা উপন্যাস হিচাপে 'প্ৰথম কুকুৰাৰ ডাক'ত জনজাতিটোৰ সামাজিক জীৱনৰ বহু ছবি প্ৰতিফলিত হৈছে। উপন্যাসখনৰ ভাষা আৰু চৰিত্ৰসমূহৰ কথোপকথনৰ দিশটো মন কৰিবলগীয়া। মিচিংসকল যেন প্ৰকৃতিৰ মুক্ত সন্তান। প্ৰকৃতিক মাতৃ বুলি জ্ঞান কৰা মিচিংসকল প্ৰকৃতি উপাসক। এই প্ৰকৃতিৰ লগত নিজৰ জীৱন আৰু জগতক তেওঁলোকে অভিন্ন বুলি জ্ঞান কৰে। লেখকে প্ৰকৃতিৰ লগত মিচিংসকলৰ জীৱনৰ এই এৰাব নোৱাৰা সম্পৰ্ক কথা উপন্যাসখনৰ কেইবা ঠাইতো উল্লেখ কৰিছে।

## ৪.০ সহায়ক গ্ৰন্থ

নাথ, বগাৰাম ঃ 'প্ৰথম কুকুৰাৰ ডাক', প্ৰথম প্ৰকাশ-১৯৯৭।

# দেবেন্দ্ৰনাথ আচাৰ্যৰ 'জংগম'- এটি বিশ্লেষণাত্মক টোকা

**ড° নন্দিতা গগৈ**

**সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ,**

**মৰাণ মহাবিদ্যালয়**

**সাৰাংশ ঃ**

কমসংখ্যক উপন্যাস লিখি অসমীয়া উপন্যাস সাহিত্যত এক যুগমীয়া আৰু অনন্য পৰিচয় ৰাখি যাবলৈ সক্ষম হোৱা এজন বিশিষ্ট ঔপন্যাসিক হ'ল দেবেন্দ্ৰনাথ আচাৰ্য। **অন্যযুগ অন্যপুৰুষ** (১৯৭০), **কালপুৰুষ** (১৯৭৬), **জঙ্গম** (১৯৮২), **ৰক্তৰাগ** (১৯৯৯, **গৰীয়সী,** মে', জুন, জুলাই, আগষ্ট, ছেপ্তেম্বৰ সংখ্যাত প্ৰকাশিত) আদি চাৰিখন উপন্যাস ৰচনা কৰি আচাৰ্যই অসমীয়া উপন্যাস সাহিত্যক সমৃদ্ধি দান কৰি যায়। কাহিনী বা পটভূমি নিৰ্বাচনৰ স্বকীয়তা, কাহিনী গাঁথনিৰ নিটোল ৰূপ, চৰিত্ৰ চিত্ৰণৰ অগতানুগতিকতাৰ বাবে আচাৰ্যৰ আনবোৰ উপন্যাসৰ দৰে **জঙ্গমো** স্বকীয় বৈশিষ্ট্যৰে সমুজ্জ্বল এখন বিশিষ্ট উপন্যাস। দ্বিতীয় মহাযুদ্ধৰ পটভূমিত ৰচিত **জঙ্গম** উপন্যাসৰ পটভূমি দ্বিতীয় মহাযুদ্ধ। দ্বিতীয় মহাযুদ্ধত ব্ৰহ্মদেশৰপৰা কণ্টকাকীৰ্ণ পথেৰে অসমলৈ অহা এদল ভগনীয়াৰ দুৰ্যোগপূৰ্ণ জীৱনৰ কাহিনীক ভেঁটি কৰি উপন্যাসখন লিখা হৈছে। ঐতিহাসিকভাৱে সত্য ঘটনাৰ উপস্থাপন, ব্যৱহৃত ভাষাশৈলী আৰু প্ৰব্ৰজিত ভগনীয়াসকলৰ জীৱন-গাঁথা অংকন -সকলোতে উপন্যাসখনত এটি অগতানুগতিক ভংগী প্ৰত্যক্ষ কৰা যায়। মুঠতে, দ্বিতীয় মহাযুদ্ধৰ বা-মাৰলিয়ে বিধ্বস্ত কৰা এমুঠি ভগনীয়াই কণ্টকাকীৰ্ণ পদ পথেৰে ব্ৰহ্মদেশৰ পৰা জীৱনৰ মায়াত মাতৃভূমি ভাৰতলৈ অহা কৰুণ মৰ্মস্পৰ্শী ঘটনা উপন্যাসখনত চিৰকালৰ বাবে ধৰি ৰখা হ'ল।

বিষয়-নিৰ্বাচনৰ অভিনৱত্ব, পটভূমিৰ ঐতিহাসিক গুৰুত্ব, ভাষাৰ ব্যৱহাৰ আদি কেইবাটাও দিশৰপৰা অসমীয়া উপন্যাস সাহিত্যত জঙ্গমৰ গুৰুত্ব আছে। এনে গুৰুত্বলৈ লক্ষ্য ৰাখি এই গৱেষণাধৰ্মী অধ্যয়নৰ বাবে **দেবেন্দ্ৰনাথ আচাৰ্যৰ জঙ্গম -এটি বিশ্লেষণাত্মক টোকা** বিষয়টি নিৰ্বাচন কৰি লোৱা হৈছে।

এই অধ্যয়ন আৰু আলোচনাৰ স্বৰূপ বিশ্লেষণাত্মক। এই অধ্যয়ন গ্ৰন্থাগাৰ ভিত্তিক হ'ব। মুখ্য আৰু গৌণ উভয় উৎসৰপৰাই সমল সংগ্ৰহ কৰা হ'ব। এই অধ্যয়নৰ জৰিয়তে উপন্যাসখনত প্ৰতিফলিত বৈশিষ্ট্যসমূহৰ যথাৰ্থ স্বৰূপ বুজাত সহায়ক হ'ব বুলি আশা ৰখা

হৈছে।

**বীজশব্দ ঃ জঙ্গম, দ্বিতীয় মহাযুদ্ধ, দেবেন্দ্রনাথ আচাৰ্য, ব্ৰহ্মদেশ, ভগনীয়া**

## ০.০ প্ৰস্তাৱনা ঃ

অসমীয়া উপন্যাস সাহিত্যক গুণগত দিশত সমৃদ্ধিশালী কৰা ঔপন্যাসিকসকলৰ ভিতৰত এজন অন্যতম পথিকৃৎ ঔপন্যাসিক হ'ল দেবেন্দ্ৰনাথ আচাৰ্য। **অন্যযুগ অন্যপুৰুষ** (১৯৭০), **কালপুৰুষ** (১৯৭৬), **জঙ্গম** (১৯৮২), **ৰক্তৰাগ** (১৯৯৯, **গৰীয়সী,** মে', জুন, জুলাই, আগষ্ট, ছেপ্তেম্বৰ সংখ্যাত প্ৰকাশিত) আদি চাৰিখন উপন্যাস ৰচনা কৰি আচাৰ্যই অসমীয়া উপন্যাস সাহিত্যত এক যুগমীয়া খ্যাতি ৰাখিবলৈ সক্ষম হ'ল। আচাৰ্যৰ ঔপন্যাসসমূহত এক পৰম্পৰা ভঙাৰ প্ৰয়াস লক্ষ্য কৰা যায়। সংখ্যাগত দিশত কম হ'লেও উপন্যাসকেইখনৰ বিষয়বস্তুৰ অভিনবত্ব, ঘটনা উপস্থাপনৰ কৌশলগত শৈলী, চৰিত্ৰ চিত্ৰণৰ দক্ষতা, পৰিবেশ-পৰিস্থিতিৰ যথাযথ বৰ্ণনা ইত্যাদি সকলো ক্ষেত্ৰতে আচাৰ্যৰ উপন্যাসকেইখন অসমীয়া উপন্যাস সাহিত্যতে বিশিষ্ট উপন্যাসহিচাপে স্বীকৃত হৈছে।

আচাৰ্যৰ প্ৰথম উপন্যাস 'অন্যযুগ অন্যপুৰুষ'ত (বৃটিশ শাসনাধীন কালৰ) বিংশ শতিকাৰ প্ৰাৰম্ভণিত অসমৰ গ্ৰাম্য সমাজ জীৱনলৈ অহা পৰিবৰ্তনৰ খণ্ডচিত্ৰ অংকন কৰা হৈছে। গ্ৰাম্য কথোপকথন আৰু পৰিবেশৰ যথোপযুক্ত বৰ্ণনাৰে উপন্যাসখন সমৃদ্ধ হৈ উঠিছে। আচাৰ্যৰ দ্বিতীয় উপন্যাস 'কালপুৰুষ'ত অসম বুৰঞ্জীৰ এটি বিস্তৃত অধ্যায়ৰপৰা বিষয়বস্তু গ্ৰহণ কৰা হৈছে। উপন্যাসখনত 'নদাই' নামৰ চৰিত্ৰ এটিৰ যোগেদি সপ্তদশ শতিকাৰ অসম বুৰঞ্জীৰ এছোৱা সংকটপূৰ্ণ সময়ৰ ঘটনা আত্মবিবৃতিমূলক পদ্ধতিৰে উপস্থাপন কৰা হৈছে। স্বৰ্গদেৱৰ ভিতৰৰ সৰুচ'ৰাৰ বিশ্বাসী চৰিত্ৰ 'নদাই সঁজাতী'ৰ জৰিয়তে সপ্তদশ শতিকাৰ অসম বুৰঞ্জীৰ এচোৱা সংকটপূৰ্ণ সময়ৰ (১৬৩৯-১৬৭৩) ঘটনা উপন্যাসখনত বুৰঞ্জীৰ কথকতাৰে উপস্থাপন কৰা হৈছে।

দেবেন্দ্ৰনাথ আচাৰ্যৰ সাহিত্যিক জীৱনৰ অন্যতম এক যুগমীয়া কৃতিত্ব হ'ল জঙ্গম। দ্বিতীয় মহাযুদ্ধৰ বা-মাৰলিয়ে ব্ৰহ্মদেশত বিধ্বস্ত কৰা এদল দুৰ্ভগীয়া ভগনীয়াৰ কৰুণ মৰ্মন্তুদ কাহিনী সমৃদ্ধ উপন্যাসখনে আচাৰ্যৰ বাবে মৰণোত্তৰভাৱে সাহিত্য অকাডেমিৰ দৰে সন্মানজনক বঁটাও কঢ়িয়াই আনিছিল। আচাৰ্যৰ চতুৰ্থখন উপন্যাস 'ৰক্তৰাগ'ৰ পটভূমিও অসমৰ বাহিৰৰ। খ্ৰীঃপূৰ্ব ষষ্ঠ শতিকাৰ উত্তৰ ভাৰতৰ গংগা উপত্যকাৰ কেউকাষে গঠন হোৱা যোল্লখন ৰাষ্ট্ৰ (মহাজনপদ)ৰ মাজত যুদ্ধ-বিগ্ৰহ, ৰাজ্যবিস্তাৰ আৰু ৰাজ্যসমূহৰ আত্মস্বাতন্ত্ৰ্য ৰক্ষাৰ সংগ্ৰামৰ বিষয়ে ৰক্তৰাগ উপন্যাসখনত উপস্থাপন কৰা হৈছে। ইতিহাসৰ বাস্তৱতা আৰু কল্পনাৰ মধুময় সংমিশ্ৰণে অপেক্ষাকৃতভাৱে কম পৰিসৰৰ উপন্যাসখন সুন্দৰ কৰি তুলিছে।

আচাৰ্যৰ উল্লিখিত চাৰিওখন উপন্যাসেই কাহিনী বা পটভূমি নিৰ্বাচনৰ স্বকীয়তা, কাহিনী গাঁথনিৰ নিটোলৰূপ, চৰিত্ৰ চিত্ৰণৰ অগতানুগতিকতাৰ বাবে অসমীয়া উপন্যাস সাহিত্যতে বিশিষ্ট উপন্যাসৰূপে স্বীকৃত।

## ১. বিষয়ৰ পৰিচয় ঃ

মহাযুদ্ধৰ পটভূমিত ৰচিত মুষ্টিমেয় সংখ্যক অসমীয়া উপন্যাসৰ ভিতৰত দেবেন্দ্ৰনাথ আচাৰ্যৰ **জঙ্গম** এখন বিশিষ্ট উপন্যাস।

**জঙ্গম** উপন্যাসত মহাযুদ্ধই জনজীৱনলৈ অনা পৰিবেশ-পৰিস্থিতিৰ বাহ্যিক বৰ্ণনাতে ব্যস্ত নহৈ লেখকে সংশ্লিষ্ট বিষয়ৰ গ্ৰন্থ অধ্যয়ন আৰু গভীৰ অন্তৰ্দৃষ্টিৰে উপন্যাসখন ৰচনা কৰিছে। যুদ্ধৰ ধামখুমিয়াত পৰি থলুৱা ব্ৰহ্মদেশীয় লোকৰ আতংক সহিব নোৱাৰি প্ৰাণৰ মায়াত ভাৰতলৈ পদপথেৰে অহা মানুহৰ দলটোৰ (উপন্যাসখনত অংকিত চৰিত্ৰসমূহৰ) ব্যক্তিগত সুখ-দুখৰ বৰ্ণনা উপন্যাসখনত নাই। তাৰ পৰিবৰ্তে যুদ্ধবিধ্বস্ত পৰিবেশে প্ৰাণৰ মমতাত পদপথৰ সুদীৰ্ঘ, কষ্টকৰ আৰু দুৰ্গম যাত্ৰাপথ অতিক্ৰমি আহিবলৈ ভগনীয়াসকলক উদ্‌গণি যোগাইছিল সেয়া অতি মৰ্মস্পৰ্শী আৰু হৃদয়বিদাৰকভাৱে অংকন কৰা হৈছে। সেই দুৰ্গম পথ অতিক্ৰমণৰ সময়ছোৱাত চৰিত্ৰসমূহৰ যি ব্যৱহাৰ, খাদ্যসংকট, জীৱনৰ অনিৰাপত্তা, ৰোগ-ব্যাধি, জিৰণিবিহীন যাত্ৰাপথৰ যথাযথ বৰ্ণনাৰে উপন্যাসখনত যিবোৰ পৰিস্থিতি নিৰ্মাণ কৰা হৈছে সকলো বিশ্বাসযোগ্যৰূপতে উপস্থাপিত হৈছে। মুঠতে, বৃটিছে ব্ৰহ্মদেশলৈ নিজৰ ব্যৱসায়-বাণিজ্য অথবা অন্যান্য কৰ্মত সহায় কৰিবৰ বাবে লৈ যোৱা প্ৰবাসী ভাৰতীয়সকলক দ্বিতীয় মহাযুদ্ধৰ ধামখুমিয়াতে ব্ৰহ্মদেশৰপৰা উৎখাত কৰিবলৈ চলোৱা ব্ৰহ্মদেশীয় লোকৰ আক্ৰমণৰ তাড়নাত ব্ৰহ্মদেশ এৰিবলৈ বাধ্য হোৱা এচাম দুৰ্ভগীয়া ভগনীয়াৰ অনিশ্চিত যাত্ৰাৰ সুদীৰ্ঘ কাহিনী সম্বলিত **জঙ্গম** উপন্যাসখন কাহিনী নিৰ্বাচন আৰু উপস্থাপন, চৰিত্ৰ চিত্ৰণ, পৰিস্থিতি বৰ্ণনা ইত্যাদি সকলো দিশতে এখন অনন্য আৰু একক উপন্যাস হিচাপে পৰিচিহ্নিত হ'বৰ গুণাৱলীৰে গুণান্বিত। এই ব্যতিক্ৰমধৰ্মী উপন্যাসখনৰ সন্দৰ্ভত এটি বিশ্লেষণাত্মক অধ্যয়ন কৰিবৰ উদ্দেশ্যেৰে এই গৱেষণা-পত্ৰখনি যুগুত কৰা হৈছে।

## ২. অধ্যয়নৰ উদ্দেশ্য ঃ

যুদ্ধ বিষয়ক অসমীয়া উপন্যাস হিচাপে 'জঙ্গম'ত প্ৰতিফলিত কাহিনী, ঘটনা, পৰিস্থিতি অংকন, চৰিত্ৰ চিত্ৰণ আৰু আংগিক বৈশিষ্ট্যৰ সন্দৰ্ভত সামগ্ৰিক বিশ্লেষণ আগবঢ়োৱাটোৱে এই গৱেষণাধৰ্মী অধ্যয়নৰ মূল উদ্দেশ্য।

## ৩. পৰিসৰ ঃ

দেবেন্দ্ৰনাথ আচাৰ্যই অসমীয়া উপন্যাস সাহিত্যলৈ সৰ্বমুঠ চাৰিখন উপন্যাস অৱদান দি যায়। আটাইকেউখন উপন্যাসেই অসমীয়া উপন্যাস সাহিত্যত বিশিষ্ট উপন্যাস হিচাপে স্বীকৃত। এই অধ্যয়নৰ বাবে আচাৰ্যৰ **জঙ্গম** উপন্যাসখন নিৰ্বাচন কৰি লোৱা হৈছে। উপন্যাসখনত দ্বিতীয় মহাযুদ্ধৰ প্ৰলয়ংকৰী ধুমুহাৰ খণ্ডচিত্ৰ অতি মৰ্মস্পৰ্শীৰূপত উপস্থাপন কৰা হৈছে। উপন্যাসখনৰ আধাৰত মহাযুদ্ধজনিত কাৰকসমূহ আৰু তাৰ কুপ্ৰভাৱে সৰ্বসাধাৰণ মানুহৰ জীৱনত পেলোৱা

অনিশ্চিত ভৱিষ্যতৰ কৰুণ গাঁথাৰ সন্দৰ্ভত অধ্যয়ন বিশ্লেষণ হ'ব পাৰে। অধ্যয়নৰ পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি এই গৱেষণা-পত্ৰত উল্লিখিত দিশৰ অধ্যয়ন আগবঢ়োৱা নহয়। উপন্যাসখনৰ সামগ্ৰিক উপাদানৰ আধাৰত কৰা বিশ্লেষণহে এই অধ্যয়নে সামৰি ল'ব।

## ৪. পদ্ধতি ঃ

এই গৱেষণাধৰ্মী অধ্যয়নৰ বাবে বিশ্লেষণাত্মক (Analytical) পদ্ধতি গ্ৰহণ কৰা হ'ব। পৰিচয়মূলক (Introductory) পদ্ধতিৰ লগে লগে তুলনামূলক পদ্ধতিও ঠায়ে ঠায়ে গ্ৰহণ কৰা হ'ব। এই অধ্যয়ন গ্ৰন্থাগাৰভিত্তিক হ'ব। মুখ্য আৰু গৌণ উভয় উৎসৰপৰাই সমল গ্ৰহণ কৰা হ'ব।

## ৫. বিশ্লেষণ ঃ

## ৫.১ জংগম উপন্যাসৰ বিষয়বস্তু ঃ

**জংগম** উপন্যাসৰ বিষয়বস্তু দ্বিতীয় মহাযুদ্ধৰ পটভূমিত ৰচিত। দ্বিতীয় মহাযুদ্ধৰ সময়ত ব্ৰহ্মদেশৰপৰা অসমলৈ পলাই অহা এদল ভগনীয়াৰ দুৰ্যোগপূৰ্ণ জীৱনৰ ঘটনাৱলীক ভেঁটি কৰি জংগম উপন্যাসখন লিখা হৈছে। দ্বিতীয় মহাযুদ্ধৰ সময়ত জাপানী সৈন্যই ব্ৰহ্মদেশ অধিকাৰ কৰাত ইংৰাজ সকলে ব্ৰহ্মদেশ এৰিবলগা হৈছিল। জাপানী সৈন্যৰ হাতত পৰাজয় বৰণ কৰিবলগা হোৱা ইংৰাজসকলে ব্ৰহ্মদেশ এৰি যোৱাত ইংৰাজে ব্ৰহ্মদেশত নি স্থাপন কৰা ভাৰতীয়সকলক সেই সুযোগতে তাৰপৰা উৎখাত কৰিবৰ বাবে স্থানীয় ব্ৰহ্মদেশীয় লোকে নানান অত্যাচাৰ-উৎপীড়ণ আৰম্ভ কৰিছিল। ইংৰাজসকলৰ দৰে ধনী ধনী ভাৰতীয় লোকসকলে আকাশীপথেৰে নতুবা অন্যান্য যাতায়ত ব্যৱস্থাৰে নিজ নিজ মাতৃভূমিলৈ প্ৰত্যাবৰ্তন কৰিছিল। সৰ্বসাধাৰণ শ্ৰেণীৰ ভাৰতীয়সকল জীৱনৰ মায়াত আশা-নিৰাশাৰ মাজেদি দুৰ্গম অৰণ্য আৰু পৰ্বত-পাহাৰ ভৰা পথেৰে ভাৰতলৈ বুলি খোজ কাঢ়ি আহিছিল। এইদৰে আহোঁতে বহু লোক বাটত অনাহাৰত, অসুখত ভুগি মৰিল।

সেই সময়ত ব্ৰহ্মদেশৰ ৰাজধানী মান্দালয়ৰ ওচৰত মানুক গাঁৱত কুৰিঘৰ কৃষিজীৱি লোক আছিল। তাত বাৰ্মানসকলৰ লগতে ককাই-ভাইৰ দৰে ৰামগোবিন্দ, বল্লভ দোকানী, বুধু, নিতু, গুৰুচৰণ, হৰিচৰণ, চিনটি আদি কেইটামান ভাৰতীয় পৰিয়াল আছিল। গাঁওবুঢ়া জয়ানাও, বৃদ্ধ বা-মাও, বিপ্লৱী সংগঠনৰ নেতা নুংনাও, চেঙেলীয়া ডেকা গুচেনপুঙৰ মুখত পৰিস্থিতিৰ ভয়াবহতাৰ কথা জানি ভাৰতীয়সকলে যথাসৰ্বস্ব এৰি দুৰ্গম হাবি-জংঘল, পাহাৰ-পৰ্বত অতিক্ৰম কৰি অসম অভিমুখে আগবাঢ়ি আহিছিল। লগত অনা খোৱা বস্তু-বাহানি কম দিনতে শেষ হোৱাত মানুহবোৰে জুইত পোৰা বাহগাজ, বনৰীয়া কচু, বনৰীয়া কলগছৰ শাহ, বনৰীয়া বাজী ঔ, কেঁচা কল, বেল, কাঁইটীয়া লতাবোৰত লোমালোমে ওলমি থকা জেটুলিপকা আদিৰে পেটৰ ভোক নিবাৰণ কৰিছিল। মানকুৰ গাঁওবুঢ়া জয়ানাওৰ পুতেক তথা বিপ্লৱী সংগঠনৰ নেতা নুংনাৰে দলৰ

বিৰুদ্ধে গৈ ভাৰতীয় পৰিয়াল কেইটাক ইৰাৱতী পাৰ কৰাত সহায় কৰিছিল। এইকথা গম পাই বিদ্ৰোহী বাৰ্মানসকলে নুংনাওক নৃশংসভাৱে হত্যা কৰিলে। বাটত আহোঁতে এই ভগনীয়া পৰিয়াল কেইটাৰ সহযাত্ৰী হৈছিল ফাদাৰ পাদ্ৰীচাহাব। ফাদাৰ পাদ্ৰী আৰু ফাদাৰ বেৰী ওৰে বাট ভগনীয়া সকলৰ সুখ-দুখৰো সমভাগী হৈছিল। এঙ্গল' বাৰ্মিজ গাভৰু মা-পুও বাটত ভগনীয়া দলটোৰ লগ হৈছিল। অচিন, অসুখ, অনিদ্ৰা আৰু অনাহাৰত অসমলৈ অহা বহু ভগনীয়াই বাটতে মৃত্যুক সাৱটি ল'লে। পত্নী লচমীৰ লগত বিচ্ছেদৰ বেদনাত ৰামগোবিন্দ পগলা হ'ল। এইদৰে অবৰ্ণনীয় কষ্টৰ মাজেদি পৰিয়ালকেইটাই পাংচু গিৰিপথ পাৰ হৈ নামপঙৰ ভগনীয়া শিবিৰ পালেগৈ। তাত ৰুগীয়া সৈনিক আৰু ভগনীয়াসকলৰ চিকিৎসাৰ কাৰণে এখন হস্পিতাল আছিল। ফাদাৰ বেৰীয়ে তাত ডা° চিম'ক লগ পালে। পাছত ডা° বেৰী আৰু এঙ্গল' বাৰ্মিজ গাভৰু মা-মুৱে নাৰ্চৰূপে কামত যোগ দিলে। লগত অহা বাকী কেইজন ভগনীয়াই লেখাপানীৰপৰা ৰেলেৰে নিজ নিজ ঠাইলৈ গতি কৰিলে। এইদৰে ভগনীয়াসকলে অসমৰ লিডু, মাৰ্ঘেৰিটা ওলাইছিলহি।

'জঙ্গম' উপন্যাসত মূল কাহিনীৰ অন্তৰালত সৰু-সুৰা পাৰ্শ্ব-ঘটনাও আছে। উপন্যাসখনত অংকিত ৰামগোবিন্দ লচমী, মা-পু-চিনটিৰ মাজেদি সৰু-সুৰা পাৰ্শ্ব ঘটনা সৃষ্টি কৰা হৈছে। জঙ্গম উপন্যাসত এটি স্বয়ংসম্পূৰ্ণ কাহিনী নাই। সমগ্ৰ উপন্যাসখনৰ বিষয়বস্তু নিৰ্মিত হৈছে কিছুমান সৰু-সুৰা ঘটনা-উপঘটনাৰ সমষ্টিৰে। পৰিস্থিতিয়ে চৰিত্ৰসমূহক যি পৰিবেশলৈ টানি নিছিল সেই পৰিবেশ অত্যন্ত ভয়াবহ, যন্ত্ৰনাদায়ক, অনিশ্চিত। তথাপিও অন্তহীন জীৱন-তৃষ্ণাই তেওঁলোকক প্ৰতিমুহূৰ্ততে গতিশীল কৰি ৰাখিছিল। উপন্যাসখনৰ কাহিনী গাঁথনিৰ এই বৈশিষ্ট্যলৈ লক্ষ্য ৰাখি জঙ্গমক পৰিস্থিতিপ্ৰধান উপন্যাসৰূপে আখ্যা দিবপৰা যায়।

উপন্যাসৰ কাহিনীত কালপ্ৰৱাহিত জীৱন (Life in time) আৰু প্ৰমূল্যগত জীৱন (Life in value) শীৰ্ষক দুটি জীৱনধাৰা প্ৰৱাহিত হৈ থাকে। "উপন্যাসৰ কাহিনীয়ে এছোৱা দীঘল সময় সামৰি লয় আৰু এই সময়ৰ চলমান সোঁতত জীৱনৰ যিটো দিশ চিত্ৰিত হয়; সিয়ে কাল-প্ৰৱাহিত জীৱন"[১]

বিষয়বস্তু আৰু প্ৰকাশ-ভংগীৰ বৈশিষ্ট্য অনুযায়ী জঙ্গমক যুগভিত্তিক (Period Novel) উপন্যাসৰ অন্তৰ্ভুক্ত কৰিব পাৰি। এইশ্ৰেণীৰ উপন্যাসত ইতিহাসৰ প্ৰসিদ্ধ কাহিনীক বিষয়বস্তুৰূপে লোৱা নহয়। আচলতে, "অতীতৰ পৰিবৰ্তনমুখৰ অতি কম পৰিসৰৰ এছোৱা সময়ৰ পটভূমিতে ৰচনা কৰা উপন্যাসক যুগোপন্যাস আখ্যা দিয়া হয়।[২] দৰাচলতে একোটা সমগ্ৰ গোষ্ঠীৰ প্ৰাণস্পন্দন আৰু মৰ্মৰহস্য, সমগ্ৰ সমাজৰ মূলতত্ব আৰু অন্তৰপ্ৰেৰণা এই যুগান্তকাৰী উপন্যাসত স্বচ্ছ দাপোনৰ ৰূপত প্ৰতিবিম্বিত হয়। ব্যক্তিবিশেষৰ জীৱনচিত্ৰ অংকিত হোৱাৰ বিপৰীতে এই শ্ৰেণীৰ উপন্যাসত সমাজৰ পাৰিপাৰ্শ্বিকতাৰ চাপ প্ৰত্যেকৰে ওপৰত গভীৰভাৱে মুদ্ৰিত হয়।"[৩]

মহেন্দ্ৰ বৰাই এনেবোৰ উপন্যাসক সময়চিত্ৰিত উপন্যাস বুলিছে। তেওঁৰ মতে, এনেকুৱাবোৰ উপন্যাসত ঐতিহাসিক ঘটনা আৰু চৰিত্ৰ ৰূপায়ণতকৈ সময়ছোৱাৰ পৰিবেশচিত্ৰণ

আৰু ঔপন্যাসিকজনৰ সময়ছোৱাৰ প্ৰতি থকা বিশেষ দৃষ্টিকোণটোৱেহে প্ৰাধান্য পায়।”[৪] বিষয়নিৰ্বাচন, চৰিত্ৰসংস্থাপন, প্ৰকাশভংগীৰ বৈশিষ্ট্য অনুযায়ী জঙ্গম উপন্যাসক যুগোপন্যাসত শাৰীত পেলাব পাৰি। জঙ্গম উপন্যাসত ইতিহাসৰ এছোৱা ব্যাপক সময়ৰ চিত্ৰণ নাই। ঐতিহ্য আধাৰিত এছোৱা দ্বন্দমুখৰ সময়ৰ যুগচিত্ৰহে উপন্যাসখনত ধৰি ৰখা হৈছে। সেই দৃষ্টিকোণৰপৰা উপন্যাসখন ঐতিহাসিক উপন্যাসতকৈ যুগভিত্তিক উপন্যাসৰ লক্ষণেৰে লক্ষণাক্ৰান্ত এখন সুন্দৰ উপন্যাস। অন্যহাতে, যুগভিত্তিক উপন্যাসত ভাষাৰ এটা বিশেষ বৈশিষ্ট্য থাকে। আবেগময় আৰু হৃদয়সঞ্চাৰী ভাষাৰে এনে উপন্যাসত বিচ্ছিন্ন ঘটনাৱলীক নিটোল কাহিনীৰ দৰে বান্ধি পেলায়। জঙ্গম উপন্যাসত ভাষাৰ এনে বৈশিষ্ট্য দেখা যায়।

## ৫.২ চৰিত্ৰ ঃ

যুগোপন্যাস হিচাপে ‘জংগম’ত চৰিত্ৰৰ ব্যক্তিগত জীৱনৰ হতাশা-নিৰাশা, হা-হুমুনিয়াহতকৈ সংক্ৰান্তিকালৰ যুগৰ বাতাবৰণত চৰিত্ৰসমূহে কৰা আচাৰ-আচৰণ, আবেগৰ দোলনৰহে প্ৰতিবিম্ব দেখা যায়। এডুইন মোৰে ‘The structure of the Novel’ গ্ৰন্থত যুগভিত্তিক উপন্যাস (Period Novel)ৰ সন্দৰ্ভত কৈছে-

> It doesnot try to show us human truth valid for all time; it is content with a society at a particular stage of transition and characters are only true in so far as they are representative of that society.[৫]

উপন্যাসখনৰ চৰিত্ৰসমূহ হ’ল- ৰামগোবিন্দ, লচ্মী, ৰামগোবিন্দৰ আয়েক, পুতেক থানু, গুচেনপুং, জয়ানাও, বা-মাও, নুংনাও, বুধু, বুধুৰ আয়েক, নিতু, কালু, হৰিচৰণ, গুৰুচৰণ, চিনটি, বল্লভ, ডা° বেৰী, ফাদাৰ পাদ্ৰী, মা-পু, ডা° চিম’। উপন্যাসখনত চৰিত্ৰৰ সংখ্যা বহুত। ঔপন্যাসিকে পৰিস্থিতিৰ প্ৰয়োজনত ভালেমান চৰিত্ৰ সৃষ্টি কৰিছে। কিছুসংখ্যক চৰিত্ৰৰ উপস্থিতিও তেনেই ক্ষন্তেকীয়া।

উপন্যাসখনৰ যথেষ্টসংখ্যক চৰিত্ৰৰ মাজত ৰামগোবিন্দ চৰিত্ৰটোৱে উপন্যাসখনৰ বহু ঠাই অধিকাৰ কৰি আছে। বিদ্ৰোহী বাৰ্মানৰ কবলত পৰাৰ ভয়ত ব্ৰহ্মদেশৰ পৰা পদপথেৰে আসমলৈ যাত্ৰা কৰা দলটোৰ অন্যতম চৰিত্ৰ হ’ল ৰামগোবিন্দ। আটোমটোকাৰীকৈ সজাই লোৱা মৰমৰ ঘৰখন, জীৱন-জীৱিকাৰ অন্যতম আহিলা গৰুহাল এৰি পুত্ৰ থানু, আয়েক, গৰ্ভৱতী পত্নী লচ্মীক লৈ আন আন ভগনীয়াৰ লগতে ৰামগোবিন্দইও অনিশ্চিত যাত্ৰা আৰম্ভ কৰিছিল। পিছে, বাটত ৰামগোবিন্দই আয়েকক হেৰুৱালে, বাটত জাপানী সৈন্যই উন্থোৰ ধ্বংসাৱশেষৰ মাজত

গৰ্ভৱতী পত্নীকো হেৰুৱাবলগা হ'ল। মনৰ দুখতে ৰামগোবিন্দই উন্মাদ আচৰণ কৰিবলৈ ধৰিলে। পাছত পগলা গাৰদত ভৰ্তি কৰোৱালে। ডাঃ পাদ্ৰীৰ সহযোগৰ পাছত লচ্মী উদ্ধাৰ হ'ল। ৰামগোবিন্দ চৰিত্ৰটোত যুগভিত্তিক উপন্যাসৰ বৈশিষ্ট্য সুন্দৰকৈ প্ৰতিফলিত হৈছে। কিয়নো যুগাভিত্তিক উপন্যাসত "যিবোৰ চৰিত্ৰ সৃষ্টি কৰা হয়, সেই চৰিত্ৰবোৰেও পৰিবৰ্তনৰ সংক্ৰান্তিকালত দ্বন্দ্ব আৰু সমস্যা প্ৰদৰ্শনতহে গুৰুত্ব দিয়ে।"[৬] ৰামগোবিন্দ চৰিত্ৰটিও পৰিস্থতিৰ তাড়নাত পৰি উটি-ভাঁহি ফুৰা এটি পৰিস্থিতি সৃষ্ট চৰিত্ৰ।

উপন্যাসখনত অংকিত জয়ানাও আৰু নুংনাও পিতৃ আৰু পুত্ৰ হিচাপে উপন্যাসখনত জিলিকি থকা দুটি চৰিত্ৰ। বিদ্ৰোহী বাৰ্মানৰ কবলৰপৰা ভাৰতীয় পৰিয়ালকেইটাক ৰক্ষা কৰাৰ বাবে পুত্ৰ নুংনাওক নিয়োগ কৰিছে যদিও বিদ্ৰোহী বাৰ্মানৰ নৃশংসতাৰ কাষত জয়ানাও শংকিত হৈ পুত্ৰক পুনৰ সেই পৰিস্থিতিৰ পৰা আঁতৰি থাকিবলৈও নিৰ্দেশ দিছে। ভাৰতীয়সকলক মানৱতাৰ খাতিৰত সহায় কৰিবলৈ গৈ সৰ্বশেষত নুংনাৱে বিদ্ৰোহী বাৰ্মানৰ হাতত মৃত্যুবৰণ কৰিবলগা হ'ল। পৰিস্থিতিয়ে সৃষ্টি কৰা অশান্ত বাতাবৰণত জয়ানাও আৰু বা-মাও দুটি মানৱতাৰ প্ৰতিমূৰ্তিস্বৰূপ চৰিত্ৰ। পৰিস্থিতিৰ বা-মাৰলিত ঠিকনা হেৰুওৱা দুটি কৰুণ চৰিত্ৰ।

ভগনীয়া দলটোৰ অন্যতম নেতা নিতু। সমগ্ৰ দলটোক নেতৃত্ব প্ৰদান কৰা নিতু চৰিত্ৰটো সকলো শুভদিশৰ জলন্ত প্ৰতিমূৰ্তি হৈও মাজে মাজে আত্মকেন্দ্ৰিক হৈ উঠা দেখা যায়। বিশেষকৈ ৰামগোবিন্দৰ পত্নী লচ্মীৰ গৰ্ভ-যন্ত্ৰণাৰ চিৎকাৰ দেখিও দলটোক গতি কৰিবলৈ নিৰ্দেশ দিয়া প্ৰসংগৰপৰাই ["বাৰু এতিয়া কোন কোন যাবপৰা হৈ আছা ওলোৱাহঁক, অনাহক সময় নষ্ট কৰি লাভ নাই।" (জঙ্গম পৃ. ৯৯) ] নিতু চৰিত্ৰটোৰ মাজতো পৰিস্থিতিৰ দাসত্ব মানি লোৱাৰ প্ৰৱণতাই দেখা যায়।

উপন্যাসখনত বেছিভাগ পৰিস্থিতিৰ সোঁতত গা-এৰি দিয়া চৰিত্ৰৰ বিপৰীতে খ্ৰীষ্টান পাদ্ৰীচাহাব ডাঃ বেৰীৰ চৰিত্ৰটো কিছু ব্যতিক্ৰমৰূপত উজ্বল হৈ উঠিছে। উপন্যাসখনৰ নৱম অধ্যায়ত পাদ্ৰীচাহাবক প্ৰথম লগপোৱা যায়। মান্দালয়ৰপৰা পলাই অহা ভাৰতীয় খেতিয়কৰ দলটো নুংনাওৰ সহযোগত ইৰাৱতী পাৰ হৈ শ্বেব' অভিমুখে আগবঢ়োঁতে ডাঃ বেৰীৰ লগতে আন এজন পাদ্ৰী চাহাবকো লগ পায়। এই ওখ পাদ্ৰী চাহাবজন অৰ্থাৎ ডাঃ বেৰী চাহাব ভগনীয়া দলটোৰ লগ হৈ তেওঁ সমগ্ৰ বাটটো তেওঁলোকৰ সহযোগী হৈ খোজকাঢ়ি আগবাঢ়িল। শ্বেব'ৰ মিলিটেৰী ঘাটিত পাদ্ৰী দুজনক ৰাখি থ'বলৈ বিচাৰিছিল যদিও তেওঁলোকে সেই আতিথ্য গ্ৰহণ নকৰি ভগনীয়া দলটোৰ লগত সহযাত্ৰী হৈ তেওঁলোকৰ সুখ-দুখৰ সমভাগী হৈ ভগনীয়া পদযাত্ৰীসকলক জীৱন-প্ৰেৰণা দি কষ্টকৰ যাত্ৰাটো বহুপৰিমাণে অৰ্থপূৰ্ণ কৰি তুলিছিল।

সকলো অশান্তি আৰু মানবীয়তাৰ উৰ্দ্ধত প্ৰেম আৰু শান্তিপূৰ্ণ এখন সমাজ কামনাই পাদ্ৰীচাহাবৰ লক্ষ্য আছিল। "হ'মলৈ গৈ জিৰণি ল'বলৈ গোটেই জীৱনটো আগত আছে। এই সৰ্বনাশীয়া যুদ্ধখনৰ পাছত গ'লেও হ'ব" (জঙ্গম, পৃ. ২০৬) বুলি ভবা পাদ্ৰী চাহাবে কৰ্তব্যক প্ৰাধান্য দি জীৱনমুখী বক্তব্যৰে সকলোকে অনুপ্ৰাণিত কৰিছিল।

এংলো-বাৰ্মান ছোৱালী মা-পু আৰু শিক্ষা-দীক্ষা নথকা গাঁৱৰ যুৱক চিনটিৰ মাজেদি যুদ্ধৰ ধামখুমিয়া আৰু অস্থিৰ বাতাবৰণত, দুৰ্যোগপূৰ্ণ জীৱনৰ বা-মাৰলিৰ মাজতো প্ৰেমৰ এখনি নিভাঁজ চিত্ৰ অংকন কৰা হৈছে।

উল্লিখিত চৰিত্ৰসমূহৰ উপৰিও উপন্যাসখনত আৰু বহুতো চৰিত্ৰ আছে। পৰিস্থিতি সৃষ্ট আটাইবোৰ চৰিত্ৰই যুদ্ধৰ বিভীষিকাত সন্ত্ৰষ্ট, জীয়াই থকাৰ দুৰ্বাৰ আশাত গতিশীল। ক্ষুৰধাৰ জ্বালা আৰু বিৰতিহীন চৰিত্ৰবোৰৰ আন্তঃসংঘাতৰ চিত্ৰ উপন্যাসত মুঠেই নাই। নিৰন্তৰ যুদ্ধপীড়িত অনিশ্চিত যাত্ৰাপথত মানুহবোৰ যেন সংসাৰচক্ৰৰ গতিশীলতাত অবিৰাম জীৱন-যুদ্ধৰ একো-একোজন সৈনিক। অৱশ্যে, পৰিস্থিতিৰ দাসত্ব মানি নোলোৱা কেইটামান চৰিত্ৰও উপন্যাসখনত উজ্বল ৰূপত জিলিকি আছে।

## ৫.৩ অন্যান্য আংগিক বৈশিষ্ট্য ঃ

উপন্যাসৰ আংগিক বুলিলে উপন্যাসখনৰ সামগ্ৰিক গঠনত অৰিহনা যোগোৱা বিভিন্ন উপাদানবোৰৰ সুসংহত গাঁথনিকেই বুজোৱা হয়। নতুন সমালোচনাত সংযুক্তিয়ে (Structure) আংগিক বুলিছে। গোবিন্দপ্ৰসাদ শৰ্মাৰ মতে, “সংযুতি মানে যদি উপন্যাসখনত বিভিন্ন উপাদানবোৰৰ বন্ধনকৌশল, তেনে আংগিকো সেয়েই।”[৮] পূৰ্বৰ সমালোচনাত আংগিকে উপন্যাসৰ বন্ধন- কৌশলকে বুজাইছিল, তাত কাহিনীয়ে প্ৰাধান্য পাইছিল। বৰ্তমানকালত আংগিক বা সংযুতি মানে “কাহিনীৰ ঘটনাবোৰৰ উপস্থাপন কৌশলৰ উপৰিও তাৰ অন্যান্য কলাগত উপাদানবোৰৰ কৌশলৰ আলোচনা।” বৰ্তমান আধুনিকতাবাদী, উত্তৰ-আধুনিকতাবাদী উপন্যাসত কাহিনী নাথাকিলেও একোটা বৃত্তান্ত[৯] (Narrative) থাকে। উল্লেখযোগ্য যে, দেবেন্দ্ৰনাথ আচাৰ্যৰ ‘জংগম’ উপন্যাসখনত এটি সু-সংবদ্ধ বা নিটোল কাহিনী নাই। সমগ্ৰ উপন্যাসখন সৃষ্টি হৈছে কিছুমান ঘটনা বা পৰিস্থিতিক কেন্দ্ৰ কৰি। ঔপন্যাসিকে উপন্যাসখনৰ পাতনিত কৈছে- “মহাযুদ্ধৰ বা মাৰলীত থানথিত হেৰুউৱা (যথা) এমুঠি অতি সাধাৰণ মানুহ দুদৰ্শাগ্ৰস্তসমূহ মানৱতাৰ প্ৰতীক। জীয়াই থকাৰ দুৰ্বাৰ বাসনা বুকুত বান্ধি সেই নিৰুদ্দেশ মহাযাত্ৰাত যিবোৰ জীৱন-মৃত্যুৰ শীতল কোলাত পৰি ৰ’ল, সিবিলাকৰ কৰুণ কাহিনী।” মহাযুদ্ধৰ প্ৰলয়ংকৰী আৱহাবাত পৰি জীৱনৰ ঠিকনা হেৰুওৱা এমুঠি মানুহৰ জীৱন-সংগ্ৰামৰ ছবি সম্বলিত জঙ্গম উপন্যাসৰ মাজত এটি সু-সংবদ্ধ কাহিনী নাই। “কিছুমান উপন্যাসৰ কাহিনী সংযুতি প্লটৰ দৰে এপিচ’ডিক বা ছিগা ছিগা ঘটনাৰ সমাহাৰ। স্বয়ংনিৰ্ভৰশীল বা স্বতন্ত্ৰ কেতবোৰ ঘটনা এডালি যোগসূত্ৰৰে মাথোন বান্ধি দীঘলীয়া এটা কাহিনী বা বৃতান্ত সৃষ্টি কৰা হয়।”[১০] জঙ্গম উপন্যাসতো এনেদৰে খণ্ড-বিখণ্ড ঘটনাৰে এটা বৃত্তান্ত সৃষ্টি কৰা হৈছে। যুগভিত্তিক উপন্যাস হিচাপে ‘জঙ্গম’ত দ্বন্দ্বমুখৰ পৰিস্থিতি কিছুমান একেলগে গাঁথি উলিওৱা হৈছে। বৃত্তান্তাৰ পৰিণতিমুখী উৎকণ্ঠাই উপন্যাসখনৰ সামগ্ৰিক আবেদন সৃষ্টিত অৰিহনা যোগাইছে।

**জঙ্গম** উপন্যাস তৃতীয় পুৰুষ বৰ্ণনাকাৰীৰ জৰিয়তে মহাকাব্যিক পদ্ধতিৰে লিখা হৈছে।

এই পদ্ধতিত চৰিত্ৰাৱলীৰ মনৰ ভিতৰৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া বিশেষ ধৰা নপৰে। কিয়নো চৰিত্ৰৰ মনৰ ভিতৰৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া তৃতীয় পুৰুষ বৰ্ণনাকাৰীৰ বৰ্ণনাৰে প্ৰকাশ কৰা সম্ভৱ নহয়। তদুপৰি, যুগোপন্যাসত "আমাৰ জীৱনৰ এটা মাথোন সনাতন সত্য অন্বেষণ কৰাতকৈ পৰিবৰ্তনমুখৰ সংক্ৰান্তিকালৰ দ্বন্দ্বাত্মক ছবি এখন প্ৰকাশ কৰাৰহে চেষ্টা কৰা হয়।[১১] গতিকে, এনে উপন্যাসত চৰিত্ৰৰো ব্যক্তিগত জীৱনৰ দ্বন্দ্ব-সমস্যা চৰিতাৰ্থ কৰাতকৈ পৰিবৰ্তনমুখৰ সংক্ৰান্তিকালৰ দ্বন্দ্ব-সমস্যা চৰিতাৰ্থ কৰাতহে ব্যস্ত হয়। **জঙ্গম** উপন্যাসত চৰিত্ৰ সমূহো যুদ্ধবিধ্বস্ত পৰিস্থিতিৰ আবহাৱাই বিধ্বস্ত কৰা দ্বন্দ্ব-সমস্যাক লৈয়ে ব্যস্ত হৈ থকা দেখা যায়।

**জঙ্গম** উপন্যাসৰ কাহিনীৰ পটভূমি ব্ৰহ্মদেশ। মূল ঘটনাস্ৰোত আৰম্ভ হোৱাৰ আগতে ঔপন্যাসিকে পটভূমিৰ কিছু আভাস দিছে। ব্ৰহ্মদেশৰ ৰাজধানীৰ উত্থান-পতন, মানুহৰ বিশ্বাস-অবিশ্বাস, নদ-নদী, প্ৰাকৃতিক দৃশ্য, বিভিন্ন মঠ-মন্দিৰ, ৰজা-মহাৰজাৰ নাম আদি তথ্যৰে উপন্যাসখনৰ পটভূমিৰ বিশ্বাসযোগ্যতা প্ৰতিপন্ন কৰিছে। ব্ৰহ্মদেশৰ পৰিত্যক্ত ৰাজধানী আভা আৰু অমৰপুৰ তাৰ জীৰ্ণ-শীৰ্ণ অট্টালিকা আৰু সুউচ্চ পেগোডাবিলাকৰ খহিপৰা কলচীবোৰৰ স্তুপ, শিলালিপিৰ ভগ্নাৱশেষ, ইৰাবতীৰ পশ্চিমপাৰে থকা আৰাকান য়োমাৰ বিস্তীৰ্ণ পৰ্বতপ্ৰেমী, উত্তৰে থকা নতুন ৰাজধানী মান্দালয়, মান্দালয়ৰ ৰাজবংশৰ আমোদ-প্ৰমোদ, ভোগলিপ্সা আদিৰ বৰ্ণনা, আৰাকান পেগোডাৰ স্বৰ্ণমণ্ডিত কলচী আৰু তাৰ ভিতৰত মহামুনিৰ ধ্যানস্থ বিশাল মূৰ্তিৰ চৌপাশে প্ৰদক্ষিণৰত ভিক্ষু আৰু অচেলকসকলৰ প্ৰাৰ্থনামন্ত্ৰ, মুণ্ডিত মস্তক গৈৰিক বসনধাৰী চয়াদেওসকলৰ ছবি আদি পটভূমি দৃশ্যত অংকিত হৈছে।

ভাষাৰ বিশেষ ব্যৱহাৰ যুগভিত্তিক উপন্যাসৰ এটা বিশেষ বৈশিষ্ট্য। আবেগময় আৰু হৃদয়সঞ্চাৰী ভাষাৰে এনে উপন্যাসত বিচ্ছিন্ন ঘটনাৱলীক নিটোল কাহিনীৰ দৰে বান্ধি পেলায়। জংগম উপন্যাসত ভাষাৰ এনে ব্যৱহাৰ বিভিন্ন ঠাইত দেখা যায়। তলত এটি উদাহৰণ তুলি ধৰা হ'ল-

> "অৱশ্যে এনে নাৰকীয় জহৰ দিনবিলাকৰ একোটা স্বকীয় সৌন্দৰ্য আছে। গোটেই দিনটো যেন এটা দীঘলীয়া শাস্ত্ৰীয় সংগীতৰ সুৰ-পুৰা প্ৰশান্ত পৰিবেশৰ মধুৰ চিম্ফনী; দুপৰীয়া দীপক ৰাগৰ জ্বালাময়ী দাহন; সন্ধিয়া ৰান্ধনী ৰ'দালিৰ বুকু কঁপি কঁপি লীন যোৱা অন্তিমৰাগৰ মূৰ্চনা।
> (জঙ্গম, পৃ.৪২)

ভাষাৰ ব্যঞ্জনা আৰু ইংগিতময়তা জঙ্গমৰ লেখত ল'বলগীয়া দিশ। শগুন, কুকুৰ আদি শব্দ প্ৰতীকী অৰ্থত ব্যৱহাৰ হোৱাৰ উপৰিও যুদ্ধৰ ভয়াবহতা আৰু জীৱনৰ অনিশ্চয়তাৰ মাজত বাটত জন্ম হোৱা ৰামগোবিন্দ আৰু লচ্মীৰ সন্তানটো অনাগত ভৱিষ্যতৰ অসীম সম্ভাৱনা আৰু নিষ্কলুষতাৰ প্ৰতীক। উপন্যাসখনৰ অন্যতম আকৰ্ষণীয় দিশ হ'ল ইয়াৰ গদ্যশৈলী। উপন্যাসখনৰ গদ্য শক্তিশালী। পৰিবেশ-পৰিস্থিতিৰ লগত খাপখোৱা পটভূমিকাৰ ভাষা সংস্কৃতীয়া।

শব্দ ব্যৱহাৰৰ ক্ষেত্ৰত ঔপন্যাসিক বৰ বেছি সচেতন হোৱা দেখা নাযায়। দুই-এটা বাৰ্মিজ শব্দৰ ব্যৱহাৰ দেখা যায় যদিও চৰিত্ৰৰ মুখত বাৰ্মিজ শব্দৰ ব্যৱহাৰ নাই। ইংৰাজ মেজৰ, পাদ্ৰীৰ মুখতো ইংৰাজী শব্দৰ ব্যৱহাৰ কৰা হোৱা নাই। দুই এটা ফকৰা যোজনাও উপন্যাসখনত ব্যৱহাৰ কৰা হৈছে।

**জঙ্গম** উপন্যাসত অতি নিবিড়ভাৱে লেখকৰ জীৱন দৰ্শনো ব্যক্ত কৰিছে। ভগনীয়া দলটোৰ এগৰাকী সদস্যা মা-পুৱে পাদ্ৰীচাহাবক সোধা এটি প্ৰশ্নোত্তৰত কোৱা বক্তব্য এটিৰ মাজত ঔপন্যাসিকৰ জীৱন-দৰ্শন নিহিত হৈ আছে-

"নিজৰ কৰ্তব্য হাঁহিমুখে কৰি যোৱাঁ- দেখিবা জীৱনটো
শান্তিৰে উপচি পৰিছে। এই যুদ্ধ-বিদ্ৰহ সকলো অবান্তৰ,
অশ্বাশ্বত। শান্তি স্থায়ী, সত্য।" (জঙ্গম, পৃ. ২২২)

অন্যহাতে উপন্যাসখনৰ নামকৰণতো এটি বিশেষ তাৎপৰ্য আছে। **জঙ্গম** শব্দটোৰ অৰ্থই গতিশীল। ভগনীয়াসকলে জীৱন-স্পৃহাৰ অন্তহীন লালসাত দুৰ্গম পথ অতিক্ৰমি নিৰাপদ স্থানলৈ কৰা নিৰন্তৰ গতিটোকে উপন্যাসখনত জঙ্গম অৰ্থত ব্যৱহাৰ কৰা হৈছে। উপন্যাসখনৰ সামৰণিৰ ফালে পাদ্ৰীচাহাবৰ মুখত দিয়া এটি সংলাপত **জঙ্গম** নামৰ সাৰ্থকতা উপলব্ধি কৰিব পাৰি- "গতিহীন জীৱন আৰু মৰণৰ একো পাৰ্থক্য নাই মেৰী। চিৰ অঘৰী মানুহ আমি... আমি অতি ক্ষুদ্ৰ-অতি অসহায়।" (জঙ্গম, ২২২)

## সামৰণি ঃ

অধ্যয়নৰ পৰা দেখা গ'ল **জংগম** উপন্যাসখন কাহিনী, চৰিত্ৰ, অন্তৰ্নিহিত ভাৱবস্তু, উপস্থাপন ৰীতি, ভাষা আদি সকলো দিশতে এখন অ-পম্পৰাগত উপন্যাস হিচাপে সমুজ্বল। যুদ্ধবিষয়ক অসমীয়া উপন্যাস হিচাপেও অসমীয়া সাহিত্যৰ বুৰঞ্জীত উপন্যাসখনৰ গুৰুত্ব অপৰিসীম। যুদ্ধৰ প্ৰত্যক্ষ প্ৰভাৱ আৰু সেই সৰ্বনশীয়া প্ৰভাৱে সামগ্ৰিকভাৱে জন-জীৱনত পেলোৱা অ-নিৰাপত্তাজনিত যন্ত্ৰণা- মূল প্ৰতিপাদ্য বিষয় হিচাপে গ্ৰহণ কৰা অসমীয়া উপন্যাস বুলিয়ে নহয়; সৰ্বভাৰতীয় পটভূমিতো উপন্যাসখনে বিশিষ্ট আসন লাভ কৰিব পাৰে।

বিষয় নিৰ্বাচনৰ দিশৰপৰাও অসমীয়া উপন্যাস সাহিত্যত জংগমৰ এটি মূল্য আছে। জঙ্গমৰ কাহিনীৰ পটভূমি এক বিস্তৃত অংশজোৰা। ব্ৰহ্মদেশত আৰম্ভ হোৱা ঘটনাক্ৰমে পৰিসমাপ্তি লাভ কৰিছে অসমত। অসমৰ বাহিৰৰ পটভূমিত লিখা কেইখনমান অসমীয়া উপন্যাসৰ বিষয়ে মহেন্দ্ৰ বৰাই 'অসমীয়া সাহিত্যৰ সৰ্বভাৰতীয় লেখক' নামৰ প্ৰবন্ধত উল্লেখ কৰিছে। সেই দৃষ্টিকোণৰপৰা **জঙ্গম** উপন্যাসখনকো সৰ্বভাৰতীয় পৰ্যায়ৰ উপন্যাস হিচাপে আৰু দেবেন্দ্ৰনাথ আচাৰ্যক 'অসমীয়া সাহিত্যৰ সৰ্বভাৰতীয় লেখক' হিচাপে পৰিচিহ্নিত কৰিব পাৰি।

**জঙ্গম** উপন্যাসখন বিশ্লেষণৰদ্বাৰা পোহৰলৈ অহা কেইটিমান বিশেষ দিশ হ'ল-

ঘটনা নিৰ্বাচনৰ দিশত **জঙ্গম**ক অসমীয়া উপন্যাস সাহিত্যত এখন অনন্য উপন্যাস

হিচাপে আখ্যা দিব পৰা যায়। বৃত্তান্তৰ পৰিণতিমুখী উৎকণ্ঠাই উপন্যাসখনক এখন ৰসোত্তীৰ্ণ উপন্যাসলৈ ৰূপান্তৰ কৰিছে। মহাযুদ্ধৰ বা-মাৰলিত ঠিকনা হেৰুওৱা এচাম দুৰ্ভগীয়া ভগনীয়াৰ কৰুণ-গাঁথাৰ মাজেদি উপন্যাসখনত সামগ্ৰিকভাৱে সংসাৰ যাত্ৰাৰ কাঁইটীয়া বাটেদি খোজ আগবঢ়োৱা চিৰন্তন মানৱ যাত্ৰাৰ স্বৰূপ ৰূপকাত্মকৰূপত উপস্থাপন কৰা হৈছে। উপস্থাপন শৈলীৰ অ- পৰম্পৰাগত ভংগী, ভাষাৰ ইংগিতপূৰ্ণ আৰু পৰিস্থিতিসাপেক্ষ ব্যৱহাৰে পটভূমিৰ বিশ্বাসযোগ্যতা অক্ষুণ্ণ ৰাখিছে।

## পাদটীকা ঃ

১. প্ৰহ্লাদ কুমাৰ বৰুৱা *উপন্যাস* পৃ. ১৭

২. উল্লিখিত

৩. শ্ৰীকুমাৰ বন্দোপাধ্যায়, *বংগ সাহিত্যে উপন্যাসের ধারা,* পৃ. ৫৬৪

৪. মহেন্দ্ৰ বৰা, *'বিশ্বসাহিত্যৰ পৰিপ্ৰেক্ষিতত অসমীয়া উপন্যাস, লঘু-গুৰু',* পৃ. ১৫১

৫. Edwin Muir, *"The structure of the novel"* P. 117

৬. প্ৰহ্লাদ কুমাৰ বৰুৱা, পূৰ্বোল্লিখিত, পৃ. ৬২

৭. দেবেন্দ্ৰনাথ আচাৰ্য, 'জঙ্গম', পৃ. ২২২

৮. গোবিন্দ প্ৰসাদ শৰ্মা, 'উপন্যাস আৰু অসমীয়া উপন্যাস', পৃ. ১৯০

৯. উল্লিখিত, পৃ. ২৮৪

১০. উল্লিখিত, পৃ. ২৯১

১১. উল্লিখিত, পৃ. ২৮৪

# সাম্প্ৰতিক প্ৰেক্ষাপটত পৰিৱেশ্য কলা হিচাপে আবৃত্তি ঃ ঐতিহ্য, ৰূপান্তৰ আৰু আত্ম পৰিচয় সন্দৰ্ভত এটি আলোচনা

**যুগল চন্দ্ৰ সোনোৱাল**
**সহকাৰী অধ্যাপক, অসমীয়া বিভাগ,**
**পিথুবৰ ছোৱালী স্নাতক মহাবিদ্যালয়,**
**খোৱাংঘাট, ডিব্ৰুগড়**

## সংক্ষিপ্ত সাৰ

সাম্প্ৰতিক সময়ৰ এটি অতি জনপ্ৰিয় পৰিৱেশ্য কলা হৈছে আবৃত্তি। সংস্কৃত ভাষাত আবৃত্তি শব্দৰ বুৎপত্তিগত অৰ্থ হৈছে "আ-বৃৎতি" অৰ্থাৎ অভ্যাস, আলোচনা আৰু মুখস্থ পাঠ। নিৰ্দিষ্ট ধ্বনি সমষ্টি পৰ্যায়ক্ৰমে আৱৰ্ত্তিত হয় বাবে পদ্য বা বৃত্তক আবৃত্তি বোলা হয়। কবিতাৰ বিষয়বস্তু হৃদয়ঙ্গম কৰি ভাৱ অনুসৰি সুললিত কণ্ঠস্বৰৰ জৰিয়তে পৰিবেশন কৰি আবৃত্তিকাৰে আবৃত্তিক পৰিৱেশ্য কলা হিচাবে প্ৰতিষ্ঠা কৰিব পাৰে। পৰিৱেশ্য কলা হিচাবে আবৃত্তিৰ গুৰুত্ব উদ্‌ঘাটন কৰাৰ উদ্দেশ্যেৰে অধ্যয়ন কৰা আলোচনা পত্ৰখনিত আবৃত্তিৰ অতীত ইতিহাস, সময়ৰ পৰিবৰ্ত্তনৰ সৈতে আবৃত্তিয়ে লাভ কৰা ৰূপান্তৰ আৰু সুকুমাৰ কলাৰ অন্যতম পৰিৱেশ্য কলা ৰূপে আবৃত্তি শিল্পৰ প্ৰাধান্য সন্দৰ্ভত পত্ৰখনিত আলোচনা আগবঢ়োৱা হৈছে। আবৃত্তি শিল্পৰ পাঠ্যক্ৰমত অংশ গ্ৰহণ কৰি ইয়াৰ প্ৰায়োগিক দিশৰ অধ্যয়নৰদ্বাৰা মুখ্য সমল আৰু ইতিমধ্যে প্ৰকাশিত গ্ৰন্থ, প্ৰবন্ধ আদি অধ্যয়নৰ জৰিয়তে গৌণ সমল সংগ্ৰহ কৰি পত্ৰখনি প্ৰস্তুত কৰা হৈছে। আলোচনা পত্ৰখন বৰ্ণনাত্মক আৰু আলোচনাত্মক পদ্ধতিৰে আলোচনা কৰা হৈছে।

**বীজ শব্দ ঃ আবৃত্তি, কণ্ঠস্বৰ, প্ৰস্তুতি, পৰিৱেশ্য কলা, ৰূপান্তৰ।**

## ০.১ প্ৰস্তাৱনা

"আবৃত্তি সৰ্বশাস্ত্ৰানাং বোধদপি গৰিয়সী"

সাম্প্ৰতিক সময়ৰ এটি অতি জনপ্ৰিয় পৰিৱেশ্য কলা হৈছে আবৃত্তি। সংস্কৃত ভাষাত আবৃত্তি শব্দৰ বুৎপত্তিগত অৰ্থ হৈছে "আ-বৃৎতি" অৰ্থাৎ অভ্যাস, আলোচনা আৰু মুখস্থ পাঠ।

নিৰ্দিষ্ট ধ্বনি সমষ্টি পৰ্যায়ক্ৰমে আৱৰ্ত্তিত হয় বাবে পদ্য বা বৃত্তক আবৃত্তি বোলা হয়। এই আবৃত্তি শিল্পৰ বাবে আবৃত্তিকাৰে সাধনাৰ জৰিয়তে নিজকে প্ৰস্তুত কৰিবলগীয়া হয়। কবিতাৰ বিষয়বস্তু হৃদয়ঙ্গম কৰি ভাৱ অনুসৰি সুললিত কণ্ঠস্বৰৰ জৰিয়তে পৰিবেশন কৰি আবৃত্তিকাৰে আবৃত্তিক পৰিৱেশ্য কলা হিচাবে প্ৰতিষ্ঠা কৰিব পাৰে।

## ০.২ অধ্যয়নৰ উদ্দেশ্য

প্ৰকৃততে পাঠৰ জৰিয়তেহে কবিতাই পৰিপূৰ্ণতা লাভ কৰে। কবিতাৰ আবেদনে সম্পূৰ্ণ ৰূপ পাবলৈ কবিতাৰ শব্দৰাজিৰ শুদ্ধ আৰু স্পষ্ট উচ্চাৰণ, লয়-ছন্দ ৰক্ষা কৰি শ্ৰৱণেন্দ্ৰিয়ত আবৃত্ত হোৱাৰ প্ৰয়োজন হয়। কবিতাৰ প্ৰতিটো ধ্বনিৰ শুদ্ধ উচ্চাৰণৰ জৰিয়তে মানৱ হৃদয় আলোড়িত কৰি পাঠকৰ সৈতে নিবিড় সম্বন্ধ স্থাপনেৰে সম্পৃক্ত হ'ব পাৰিলেহে কবিতাই আবেদনময় মাত্ৰা লাভ কৰে। কণ্ঠস্বৰ আধাৰিত এইবিধ শিল্প পৰিৱেশ্যমান সুকুমাৰ কলা হিচাবে ইয়াৰ ঐতিহ্য, ৰূপান্তৰ, আত্ম পৰিচয় স্থাপনত ইয়াৰ ভূমিকা উদ্‌ঘাটন আৰু সাম্প্ৰতিক সময়ত ইয়াৰ গুৰুত্ব উদ্‌ঘাটনৰ উদ্দেশ্যেৰে আলোচনা পত্ৰখনি প্ৰস্তুত কৰা হৈছে।

## ০.৩ অধ্যয়নৰ পৰিসীমা

পৰিৱেশ্য কলা হিচাবে আবৃত্তিৰ গুৰুত্ব উদ্‌ঘাটন কৰাৰ উদ্দেশ্যেৰে অধ্যয়ন কৰা আলোচনা পত্ৰখনিত আবৃত্তিৰ অতীত ইতিহাস, সময়ৰ পৰিবৰ্ত্তনৰ সৈতে আবৃত্তিয়ে লাভ কৰা ৰূপান্তৰ আৰু সুকুমাৰ কলাৰ অন্যতম পৰিৱেশ্য কলা ৰূপে আবৃত্তি শিল্পৰ প্ৰাধান্য সন্দৰ্ভত পত্ৰখনিত আলোচনা আগবঢ়োৱা হৈছে।

## ০.৪ তথ্যৰ উৎস

আবৃত্তি শিল্পৰ পাঠ্যক্ৰমত অংশ গ্ৰহণ কৰি ইয়াৰ প্ৰায়োগিক দিশৰ অধ্যয়নৰদ্বাৰা মুখ্য সমল আৰু ইতিমধ্যে প্ৰকাশিত গ্ৰন্থ, প্ৰবন্ধ আদি অধ্যয়নৰ জৰিয়তে গৌণ সমল সংগ্ৰহ কৰি পত্ৰখনি প্ৰস্তুত কৰা হৈছে।

## ০.৫ অধ্যয়নৰ পদ্ধতি

সংগৃহীত তথ্যসমূহ বৰ্ণনাত্মক আৰু আলোচনাত্মক পদ্ধতিৰে আলোচনা কৰা হৈছে।

## ০.৬ প্ৰকল্পনা

কবিয়ে অনুভৱৰ গভীৰতাৰপৰা প্ৰকাশ কৰা ভাৱনা আবৃত্তিত পৰিপূৰ্ণতা লাভ কৰে। আবৃত্তি শিল্পই মানুহক মানসিক পৰিতৃপ্তি প্ৰদান কৰি দৰদী ভাৱনাৰে সম্পৃক্ত অনুভৱী পৰ্যায়লৈ উত্তৰণ ঘটাব পাৰে। বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰ আৰু বিশ্বায়নৰ প্ৰভাৱত মানুহৰ জীৱন যন্ত্ৰসৰ্ব্বস্ব পৰ্যায়লৈ গতি কৰিছে। তেনে পৰিস্থিতিত আবৃত্তি শিল্পই মানুহৰ মন-মগজুক সংবেদনশীল-

অনুভৱী কৰি তুলি মানৱতাবোধক উজ্জীৱিত কৰাৰ বাবে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰাৰ সম্ভাৱনা প্ৰৱল। তদুপৰি বিপথগামী নৱ-প্রজন্মৰ অস্থিৰ-অকালপৰিপক্ক নেতিবাচক মানসিকতা ৰোধৰ ক্ষেত্ৰত আবৃত্তি চৰ্চ্চাই গঠনমূলক পদক্ষেপ গ্রহণ কৰাৰ স্থল যথেষ্ট।

## ০.৭ বিষয়ৰ আলোচনা

বিশ্বায়নৰ ধামখুমীয়াত সাম্প্রতিক সময়তো আবৃত্তি শিল্পৰ পুনৰুত্থানৰ ক্ষেত্ৰত ইয়াৰ ইতিহাস, ৰূপান্তৰ আৰু আত্ম পৰিচয় স্থাপনত আবৃত্তি চৰ্চ্চাৰ গুৰুত্ব অপৰিসীম।

## ০.৭.১ আবৃত্তিৰ ঐতিহ্য

ভাৰতবৰ্ষৰ ক্ষেত্ৰত আবৃত্তিৰ ইতিহাস অতি প্ৰাচীন। বৈদিক যুগৰপৰাই প্ৰকৃতিৰ নিৰিবিলি পৰিৱেশত ঋষি-মুনিসকলে নিজৰ অনুভৱসমূহক পৰম্পৰাগতভাৱে শ্লোকৰ জৰিয়তে মৌখিকভাৱে আবৃত্তিৰ মাধ্যমত ধৰি ৰাখিছিল। লিপিবদ্ধ কৰাৰ ব্যৱস্থা নাছিল বাবে বেদৰ স্তোত্ৰবিলাক মুখে মুখে আবৃত্তিৰ মাধ্যমতহে সংৰক্ষিত হৈছিল। নিৰ্দিষ্ট ছন্দ-লয়ত আবৃত্তি কৰা স্তোত্ৰসমূহ শ্ৰৱণ কৰি তাক হৃদয়ঙ্গম কৰা হৈছিল আৰু স্মৃতি আধাৰিত সেই স্তোত্ৰসমূহ পৰৱৰ্তী সময়ত লিখিত ৰূপ দি বৈদিক সাহিত্য সম্ভাৰ সৃষ্টি হৈছিল।

মা নিষাদ প্রতিষ্ঠাং ত্বমগমঃ শাশ্বতী সমাঃ।  
যৎ ক্রৌঞ্চ মিথুনাদেকমবধীঃ কামমোহিতম।।

শৰবিদ্ধ ক্ৰৌঞ্চ পক্ষীহাল দেখি আদিকবি বাল্মীকিৰ অন্তৰত অনুভূত উপলব্ধিয়ে স্বতঃস্ফূৰ্ত আৰু উন্মুক্তভাৱে ছন্দোবদ্ধৰূপত প্ৰকাশ লাভ কৰিছিল। বাল্মীকি ৰামায়ণ সৃষ্টিৰ মূলতে তেওঁৰ মুখ নিঃসৃত অনুভৱৰ আবৃত্তিহে মাথো। কামমোহিত ক্ৰৌঞ্চ পখীৰ বিৰহত মৰ্মাহত শোক বিহুল আদি কবি বাল্মীকিৰ মুখ নিঃসৃত এই শ্লোকেই কবিতাৰ জন্মভূমি। কবি হৃদয়ৰ বেদনাই এক পৰিবৰ্তিত ৰসমূৰ্ত্তি লাভ কৰিছিল। বৈদিক বা মহাকাব্য যুগৰ বিভিন্ন ৰচনাত প্ৰকাশ পোৱা অনুভৱৰ অভিব্যক্তি আবৃত্তিৰ জৰিয়তে বোধগম্য হৈছিল। পূজা পাঠ, পাঁচালী পাঠ আদি আবৃত্তিৰ একো একোটা প্ৰকাৰ। শ্ৰীমন্ত শংকৰদেৱৰ এক শৰণ বৈষ্ণৱ ধৰ্মত নামঘৰত পাঠকে সুললিত কণ্ঠেৰে কীৰ্ত্তন পাঠ কৰোঁতে ভক্তই একান্তমনে শুনি যায়। পাঠকে শ্ৰীকৃষ্ণৰ গুণানুকীৰ্ত্তনৰ ব্যাখ্যাও কৰি যায় আৰু শ্ৰোতাই তাৰ ৰস পান কৰি ভক্তিৰসত আপ্লুত হয়। পাঠকৰ কণ্ঠ মাধুৰ্যই কবিতাৰ ভাৱ আৰু ভাষাৰ সমন্বয় ঘটাই ৰসানুভূতি নিঃসৃত কৰিব পৰাকৈ সাৰ্থক শিল্প হিচাবে কীৰ্ত্তন, দশম, ভাগৱত, নামঘোষা আদি পাঠকসকলে বিবৃত কৰে।

আবৃত্তিৰ অবিহনে কবিতাৰ অৰ্থ পূৰ্ণ নহয়। সেয়েহে আবৃত্তি এক জনপ্ৰিয় শিল্প হিচাবে সাম্প্ৰতিক সময়ত সমাদৰ লাভ কৰিছে। মানুহৰ ইন্দ্ৰিয়ই গ্ৰহণ কৰিব পৰা অনুভূতিসমূহ সংবেদন প্ৰৱণ মানুহৰ ভাৱ-কল্পনাত অনুভূত হৈ ছন্দোময় আৰু কলাসন্মত ৰূপ যেতিয়া লাভ কৰে তেতিয়াই কবিতাৰ জন্ম হয়। ই এক বৰ্ণময় নান্দনিক প্ৰকাশ। কবিয়ে নিজৰ ভাৱ-কল্পনাক উপলব্ধি কৰি

সাধাৰণ বিষয়তে অসাধাৰণত্ব প্ৰদান কৰি সৰ্বাঙ্গ সুন্দৰ কাব্য সৃষ্টি কৰে। কবিতা হ'ল দুৰ্নিবাৰ আবেগৰ স্বতঃস্ফূৰ্ত প্ৰকাশ।

## ০.৭.২ আবৃত্তিৰ চৰ্তসমূহ

আবেদনময় আবৃত্তিৰ কাৰণে কিছুমান নিয়ম পালন কৰা আৱশ্যক। সেই সমূহ হৈছে -
(ক) কবিতাটো বাৰে বাৰে পঢ়ি তাৰ ভাৱ আৰু অৰ্থ হৃদয়ঙ্গম কৰি কবিতাটো মুখস্থ কৰি ল'ব লাগিব।
(খ) কবিতাৰ ভাৱ অনুসৰি যতি-বিৰাম, ছন্দ-লয় আৰু বিভিন্ন যতি চিহ্নসমূহৰ সফল প্ৰয়োগ শিকিব লাগিব।
(গ) ৰস প্ৰকাশ হোৱাকৈ শব্দসমূহ শুদ্ধ, স্পষ্ট আৰু প্ৰাঞ্জলভাৱে উচ্চাৰণ কৰিব লাগিব।
(ঘ) কণ্ঠস্বৰৰ উত্থান-পতনৰ জৰিয়তে কবিতাত প্ৰয়োগ হোৱা চিত্ৰকল্পক প্ৰাণৱন্ত কৰি তুলিব পাৰিব লাগিব।
(ঙ) কবিৰ আত্মিক সত্ত্বা আৰু ভাৱৰ সৈতে একাত্ম হ'ব পাৰিব লাগিব।
(চ) আবেগক নিয়ন্ত্ৰণ কৰি প্ৰয়োজন অনুসৰি কবিতাৰ ভাৱৰাশিক মনোমোহাকৈ প্ৰকাশ কৰাৰ দক্ষতা আহৰণ কৰিব পাৰিব লাগিব।

## ০.৭.৩ আবৃত্তিকাৰৰ কৰণীয়

অতি প্ৰাচীন কালৰ বেদ বা শ্ৰুতিৰ সময়ৰপৰাই আবৃত্তি প্ৰচলন হৈ আহিছে। অভিনয়ৰ সৈতে আবৃত্তিৰ ওতঃপ্ৰোত সম্পৰ্ক থাকিলেও আবৃত্তি কিন্তু অভিনয়ৰপৰা পৃথক। ৰস প্ৰকাশৰ ক্ষেত্ৰত আবৃত্তিকাৰে কণ্ঠৰ কলাত্মক প্ৰকাশৰ লগতে কাব্যৰ সকলো দিশৰ প্ৰতি লক্ষ্য ৰাখিবলগীয়া হয়। কিয়নো আবৃত্তিকাৰে কবিতাৰ সকলো ৰস কেৱল কণ্ঠস্বৰৰ আলমত দৰ্শক-শ্ৰোতাক অৱগত কৰাব লাগে।

কবিতাৰ আবেদন আবৃত্তিৰ জৰিয়তে দৰ্শক-শ্ৰোতাৰ অন্তৰৰ অভ্যন্তৰত অনুভূত হ'ব পাৰে। পাঠ বা আবৃত্তিয়ে কবিতাৰ জীৱন পৰিপূৰ্ণ কৰে। কবিতাত ব্যৱহৃত ধ্বনি ইয়াৰ আত্মা, শব্দ ইয়াৰ শৰীৰ আৰু ৰস হৈছে কবিতাৰ প্ৰাণ। এই সকলোবোৰৰ সমতাপূৰ্ণ বিকাশে কবিতাৰ পৰিপূৰ্ণতা আনি দিয়ে। তাৰ বাবেই আবৃত্তিকাৰৰ গভীৰ ঐকান্তিক উদাত্ত কণ্ঠস্বৰ, শব্দ শক্তিৰ জ্ঞান, শুদ্ধ উচ্চাৰণ, যতি-বিৰাম, তাল-লয়ৰ জ্ঞান আৰু সামৰ্থ অনুসৰি ৰসগ্ৰাহীকৈ পঠনৰ মানসিকতা গঢ়ি তুলিব লাগে।

## ০.৭.৪ আবৃত্তিৰ বাবে কণ্ঠস্বৰৰ প্ৰস্তুতি

আবৃত্তি যিহেতু এক কণ্ঠাভিনয়। সেয়েহে কণ্ঠস্বৰক পৰিশীলিত ৰূপত পৰিবেশন কৰিবলৈ প্ৰস্তুত হোৱাৰ প্ৰয়োজন। তাৰ বাবে ধ্বনিৰ শুদ্ধ উচ্চাৰণ অনুশীলন কৰি কণ্ঠস্বৰৰ স্পষ্টতা আনিব

লাগিব। কণ্ঠ প্ৰস্তুতিৰ বাবে প্ৰাণায়ামৰ প্ৰয়োজন অধিক। কবিতাৰ ছন্দ বা বিৰতি, ভাৱ অনুসৰি শ্বাস-প্ৰশ্বাস নিয়ন্ত্ৰণ কৰি চাতুৰ্যপূৰ্ণভাৱে পৰিবেশনৰ বাবে প্ৰাণায়াম অনুশীলনৰ প্ৰয়োজন।

কণ্ঠ শ্ৰুতিমধুৰ কৰি লোৱাৰ কাৰণে সপ্ত স্বৰৰ সাধনা অতীব প্ৰয়োজন। তদুপৰি বাগিন্দ্ৰিয়ৰ প্ৰতিটো অংগ সচেতন আৰু সক্ষম কৰি তুলিবলৈ ব্যায়াম অভ্যাসৰ প্ৰয়োজন। দৃষ্টি শক্তিৰ বাবে চকু, শুদ্ধ উচ্চাৰণৰ বাবে ওঁঠ, জিভা, আলজিভা, নাক, কণ্ঠনলী, তালু, পশ্চতালু, উচ্চাৰণৰ অনুকৰণৰ বাবে কাণৰ ব্যায়াম কৰিবলগীয়া হয়। কাণ আৰু চকুৰ সক্ৰিয়তাৰ বাবে ব্যায়ামৰ লগতে পৰিস্কাৰ-পৰিচ্ছন্ন ৰখাটো গুৰুত্বপূৰ্ণ।

## ০.৭.৫ আবৃত্তি জীৱনৰ কলা

আবৃত্তি এক জীৱন কলা। ইয়াৰ প্ৰায়োগিক শুদ্ধতাই উচ্চাৰণগত শুদ্ধতা আৰু স্পষ্টতা বৃদ্ধি কৰে। আবৃত্তিৰ দৰে সূক্ষ্ম কলাৰ সৈতে সংযুক্ত হ'লে অশুভ চিন্তা আৰু কৰ্মৰপৰা নিজকে নিলগাই ৰখা সম্ভৱ। আবৃত্তিয়ে কল্পনা শক্তি আৰু সৃজনীশীলতা বৃদ্ধি কৰে। আবৃত্তি হৈছে গণসংযোগৰ এক শক্তিশালী মাধ্যম। আবৃত্তিৰ বাবে স্মৃতি অৰ্থাৎ পূৰ্ব অভিজ্ঞতা স্মৰণ কৰি তাক পৰিবেশন কৰা প্ৰয়োজন। কিন্তু স্মৰণ আৰু আবৃত্তি একে নহয়। স্মৃতিৰপৰা কেৱল নিৰাসক্তভাৱে পাঠ কৰি গ'লেই আবৃত্তি হ'ব নোৱাৰে। পৰিশীলিত উচ্চাৰণ, স্বৰগ্ৰামৰ স্বচ্ছন্দ আৰোহণ-অৱৰোহণ, সংযত আবেগ, আত্মগত ভঙ্গী আৰু বোধ সমৃদ্ধ কবিতাৰ পৰিবেশনেই হৈছে আবৃত্তি। ই গণসংযোগৰ এক শক্তিশালী মাধ্যম। সেয়েহে ইয়াৰ জনপ্ৰিয়তাৰ বাবে আবৃত্তিকাৰে প্ৰয়োজনীয় আবেগ সঞ্চাৰ কৰিব পাৰিলে শ্ৰোতাৰ অন্তৰ স্পৰ্শ কৰিব পৰা যাব।

## ০.৭.৬ পৰিৱেশ্য কলা হিচাবে আবৃত্তি

শব্দ ব্ৰহ্ম, এক অমোঘ শব্দ শক্তিৰ মাধ্যমেৰেই কবিসকলে হৃদয়ৰ বাৰ্ত্তা প্ৰেৰণ কৰে জন মানসলৈ। শব্দ আৰু অৰ্থৰ সুসমন্বয়ত ৰমনীয়তা সৃষ্টি কৰা শব্দ সমষ্টিৰে কাব্য সৃষ্টি হয়। এই কাব্যত অন্তৰ্নিহিত কবিৰ আবেদনক শ্ৰোতাৰ মাজলৈ নি মননশীল কলাত্মক ৰূপ দিয়াই হ'ল আবৃত্তি। সুললিত কণ্ঠস্বৰৰ সহায়ত ৰসগ্ৰাহীকৈ কৰা স্মৃতি নিৰ্ভৰ পাঠেই হৈছে আবৃত্তি। আবৃত্তিকাৰে কবিৰ অন্তৰৰ সমস্ত আৱেগ কণ্ঠত ধাৰণ কৰি শব্দ প্ৰক্ষেপণৰদ্বাৰা কবিতাৰ বিষয়বস্তু জনগণৰ হৃদয়লৈ লৈ যায়। ফলস্বৰূপে শ্ৰোতাৰ সৈতে কবিৰ এটি সেতুবন্ধন সৃষ্টি হয়।

সকলো শাস্ত্ৰৰ বোধ শক্তি বঢ়োৱাত আবৃত্তিৰ ভূমিকা অসীম। পাঠতহে কবিতাই পৰিপূৰ্ণতা লাভ কৰে। কবিতাৰ আবেদনেই কবিতাৰ প্ৰাণ, ধ্বনি কবিতাৰ আত্মা, শব্দ কবিতাৰ শৰীৰ, ৰস কবিতাৰ প্ৰাণ। তাৰ বাবে আবৃত্তিকাৰৰ ধ্বনি উচ্চাৰণৰ শুদ্ধতা,স্পষ্টতা লাগিব আৰু ৰস অনুসৰি শব্দ প্ৰক্ষেপণ, সুৰ লহৰ ৰক্ষিত কৰি পঠন কৰা কৌশল আয়ত্ব কৰিব লাগিব। ছন্দ-লয়, যতি-মাত্ৰাৰ সূক্ষ্ম ধাৰণাৰ লগতে বিষয়-ভাৱ অনুসৰি কণ্ঠস্বৰৰ উঠা-নমা, শব্দ শক্তিৰ আকাংক্ষা, যোগ্যতা আৰু আসক্তিৰ ভাৰসাম্য ৰক্ষা কৰি ৰসৰ সুন্দৰ প্ৰয়োগ সম্বন্ধে জ্ঞান আবৃত্তিকাৰৰ থাকিব লাগিব।

## ০.৭.৭ জীৱন কলা হিচাবে আবৃত্তিৰ প্ৰায়োগিক দিশ

আবৃত্তি এক প্ৰকাৰৰ জীৱন কলা।

(ক) আবৃত্তিয়ে মানসিক পৱিত্ৰতা, পৰিশীলতা প্ৰদান কৰি নান্দনিক আনন্দ দান কৰিব পাৰে।

(খ) কণ্ঠস্বৰৰ অভ্যাসৰদ্বাৰা সুমধুৰ কণ্ঠস্বৰৰ অধিকাৰী কৰি তুলিব পাৰে।

(গ) কণ্ঠৰ জড়তা থকা বা খোনা লোকক সুস্থতা প্ৰদান কৰিব পাৰে।

(ঘ) আবৃত্তিয়ে সুমধুৰ বক্তৃতা প্ৰদান কৰাত সহায়ক হয়।

(ঙ) সাক্ষাৎ প্ৰদানৰ ক্ষেত্ৰত সফলতা লাভ কৰাত সহায়ক হ'ব পাৰে।

(চ) শব্দৰ শুদ্ধ উচ্চাৰণ, স্পষ্টতা আৰু ভাৱ অনুসৰি বিষয় উপস্থাপন কৌশলত নিপুণতা প্ৰদান কৰি সফল বক্তা, শিক্ষক, তাৰ্কিক, অভিনয় শিল্পী হিচাবে প্ৰতিষ্ঠা কৰাত আবৃত্তিয়ে ফলপ্ৰসু প্ৰভাৱ পেলায়।

(ছ) আবৃত্তিৰ জৰিয়তে কল্পনা শক্তি আৰু সৃজনীশীলতা বৃদ্ধি কৰি জীৱন-জীৱিকা লাভ কৰিব পাৰি।

(জ) আবৃত্তি কেৱল কলা নহৈ শুদ্ধ সাংস্কৃতিক জীৱনৰ অধিকাৰী কৰি সমাজ জীৱনৰ উত্তৰণত ব্যক্তিক সহায় কৰে।

## ০.৭.৮ আবৃত্তি শিল্পলৈ অহা ৰূপান্তৰ

বৈদিক যুগত ঋষি-মুনিসকলে মৌখিকভাৱে প্ৰচলন কৰা স্মৃতি নিৰ্ভৰ স্তোত্ৰ পাঠ বা মন্ত্ৰোচ্চাৰণৰপৰাই আবৃত্তিৰ উদ্ভৱ হৈছিল। কালক্ৰমত এই আবৃত্তি শিল্পই নতুন মাত্ৰা লাভ কৰি গণসংযোগৰ মাধ্যম হিচাবে ইয়াক পৰিবেশন কৰাৰ পৰম্পৰা গঢ় লৈ উঠিল। লৌকিক ৰূপত প্ৰচলিত স্তোত্ৰ পাঠ, কীৰ্ত্তন-ভাগৱত পাঠ, স্তুতিমূলক গীত আদিত আবৃত্তিৰ আভাস বিচাৰি পোৱা যায়।

যোড়শ শতিকাত ৰোমত বাইবেলৰ বাণীসমূহ সমবেত কণ্ঠত আবৃত্তি কৰা হৈছিল আৰু আবৃত্তিৰ ইতিহাস ৰচিত হৈছিল। ঊনবিংশ শতিকাত পূৰ্ববংগত কবি ডিৰোজিওৰ ইংৰাজী কবিতাৰ আবৃত্তিৰে আধুনিক আবৃত্তি কলাই প্ৰতিষ্ঠা লাভ কৰে। তদুপৰি বিভিন্ন সময়ত বিভিন্ন আবৃত্তিকাৰৰ জৰিয়তে গণসংযোগৰ মাধ্যমৰূপে ই প্ৰতিষ্ঠা লাভ কৰি বিদ্যায়তনিক বিষয় হিচাবে স্বীকৃতি লাভ কৰাটো ইয়াৰ গুৰুত্বপূৰ্ণ দিশ। সাম্প্ৰতিক সময়ত পৰিৱেশ্য কলা হিচাবে সমাদৃত হৈ অভিনৱ কলা-কৌশলেৰে ই বিকাশ লাভ কৰি আবৃত্তি শিল্পক উপযুক্ত প্ৰচাৰ আৰু প্ৰসাৰ প্ৰদানৰ বাবে বিশিষ্ট ভূমিকা পালন কৰিছে।

## ০.৭.৯ আবৃত্তিৰ আত্ম পৰিচয়ত সংকট

অতি প্ৰাচীন কালৰপৰাই আবৃত্তি শিল্প চৰ্চা হৈছিল। মৌখিক ৰূপত বৈদিক যুগত স্তোত্ৰ পাঠ, ধৰ্মীয় মন্ত্ৰোচাৰণ, নাম-কীৰ্ত্তন, পদ-ঘোষা পাঠ আদিৰ জৰিয়তে আবৃত্তিৰ প্ৰচলন হৈ আহিছিল। কিন্তু সাম্প্ৰতিক সময়ত আবৃত্তি শিল্পই এটি ব্যাকৰণ সন্মত পৰিপূৰ্ণ পৰিৱেশ্য কলা হিচাবে স্বীকৃতি

পাবলৈ সক্ষম হৈছে। কণ্ঠস্বৰৰ আশ্ৰয়ত  পৰিবেশন কৰা এই শিল্পৰ ভাষা শিক্ষণৰ ক্ষেত্ৰতো গুৰুত্ব অসীম। উত্তম কণ্ঠস্বৰৰ সহায়ত শুদ্ধ, স্পষ্ট উচ্চাৰণৰদ্বাৰা কবিতাৰ ভাৱনাক শ্ৰোতাৰ কাষ চপাই নিয়াত আবৃত্তিৰ ভূমিকা আছে। সেয়েহে আবৃত্তি শিল্পই স্বকীয় বিশেষত্ব প্ৰকাশেৰে পৰিৱেশ্য কলা ৰূপে নিজকে প্ৰতিষ্ঠা কৰি সমাদৃত হ'বলৈ সক্ষম হৈছে। কিন্তু বিশ্বায়নৰ প্ৰভাৱত আবৃত্তি শিল্পৰ পৰম্পৰালৈ গভীৰ সংকট নামি আহিছে যদিও পৰিৱেশ্য কলা হিচাবে নিজৰ স্বকীয় বিশেষত্ব প্ৰকাশ কৰি নিজস্ব স্থিতি অটুট ৰাখিবলৈ এই শিল্পই যথোপযুক্ত অৰ্হতা লাভ কৰিছে।

## ০.৮ সিদ্ধান্ত

বিষয়টি আলোচনাৰ অন্তত সিদ্ধান্তত উপনীত হ'ব পৰা দিশসমূহ হ'ল -

(ক) আবৃত্তি এক প্ৰকাৰৰ কণ্ঠ আশ্ৰিত শিল্প। পৰিৱেশ্য কলা হিচাবে ই সাম্প্ৰতিক সময়ৰ এক জনপ্ৰিয় কলা।

(খ) আবৃত্তিৰদ্বাৰা কণ্ঠস্বৰৰ জড়তা দূৰ কৰি শব্দ উচ্চাৰণৰ শুদ্ধতা, স্পষ্টতা আনি মনোগ্ৰাহী কথনশৈলী আহৰণ কৰিব পৰা যায় আৰু মধুৰ কণ্ঠস্বৰৰ অধিকাৰী হ'ব পৰা যায়।

(গ) মুখস্থ শক্তি বৃদ্ধি কৰি কল্পনা আৰু সৃজনীশীল শক্তিকো আবৃত্তিয়ে মজবুত কৰে।

(ঘ) খোনালোকৰ কণ্ঠস্বৰৰ জড়তা দূৰ কৰি ৰোগ উপশম কৰে।

(ঙ) বিশ্বায়নৰ প্ৰভাৱত আবৃত্তি শিল্পই সমস্যাৰ সন্মুখীন হৈছে যদিও আবৃত্তি শিল্পৰ নিজস্ব স্বকীয়তাই ইয়াৰ অস্তিত্ব অতি সুন্দৰভাৱে বৰ্ত্তাই ৰাখিছে।

(চ) আবৃত্তি কেৱল এক শিল্পই নহয়, ই মানুহৰ আনুভূতিক দিশৰ উত্তৰণ ঘটাই মানুহৰ সুকুমাৰ আৰু ৰুচি সন্মত ভাৱনাক জীপাল কৰি মানৱীয় প্ৰমূল্যবোধ সমৃদ্ধ মানৱ সমাজ এখন গঢ়ি তুলিব পাৰে।

## ০.৯ সামৰণি

সাম্প্ৰতিক সময়ত আবৃত্তি শিল্পই সমাদৃত হৈ জনপ্ৰিয়তা লাভ কৰিছে যদিও স্বতন্ত্ৰ কলা হিচাবে পৰিণত হোৱা নাই। কবিতা পাঠেই কবিতাৰ জীৱন পৰিপূৰ্ণ কৰে। তদুপৰি আবৃত্তি কেৱল পৰিৱেশ্য কলাই নহয়, ই গণসংযোগৰো এক শক্তিশালী মাধ্যম। আবৃত্তিৰদ্বাৰা জনগণৰ আত্মিক উপলব্ধি শক্তিশালী কৰি মঙ্গলকামী বাতাবৰণ প্ৰতিষ্ঠা কৰাৰ অৱকাশ প্ৰৱল।

বিশ্বায়নৰ প্ৰভাৱত বিভিন্ন সাংস্কৃতিক ভাৱৰ আদান-প্ৰদান আৰু সংমিশ্ৰণৰ ফলত গা কৰি উঠা আধুনিকতাৰ নতুন মূল্যবোধে মানুহক বিপথগামী কৰি তোলাৰ সম্ভাৱনা অতি তীব্ৰ। এনে পৰিপ্ৰেক্ষিতত আবৃত্তি শিল্প গভীৰ সংকটৰ সন্মুখীন হৈছে। এনে অশুভ দিশসমূহ অতিক্ৰম কৰি আবৃত্তি চৰ্চ্চাৰ সঠিক পৰিবেশ গঢ়ি তুলিবলৈ সক্ষম হ'লে পৰস্পৰৰ অনুভৱক সন্মান জনাই শান্তি আৰু প্ৰগতিকামী মানৱ সমাজ এখনি গঢ়াত আমি সফলতা লাভ কৰিব পাৰিম। এইক্ষেত্ৰত সকলোৰে সদিচ্ছা আৰু আশাশুধীয়া প্ৰচেষ্টা মূল সম্পদ হ'ব।

## প্ৰসংগ গ্ৰন্থপঞ্জী ঃ


চক্ৰৱৰ্তী, ভূপেন ঃ *বাক্‌শিল্প ঃ আবৃত্তি আৰু সংলাপ,* কাব্য কানন, প্ৰথম প্ৰকাশ - ১৯৯৫

বৰা, গোলাপ চন্দ্ৰ ঃ *প্ৰয়োগ শিল্প আবৃত্তি,* প্ৰকাশন গোষ্ঠী, প্ৰথম প্ৰকাশ - ১৯৯৯

ঐ ঃ *আবৃত্তি শিকো আহা,* প্ৰকাশন গোষ্ঠী, প্ৰথম প্ৰকাশ - ২০০০

শইকীয়া, শান্তিছায়া ঃ *আবৃত্তি অভিবিন্যাস*
শব্দ প্ৰকাশ, থানা তিনিআলি, যোৰহাট-১, প্ৰথম প্ৰকাশ - ১৯৯৩

ঐ ঃ *আবৃত্তি অন্বেষণ*
প্ৰাগজ্যোতিকা কাব্য কানন, গোলাঘাট, প্ৰথম প্ৰকাশ - ২০১৪

সেনগুপ্ত, কাজল ঃ *আবৃত্তি অন্বেষা, গুৱাহাটী* - ৭, প্ৰথম প্ৰকাশ - ২০১২

# অসমীয়া শিশু সাহিত্য ঃ এক অৱলোকন

**ৰন্‌জিত চিৰিং**
**আহ্বায়ক, ডিজিটেল সাহিত্য চৰ্চা,**
**অসম সাহিত্য সভা**

## ১.০ অৱতৰণিকা ঃ

শিশু সাহিত্য বুলিলে সাধাৰণতে শিশুসকলৰ বাবে যি সাহিত্য ৰচনা কৰা হয় সেয়া গল্প, সাধু, উপন্যাস, কবিতা, পদ্য, কাহিনী, নাটক, প্ৰবন্ধ-পাতি যিয়ে নহওক সেয়াই শিশু সাহিত্য। শিশু সকলৰ বাবে উপযোগী সাহিত্য বা লেখাই শিশু সাহিত্য। শিশুৰ মনৰ ৰুচি অনুযায়ী সহজে আয়ত্ত কৰিব পৰা, শিশুৰ বৌদ্ধিক, মানসিক বিকাশ সাধনত অৰিহণা যোগোৱা সহজ-সৰল ভাষাত ৰচনা কৰা সাহিত্যই শিশু সাহিত্য।

তদুপৰি শিশুসকলৰ সৃজনীশীল প্ৰতিভা বিকশাই তোলা, খেল-ধেমালিৰ প্ৰতি আগ্ৰহী কৰি তোলা, শিশুক ভ্ৰমণ প্ৰিয় হ'বলৈ অনুপ্ৰাণিত কৰা, সৎ আদৰ্শবান হ'বলৈ উদগনি জনোৱা তথা শিশুৰ আধ্যাত্মিক মনোভাৱ জাগৃত কৰি তোলা ইত্যাদি অনেক বিষয় শিশু সাহিত্যৰ মূল বৈশিষ্ট্য বুলি কব পাৰি।

## ২.০ অধ্যয়ন পদ্ধতি ঃ

অসমীয়া শিশু সাহিত্যৰ সম্যক আলোচনাই এই আলোচনাৰ মূল উদ্দেশ্য।

বিষয়ৰ গুৰুত্বৰ প্ৰতি লক্ষ্য লাখি ইয়াত ভাষা তাত্ত্বিক আৰু ব্যাখ্যামূলক অধ্যয়ন পদ্ধতি ব্যৱহাৰ কৰা হৈছে। শিশু সাহিত্য অধ্যয়নতে আলোচনাৰ পৰিসৰ সীমাৱদ্ধ থাকিব।

## ৩.০ বিষয়বস্তুৰ আলোচনা ঃ

শিশুসকলে কল্পনাবিলাসী মনেৰে সাধাৰণতে নানা তৰহৰ সপোন দেখি আপোন বিভোৰ হৈ থাকিবলৈ ভাল পায়। এটি শিশুৱে এখন বিচিত্ৰ জগতত বাস কৰে। তাত কল্পনাৰ পখী এটাই অনবৰতে ডেউকা মেলি অনন্ত আকাশত উৰি ফুৰে। কল্পনাৰাজ্যত বিচৰণ কৰি ফুৰা শিশুৱে কাল্পনিক ভূতৰ সৈতে কথা পাতে, জোন, বেলি, তৰাৰ কাষলৈ উৰি যায়, জীৱ-জন্তু, চৰাই-চিৰিকটিৰ সৈতে হাঁহি-ধেমালি কৰে। বাস্তৱ জীৱনৰ সৈতে সম্ভৱ হৈ নুঠা সকলোবোৰ কাম শিশুৱে কল্পনাৰ জৰিয়তে সম্ভৱ কৰিবলৈ সপোন দেখে। কল্পনাৰাজ্যত অবাধ বিচৰণ শিশু মনস্তত্ত্বৰ

এক ইতিবাচক দিশ, প্ৰচুৰ কল্পনা শক্তিয়ে শিশুৰ সৃজনী প্ৰতিভা বিকশাই তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বয়স অনুসৰি এটি শিশুৰ শাৰীৰিক বিকাশৰ সমান্তৰালকৈ আধ্যাত্মিক, বৌদ্ধিক-মানসিক বিকাশৰো অতি প্ৰয়োজন। শিশু সাহিত্যই শিশুৰ মনৰ অন্তহীন জিজ্ঞাসা পূৰণ কৰি শিশুৰ বুদ্ধি-বৃত্তি উৎকৰ্ষ সাধনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ লগতে শিশুৰ বৌদ্ধিক-মানসিক বিকাশৰো ভুমিকা পালন কৰে।

অৱশ্যে শিশুৰ বিষয়ে সৰল ভাষাত ৰচিত সকলো লেখাই শিশু সাহিত্য নহয়। সাহিত্যৰ অনুৰূপ যিকোনো বিষয়েই শিশু সাহিত্যৰ উপযোগী নহবও পাৰে। শিশুৰ মনৰ সৰলতা, কৌতূহল আৰু জিজ্ঞাসা স্বাভাৱিকভাৱে নিজৰ মনত ধাৰণা কৰি শিশুৰ ভাষাত ৰচনা কৰিব পাৰিলেহে শিশু সাহিত্যৰ লক্ষ্য আৰু উদ্দেশ্য সফল হ'ব। শিশু সাহিত্য ৰচনা কৰা সময়ত বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰত নিজৰ পৈণত জ্ঞান আৰু অনুভৱৰ আধাৰত শিশু সাহিত্যিকসকলে অধিক সচেতন ভাৱে বিষয়বস্তু নিৰ্বাচন কৰে। নিজকে শিশুৰ মানসিক স্তৰলৈ অৱনমিত কৰি শিশুৰ মনোবৃত্তি আৰু ৰুচি অনুসাৰে সাহিত্যৰ বিষয়বস্তু নিৰ্বাচন কৰাৰ লগতে শিশুৰ ৰুচিৰ প্ৰতি গুৰুত্ব আৰোপ কৰিব লাগিব। শিশু কেৱল নিজৰ ৰুচিৰ অনুকূল বিষয়ৰ প্ৰতিহে আকৰ্ষিত হয়। সেইবাবে এজন লেখকে শিশু সাহিত্যৰ বিষয়বস্তু নিৰ্বাচন কৰোঁতে পোনপ্ৰথমে সূক্ষ্মভাৱে শিশু মনস্তত্ত্বৰ জ্ঞান আহৰণ কৰি শিশু সাহিত্যৰ বাবে নিৰ্বাচিত বিষয়বস্তু সহজ-সৰল ভাষাৰে মনোগ্ৰাহীকৈ উপস্থাপন কৰিলেহে সেই সাহিত্য শিশুৰ বাবে ৰুচিসন্মত আৰু কল্যাণকামী হয়। উল্লেখযোগ্য যে, উপস্থাপন শৈলীৰ নৈপুণ্যই শিশু সাহিত্যক অধিক মনোগ্ৰাহী কৰি তোলে আৰু সেই সাহিত্যৰ প্ৰভাৱ শিশুৰ মনত দীৰ্ঘস্থায়ী হয়।

ড° হীৰেন গোহাঁইদেৱে কৈছে—"শিশু সাহিত্য হৈছে বয়স্কসকলে শিশুক জটিল অনিশ্চয়তাৰে পৰিপূৰ্ণ, সমস্যাসংকুল জগতত আগুৱাই নিবলৈ আগবঢ়াই দিয়া এখন হাত।" শিশু সাহিত্যৰ মূল উৎস বা আধাৰ হ'ল মৌখিক সাহিত্য বা পৰম্পৰাগত সাধু আদি। শিশুৰ মানসিক বিকাশৰ প্ৰধান আৰু অন্যতম আহিলা হ'ল শিশু সাহিত্য। হৰিকৃষ্ণ দেৱে কৈছে—"সেই শ্ৰেণীৰ সাহিত্যকহে শিশু সাহিত্য বুলি কোৱা হয়, যি শিশুৰ ৰুচিৰ অনুকূল, শিশুৰ ভাষাতে যি সাহিত্যই শিশুৰ জ্ঞানৰ পৰিধিক ব্যাপ্তি প্ৰদান কৰে আৰু শিশুৰ চিন্তন জিজ্ঞাসা পূৰণ কৰিব পাৰে।"

শিশু সাহিত্যক আমি প্ৰধানতে দুটা ভাগত বিভক্ত কৰিব পাৰোঁ। শিশুৰ মনৰ বা প্ৰাণৰ খোৰাক যোগোৱা সাহিত্য হ'ল 'প্ৰাণৰ সাহিত্য' আৰু শিশুৰ মানসিক বিকাশত সহায় কৰা, সামাজিক শৃংখলাবোধ- আত্মনিৰ্ভৰশীল হ'বলৈ নৈতিক জ্ঞান প্ৰদান কৰা সাহিত্য হ'ল 'জ্ঞানৰ সাহিত্য'। শিশু সাহিত্যৰ প্ৰধান লক্ষ্য হ'ল- শিশুৰ বুদ্ধি-বৃত্তি, চৰিত্ৰ বিকাশত অৰিহণা যোগোৱা আৰু শিশুৰ মনত সাহিত্য স্পৃহাৰ বীজ ৰোপণ কৰি তেওঁলোকক সাহিত্য সৃষ্টিৰ বাবে প্ৰস্তুত কৰা। অসমীয়া শিশু সাহিত্য মূলত ধাইনাম, ওমলাগীত, সাধুকথা আদিৰ দ্বাৰাই আৰম্ভণি হৈছে। শিশু সাহিত্যৰ উদ্দেশ্য আৰু আদৰ্শৰ দিশত বিশ্লেষণ কৰিলে দেখা যায় শিশুৰ মানসিক বিকাশত

সহায় কৰা, অনুসন্ধিৎসা বৃদ্ধি কৰা, সুনাগৰিকত্বৰ জ্ঞান প্ৰদান কৰা, বয়স অনুসৰি নৈতিক, সামাজিক আৰু প্ৰাকৃতিক তত্ত্ব ধাৰণাৰ আভাস দিয়া আদি উল্লেখযোগ্য।

আধুনিক অসমীয়া শিশু সাহিত্যৰ সূচনা হয় ১৮৪৬ খ্ৰীষ্টাব্দত প্ৰকাশিত অসমীয়া ভাষাৰ প্ৰথম আলোচনী অৰুণোদয়ৰ পাতত। অৰুণোদয় কাকতত মাইলছ ব্ৰঞ্চন, নাথান ব্ৰাউন, অলিভাৰ টি কটুৰ আদি আমেৰিকান খ্ৰীষ্টান মিছনেৰীসকলে বাইবেলৰ বিভিন্ন শিশু উপযোগী গল্প, দেশ-বিদেশৰ নীতিশিক্ষামূলক সাধু প্ৰকাশ কৰাৰ উপৰি 'আফ্ৰিকাৰ কোঁৱৰ', 'মাউৰী ছোৱালী', 'ঈগলৰ বাহ' আদি প্ৰকাশ কৰি শিশু সাহিত্যৰ পাতনি মেলিছিল। ১৮৮৯ খ্ৰীষ্টাব্দত লক্ষ্মীনাথ বেজবৰুৱা(১৪-১০-১৮৬৪, ২৬-০৬-১৯৩৮)ৰ জোনাকী কাকতত প্ৰকাশিত শিশু উপযোগী সাধুকথা আদিয়েও অসমীয়া শিশু সাহিত্যৰ ভেটি টনকিয়াল কৰিছে। লক্ষ্মীনাথ বেজবৰুৱাদেৱে উল্লেখ কৰিছে -"শিশু সাহিত্য ভৱিষ্যৎ সমাজৰ ধৰণী"। তেখেতে শিশু-কিশোৰৰ উপযোগীকৈ বহু জনৰ পৰা সংগ্ৰহ কৰা সাধু একগোট কৰি "বুঢ়ী আইৰ সাধু" কথাৰ পুথি প্ৰকাশ কৰি গৈছে। তেখেতৰ অন্য দুখন সাধু কথাৰ পুথি হ'ল- "ককাদেউতা আৰু নাতিল'ৰা আৰু "জুনুকা"। 'বুঢ়ী আইৰ সাধু'ৰ প্ৰতিটো সাধুতেই পুৰণি সমাজৰ অনেক কাল্পনিক কাহিনীক সু-সংবদ্ধ, উদ্দেশ্যধৰ্মী, প্ৰকাশ ভংগীৰে উপস্থাপন কৰিছে। বেজবৰুৱাদেৱে এই সাধুসমূহত চৰিত্ৰ হিচাপে গছ-লতা, পশু-পক্ষী, ৰাক্ষস-ৰাক্ষসিনী আদি ব্যৱহাৰ কৰিছে, য'ত আমি দেখা পাওঁ সততা, পবিত্ৰতা আদি গুণৰ জয় আৰু অত্যাচাৰ, হিংসা আদি ভাৱৰ পৰাজয় যি ফালৰ পৰা বুঢ়ী আইৰ সাধু নিঃসন্দেহে শিশুৰ মানসিক উৎকৰ্ষ সাধনৰ এখন সৰ্বাঙ্গ সুন্দৰ পুথি। তেখেতৰ 'ককাদেউতা আৰু নাতিল'ৰা' পুথিখনত ককাকে নাতিল'ৰাক দিয়া নীতিশিক্ষা চলেৰে সকলোলৈকে এক আদৰ্শৰ বাৰ্তা প্ৰেৰণ কৰিছে। লগতে সাধুৰ চলেৰে আমোদ-প্ৰমোদৰ জৰিয়তে শিশুসকলক নিজৰ সৎ চৰিত্ৰ গঠনৰ বাবে উদগনি দিছে। আনহাতে বেজবৰুৱাদেৱৰ 'জুনুকা' সাধুকথাৰ পুথিখনত প্ৰতিটো সাধুৰ শেষত এফাকি নীতিশিক্ষামূলক পদ্যৰ সংযোগ কৰিছে। উদাহৰণ হিচাপে— 'হৰি আৰু সাপ' সাধুটোত আছে- 'ডাঙৰেই হোৱা, সৰুৱেই হোৱা, গৰ্ব নকৰিবা। গৰ্ব কৰিলে খৰ্ব হৈ বিপাঙে মৰিবা। তেখেতৰ প্ৰতিটো সাধুৰ আলমত শিশুৰ সৎ আদৰ্শ, নীতিশিক্ষা প্ৰদান কৰিছে। "শ্ৰী ভগৱৎ কথা' 'বাখৰ' বেজবৰুৱাদেৱৰ অন্যতম অমূল্য গ্ৰন্থ।

সেইদৰে আনন্দৰাম ঢেকিয়াল ফুকন(২২-০৯-১৮২৯, ১৬-০৬-১৮৫৯)ৰ 'অসমীয়া ল'ৰাৰ মিত্ৰ' নীতিশিক্ষামূলক পুথিখন সেইসময়ত পঢ়াশালিত পাঠ্যপুথি হিচাপে প্ৰৱৰ্তন কৰিছিল। অসমীয়া শিশু উপযোগী পাঠ্যপুথি ৰচনা কৰা সাহিত্যিকসকলৰ ভিতৰত বলদেৱ মহন্ত(১১৮৫০-১৮৯৫)ৰ 'উজু পাঠ', দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা(১৮৭০-১৯২৮)ৰ 'ফুল', 'ল'ৰা' অন্যতম।

১৯৪০ৰ দশকত অসমীয়া শিশু সাহিত্যৰ বিভিন্ন দিশত টনকিয়াল কৰিছে জ্যোতিপ্ৰসাদ আগৰৱালা(১৭-০৬-১৯০৩, ১৭-০১-১৯৫১)দেৱৰ ৰচনাই। জ্যোতি প্ৰসাদ আগৰৱালাই 'কুম্পুৰ সপোন', 'অকণমান ল'ৰা', 'অকণিৰ সপোন' আদি সৰ্বমুঠ বাৰটা কবিতা ৰচনা কৰি থৈ গৈছে। লেখত বাৰটা হ'লেও চিত্ৰধৰ্মী বৰ্ণনা, হাস্যৰসৰ প্ৰয়োগ, বিষয়ৰ কৌশলী উপস্থাপন, শিশু

মনস্তত্ত্বৰ প্ৰতিফলন আদি দিশত সমাহাৰে তথা নিভাঁজ অসমীয়া ভাষা ব্যৱহাৰ, সাৱলীল বৰ্ণনাভংগী, ছন্দোময় আৰু চিত্তাকৰ্ষক শব্দ প্ৰয়োগ তথা হাস্যৰসৰ প্ৰয়োগেৰে তেখেতৰ সাহিত্যৰাজিক অধিক শিশু উপযোগী কৰি তুলিছে। উদাহৰণস্বৰূপে তেখেতৰ "কুম্পুৰ সপোন" কবিতাটোত শিশুৰ মনৰ সপোনৰ মিঠা লগা অনুভূতি, অবুজ হেঁপাহ, অদ্ভুত কল্পনা, সু-উপদেশ আদি দিশত উপস্থাপনে শিশুৰ কোমল মনৰ উপযোগী কৰি তুলিছে।

শিশুসকলৰ মনত সাধাৰণতে শুনি অহা "ভূত"ৰ প্ৰতি এক অজান আশংকা আৰু ভয় ভাব উদয় হয়। কিন্তু ভূত বুলি আচলতে যে একো নাই, ভূত অৱচেতন মনৰ এক ধাৰণাহে, সাহসেৰে সকলো পৰিস্থিতিৰ মুখামুখি হোৱাটোহে আচল কথা। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে এই কথাফাকি শিশুসকলক বুজনি দিয়াৰ নিমিত্তে 'ভূত পোৱালি' নামৰ কবিতাত সৰু ল'ৰা এটাই সপোনত ভূতক লগ পোৱা, ভূতলৈ ভয় নকৰি যখিনীৰ হাতত ধৰি নাচি থকা, ভূতক মুচৰি দিয়াৰ কথা উল্লেখ কৰিছে। কবিতাটোত আগৰৱালাদেৱে উল্লেখ কৰিছে যে, ডাঙৰৰ মুখৰ পৰাই কণমানি ল'ৰাটোৱে শুনিছিল যে ভূতে ল'ৰা ধৰি খায়। লগতে কবিতাটোত তেখেতে দেখুৱাইছে কেনেকৈ চকু টেলেকা, তিলিকা-পিলিকা, নাঙঠ-পিঙঠ, ভূতলৈয়ো ভয় নকৰি সৰু ল'ৰাটোৱে ভূতক ভালকৈ এসেকা দিছে। ভূতৰ ভয় জয় কৰি আনন্দতে সি মাকক কৈছে—

"ক'তা মা, মোক দেখোন
সিহঁত দুটাই একোকে কৰা নাই?
ক'তা, মোৰ ওচৰ চাপিবলৈ
সিহঁতে দেখোন অলপোকেই
সাহেই কৰা নাই?
ভয় কৰা ল'ৰাকহে মা
ভূতে ধৰি কিলায়।"
মা, মোৰ হ'লে ভূতলে' ভয় নাই....

জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ "অকণমানি ল'ৰা" শিৰোনামৰ কবিতাত কোনোমতে থিয়দঙা দিয়া ল'ৰা এটাৰ থুপুক-থাপাক খোজবোৰ, নুফুটা কলকলনিবোৰ, যিকোনো বস্তু মুখলৈ নিব খোজা দুষ্টামিবোৰ বৰ মনোমোহাকৈ চিত্ৰধৰ্মীৰূপত বৰ্ণনা কৰিছে। অন্যহাতে 'অকণমান ল'ৰা' শীৰ্ষক কবিতাত সৰু ল'ৰা এটিৰ মনোজগতত মাক-দেউতাক আৰু ভনীয়েকৰ কাম-কাজ তথা আচৰণৰ প্ৰতি থকা সহজাত ধাৰণা বাস্তৱসন্মতভাৱে ফুটাই তুলিছে। মাকৰ প্ৰতি প্ৰত্যেক শিশুৰে মৰম-চেনেহ, মান-অভিমান আদি স্বাভাৱিকতে বেছি। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ এই কবিতাটোত শিশুৰ দৃষ্টিৰে অভিভাৱকৰ মৰম-চেনেহ তথা অনুশাসনৰ সঁচা ছবি এখন ফুটাই তুলিবলৈ যত্নপৰ হৈছে। জানি বুজিয়েই হওক নাইবা অজানিতেই হওক দুষ্টামি কৰি ফুৰা শিশু এটায়ো দেউতাকৰ কথা ভাবি সচকিত হৈ পৰে। কবিতাটোত দেখা যায়—

ৰৈ ৰৈ মাজে মাজে চিঞৰ সোধাওঁ
দেউতাক দেখিলেই
শান্ত শিষ্ট হৈ
মাৰ পাছফালে গৈ
আঁৰত লুকাওঁ

আকৌ মাকৰ মিছা খঙৰ ছবিখনৰো বৰ্ণনা পোৱা যায় এইদৰে—

মোৰ দুষ্টালি চাই
মায়ে হ'লে
মনে মনে
বৰ ভাল পায়,
চকু গাঁঠি ঘোপা কৰি
মোৰ ফালে চাই
আনফালে মুখ কৰি
ওঁঠখন চেপা মাৰি
হাঁহে মিচিকাই --।

১৮৮৮ চনত কৰুণাভিৰাম বৰুৱা(০২-০৬-১৮৭৪, ১২-০৭-১৯৯৩)ৰ সম্পাদনাত প্ৰকাশ পোৱা 'ল'ৰাবন্ধু' প্ৰথম অসমীয়া শিশু আলোচনী। পাছলৈ বিভিন্ন সময়ত 'অকণ', 'অৰুণ', 'পখিলা', 'কাচিজোন', 'জোনবাই', ৰ'দালি, মুকুতা, ৰংমেলা, আদি শিশু আলোচনী প্ৰকাশ পাইছে। ভবেন্দ্ৰনাথ শইকীয়া(১৯৩২-২০০৩)ৰ দ্বাৰা সম্পাদিত 'সঁফুৰা আৰু শান্তনু তামুলী(জন্ম-১৯৪৮)ৰ দ্বাৰা সম্পাদিত 'মৌচাক' নামৰ আলোচনী দুখনে অসমীয়া শিশু আলোচনীলৈ এক নতুন মাত্ৰা আনি দিছে। বৰ্তমান সময়ত বিভিন্ন কাকতৰ পৃষ্ঠাত শিশুৰ উপযোগী লিখনিৰ প্ৰকাশে আৰু ফেচবুক আদি সামাজিক মাধ্যমত প্ৰচাৰিত  বিভিন্ন শিশু-উপযোগী লেখাসমূহে শিশু সাহিত্যৰ ক্ষেত্ৰখনত যথেষ্ট অৰিহণা যোগাইছে। ১৯৯৭  চনতে ৰন্‌জিত চিৰিঙৰ মুখ্য সম্পাদনাৰে প্ৰথম প্ৰকাশিত শিশু-কিশোৰৰ আলোচনী "ৰ'দালি" ইয়াৰ দ্বিতীয় প্ৰকাশ ২০২০ চনৰ জানুৱাৰী মাহৰ পৰা নিয়মীয়াকৈ প্ৰকাশ হৈ বৰ্তমান তৃতীয়বছৰ সফলতাৰে অতিক্ৰম কৰি প্ৰকাশ হৈ আহিছে।

বৰ্তমানলৈ জোনাকী যুগৰ এজন প্ৰসিদ্ধ লেখক লম্বোদৰ বৰা(১৮৬০, ১২-০৪-১৮৯২)ৰ "ল'ৰাবোধ" আৰু "জ্ঞানোদয়" দুখন পাঠ্যপুথি ৰত্নেশ্বৰ মহন্ত, দুৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱা, বলদেৱ মহন্ত, বেণুধৰ ৰাজখোৱা, পদ্মনাথ গোহাঞিবৰুৱা(২৪-১১-১৮৭১, ০৭-০৪-১৯৪৬) আদি বহুকেইগৰাকী লেখকে বিদেশী সাধু, কাহিনী আৰু উপন্যাস আদি ৰচনা কৰি অসমীয়া শিশু সাহিত্য চহকী কৰি থৈ গৈছে। তেখেতসকলৰ সমসাময়িক শিশু সাহিত্যিকসকলৰ ভিতৰত প্ৰথম অসমীয়া শিশু উপন্যাস  'পাতালপুৰী' ৰচনা কৰিছে হৰগোবিন্দ শৰ্মাই যি খন পুথিৰ বাবে তেখেতে সাহিত্য অকাডেমি পুৰস্কাৰ পাইছিল।

অসমীয়া শিশু সাহিত্যই অসমৰ ভাষা সাহিত্য ক্ষেত্ৰখনত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ৰামায়ণ, মহাভাৰত, পুৰাণ, জাতক, হিতোপদেশ, পঞ্চতন্ত্ৰ আদি কাহিনীক লৈ ৰচনা কৰা অসমীয়া শিশু সাহিত্যৰ শ্ৰেষ্ঠ নিদৰ্শন হ'ল জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জ্যোতি ৰামায়ণ', মিত্ৰদেৱ মহন্তৰ (১০-০৬-১৮৯৪, ২৬-০৩-১৯৮৩) 'মৌ মহাভাৰত', অতুলচন্দ্ৰ হাজৰিকাৰ (০৯-০৯-১৯০৩, ০৭-০৬-১৯৮৬)-'ভাৰত জেউতি', 'কথাকীৰ্ত্তন', 'কথাদশম', 'জাতকৰ সাধু', 'কাব্য কাহিনী', মহেন্দ্ৰ কটকীৰ 'বেতাল-পঞ্চবিংশতি', গজমুকুতা', তাৰানাথ বৰপূজাৰীৰ 'মহাভাৰতৰ ৰহঘৰা', 'মৌ বিচনী', হৰেন্দ্ৰনাথ শৰ্মাৰ- 'সাবিত্ৰী', 'নলদময়ন্তী', ৰোযেশ্বৰ শৰ্মাৰ 'কথা মহাভাৰত', ইন্দ্ৰধৰ ৰাজখোৱাৰ 'হিতোপ্ৰদেশ' ইত্যাদি। অসমীয়া সাধুকথাৰ উপৰি দেশ-বিদেশৰ নানা সাধুকথা, আখ্যান, নীতিশিক্ষামূলক গল্প অসমীয়াত ৰচিত হৈছে। তাৰ ভিতৰত বিষ্ণুপ্ৰিয়া দেৱী (১৯০৮, ১৭-০৭-১৯৮১)ৰ 'সাধুকথা', ড° বাণীকান্ত কাকতিৰ 'পখিলা' ইত্যাদি আনহাতে জ্ঞানানন্দ জগতী(১৮৭২ - ১৯৪০)ৰ চাৰিটা মাথোঁ সাধু কথা সন্নিৱিষ্ট কৰি প্ৰকাশ কৰা 'সাধুকথাৰ জোলোঙা' নামৰ সৰু পুথিখনত ধেমালি আৰু উপদেশ দুয়োটাৰে সমাৱেশ আছে।

অসমীয়া শিশু সাহিত্যত 'এখুদ ককাইদেউ' নামেৰে জনাজাত শিশু সাহিত্যিক নৰকান্ত বৰুৱাদেৱে শিশুসকলৰ বাবে এক বিশাল আৰু বৰ্ণাঢ্য সাহিত্য সৃষ্টি কৰি থৈ গৈছে। 'এখুদ ককাইদেউ' ছদ্মনামেৰে নৰকান্ত বৰুৱাই ৰংঘৰ নামৰ শিশু আলোচনীত শিশুৰ বাবে 'ধেমেলীয়া কবিতা' ৰচনা কৰিছিল। তেওঁ শিশুসকলৰ বাবে কবিতা, শিশু নাটিকা, গীত, গল্প, উপন্যাস, সাধুকথা, নিচুকণি গীত, বৰ্ণমালা পৰিচয়, শব্দৰ উচ্চাৰণ আৰু বানান, ভাষাজ্ঞান, পদ্য আদি শিশুক বিভিন্ন জ্ঞানৰ সম্ভেদ দিবলৈ বিভিন্নধৰণৰ ৰচনাৰ সৃষ্টি কৰিছিল। নৰকান্ত বৰুৱাৰ দুখন শিশু কবিতা পুথি হ'ল "মোৰ কিতাপ" আৰু "ওমলা ঘৰৰ পুথি"। তেখেতৰ কবিতাসমূহৰ মাজত শিশুক বিভিন্ন ধৰণৰ বিষয়ৰ জ্ঞান দি গৈছে আৰু তেখেতৰ কিছুমান কবিতাৰ মাজেদি শিশুৰ প্ৰাণত হাঁহি-আনন্দৰ খোৰাক দিবলৈ সক্ষম হৈছে। নৰকান্ত বৰুৱা দেৱৰ 'ওমলা ঘৰৰ পুথি'ত সন্নিৱিষ্ট ২২ টা কবিতাৰ মাজেদি নীতি বচন আৰু জ্ঞানৰ গভীৰতা সমাহাৰে কবিতা সমূহৰ জৰিয়তে কবিয়ে শিশুক বিভিন্ন ৰং-ধেমালি আৰু হাঁহি-আনন্দৰ খোৰাক জগাবলে চেষ্টা কৰিছে। পুথিখনত সন্নিৱিষ্ট 'ওমলা ঘৰৰ হাঁহি' কবিতাটোৰ জৰিয়তে ৰং-ধেমালি, হাঁহি-আনন্দৰ মাজতে নিতৌ বুৰ গৈ থাকিবলৈ বিচৰা শিশুৰ মানসিক জগতৰ চিত্ৰ প্ৰকাশ কৰিছে। পুথিখনত সন্নিৱিষ্ট ঘটনা, ফলাফল, খঁৰা শিয়ালৰ বিয়া আদি কবিতাত শিশুৰ অস্বাভাৱিক, অলৌকিক জগতৰ চিত্ৰ প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। তেখেতৰ 'ফলাফল' কবিতাটোত দুডাল সাপে পৰস্পৰে নেজৰ ফালৰ পৰা খাই যোৱাৰ অদ্ভুত বৰ্ণনা প্ৰকাশ পাইছে। কবিতাটো পঢ়িলে কোনডাল সাপে কাক আগতে খালে এই লৈ শিশুৰ মনত বিস্ময়ৰ ভাৱ উদয় হয়। তেখেতে লিখিছে—

'দুয়োডাল নেজ   দুয়োটাই খালে,
লাহে লাহে পেট পালে,

কাৰ পেটটোনো   কোনে আগে খালে
সেইটো নাজানো হ'লে।'

নৰকান্ত বৰুৱাদেৱৰ "শিয়ালি পালেগৈ ৰতনপুৰ", 'ভ-ত-উ-কাৰে ভূ', উপন্যাস দুখনে অসমীয়া শিশু উপন্যাসৰ ভেটি সুদৃঢ় কৰিছে। শিশুক বিভিন্ন জ্ঞানৰ সম্ভেদ দিবলৈ আৰু শিশুৰ মনত অনাবিল হাঁহি-আনন্দৰ খোৰাক দিবলৈ ৰচনা কৰা নৰকান্ত বৰুৱাৰ ৰচনাৰাজি অসমীয়া শিশু সাহিত্যক্ষেত্ৰখন বৰ বিশাল আৰু বিচিত্ৰ। তেখেতে শিশুসকলৰ বাবে বিভিন্ন পদ্য বা কবিতা, শিশু নাটিকা, গীত, সাধুকথা, গল্প, উপন্যাস আৰু শিশুক জ্ঞানৰ সম্ভেদ দিবলৈ নানা ধৰণৰ গদ্য ৰচনা কৰিছিল। তদুপৰি ৰামায়ণৰ দৰে মহাকাব্য "কিশোৰ ৰামায়ণ" আৰু উপনিষদৰ দৰে তাত্ত্বিক "কিশোৰ ৰামায়ণ" গ্ৰন্থও শিশু উপযোগীকৈ ৰচনা কৰিছিল। নৰকান্ত বৰুৱাদেৱে শিশু সাহিত্য এখুদ ককাইদেউ উপৰি এখুদ ভাইটি, এখুদ ককা, সপোন ককা, ন-আইতা, সীমা দত্ত, নতুন ককাইদেউ, ধেনুবৰ বিপ্ৰ ইত্যাদি বিভিন্ন ছদ্মনামেৰে শিশুৰ বাবে বিভিন্ন সাহিত্য ৰচনা কৰি থৈ গৈছে বুলি জনা যায়, যি সমূহৰ দ্বাৰা তেখেতে অসমীয়া শিশু সাহিত্য জগতত এখন বিশিষ্ট আসন দখল কৰিবলৈ সক্ষম হৈছে। তেখেতে ৰচনা কৰা শিশু সাহিত্যৰাজিক 'প্ৰাণৰ সাহিত্য' আৰু 'জ্ঞানৰ সাহিত্য' এই দুটা ভাগত ভাগ কৰিব পাৰি।

নৰকান্ত বৰুৱাদেৱে ৰচনা কৰি যোৱা শিশু সাহিত্যৰাজি হ'ল—

কবিতা পুথি ঃ মোৰ কিতাপ, ওমলা ঘৰৰ পুথি আৰু আকৌ পদ্য ওমলা শিৰোনামত সন্নিবিষ্ট কবিতাসমূহ।

শিশু নাটক ঃ কেৰেলুৱাৰ ৰেল, মনত পৰাৰ শব্দ, কাগজ-কলমৰ ৰণ, গোলাপ আৰু বেলিফুল, মই টুনিয়ে টুনটুনালোঁ।

শিশু নাটিকা ঃ শিৰল চোলা, চোলা আৰু টুপী, ঢেকুঁৰা আৰু হাঁকুৰা।

গল্প উপন্যাস ঃ শিয়ালী পালেগৈ ৰতনপুৰ, আখৰৰ জখলা, মাখনৰ কুকুৰা পোৱালী, ভতূকাৰে ভূ।

সাধুকথা ঃ নানা সাধু ক'বলৈ শিতানত সন্নিবিষ্ট সাধুসমূহ।

জ্ঞানমূলক ৰচনা ঃ বিবিধ জ্ঞানৰ সঁফুৰা আৰু ন-আইতাৰ কথাত সন্নিবিষ্ট শিশু উপযোগী বিভিন্ন গদ্য ৰচনাসমূহ।

গীত ঃ দিন ৰাতি ঋতু আৰু মনৰ খবৰত সন্নিবিষ্ট হৈ থকা শিশু উপযোগী গীতসমূহ আৰু লেছেৰি বোটলা শিতানত অন্তৰ্ভূক্ত স্বনিৰ্বাচিত গীত সমূহ। নৰকান্ত বৰুৱাৰ শিশু সাহিত্যসমূহৰ ভিতৰত প্ৰায়বোৰ শিশু কবিতাই পাঠ্যপুথিত সন্নিবিষ্ট কৰা হৈছিল।

বিদেশী কাহিনীৰ সফল অনুবাদ শিশুৰ উপযোগী গ্ৰন্থবোৰৰ ভিতৰত হৰিপ্ৰসাদ বৰুৱাৰ 'মইনা', বেণুধৰ শৰ্মাৰ 'ৰবিন্সন ক্ৰুচ', 'মৰমৰ কাৰেং', মহেন্দ্ৰ বৰুৱাৰ 'গ্যালিভাৰৰ ভ্ৰমণ কাহিনী', সুপ্ৰভা গোস্বামীৰ 'ডন কুইকচোট', হাৰুণা ৰচিদৰ 'ৰত্নদীপ', 'নৈ খুৰাৰ জুপুৰি', 'বনবীৰ টাৰ্জান', অলিভাৰ টুইট, 'আলিবাবা', থানেশ্বৰ হাজৰিকাৰ 'দিন দুখী', ড° মহেশ্বৰ নেওগৰ 'ডাৱৰৰ সিপাৰৰ

ধুনীয়া দেশ', নিৰুপমা বৰগোোহাঞিৰ 'অকণমানি কোঁৱৰ', যোগেন্দ্ৰ নাৰায়ণ গোস্বামীৰ 'গান গোৱা আপেল', জয়ন্ত মাধৱ বৰাৰ 'নতুন ৰত্নদ্বীপ', হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞিৰ 'ৰাজকুমাৰ আৰু ভিকহু', লক্ষ্যহীৰা দাসৰ 'দেশ বিদেশৰ শিশু গল্প সংগ্ৰহ' ইত্যাদি উল্লেখযোগ্য।

বিভিন্ন পুথিত প্ৰকাশিত মহৎ লোকৰ জীৱনীসমূহে শিশু সাহিত্যক কিছু পৰিমাণে চহকী কৰিছে, যিবোৰে শিশুক প্ৰকৃত মানুহ ৰূপে গঢ় দিয়াত প্ৰেৰণা যোগায়। 'বুদ্ধদেৱ', 'মহম্মদৰ চৰিত্ৰ', 'শিৱাজী', 'অশোক', 'ল'ৰাৰ শংকৰদেৱ', 'আব্ৰাহাম লিঙ্কন', 'সাবিত্ৰী', 'নলদময়ন্তী', 'ল'ৰাৰ লাচিত', 'বাপুজী', 'আমাৰ ৰাভা', 'স্মৰণীয় ৰমনী', 'মহৎ লোকৰ ল'ৰালি কাল', 'জ্যোতি বিষ্ণু', 'জোৱান অফ আৰ্ক', 'খোজত খোজ মিলাওঁ', 'চিৰ চেনেহী ভাষা জননী' আদি ভালেকেইটা জীৱনীমূলক শিশু উপযোগী লেখনিৰে অসমীয়া শিশু সাহিত্য চহকী কৰিছে।

শিশু উপযোগী বিজ্ঞানমূলক গ্ৰন্থৰ ভিতৰত 'বিজ্ঞানৰ কথা', 'প্ৰকৃতিৰ পুতলা খেলা', 'মানৱ সভ্যতা', 'আৱিষ্কাৰৰ কাহিনী', 'বিজ্ঞানৰ সাধু', 'জ্ঞান বিজ্ঞানৰ নানা কাহিনী' আদি উল্লেখযোগ্য। কাৰ্বি, মিচিং, বড়ো, সোণোৱাল কছাৰী দেউৰী আদি জনগোষ্ঠীৰ বহুকেইখন শিশু উপযোগী কিতাপত প্ৰকাশিত জনজাতীয় সাধুসমূহেও অসমীয়া শিশু সাহিত্যৰ ভঁৰাল চহকী কৰিছে। উদাহৰণস্বৰূপে- লুম্বে দাইৰ 'উদয়াচলৰ সাধু', য়েছে দৰজে ঠংছিৰ 'কামেং সীমান্তৰ সাধু', কৈলাশ শৰ্মাৰ 'সাতভনীৰ সাধু', 'পূৰ্বাঞ্চলৰ সাধু', মুৰুলীধৰ দাসৰ 'কাৰ্বি আইতাৰ সাধু', 'ডিমৰুৱাৰ সাধু', সন্তৰাম ৰংপিৰ 'অপলী তহঁত আমাৰ সখী' ইত্যাদি।

অসমীয়া শিশু উপন্যাসৰ ভেটি সুদৃঢ় কৰাত অৰিহণা যোগায় যোগেন শৰ্মাৰ 'সূৰুজ উঠা দেশৰ পিনে', 'জোন জাক জাক তৰা', হোমেন বৰগোহাঞিৰ 'সাউদৰ পুতেকে নাও মেলি যায়', ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'মৰমৰ দেউতা' আদিয়ে।

অসমীয়া শিশু সাহিত্যিকসকলৰ ভিতৰত নিৰ্মলপ্ৰভা বৰদলৈ(২০-০৬-১৯৩৩, ০১-০৪-২০০৪) এক আগশাৰীৰ নাম। নিৰ্মলপ্ৰভা বৰদলৈয়ে 'নতুন অসমীয়া' কাকতত 'অকণমাণি চ'ৰা'ৰ যোগেদি "নীলা বাইদেউ" নামেৰে শিশুসকলৰ বাবে গীত, নাট, কবিতা, সাধু আদি ৰচনা কৰি শিশু সাহিত্যিক হিচাপে আত্মপ্ৰকাশ কৰিছিল। বিষয়বস্তু, প্ৰকাশভংগী আৰু উপস্থাপন শৈলী, শিশু মনস্তত্ত্বৰ মনোৰম প্ৰতিফলনে নিৰ্মলপ্ৰভা বৰদলৈ বাইদেউৰ শিশু-সাহিত্য অতি মনোৰম কৰিছে। নিৰ্মলপ্ৰভা বৰদলৈয়ে শিশুৰ কল্পনাৰ নিজা জগতখন ভালদৰে উপলব্ধি কৰিব পাৰিছল। সেইবাবে তেখেতে কৈছিল— 'অভিজ্ঞতাৰ আঘাত আৰু জীৱনৰ বোজা নথকা, যুক্তি আৰু ব্যাকৰণৰ পৰা দূৰত থকা শিশু জগতখনক "A big, blooming, buzzing confusion" বুলি ক'ব পাৰি। তেখেতে শিশুসকলৰ বাবে বহুতো গীত, নাট, কবিতা আদি ৰচনা কৰি থৈ গৈছে। তেখেতে ৰচনা কৰা শিশু-গীতিনাট দুখন হ'ল- 'ৰজা" আৰু "বন্ধু"। বৰদলৈ বাইদেউৰ শিশু নাটিকা 'হাঁয় নাৰিকল পিঠা', আৰু 'সেউজী জেউজী'। 'সেউজী জেউজী'ত তেখেতে শিশুসকলক পৰিৱেশ সচেতনতাৰ বিষয়ে সম্যক জ্ঞান দিবলৈ যত্ন কৰিছে। আজি শিশু কালিলৈ দেশৰ নাগৰিক, তেওঁলোকেই পৃথিৱীখন সেউজীয়া কৰি ৰাখিব- এই কথা নাটিকাখনত

এনেদৰে প্ৰকাশ কৰিছেঃ-

ডাঙৰ আন এজন ল'ৰাঃ জানা, গছ থাকিলেহে
মানুহ থাকিব। আমাক স্কুলত শিকাইছে নহয়।
গছৰ পৰা কিমান ডাঙৰ ডাঙৰ কাম হয়।
ডাঙৰ অন্য এজন ল'ৰাঃ মানুহ জীয়াই
থাকিবলৈ উশাহত অক্সিজেন লাগে জানা।
সেইটো গছেহে বতাহত এৰি দিয়ে.....

ড° ভবেন্দ্ৰনাথ শইকীয়া(১৯৩২-২০০৩)দেৱে গল্প, উপন্যাস, প্ৰবন্ধ, নাটক, চলচ্চিত্ৰ, সাংবাদিকতা, সাংস্কৃতিক কৰ্ম আদিৰ লগতে শিশু সাহিত্যৰ ওপৰতো সমানে গুৰুত্ব দিছিল। ড° শইকীয়াদেৱে ৰচনা কৰা শিশু সাহিত্য সমূহ হ'ল—"শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট", "তোমালোকৰ ভাল হওক", "মৰমৰ দেউতা", "আমাৰ আখৰ", "মহাদুষ্টৰ দুষ্ট বুদ্ধি", "মৰম", "মোৰ শৈশৱ মোৰ কৈশোৰ"। এই শিশু গ্ৰন্থকেইখনৰ উপৰি তেখেতৰ সম্পাদনাত ১৯৮৪ চনত জন্ম পোৱা 'সঁফুৰা' নামৰ আলোচনীখন শিশু সাহিত্য ক্ষেত্ৰখনৰ অতুলনীয় অৱদান। লগতে শিশুৰ বাবে তেখেতে 'আৰোহন' আৰু 'শিশুবন' নামৰ দুটা প্ৰকল্প জন্ম দি গৈছে।

শিশু সাহিত্যিক অতুল চন্দ্ৰ হাজৰিকা(৯-৯-১৯০৩, ৭-০৬-১৯৮৬)দেৱে সৰ্বমুঠ শিশুৰ বাবে ৪০ খন গ্ৰন্থ ৰচনা কৰি গৈছে। হাজৰিকাদেৱে ১৯২৮ চনত "মিলন আলোচনী" সম্পাদনা কৰাৰ উপৰি কিছুদিন শিশু আলোচনী "দীপক"ৰো সম্পাদনা কৰিছিল।

অসমীয়া ভাষাত যিসকলে শিশু সাহিত্য ৰচনা কৰি বিশেষ কৃতিত্ব অৰ্জন কৰিছে, সেইসকলৰ ভিতৰত গগনচন্দ্ৰ অধিকাৰী(০১-০৬-১৯৪১, ৩০-০৯-২০২০)ও অন্যতম। তেখেতে শিশুৰ বাবে অতি পৰিচিত আৰু সাধাৰণ চৰিত্ৰ, পৰিৱেশ আৰু বিষয়বস্তুৰ আধাৰত ৰচনা কৰি যোৱা শিশু-সাহিত্য সমূহে শিশুৰ মনোজগতত স্থান পাবলৈ সক্ষম হৈছে।

তেতিয়া প্ৰকাশিত 'অসমবাণী'ৰ 'মইনা পাৰিজাত চ'ৰা'ই আছিল গগনচন্দ্ৰ অধিকাৰীদেৱৰ শিশু সাহিত্য চৰ্চাৰ উৰ্বৰ কঠিয়াতলী। ১৯৫২ চনতে শিশু সাহিত্যিকৰূপে সপ্তাহিক কাকতত ভুমুকি মৰা গগন চন্দ্ৰ অধিকাৰীৰ আছিল অসমীয়া শিশু সাহিত্য জগতখনৰ এটি পৰিচিত নাম। তেখেতৰ প্ৰথম লেখা পদ্য 'মিনতি' আৰু দ্বিতীয়টো আছিল 'পখিলী আইদেউৰ চিঠি'। তেখেতে ৰচনা কৰা শিশুৰ পদ্যপুথি সমূহ হৈছে— টকাত একোটা হাতী, ৰ'দালি এ ৰ'দ দে, কক ককৰে কক, কে কে হুৱা, আখৰৰ গীত, তিনিখন ঠেং হ'ল বুঢ়ী আইতাৰ, টৰ্চ মৰা মহ আদি পদ্যপুথি। তেখেতৰ হাস্যমধুৰ গদ্য ৰচনা সমূহ হ'ল- মনোৰম খবৰৰ পেৰা, মাখন মামাৰ সাধু, মাখন মামাৰ মনোৰম সাধু, সাঁথৰ ভঙাৰ খেল ইত্যাদি।

গগন চন্দ্ৰ অধিকাৰীদেৱে তেখেতৰ নিজা শৈশৱৰ স্মৃতিবোৰক কবিতাৰ যোগেদি শিশুহঁতক বুজাব বিচাৰিছে। 'টকাত একোটা হাতী' তেখেতৰ ব্যক্তিগত স্মৃতিবিজড়িত কবিতা সংকলন। এই কবিতাপুথিখনৰ কবিতাবোৰ শিশুসকলৰ বাস্তৱ জীৱনৰ সৈতে ৰজিতা খাই পৰিছে।

স্কুলীয়া জীৱনৰ কথা, বাদ্যযন্ত্ৰ বজাবলৈ শিকাৰ অভিজ্ঞতা, নিজৰ পুত্ৰৰ ল'ৰালি কালৰ স্মৃতি, মামাৰ সৈতে ভাগিনৰ আবেগ-মধুৰ সম্পৰ্ক আদি ক্ষণবোৰৰ কথা এই পুথিখনিত সন্নিবিষ্ট কৰিছে। উদাহৰণস্বৰূপে কেইটামান কবিতাৰ পংক্তি উল্লেখ কৰা হ'ল—"সোণটিয়ে আজি প্ৰথম প্ৰথম/ইচকুললৈ গৈ/বহুত শিকিলে নতুন কথা/নতুন নতুন কৈ (ইচকুল) জোনলৈ যাবলৈ/লাগিবই যান/গতিকে লাগিব আগে/যান সজাৰ জ্ঞান/জ্ঞানকেই ইংৰাজীত/বুলিছে 'নলেজ'/জ্ঞান বঢ়াবলৈ আছে/স্কুল-কলেজ (জোনলৈ বাট কেনি)"।

"ভাবিছিল সি- এটকাতে আৰু /ক'তনো হাতীটো পাব/ভবাই নাছিল টেঙৰ বাবুলে/পুতলা হাতীয়ে ল'ব/(টকাত একোটা হাতী)"।

গগন চন্দ্ৰ অধিকাৰীদেৱে শিশুৰ মনস্তাত্বিক দিশটোক সুন্দৰকৈ বুজি 'ক-ফলাৰ কথা' শীৰ্ষক কবিতাটিত শিশুক অসমীয়া ব্যঞ্জনবৰ্ণৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত কৰিবলৈ যত্ন কৰা কৰিছে। উদাহৰণস্বৰূপে— 'চ'টোৱে চাহ খায় চাহাবী ঢঙত/ছাঁত বহি 'ছ'টোৱে হাঁহিছে ৰঙত/জাৰ-জহ যাৰ নাই সিয়ে হ'ল 'জ'/ঝাৰু লই 'ঝ'ই সোধে, 'কি সাৰিম ক'? (ক-ফলাৰ কথা)।

দৈনন্দিন শিশুৱে খেল-ধেমালি তথা ওমলি থাকি ভাল পায় যাৰ আধাৰত লেখকে ৰ'দালি এ ৰ'দ দে পুথিখন ৰচনা কৰিছে। খেল-খেলিবলৈ নাপালেই শিশুসকলৰ মন বিষাদেৰে ভৰি পৰে। বৰষুণৰ বতৰতো শিশুৱে তিতি-বুৰি খেলি থাকি আনন্দ পায় কিন্তু সদায়ে বৰষুণত তিতিবলৈ মাক-দেউতাকে নিদিয়ে। তেতিয়াই শিশুৱে আকাশৰ পৰা ডাৱৰবোৰ আঁতৰি যাবলৈ মনৰ পৰা প্ৰাৰ্থনা কৰে এইদৰে— "ৰ'দালি এ ৰ'দ দে ৰ'দ দে/আলি কাটি জালি দিম/বৰপীৰা পাৰি দিম/তাতে বহি ৰ'দ দে ৰ'দ দে। এই ওমলা গীতৰ আৰ্হিতে গগন চন্দ্ৰ অধিকাৰীদেৱে লিখিছে— 'ৰ'দালি এ ৰ'দ একণ দে/ মেঘবোৰ আঁতৰাই/ বেলিটো উলিয়াই/ৰ'দ একণ দে।..... কিন্ কিন্ কিন ্ কিন্/বৰষিছে প্ৰতিদিন/ কেনেবা লাগিছে মন/হ'ব আৰু দে/সাৰি পুচি মেঘবোৰ ক'ৰবালৈ নে।"

'নিগনিৰ গতি' হৈছে অধিকাৰীদেৱৰ এটি অতি মোহনীয় কবিতা। এবাৰ নিগনি এটাৰ হাতী হোৱাৰ বাসনা জাগিল। নিগনিটোৱে হাতী হোৱা হ'লে ভঁৰালৰ সমস্ত সম্পদ কুটি পেলোৱাৰ অভিলাষো বোন্দাৰ আগত প্ৰকাশ কৰিলে। বোন্দাই নিগনিক ক'লে যে হাতী হোৱা হ'লে সি ভঁৰালৰ ধান কুটিবলৈ পোৱাৰ মানুহহে তাৰ পিঠিত উঠি ঘূৰি ফুৰিলেহেঁতেন। বোন্দাৰ কথা শুনি নিগনিৰ খং উঠিল আৰু হাতী হোৱা হ'লে বোন্দাক গচকি থিতাতে মাৰি পেলোৱাৰ সপোন দেখিলে। কিন্তু নিজৰ ভাৱনাত বিভোৰ হৈ থাকোতেই নিগনিক বোন্দাই থাপ মাৰি ধৰিলে আৰু নিগনিৰ হাতী হোৱাৰ সপোনৰো সিমানতেই ইতি পেলালে।

প্ৰথম চাইকেল চলাবলৈ শিকা শিশুসকলৰ প্ৰথম আৰু প্ৰধান কাম। অধিকাৰীয়ে এই সুমধুৰ সময়খিনিক সুৰীয়াকৈ 'চাইকেল' কবিতাটিৰ যোগেদি প্ৰকাশ কৰিছে—"টিলিলিং টিলিলিং/বাটত বজাই বেল/ৰতনে পেলালে শিকি/চলাবলে' চাইকেল/টিলিলিং টিলিলিং/দুচকীয়া চাইকেল/কাৰাং কুৰুং কৰে/দিবলে' এৰিলে তেল।" অন্যহাতে এই কবিতাটিৰ যোগেদি

শিশুসকলক চাইকেলৰ বিভিন্ন অংশ যেনে— পেডেল, চেইন, হেন্দেল আদি শব্দ শিশুহঁতক চিনাকি কৰি দিছে।

শৈশৱ কালত খেলা-ধূলাৰ মাজতে শিশুসকলৰ এটা অতি আমনিদায়ক তথা গুৰুত্বপূৰ্ণ কাম হৈছে আখৰ লিখিবলৈ শিকা। গগন চন্দ্ৰ অধিকাৰীদেৱে 'আখৰৰ গীত' গ্ৰন্থৰ জৰিয়তে অসমীয়া প্ৰতিটো আখৰ বা বৰ্ণৰ সৈতে একোটা ৰসাল পদ্য গাঁথি দি শিশুসকলৰ মনোগ্ৰাহী কৰি আয়ত্ব কৰাৰ সহজ কৰি তুলিছে। 'অ-আ, ক-খ'-ৰ পৰা আৰম্ভ কৰি ধাৰাপাঠৰ ১ৰ পৰা ১০সংখ্যালৈ আখৰবোৰ চিনাকি কৰি দিছে। সেইদৰে 'আখৰৰ খেল' পদ্যটোত তেখেতে স্বৰবৰ্ণৰ লগত ব্যঞ্জনবৰ্ণবোৰ কেনেকৈ লগ হয় তাৰো আভাস গীতৰ ছলেৰে দিছে যেনে ঃ-

"অৰ ঘৰৰ অমিতা/অ' মা, আমি খাম/আৰ ঘৰৰ আইতাই/কাটিছে পকা আম (কাৰ ঘৰত কি)। "জাকৈ-খালৈ লৈছে ঐ/খাবলৈ মন মাছে-ভাত/ওৰ চকুহাল ওপৰত/ মোমাইৰ ঘৰটো ওচৰত/ঔৱে ৰৌৱে ঔৱে খাই/নিতৌ কৰে কছৰৎ (অ-ফলাৰ গীত)। 'আ'ৰ পৰা কাঢ়ি হাতৰ লাখুটি/সকলোটি হয় আতা/'ক'ত আকাৰে কা/'খ'ত আকাৰে খা/মুখ মেলি মেলি ঔৱে খাই/নিতৌ কৰে কছৰৎ (অ-ফলাৰ গীত)। "আ'ৰ পৰা কাঢ়ি হাতৰ লাখুটি/সকলোটি হয় আতা/'ক'ত আকাৰে কা/'খ'ত আকাৰে খা/মুখ মেলি মেলি মাতা (আখৰৰ খেল)"।

শিশুসকলক শিক্ষা দিয়াৰ উদ্দেশ্য আগত ৰাখি লিখা তেখেতৰ আন দুখন পুথি হৈছে 'মনোৰম খবৰৰ পেৰা' আৰু 'মাখন মামাৰ মনোৰম সাধু" আদি। 'টৰ্চ মৰা মহ' গগন চন্দ্ৰ অধিকাৰীৰ আন এখন হাস্য ব্যঙ্গ পদ্য সংকলন। টৰ্চ মৰা মহ সংকলনটিৰ পদ্যসমূহৰ সন্দৰ্ভত শিশু সাহিত্যিক নৱকান্ত বৰুৱাদেৱে লিখিছিল- "অসমীয়া শিশু সাহিত্যত গগনচন্দ্ৰ অধিকাৰীৰ নিজস্ব এটুকুৰা ঠাই আছে। ধেমালিৰ ছলেৰে জ্ঞান দিয়াৰ প্ৰচেষ্টা কৰিছে। 'টৰ্চ মৰা মহ' শীৰ্ষক পদ্যটি এই সংকলনৰ এটি বেচ আমোদজনক কবিতা। এই কবিতাটিৰ শেষত টৰ্চ মৰা মহ মানে জোনাকী পৰুৱাৰ পোহৰ বুলি জানিবলৈ দি শিশুক এক নানন্দিক সোৱাদ দিছে।"

বিহু আহি গ'ল নগৰলে'—এৰি/গাঁৱৰ ভছহু ঠাই/তুমিহে আইতা, আশীৰ্বাদশাৰীকে/সলাবই পৰা নাই।

'ট-বৰ্গৰপালত সোমাই'ন'ই/ৰোমলৈ গ'লে যেনেকৈ ৰোমান হয়/তেনেকৈয়ে মানি নিজকে ধন্য/দন্ত্যৰ ঠাইত হয় মূৰ্দ্ধণ্য। "এতিয়া, বেতৰ আগত বিদ্যাৰ সলনি/বিদ্যাৰ আগত বেত/সেয়েই কিজানি মগজু নাবাঢ়ি/বাঢ়ে সকলোৰে পেট।"

"সাঁথৰ ভঙাৰ মেল" অধিকাৰীৰ শিশু উপযোগী আন এখন পুথি। সাঁথৰ ভাঙিবলৈ শিশুৰ মানসিক বুদ্ধিমত্তাৰ খুবেই প্ৰয়োজন। এই পুথিত বিজ্ঞানৰ ন ন কথাক সাঁথৰ ভঙাৰ ছলেৰে শিশুহঁতৰ মন-মগজুত সুমুৱাই দিবলৈ যত্ন কৰিছে। ফুলজাৰি ফুলজাৰি, লাগি গ'ল জুই/তৰা ফুল উফৰিছে, ফ্ৰুইট ফ্ৰুইট, ফ্ৰুইট। সেইদৰে সৌৰজগতৰ বিভিন্ন গ্ৰহ-উপগ্ৰহকে আদি কৰি বিভিন্ন জটিল কথাকো সহজ ভাষাত শিশুক বুজাই অধিকাৰীয়ে নিজৰ কৃতিত্ব প্ৰকাশ কৰিছে। এইদৰে গগণ চন্দ্ৰ অধিকাৰীদেৱে শিশুৰ বাবে সাহিত্য ৰচনা কৰিয়েই জীৱনৰ অধিকাংশ

সময় অতিবাহিত কৰিলে।

বৰ্তমান সময়ত শান্তনু তামুলী, ৰঞ্জু হাজৰিকা, অভিজিত শৰ্মা বৰুৱা, জয়ন্ত মাধৱ বৰা, দীনেশ চন্দ্ৰ গোস্বামী, বন্দিতা ফুকন, তোষপ্ৰভা কলিতা, এলি আহমেদ, হৰপ্ৰিয়া বকৰিয়াল বৰগোহাঞি, যুগললোচন দাস আদি স্বনামধন্য শিশু সাহিত্যিকসকলে শিশু উপযোগী সাহিত্য ৰচনা কৰাত ব্ৰতী হৈ আছে । অসমীয়া ভাষাত প্ৰায় ৭৫০ খনতকৈও অধিক কিতাপ লিখা অসমীয়া ৰহস্য সাহিত্যৰ মুকুট বিহীন সম্ৰাট ৰঞ্জু হাজৰিকাদেৱৰ শিশু সাহিত্য যথেষ্ট উন্নতমানৰ। তেখেতে ৰচনা কৰা শিশু সাহিত্য হ'ল জেছন, পৰন আদি। ৰঞ্জু হাজৰিকাদেৱৰ শিশু সাহিত্যৰ ছিৰিজসমূহ বিশ্বৰ আন ভাষালৈ অনুদিত নোহোৱাত হয়তো তখেতৰ সাহিত্যৰাজি সমগ্ৰ বিশ্বতে এতিয়াও সমাদৃত হোৱা নাই বা স্বীকৃতি পোৱা নাই।

বৰ্তমান উচ্চখাপৰ অসমীয়া শিশু-সাহিত্যৰ চৰ্চা কৰি থকা সকলৰ ভিতৰত ড° দীনেশ চন্দ্ৰ গোস্বামী, বন্দিতা ফুকন, শান্তনু তামুলী, ৰথীন্দ্ৰনাথ গোস্বামী, অভিজিত শৰ্মা বৰুৱা, আনন্দ দেৱ গোস্বামী, সমীৰ কুমাৰ সূত্ৰধাৰ, সন্তোষ কুমাৰ কৰ্মকাৰ, মীৰা শৰ্মা, বীণা শৰ্মা, নীলিমা বৰা, বন্দিতা গোস্বামী শইকীয়া, ড° মালিনী, ড°অদিতি ভট্টাচাৰ্য, ৰুন্নু বেগম, ৰন্‌জিত চিৰিং, দুলাল বৰা, অনুভৱ পৰাশৰ। আনহাতে বৰ্তমান অসমীয়া যুৱ শিশু সাহিত্যিক আঙুলিৰ মূৰত গণিব পাৰি। যুৱ শিশু সাহিত্যিকসকলৰ নাম ক'বলৈ গ'লে মাধুৰীমা ঘৰফলীয়াৰ কথা উল্লেখ কৰিব পাৰি। তেওঁৰ শিশু সাহিত্যসমূহ যথেষ্ট উন্নতমানৰ। তেওঁৰ সাহিত্য অকাডেমি শিশু সাহিত্য বঁটা বিজয়ী গ্ৰন্থ 'ফচং' এখন নিসন্দেহে উচ্চমানৰ গ্ৰন্থ হিচাপে অভিহিত কৰিব পাৰি।

সাম্প্ৰতিক সময়ত আমি যদি ভালদৰে পৰ্যবেক্ষণ কৰোঁ তেতিয়া দেখা পাওঁ যে বৰ্তমান সময়ত অসমত প্ৰকাশিত হৈ থকা 'মুকুতা, 'সঁফুৰা', 'বাৰ-ওঁঠৰ', 'মৌচাক', 'ৰংমেলা', 'নতুন আৱিষ্কাৰ' আদি শিশু-কৈশোৰ আলোচনীসমূহ যথেষ্ট উন্নতমানৰ। তদুপৰি, ১৯৯৭ চনতে প্ৰথম প্ৰকাশিত আৰু ২০২০ চনৰ জানুৱাৰী পৰা দ্বিতীয় প্ৰকাশ কালৰ পৰা বৰ্তমানলৈ নিয়মীয়াকৈ প্ৰকাশ হৈ অহা জনপ্ৰিয় শিশু-কিশোৰৰ আলোচনী ''ৰ'দালি'' বৰ্তমান সময়ত শিশুসকলৰ মাজত যথেষ্ট সমাদৰ লাভ কৰিছে। এইসমূহত প্ৰকাশিত সাহিত্যও যথেষ্ট উচ্চখাপৰ। কিন্তু ইমানৰ পাছতো আজিকালি অধিক সংখ্যক শিশু ছ'চিয়েল মিডিয়াৰ এখন ভাৰ্চুৱেল জগতৰ প্ৰভাৱত পৰি এনেবোৰ সাহিত্যৰ সোৱাদ ল'বলৈও যেন আহৰি নাই। সৰহসংখ্যক যুৱক-যুৱতীয়ে নিতৌ ইণ্টাৰনেট, ছ'চিয়েল মিডিয়া আদি ব্যৱহাৰ কৰে আৰু তেওঁলোকে ইণ্টাৰনেটতে উপলব্ধ কিতাপ-আলোচনীসমূহ পঢ়ে আৰু বাতৰি কাকতখন বা আন কোনো বাহিৰা কিতাপ এখন মেলি চাব নিবিচাৰে। লগতে আজিকালি ছ'চিয়েল মিডিয়াত অসমীয়া কিতাপ আৰু শিশু আলোচনীৰ পি. ডি. এফ. উপলব্ধ হোৱা বাবে তেওঁলোকে কিতাপ আলোচনী আদি কিনাৰ পৰা বিৰত থাকে।

বৰ্তমান সময়ত শিশুসকলৰ উদ্দেশ্যি লেখা লেখক-লেখিকাও অতি সীমিত। এখন শিশু আলোচনী নিয়মীয়াকৈ প্ৰকাশ কৰা ক্ষেত্ৰত বহুসময়ত উপযুক্ত লেখনিৰ অভাৱ অনুভৱ কৰিব লগা হয়। ঠিক সেইদৰে শিশু সকলৰ বাবে প্ৰকাশ কৰা পুথি আৰু আলোচনী লাহে লাহে

নাইকীয়া হ'ব ধৰিছে। সেয়ে হয়তু শিশু সকলৰ মাজত কিতাপ পঢ়া অভ্যাসো লাহে লাহে নাইকীয়া হ'ব ধৰিছে। শিশুসকলৰ মাজত কিতাপ পঢ়াৰ ধাউতি বঢ়াবৰ বাবে অসমৰ বিভিন্ন ঠাইত শিশু পুথিভঁৰাল স্থাপন কৰাটো গুৰুত্ব আৰোপ কৰিব লাগিব। শিশুৰ মানসিক বিকাশৰ বাবে কিতাপৰ প্ৰতি আকৰ্ষিত কৰি তেওঁলোকৰ উপযোগী কিতাপ, আলোচনী আদি তেওঁলোকৰ হাতত তুলি দিব লাগিব। আমাৰ অতি কম সংখ্যকেহে আমাৰ নিজৰ শিশুক সাহিত্য অধ্যয়নৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা দেখা যায়। অপ্ৰিয় হ'লেও সত্য যে বৰ্তমান আমি অভিভাৱকসকলে শিশুক এখন কিতাপৰ সলনি এটা ম'বাইল কিনি দিয়াতহে বেছি গুৰুত্ব দিছোঁ। আনহাতে বহুতো অভিভাৱকে নিজৰ সন্তানক অসমীয়া কিতাপতকৈ ইংৰাজী কিতাপ পঢ়িবলৈহে পৰামৰ্শ দিয়া দেখা যায়। সেয়ে সাধুকথা কোৱা বা পঢ়ি শুনোৱাৰ সলনি টিভি-ম'বাইলত কাৰ্টুন চাবলৈ, ভিডিঅ গেম খেলিবলৈ দিছোঁ। কাৰ্টুনো চাব লাগিব কিন্তু তাৰ সমান্তৰালভাৱে কিছুসময় আমি সিহঁতক সাধু কিতাপ আৰু শিশু আলোচনী পঢ়িবলৈ বা মহৎলোকৰ জীৱনী বা ভ্ৰমণ কাহিনী আদি পঢ়িবলৈও দিব লাগিব, তেতিয়াহে আমি শিশুসকলক প্ৰকৃত মানৱ আৰু ভৱিষ্যতৰ দেশৰ ধৰণীস্বৰূপ কৰি গঢ়িব পাৰিম আৰু আমাৰ শিশু সাহিত্যৰ উদ্দেশ্য সফল হ'ব লগতে বিশ্বৰ শিশু সাহিত্যৰ লগত সমানে আগবাঢ়ি যাব পাৰিব। তেতিয়াহে আমাৰ শিশুসকলো বিশ্বৰ শিশু সকলৰ লগত সমানে খোজত খোজ মিলাই আগুৱাই যাব পাৰিব।

## ৪.০ উপসংহাৰ ঃ

বৰ্তমান উচ্চখাপৰ অসমীয়া শিশু-সাহিত্যৰ চৰ্চা কৰি থকা সকলৰ ভিতৰত ড° দীনেশ চন্দ্ৰ গোস্বামী, বন্দিতা ফুকন, শান্তনু তামুলী, ৰথীন্দ্ৰনাথ গোস্বামী, অভিজিত শৰ্মা বৰুৱা, আনন্দ দেৱ গোস্বামী, সমীৰ কুমাৰ সূত্ৰধাৰ, সন্তোষ কুমাৰ কৰ্মকাৰ, মীৰা শৰ্মা, বীণা শৰ্মা, নীলিমা বৰা, বন্দিতা গোস্বামী শইকীয়া, ড° মালিনী, ড°অদিতি ভট্টাচাৰ্য, ৰুন্নু বেগম, ৰন্‌জিত চিৰিং, দুলাল বৰা, অনুভৱ পৰাশৰ।

## ৫.০ সহায়ক গ্ৰন্থপঞ্জী ঃ

১. ইণ্টাৰনেট আৰু "অসমীয়া শিশু সাহিত্যৰ ভৱিষ্যৎ" অসম গ্ৰন্থমেলা ২০২১-২২ উপলক্ষে প্ৰকাশিত স্মৃতি গ্ৰন্থৰ লেখক অভিৰাজ দত্তৰ প্ৰবন্ধটিৰ আলম লোৱা হৈছে)

# বাণীকান্ত কাকতিৰ ৰচনাৰ নান্দনিকতা ঃ এক চমু অৱলোকন

**ৰেখামণি গগৈ**
**সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ**
**সোণাৰি মহাবিদ্যালয়**

## ০.০ প্ৰস্তাৱনা ঃ

"চৈতন্যৰ উদয়ৰপৰা মৰণলৈকে মানৱ-জীৱন এক সুদীৰ্ঘ কাৰণ্যৰ আৱেগ মাথোন, নাইবা গভীৰ নৈৰাশ্যৰ দীৰ্ঘ নিশ্বাস।"- এনে জীৱন দৰ্শনেৰে সাহিত্যত প্ৰতিষ্ঠা লাভ কৰা বিদ্বান পণ্ডিত বাণীকান্ত কাকতি। নামেই যাৰ পৰিচয়। তেখেত এফালে আছিল সাহিত্য সমালোচক আৰু গৱেষক আনফালে নীতি-সদাচাৰ মনা নৈষ্ঠিক ব্যক্তি। কাকতিৰ জন্ম হয় অবিভক্ত কামৰূপ জিলাৰ বাটিকুৰিহা গাঁৱত ১৮৯৪ চনৰ ১৫ নৱেম্বৰত। জ্ঞানৰ অবিমিশ্ৰ সাধনাই তেওঁৰ জীৱনৰ ব্ৰত আছিল। পৰম্পৰা আৰু ৰীতি-নীতিৰ প্ৰতি শ্ৰদ্ধাশীল কাকতিৰ ব্যক্তিত্বৰ বিশেষত্ব আছিল সৰলতা আৰু আড়ম্বৰহীনতা। সাধাৰণভাৱে জীৱন যাপন কৰি উচ্চ চিন্তাৰ অধিকাৰী হৈ পৰিছিল। প্ৰকৃতিৰ নিয়মৰ সূত্ৰ ধৰি এক মহাজাগতিক শক্তিত বিশ্বাস কৰা কাকতিৰ উপলব্ধিত সেই সনাতন সত্যই ধৰা দিছিল যে এই জগতত জ্ঞানৰ দৰে পবিত্ৰকাৰী আৰু একো নাই।[১]

মানৱীয় কোমল অনুভূতিৰে সিক্ত কাকতিদেৱৰ হৃদয় কৰ্মপ্ৰেৰণা, ত্যাগ, নিষ্ঠা, আদৰ্শ আৰু সততাৰ দীপ্তিৰে দীপ্তিমান আছিল। প্ৰতিটো যুগৰ জাতীয় ইতিহাসত ব্যক্তিৰ স্থান নিৰ্ধাৰিত হয়। যি ব্যক্তিয়ে বৌদ্ধিক জাগৰণেৰে ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰগতিৰ সূচনা কৰে, আৰু সেইসকলেই জাতীয় জীৱনৰ উজ্জীৱনী শক্তিৰূপে পৰিগণিত হয়। বাণীকান্ত কাকতিও তেনে এক প্ৰগতিশীল শক্তি। যি শক্তিয়ে অসমীয়া ভাষা-সাহিত্যৰ নুমাবধৰা বন্তিগছিত তৈল সঞ্চাৰ কৰি চলন্তিকা শক্তি ঘূৰাই আনিলে। তাৎপৰ্যপূৰ্ণ যে কাকতিয়ে অসমীয়া জাতিৰ এক যুগসন্ধিত অৰ্থাৎ এফালে ভাৰতৰ স্বাধীনতা আন্দোলন আৰু আনফালে মহাযুদ্ধৰ বিভীষিকাই সমাজ-জীৱন বিধ্বস্ত কৰা সময়তে ভাষা-সাহিত্য-সংস্কৃতিৰ দিশত স্বকীয় অৱদানেৰে জাতিক পৰিপুষ্ট কৰি তুলিছিল। অৱশ্যে বাণীকান্ত কাকতিৰ জাতীয় চেতনা উন্মেষৰ বীজ কলিকতাৰ ছাত্ৰ অৱস্থাতে হৈছিল। কাৰণ তেওঁ বেজবৰুৱাৰ সাহিত্যৰ প্ৰতি প্ৰভাৱান্বিত হৈছিল। বাণীকান্ত কাকতিয়ে একেধাৰে ভাষাতাত্ত্বিক, সাহিত্য সমালোচক, সংস্কৃতি গৱেষক, নৃতত্ত্ববিদ, শিশু-সাহিত্যিক, অনুবাদক আদি একাধিক ৰূপেৰে অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াই গৈছে। প্ৰকৃততে সমালোচক হ'বৰ

কাৰণে যিমানখিনি মানসিক সম্বলৰ আৰশ্যক, সকলোখিনি বাণীকান্ত কাকতিৰ আছিল। সকলো কথাৰ গভীৰলৈকে ভেদ কৰিব পৰা আৰু তাৰ মৌলিক গুণবোৰ পলকতে চালি-জাৰি উলিয়াব পৰা শক্তি ছাত্ৰ অৱস্থাৰে পৰা কাকতিৰ আছিল। ইংৰাজী সাহিত্যৰ অধ্যয়নৰ যোগেদি কাকতিয়ে পুৰণি গ্ৰীক আদি ইউৰোপীয় সাহিত্যৰ লগত পৰিচিত হৈছিল। সংস্কৃত ৰস-সাহিত্যৰ প্ৰতি তেওঁৰ আছিল প্ৰৱল ধাউতি। ইংৰাজী সাহিত্যৰ চুকে-কোণে পৰি থকা কথা আৰু মতবাদ অধ্যয়ন কৰি অগাধ পাণ্ডিত্যৰ পৰিচয় দিবলৈ সক্ষম হৈছিল।

## ০.১ অধ্যয়নৰ উদ্দেশ্য ঃ

বাণীকান্ত কাকতিৰ তত্ত্বগধূৰ ৰচনাৰাজিৰ মাজত নন্দনতাত্ত্বিক সৌন্দৰ্য বিচাৰ কৰাৰ উদ্দেশ্যে এই আলোচনাটি আগবঢ়োৱা হৈছে।

## ০.২ অধ্যয়নৰ গুৰুত্ব ঃ

বাণীকান্ত কাকতিয়ে অসমীয়া সমালোচনা সাহিত্যলৈ অতি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই গৈছে। তদুপৰি তেখেত এগৰাকী ভাষাবিদ, গৱেষক, সাহিত্যিক তথা অসমীয়া সাহিত্যৰ পুৰুধা ব্যক্তি, তেখেতৰ সাহিত্যৰ তথা ৰচনাশৈলীৰ নান্দনিকতা বিচাৰ কৰা অতি গুৰুত্বপূৰ্ণ। সেয়ে আলোচনাৰ বিষয়টিৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি।

## ০.৩ অধ্যয়নৰ পদ্ধতি আৰু সমল ঃ

বিষয়বস্তুৰ লগত সংগতি ৰাখি আলোচনাটিত বৰ্ণনাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। অধ্যয়নৰ বাবে গৌণ উৎসৰ সমল প্ৰয়োগ কৰা হ'ব।

## ১.০০ মূল আলোচনা ঃ

## ১.০.১ বাণীকান্ত কাকতিৰ ৰচনাৰ নান্দনিকতা ঃ

সাহিত্যত নান্দনিকতা এটা প্ৰয়োজনীয়তা গুণ। ইয়াক অনুভৱ কৰিবৰ বাবে পাঠকৰ প্ৰয়োজন হয় সংবেদনশীলতা, সহৃদয়তা আৰু অন্তৰ্দৃষ্টিৰ। সকলো পাঠকে সকলো সাহিত্যৰ সৌন্দৰ্য বিচাৰি নাপায়। পাঠক নিজে উপযুক্ত হ'ব লাগিব। সেইকাৰণে প্ৰাচীন সংস্কৃত অলংকাৰ শাস্ত্ৰত কোৱা হৈছিল যে, 'সকলোৰে আগত কবিতা পাঠ নকৰিবা, যিসকল সহৃদয় যাৰ হৃদয় কবিতাৰ ৰস গ্ৰহণ কৰিবলৈ উপযুক্ত তেওঁলোকৰ আগত হে পাঠ কৰিবা।'

পাঠকে সাহিত্যৰ মাজত জিলিকি থকা অথবা আঁৰ হৈ থকা সৌন্দৰ্য কণিকা বুটলি ল'ব জানিব লাগে। তাৰফলত সেই সাহিত্য পৰম ৰমনীয় আৰু মাধুৰ্যময় হৈ পৰে। সৌন্দৰ্যৰ লগত আনন্দৰ নিবিড় সম্পৰ্ক আছে। যি আনন্দময় সিয়ে সৌন্দৰ্যময়। এই সৌন্দৰ্য কেতিয়াবা আপাতদৃষ্টিত দেখা নাযাবও পাৰে, ইয়াক বিশেষ মানসিক অৱস্থাত সহৃদয় জনেহে অনুভৱ

কৰিব পাৰে। এই বিশেষ মানসিক অৱস্থাতে উদ্ভৱ হয় নন্দনতাত্ত্বিক দৃষ্টিভঙ্গী। যি বস্তুৱে মানুহৰ মনত আনন্দৰ অনুভূতি জগাই তুলিব নোৱাৰে বা যি সৌন্দৰ্যই মানুহৰ হৃদয় স্পৰ্শ নকৰে সেই সৌন্দৰ্যৰ অস্তিত্ব নাই বুলি ক'ব পাৰি।

উৎকৃষ্ট সাহিত্যই সকলো শিক্ষা আদৰ্শ বা উপদেশ এনে এক কলাসুলভতাৰ দাঙি ধৰে যে আনন্দৰ অনুভূতি এটিহে পাঠকৰ মনত ৰৈ যায়। যিবোৰ বস্তু বা অনুভৱ সুন্দৰ বুলি স্বীকৃত নহয় বুলি ভাবো নন্দনতাত্ত্বিকে তাৰ মাজতো দেখুৱাই দিব পাৰে সৌন্দৰ্য। তেনে এজন ব্যক্তিয়েই আছিল পণ্ডিতপ্ৰৱৰ বাণীকান্ত কাকতি। অসমীয়া ভাষা-সাহিত্যলৈ যুগমীয়া অৱদান আগবঢ়াই যোৱা ব্যক্তিসকলৰ ভিতৰত বাণীকান্ত কাকতিৰ নাম প্ৰথম শ্ৰেণীতে খোদিত হৈ আছে।

কাকতিৰ ৰচনাত নান্দনিক সৌন্দৰ্য বিচাৰিবলৈ গ'লে পোনতে 'সাহিত্য আৰু প্ৰেম' আৰু 'পুৰণি অসমীয়া সাহিত্য' ৰ মাজত ইয়াৰ শোভা বেছিকৈ থকা দেখা যায়। বাকীবোৰ গ্ৰন্থৰ মাজতো সেই সৌন্দৰ্য অলপীয়াকৈ আছে। ভাব-ভাষা, প্ৰকাশভঙ্গীৰ মাজত এই সৌন্দৰ্য নানাভাৱে বিচ্ছুৰিত হৈ আছে। বিষয়ৰ সৌন্দৰ্য বুলি ক'লে অসমীয়া ভাষা-সাহিত্য-সমাজৰ প্ৰতি অন্তহীন ভালপোৱা। সমগ্ৰ ৰচনাৰ সৌন্দৰ্য হ'ল তেওঁৰ জাতীয়তাবাদী চিন্তা। কাকতিয়ে অসমীয়া ভাষা-সাহিত্য সংস্কৃতিলৈ অকৃত্ৰিম প্ৰেম আৰু ভালপোৱা। কাকতিৰ লক্ষ্য আছিল ভাষা সাহিত্যৰ সুৰক্ষা, বিকাশ আৰু প্ৰতিষ্ঠা। পুৰণি অসমীয়া সাহিত্যৰ মণি-মুকুতাবোৰ পুনৰ উলিয়াই আনি দৃঢ়ভাৱে প্ৰতিভা কৰিছিল। বেজবৰুৱাই দেখুৱাই যোৱা বাটেৰে আগবাঢ়ি তেওঁ ভাষা- সাহিত্যৰ চৰ্চা কৰি অসমীয়া স্বাভিমানত বল শক্তি যোগান ধৰি গৈছিল। 'সাহিত্য আৰু প্ৰেম'ত সন্নিৱিষ্ট প্ৰবন্ধকেইটাৰ মূল সূত্ৰৰ সংজ্ঞা পাতনিত এইদৰে দিয়া হৈছে—'প্ৰেমৰ পোৱাণি শক্তিৰ প্ৰভাৱতো একে তেজ-মঙহৰ শৰীৰৰ মানুহৰ মনত বেলেগ বেলেগ প্ৰতিক্ৰিয়া ঘটে। কেতবোৰৰ পক্ষে মনৰ ছটফটনি আৰু কেতবোৰ দুৰ্লভ প্ৰকৃতিৰ মানুহৰ পক্ষে ই উদ্বোধনী প্ৰজ্ঞান-বন্তি।...এই আখ্যানবোৰত কেতবোৰ বিশ্ববিখ্যাত মনীষীৰ প্ৰেমৰ স্পৰ্শত প্ৰাণৰ প্ৰতিক্ৰিয়া দেখুওৱা হৈছে। বেদৰ ঋষি-পুত্ৰৰ প্ৰেমৰ প্ৰেৰণাত ঋষিত্ব-লাভৰ প্ৰচেষ্টাৰ পৰা আমিয়েলৰ পৰিদৃশ্যমান বিশ্বৰ লগত একাত্মবোধৰ আকাংক্ষা সেই একে মিলন-স্পৃহাৰে বিভিন্ন বিকাশ। 'কাকতিৰ প্ৰেমে অপাৰ্থিৱ সৌন্দৰ্য আৰু আনন্দৰ প্ৰতি উদ্যম সঞ্চাৰ কৰে। তেওঁৰ কাম্য প্ৰেম আদৰ্শবাদী, তাত উদ্দাম বাসনা, প্ৰণয়িনীৰ অংগী-ভংগীৰ লোলুপ ধ্যান আদিৰ পৰিৱৰ্তে থাকিব লাগে 'সৰলতা, কোমলতা, নিষ্পাপতাৰ সমাৱেশ' ঋগ্বেদৰ শ্যাবাশ্বৰ প্ৰণয়ৰ দৰে।

বাণীকান্ত কাকতিৰ ৰচনাৰীতিত নান্দনিকতা দেখা যায়। সমালোচকৰ বাহ্যিক এটি সম্বল প্ৰকাশিকা-শক্তিসম্পন্ন ভাষাৰীতি। কাকতিৰ ভাষা সোৱাদেই নহয়, নিটোলো অৰ্থাৎ সন্তুলিত। কাকতিয়ে নিজৰ উপমা আৰু গঠন-ৰীতি ব্যৱহাৰ কৰি অসমীয়া ভাষাক এক অভিনৱত্ব প্ৰদান কৰিছিল। সাধাৰণ অসমীয়া শব্দৰ মধুৰ ব্যৱহাৰ তেওঁৰ ভাষা-ৰীতিৰ এটি বিশিষ্ট অংগ। অসমীয়াৰ দৰে কাকতিৰ ইংৰাজী ৰচনা-ৰীতিও মনোৰম আছিল। কোনো ঠাইত তেওঁৰ ভাষা কাব্যসুলভ গদ্যত পৰিণত হৈছিল আৰু ঠায়ে ঠায়ে ছন্দও জোকাৰি উঠিছিল। কাকতিৰ গদ্য সুন্দৰ হোৱাৰ

কাৰণ উপমা আৰু ৰূপকৰ ব্যৱহাৰ। সেয়ে কোৱা হয় উপমা বাণীকান্তস্য। কাকতিৰ গদ্যত বেছিকৈ দেখা যায় পানী আৰু পোহৰৰ উপমা। যেনে:

ক) মৰুভূমিত উটে পানীৰ গোন্ধ লৈ জলাশয় বিচৰাৰ দৰে তুষিত মানৱসকলেও বৰগীতৰ ধ্বনি-প্ৰতিধ্বনিক লক্ষ্য কৰি গুৰু দুজনাৰ ওচৰত উপস্থিত হৈছিল। (বৰগীত )

খ) প্ৰৱল বেগেৰে বৈ যোৱা বিশাল জলৰাশিৰ আগভেটি ধৰা উপল-খণ্ডৰ প্ৰতি তৰংগ-আঘাত মাথোন। ( নামঘোষা, তুলনীয় কালিদাস )

গ) একান্ত ভক্তিৰ সোঁত নামিলে, ভাদ মহীয়া ঢলৰ পানী নৈৰ গৰা ভাঙি পাৰ বাগৰি যোৱাৰ দৰে ই সীমাৱদ্ধ সগুণ উপাসনাত আৱদ্ধ হৈ থাকিব নোৱাৰে। (নোৱাৰে)

ঘ) ইয়াত  জোনাকী পৰুৱাৰ প্ৰভা আছে, কিন্তু দাহিকা-শক্তি নাই। (নামঘোষা)

ঙ) সাগৰাভিমুখী স্ৰোতস্বিতী পৰ্বতৰ কঠোৰ শিলাখণ্ড  অতিক্ৰম কৰি ভীষণ বেগেৰে সাগৰৰ ফালে বৈ যোৱাৰ দৰে....। (নামঘোষা)

চ) গোটেই কবিতাটো জোনাকী নিশাৰ আকাশী পৰীৰ লীলা-খেলা যেন লাগে। (কুমৰ হৰণ)[২]

ছ) সমস্ত আখ্যানটো যেন পুৱাৰ নিয়ৰত তিতি থকা বগা শেৱালী ফুল এপাহি। (নিশাদূত)

এই সকলোৱে তেওঁক নিজস্ব এক গদ্যৰীতিৰ প্ৰমাণ কৰিছে। মুঠ কথা, সাহিত্যৰ সৌন্দৰ্য-প্ৰদৰ্শক সমালোচনাৰ ভাষাৰূপে তেওঁৰ কথা-ৰীতি যথেষ্ট সবল আৰু সুন্দৰ আছিল।

কাকতিদেৱৰ বেছিভাগ গ্ৰন্থই গৱেষণাধৰ্মী। তেখেতে 'ভৱানন্দ পাঠক' ছদ্মনামেৰে 'বিজুলী' আৰু 'বাঁহী' আলোচনীত প্ৰবন্ধ ও ৰচনা কৰিছিল। অসমীয়া জাতিৰ সামগ্ৰিক বিকাশৰ স্বাৰ্থত তেওঁৰ সাহিত্যত জাতীয়তাবাদী ধাৰা প্ৰবাহিত হোৱা দেখা যায়। কাৰণ তেওঁ জানিছিল জাতীয় ভাষা নহ'লে জাতীয় সাহিত্যৰ পুষ্টি নহয়'। কাকতিৰ এনে ভাবনাক বাস্তৱৰূপ দিয়াৰ মানসেৰে তেওঁ অসমীয়া ভাষাক সুপ্ৰতিষ্ঠিত কৰিবলৈ আগবাঢ়ি আহিছিল। জাতীয়তাবাদী চিন্তাৰ নিদৰ্শন তেওঁৰ ৰচনাৰ মাজত সিঁচৰতি হৈ আছে। নিদৰ্শনস্বৰূপে তলৰ উক্তিবোৰ দাঙি ধৰিব পাৰি-

ক) মনৰ পুষ্টি আৰু প্ৰকাশ হয় ভাষাৰ সহায়েৰে। সেইকাৰণে জাতীয় চৈতন্যগৰ্বী লোকসকলে নিজৰ ভাষা আৰু তাৰ বিশুদ্ধতা ৰক্ষা কৰে। (জাতীয় চৈতন্য)[৩]

খ) মনৰ পৰাধীনতা সৰ্বগ্ৰাসী যক্ষ্মাৰোগৰ বীজাণুৰ নিচিনা মাৰাত্মক। মানসিক পৰাধীনতাৰ বৰবিহ মেলি দিব পাৰিলে কোনো জাতিৰেই মনুষ্যত্বৰ অৱশেষ নাথাকে। ( জাতীয় চৈতন্য )[৪]

## ২.০০ সামৰণি ঃ

বেজবৰুৱাৰ বাটেদি গৈয়ে অসমীয়া সমালোচনা সাহিত্যক সমৃদ্ধ কৰি এক নতুন মাত্ৰা দান কৰে বাণীকান্ত কাকতিয়ে। প্ৰকৃততে, পূৰ্ণাঙ্গ অৰ্থত অসমীয়া সমালোচনা সাহিত্য বাণীকান্ত কাকতিৰ হাততে প্ৰতিষ্ঠা হয় বুলি ক'ব পাৰি। কাকতিৰ সন্দৰ্ভত বিভিন্ন সাহিত্যিকে মন্তব্য আগবঢ়াইছে যে তেওঁ এজন প্ৰকৃত সাহিত্য সমালোচক আছিল। তাৰভিতৰত মহেশ্বৰ নেওগ,

সত্যেন্দ্রনাথ শৰ্মা, ত্ৰৈলোক্যনাথ গোচ্চামী অন্যতম। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ জগতত কাকতিৰ ভূমিকা অনন্য আৰু ভিন্নমুখী। কাকতিয়ে ভাষাক ভাবৰ প্ৰকৃত বাহক হিচাপে ব্যৱহাৰ কৰিছিল। উপযুক্ত শব্দ নিৰ্মাণৰ কৌশলতেই থাকে লেখকৰ অভিপ্ৰেত বাৰ্তা প্ৰৰণৰ দক্ষতা। কাকতি আছিল এই ক্ষেত্ৰত বিশেষ সিদ্ধহস্ত। ভাষাৰ প্ৰাঞ্জল আৰু মুক্ত গতিয়ে অভিপ্ৰেত ভাবক অধিক স্পষ্ট আৰু অৰ্থৱহ কৰি তুলিছে। চিন্তাক যথাৰ্থ ৰূপত প্ৰকাশ কৰিবৰৈল তেওঁ স্বকীয় শব্দ, উপমা আৰু চিত্ৰ উদ্ভাৱন কৰি ভাষাৰ লালিত্য সানিবলৈ চেষ্টা কৰিছিল। এনে অপূৰ্ব লালিত্য আৰু ভাষাৰ সৃষ্টিশীলতাই কাকতিক শ্ৰেষ্ঠত্ব প্ৰদান কৰিছে।

## পাদটীকা ঃ

*১ বাণীকান্ত ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ।

*২ ঐ

*৩ বাণীকান্ত কাকতি : জীৱন আৰু কৃতি, অনুৰাধা শৰ্মা।

*৪ বাণীকান্ত কাকতি : জীৱন আৰু কৃতি, অনুৰাধা শৰ্মা।

## ৩.০০ গ্ৰন্থপঞ্জী ঃ

১) কাকতি, বাণীকান্ত ঃ বাণীকান্ত চয়নিকা, সম্পাদনা, মহেশ্বৰ নেওগ, সাহিত্য অকাডেমি, নৱম মুদ্ৰণ, ২০০৬

২) নেওগ, মহেশ্বৰ ঃ বাণীকান্ত ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, চতুৰ্থ প্ৰকাশ, ২০১৮

৩) শৰ্মা, অনুৰাধা ঃ বাণীকান্ত কাকতি : জীৱন আৰু কৃতি, ভৱানী বুক্‌ছ, প্ৰথম প্ৰকাশ, নৱেম্বৰ, ২০০৯

৪) ভট্টাচাৰ্য, ডঃ পৰাগ কুমাৰ ঃ সাহিত্য সংজ্ঞা আৰু আংগিক, জ্যোতি প্ৰকাশন, নৱেম্বৰ, ২০০২

৫) নেওগ, মহেশ্বৰ

শৰ্মা, হেমন্ত কুমাৰ ঃ সাহিত্য সমীক্ষা , অসম সাহিত্য সভা, তৃতীয় প্ৰকাশ, ২০০৩ চন।

# আধ্যাত্মিক জ্ঞান, সমাজত বৈজ্ঞানিক দৃষ্টিভঙ্গী, সংশয়বাদ আৰু নিৰীশ্বৰবাদ

**ড° যুগল খাৰঘৰীয়া**
**মুৰব্বী, গণিত বিভাগ**
**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও**

## সংক্ষিপ্তসাৰ

আধুনিক বৈজ্ঞানিক জ্ঞানৰ পোহৰত আত্মা পৰমাত্মা আধ্যাত্মিক জ্ঞান দৰ্শনত ভুমুকি মৰাৰ আলোচ্য বিষয়ত সমাজ ব্যৱস্থাৰ ধৰণ কৰণত দৃষ্টি ৰাখি বাস্তবতা বিচাৰ কৰা আত্মা আৰু ইয়াৰ স্বৰূপ সৰ্ম্পকে প্ৰাচীন হিন্দু শাস্ত্ৰবিলাকত বিশেষকৈ উপনিষদ বিলাকত পোৱা যায় প্ৰাচীন আৰ্যসকলে আত্মাক এটা ক্ষুদ্ৰ ভৌতিক বস্তু বুলি ভাবিছিল। আত্মা হ'ল চৈতন্য সেয়েহে আধ্যাত্মিকতা হ'ল সচেতনতা। ধৰ্মীয় আধ্যাত্মিক জ্ঞানে সমাজৰ সমস্যা বঢ়ায়। পৃথিৱীতেই মানুহ সৃষ্টিৰ আদিন অৱস্থাৰ পৰা মানৱ সভ্যতাৰ জখলাত উত্তৰণ ঘটাবলৈকে ঐতিহাসিক যুগান্তৰৰ সৃষ্টি মূলতে মানৱ জাতি। মানুহেই সৃষ্টি কৰিলে সমাজৰ উচ্চ-নীচ, দাস-দাসীৰ শ্ৰেণীবিভাজন। বিশ্বসৃষ্টিকৰ্তা ইশ্বৰ পথত খোজ দিও একোজনহঁত মহানলোক ওলাই পৰিৱৰ্তনৰ পথ দেখুৱাই আহিছে। গৌতমবুদ্ধই ইশ্বৰ অস্তিত্বক স্বীকাৰ নকৰি নিৰীশ্বৰবাদী মহাজ্ঞানী ভগৱান বুদ্ধ হ'লগৈ মানৱ ঈশ্বৰ। বিশ্বৰ দেশৰ লগতে ভাৰতীয় দৰ্শন বিশেষকৈ চাৰ্বাক দৰ্শনৰ লগতে বৈজ্ঞানিক মানসিকতা কিছু মানৱৰ মাজত থিতাপি ললে। ধৰ্ম ঈশ্বৰৰ নামত হত্যালীলা লুণ্ঠন শোষণৰ প্ৰয়োভৰ বৃদ্ধি হ'ল। মানৱ জাতিৰ মাজত যুক্তি-ধ্যান-ধাৰণাৰ সংশয়বাদে ডোলা দিলে। বহু বিশ্বৰ দাৰ্শনিকে হেজাৰ বছৰ আগতেই ইশ্বৰ আস্তিত্বক মনা নাছিল। বিজ্ঞানৰ দৃষ্টিভংগীত বাস্তৱতাই গুৰুত্ব পোৱাত সমাজৰ উত্তৰণ পথ সুগম হ'ল।

## অৱতৰণিকাঃ

আধ্যাত্মিক (অধ্যাত্ম+ষ্ণিক) শব্দৰ অৰ্থ আত্মা সম্বন্ধীয়, আত্মাত আশ্ৰয়কৰা, ব্ৰহ্ম বিষয়ক arising from or pertaining to the spirit or soul আৰু ইয়াৰ দ্বাৰা আত্মাৰ লগত সম্পৰ্কিত ঈশ্বৰ পৰলোক মুক্তি আদিৰ জ্ঞানকো বুজোৱা হয়। এই সকলোবোৰ মানসিক বা কাল্পনিক বস্তু। জ্ঞান মানেই যিকোনো বাস্তৱ বস্তুত প্ৰতিষ্ঠিত বিষয় বা ঘটনা প্ৰবাহৰ সম্যক ধাৰণা। এই বস্তু বা ঘটনাবোৰৰ বিশেষকৈ ভৌতিক বা বস্তুগত আৰু মানসিক তথা মনোগত

হিচাবে বিচাৰ কৰিব লাগিব। আমি এজন পৰিচিত সাহিত্যিক মৃত্যুৰ পিছতো চিন্তা কৰিব পাৰোঁ। এনে জ্ঞানেই মানসিক জ্ঞান কিয়নো তেওঁৰ কথা, প্ৰতিচ্ছবিটো আমাৰ মানসপটত আছে। সেয়েহে আধ্যাত্মিক জ্ঞান মানে আত্মাৰ জ্ঞান নহয়, মানসিক জ্ঞানহে। আধ্যাত্মিকবাদী সকলৰ মত হ'ল আত্মাৰ সম্পৰ্ক পৰমাত্মা বা ঈশ্বৰৰ লগত, কৰ্মফল আৰু জন্মান্তবাদৰ লগত। তেওঁলোকে ভাৱে মানুহৰ সকলো সুখ-দুখ, ধনী-দুখীয়া, উচ্চ-নীচৰ কাৰণ কৰ্মফল। এনে ধাৰণাৰ শিপাই শিপাই সোমাই আছে অতীতৰ পৰা ভাৰতীয় জনমানসত। প্ৰকৃততে এইবোৰ তত্ত্ব সমাজৰ সুবিধাভোগী শ্ৰেণীটোৰ কাৰণে বৰ প্ৰয়োজন। কিয়নো পূৰ্ব জন্ম কৰ্মফলৰ দ্বাৰা সুখ-দুখ, নিৰ্যাতন-নিপীড়ন আদি ভূগিব লাগে বুলি বিশ্বাস যিহেতু থাকেই ফলত শাসক-শোষক শ্ৰেণীটোৱে তেওঁলোকৰ শাসন-শোষণ অব্যাহত ৰখাত কোনো বাধা নাপায়। যিকোনো সমস্যাৰ মূল কাৰণ ঈশ্বৰ তথা সৃষ্টি কৰোতাজন। বানপানীৰ পৰা পৰিত্ৰাণ পাবলৈ ঈশ্বৰক প্ৰাৰ্থনা কৰা বাদে অন্য কোনো সমাধানৰ পথ নেদেখে আৰু ইয়াৰ কাৰণ কেৱল ঈশ্বৰ, ঈশ্বৰৰ নিৰ্দেশনাত বানপানী উৎপত্তি, সৃষ্টি, পূৰ্ব জনমত কৰি অহা পাপৰ শাস্তি দিবলৈ যেন এনে কাৰ্য সংঘটিত হৈছে।

## মূল বিষয়বস্তুৰ আলোচনাঃ

আত্মা হ'ল চৈতন্য সেয়েহে আধ্যাত্মিকতা হ'ল সচেতনতা বা মানসিকতা। আধ্যাত্মিক উন্নতি অৰ্থ বুজিব লাগিব মানসিক উন্নতি, ইয়াত ঈশ্বৰ, আত্মা, পৰলোক, পূৰ্বজন্ম, কৰ্মফল আদিৰ উপলব্ধি হ'ব নোৱাৰে। আধ্যাত্মিকতা লগত ধৰ্মৰ সম্পৰ্ক নাই বুলি ধৰ্ম বিশ্বাসীসকলে ক'ব নোখোজে। আধ্যাত্মিকতাক যদি সমাজ সচেতনতা বুলি মানিলেও তেতিয়া সমাজ সচেতন প্ৰত্যেক ব্যক্তিয়ে সামাজিক সমস্যাবোৰৰ কাৰণ বুজি লৈ তাৰ যুক্তিযুক্ততা বিজ্ঞানসন্মতভাৱে সমাধান উলিয়াই সমাজক প্ৰগতিৰ পথ দেখুৱাটোহে মঙ্গল ফলপ্ৰদ হ'ব, তেতিয়াহে প্ৰগতিৰ পথত আগুৱাই নিব পাৰে। কিন্তু ধৰ্মই মানুহৰ কল্পিত সমস্যা কিছুমান দেখুৱাই দি তাৰ কল্পিত সমাধান নিদিয়া নহয়। ধৰ্মীয় আধ্যাত্মিক জ্ঞানে সমাজৰ সমস্যা বঢ়ায়। পৃথিৱীত মানুহ নামৰ শ্ৰেষ্ঠ জীৱ প্ৰাণীতো নথকাহেঁতেন ঈশ্বৰক স্মৰণ কৰিবলৈ নানা ধৰ্ম প্ৰতিষ্ঠানবোৰ বা ঈশ্বৰৰ ধৰ্মবোৰ থাকিব জানো? পৃথিৱীতেই মানুহ সৃষ্টিৰ আদিম মুহূৰ্তটোৰ পৰা মানৱ সভ্যতাৰ অগ্ৰগতিক ঐতিহাসিক যুগস্তৰৰ সৃষ্টি সম্পৰ্কে মানুহেই কৰি আহিছে। পৃথিৱীবাসীৰ সুখ-শান্তি, কামনা-বাসনা, আশা-আকাংক্ষা, বৰ্তমান বৃহৎ উদ্যোগ, বাসঘৰ নিৰ্মাণ দাবীদাৰ মানুহেই যুগ সাপেক্ষে কাল্পনিক দেৱ-দেৱী ঈশ্বৰ, পৰমেশ্বৰ, আত্মা-পৰমাত্মাৰ উদ্‌ঘাটন আৱিষ্কাৰ (discover) উদ্ভাৱন আৱিষ্কাৰ (invent) কৰিব লগা হৈছে। মানুহেই সৃষ্টি কৰিলে সমাজৰ উচ্চ-নীচ, দাস-দাসী শ্ৰেণীবিভাজন।

শ্ৰেণীবিভক্ত সমাজত সমবায় জীৱনৰ অৱলুপ্তি ঘটাত এই নতুন দুৰ্যোগৰ বিৰুদ্ধে যুঁজ দিবলৈ মালিকৰ ওচৰত কৃপা ভিক্ষা কৰাৰ বাহিৰে আন উপায় তেওঁলোকৰ নাথাকিল। এনেদৰে

মালিকৰ ওচৰত কৰা স্তুতি-মিনতিকে স্বৰ্গীয় প্ৰণতিত পৰিণত কৰা হ'ল মালিক শ্ৰেণীৰ দ্বাৰা। এনেদৰেই ধৰ্মৰ উৎপত্তি প্ৰথম পাতনি। এই ধৰ্মৰ দ্বাৰা এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীৰ ওপৰত চলোৱা শোষণ-নিপীড়নক ন্যায়সংগতৰ ব্যৱস্থা কৰিলে। সেয়েহে শোষণ-নিপীড়নে ধৰ্ম সৃষ্টি কৰিলে। শ্ৰমকাৰী শ্ৰেণীটোক বুজাই দিয়া হ'ল যে এই শোষণ-নিপীড়ন মানুহৰ ইচ্ছাকৃত নহয় ঈশ্বৰ বিধান। মানুহে যাতে এই বিধান মানি চলে, তাৰ নীতি-নিয়ম সৃষ্টি কৰি নানান ধৰ্মৰ সূত্ৰ আৱিষ্কাৰ কৰি লৈ যাতে তাৰ দ্বাৰা মানুহৰ উন্নতি আৰু মুক্তি লভিব পাৰে সেয়েই ধৰ্ম। সকলো ধৰ্মই দৃশ্যমান জগতখন সঁচা নহয়, অতীন্দ্ৰিয় কাল্পনিক জগতখনকহে সঁচা বুলি কৈছে। নীৎচেৰ ভাষাত- "The real world was called a world of semblance, a mere appearance, a false world and the fictitions supersensible world of permanence, the false world was enthroned as the true world."। অৰ্থাৎ প্ৰকৃত জগতখনক আকৃতিযুক্ত বা দৃশ্যমান আৰু পাৰমাৰ্থিক জগতৰ প্ৰতিভাস, এখন মিছা জগত বুলি কোৱা হ'ল আৰু কাল্পনীয় অতীন্দ্ৰিয়গ্ৰাহ্য চিৰস্থায়ী জগতখনক, যিখন মিছা জগত তাকেই সঁচা জগত বুলি উচ্চ আসনত প্ৰতিষ্ঠা কৰা হ'ল। বিভিন্ন সম্প্ৰদায়ৰ মাজত নানা ধৰ্মই ঈশ্বৰ বা ভগৱান বা আত্মা বা জগত অস্তিত্বৰ সৃষ্টি কৰাৰ ফলত সমাজত দুই ধৰণৰ চিন্তাধাৰা মানুহৰ প্ৰৱেশ ঘটিল। এভাগে ঈশ্বৰ বিশ্বাসী বা দৈৱ নিৰ্ভৰশীল আনভাগে ঈশ্বৰৰ অস্তিত্বক অস্বীকাৰ কৰে যাক কোৱা হয় নিৰীশ্বৰবাদী। এই শ্ৰেণীয়ে সমাজৰ উত্তৰণৰ কামত মনোনিবেশ কৰে। যাৰ দ্বাৰা প্ৰচলিত সমাজ ব্যৱস্থাৰ দোষ-ক্ৰুটিবোৰ যুক্তিৰে বিশ্লেষণ কৰি সিবোৰৰ পৰিবৰ্তনৰ বাবে যুঁজ দি নিজৰ জীৱন উৎসৰ্গ কৰে। আনহাতে ঈশ্বৰ বিশ্বাসীসকলে প্ৰচলিত সমাজ ব্যৱস্থাৰ নীতি-নিয়মবোৰকে খামুচি ধৰি থাকিব বিচাৰে ঈশ্বৰৰ বিধান বা ঈশ্বৰৰ বাবে কৰণীয় বুলি। এনে নীতি-নিয়ম বিলাক মানৱ জাতিক অগ্ৰগতিত বাধা প্ৰদান কৰি আহিছে।

আজিও গৰিষ্ঠসংখ্যক মানুহে শাস্ত্ৰৰ সকলো কথাই ভাল আৰু সমাজৰ কাৰণে কল্যাণকৰ বুলি ক'ব খোজে। কোনোবাই শাস্ত্ৰত কিবা বিসংগতি পালে তথ্য বিজ্ঞানে শাস্ত্ৰীয় তত্ত্ববোৰৰ ওপৰত আঘাতৰ উপৰি আঘাত হানি আহিলেও এই শ্ৰেণীয়ে নিজৰ মততহে অটল হৈ থাকে। আনকি বেদ, বাইবেল, কোৰাণও বিজ্ঞান আৱিষ্কাৰ কৰি তাত থকা প্ৰতিটো তথা বিজ্ঞানসন্মত বুলি ব্যাখ্যা কৰিব খোজে। পৃথিৱীগ্ৰহত মানুহ সৃষ্টিৰ আদিম মুহূৰ্ত্তটোৰ পৰা মানৱ সভ্যতাৰ অগ্ৰগতিৰ ঐতিহাসিক যুগস্তৰৰ সৃষ্টি সম্পৰ্কে অধ্যয়ন-বিশ্লেষণ মানুহেই কৰি আহিছে। বিশ্ব সৃষ্টিকৰ্তা ঈশ্বৰ পথত খোজ দিও একোজনহঁত মহান লোক ওলাই পৰিবৰ্ত্তন পথ দেখুৱাই আহিছে। গৌতমবুদ্ধই ঈশ্বৰ অস্তিত্বক স্বীকাৰ নকৰি নিৰীশকবাদী মহাজ্ঞানী ভগৱান বুদ্ধ হ'লগৈ মানৱ ঈশ্বৰ। এইটোও সত্য হলগৈ যে বিশ্ব মানৱৰ ঐতিহাসিক সভ্যতাৰ ক্ৰমবিকাশত পৰৱৰ্তী পৰ্যায়ৰ বিজ্ঞান-প্ৰযুক্তিৰ আধুনিক যুগত বিজ্ঞান মনস্কতাৰগৰাকী মানৱতাবাদী জ্ঞানী মানুহকেই নিৰীশ্বৰবাদী ধৰ্মবিৰোধী তথা নাস্তিক বুলিয়ে একচামে ধৰি ললেও তেওঁলোকেই অৱনমিত হৈ গৈ থাকিব।

ধৰ্মৰ সংজ্ঞা বিভিন্ন ধৰণে আগবঢ়ালেও বৰ্ত্তমান বিশ্বত মূলতঃ ১২ টা ধৰ্ম পোৱা গৈছে, সেই কেইটা অধঃক্ৰমত সজালে হ'ব খ্ৰীষ্টান, ইছলাম, হিন্দু, বৌদ্ধ, শিখ, ইহুদী, বাহাই, জৈন, জড়ষ্টিয়ান বা জেৰোষ্টিয়াজিম, কণফিচিয়াছিচ, চিন্তো, টাওইষ্ট (টাৱাজিম) ২০০৭ চনৰ "The world Almanac" ৰ মতে এই ধৰ্ম বিলাকৰ এটাও গ্ৰহণ নকৰা লোকৰ সংখ্যা ৭৬ কোটি ৭১ লাখ। ভগৱান আছে বুলি বিশ্বাস নকৰা (নাস্তিক) লোকৰ সংখ্যা হৈছে ১৫কোটি। ধৰ্মৰ নামত চলা ভণ্ডামী, ব্যাভিচাৰ, ব্যৱসায়, দুৰ্নীতি, মূল্যহীন কঠোৰ নীতি, গোড়ামী, মিছা তথ্য আদিৰ বাবে ধৰ্ম তথা ঈশ্বৰ বিশ্বাস নকৰা লোকৰ সংখ্যা বছৰি প্ৰায় কেইবা শতাংশকৈ বাঢ়িছে বুলি অনুমান কৰিব পাৰি। প্ৰত্যেক ধৰ্মতে একো একোজন স্ব-সৃষ্ট ভগৱান বা আৰাধ্য দেৱতা আছে বুলি সকলো ধৰ্মৰে লোকেই বিশ্বাস কৰে। এই দেৱতা বা ভগৱানজনৰ পৰা আশীৰ্বাদ পাবলৈ আৰু তেওঁৰ সান্নিধ্য লাভ কৰিবলৈ নানা ধৰণেৰে পূজা-অৰ্চনা কৰে আৰু মনোবাঞ্ছা পূৰণ কৰিবলৈ দান -দক্ষিণাৰে ওপচাই পেলায়। নিজ ধৰ্মৰ এই ভগৱানজনকেই বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ গৰাকী বুলি সকলোৰে ভাবে। নিজ ধৰ্মৰ ভগৱান জন সৰ্বশক্তিমান, সৰ্বশ্ৰেষ্ঠ বুলি গণ্য কৰে তাৰ বিপৰীতে আন ধৰ্মৰ উপাস্য দেৱতাজনক কোনেও আগ স্থান দিব নোখোজে বা নোৱাৰে।

মানৱ জাতিয়ে যেতিয়া বুজি উঠিব যে ধৰ্ম বা ঈশ্বৰ আচলতে চিৰন্তনো নহয়, বাস্তবো নহয়, এক শ্ৰেণীৰ স্বাৰ্থপৰ মানুহৰ দ্বাৰা কৃত্ৰিমভাৱে সৃষ্টি, আকৌ ধৰ্মীয় অনুশাসনবোৰৰ কোনো প্ৰাসংগিকতা নাই, তেতিয়া জানিব পাৰিব যে দৈনন্দিন জীৱনৰ সমস্যাবোৰৰ কাৰণ কোনো ঈশ্বৰ বা কৰ্মফল হ'ব নোৱাৰে। ইয়াৰ মূল কাৰণেই হ'ল সমাজ ব্যৱস্থা। তেতিয়াই ধৰ্মৰ নামত ভাতৃঘাতী সংঘৰ্ষত লিপ্ত হৈ আত্মহত্যাৰ পথ ত্যাগ কৰিব আৰু মানৱ জাতিয়ে বৈজ্ঞানিক চেতনাৰ দ্বাৰা উদ্ধুদ্ধ হৈ ধৰ্ম আৰু ঈশ্বৰৰ দুৰ্ভেদ্য খোলাৰ পৰা বাহিৰলৈ ওলাই নিজৰ সমস্যা নিজেই সমাধান কৰিব পাৰিম বুলি দৃঢ়তাৰে ক'ব পাৰিব। আমাৰ দেশতো ধৰ্মৰ নামতেই মহান ভাৰতবৰ্ষ দ্বিখণ্ডিত-ত্ৰিখণ্ডিত হৈ গৈছে। ধৰ্মৰ নামতেই এতিয়াও বিশ্বত বিভিন্ন ৰাষ্ট্ৰ সৃষ্টিৰ নামত হত্যালীলা অব্যাহত আছে। সেয়েহে ধৰ্ম-ঈশ্বৰৰ নামত হত্যালীলা, লুণ্ঠন, শোষণ অব্যাহত আছে। ধৰ্মৰ নামত বিশ্বত সৰ্বসাধাৰণ মানুহৰ মাজত জাত-পাত, বৰ্ণ-সম্প্ৰদায়ৰ বিভেদ সৃষ্টি কৰাটো এটা সাধাৰণ কথা হৈ পৰিছে। ইয়াত আকৌ সঁহাৰি জনাইছে ৰাজনীতি, ধৰ্মগুৰু; ধৰ্ম ব্যৱসায়ী কিছুলোকে কূট-কৌশলী বুদ্ধিজীৱী সেইয়া কি উচ্চ শিক্ষাৰ মুধচফুটা ডিগ্ৰীধাৰী শিক্ষক, ৰাজনৈতিকজ্ঞ, অধ্যাপক, শিক্ষিত ব্যক্তিয়ে হওক তেওঁলোকৰ নানান যুক্তিয়ে হোৱাই নোহোৱাই সপক্ষে বিপক্ষে বাক্-চাতুৰ্যই নিৰীহ নিঃস্থ জনসাধাৰণ বিভ্ৰান্ত বিমূঢ় হৈ অজ্ঞান আন্ধাৰত নিমজ্জিত কৰি ৰাখিছে। যুগে যুগে ন্যস্ত স্বাৰ্থ অব্যাহত ৰখাৰ কূট-কৌশলত ধৰ্মৰ কানি বিহ সেৱণ কৰাই দৰিদ্ৰ জনগণক আত্মজ্ঞানহীন মতলীয়া কৰি ৰখা হৈছে। সহজ সৰল বিশ্বাসী মানুহৰ মনত বিৰাজমান ইশ্বৰৰ ধাৰণা কি প্ৰকাৰৰ সেইবিষয়ে আইনষ্টাইনে কোৱা কথাখিনিৰ মনস্তাত্বিক মৰ্ম প্ৰণিধানযোগ্য " God is being from whose care one hopes to benefit

and whose punishment one fears: a sublimation of a feeling similar to that of a child for his father." তীক্ষ্ৰী আইষ্টাইনৰ এই বক্তব্যৰ পৰা অনায়াসে অনুমান কৰিব পাৰি যে বিশেষ কেতবোৰ মনস্বাত্বিক চাহিদা পূৰণৰ অৰ্থে শংকাতুৰ মানুহে স্বতঃস্ফূৰ্তভাৱে ইশ্বৰৰ বহুমাত্ৰিক ভাৱমূৰ্তি গঢ় দি লৈছিল। আকৌ একেশ্বৰবাদ ইশ্বৰ বিশ্বাসৰ এনে এটা ৰূপ যি মানুহৰ মানসিকতা ধৰ্মীয় অহংবোধৰ ৰহন সানে। কোৱা হৈছে, একেশ্বৰবাদৰ একছত্ৰী ইশ্বৰগৰাকী পাৰ্থিৱ শাসনকৰ্তাৰেই প্ৰতিভূ। নিৰ্ভেজাল একেশ্বৰবাদ দুৰ্লভ যদিও বহুতে ভাৱে যে ধৰ্মীয় অগ্ৰগতিৰ পথত একেশ্বৰবাদ এক উন্নত পৰ্য্যায়, উত্তৰণৰ এক কাম্য পদক্ষেপ। এওলোকৰ নিজস্ব যুক্তি নিশ্চয় আছে, কিন্তু এই কথাও অনস্বীকাৰ্য যে বহু ক্ষেত্ৰত ধৰ্মীয় মনস্তত্বক একেশ্বৱাদে এনে এক উৎকট- উগ্ৰ ৰূপ দিয়ে যাক ৰিচাৰ্ড ডকিন্সে " monotheistic chauvinism" বুলিছে। কেৱল সেয়ে নহয় সমাজত সুস্পষ্ট বিভাজন সৃষ্টি কৰাৰ প্ৰৱণতাত একেশ্বৰবাদত বিদ্যমান যাৰ অৱধাৰিত অপপৰিমানৰ হিংসামূলক সংঘাত। কোৱা বাহুল্য, বহুদেৱবাদী সমাজৰ সংগঠিত আৰু সচেতন সম্প্ৰদায়ৰ মন মেজাজতো উগ্ৰতা, অহংবোধ বা আছুতীয়া মনোভাৱ দেখা যায়। শাসনত অধিষ্ঠিত ক্ষমতালিপ্সু মানুহ চামে নিজৰ নিৰাপত্তাৰ স্বাৰ্থত যি যুক্তি ৰহিত জন-মনস্বত্ব কামনা কৰে তাৰ অন্যতম নিৰ্মাতা ইশ্বৰ-বিশ্বাস। ইশ্বৰৰ ওচৰত নিয়ত নতজানু হৈ প্ৰাৰ্থনা কৰা আৰু সকলো দুখ দুৰ্গতি-দুৰ্দশা ইশ্বৰৰ ইচ্ছা বুলি নীৰৱে মানি লোৱা মানুহৰ মনত ৰাজনৈতিক বশ্যতাৰ বীজ ৰোপন কৰাটো যে তেনেই সহজ সেই কথা সমাজৰ চতুৰ নিয়ন্তাসকলে ভালদৰে জানে। মূলতঃ ৰাজনৈতিকভাৱে লাভজনক এই মনস্তাত্বিক ভূমিকাৰ কাৰণে ইশ্বৰ বিশ্বাসৰ পৃষ্ঠপোষকৰ অভাৱ নাই। ধৰ্মীয় ৰাজনৈতিক চৰম কাৰ্যপন্থাই হ'ল ধৰ্মীয় সন্ত্ৰাসবাদ। ইছলামিক ৰাষ্ট্ৰত ইছলামিক সন্ত্ৰাসবাদ পৰিলক্ষিত হয়। বকোহাৰাম, তালিবান অলকায়দা আদিবোৰে জিহাদৰ অনুশীলন কৰে। পৰিসংখ্যামতে ৪৩ খন দেশে ৰাষ্ট্ৰীয় ধৰ্ম ঘোষনা কৰিছে, তাৰে ২৭ খনেই ইছলামিক দেশ, ১৩ খন বুদ্ধধৰ্ম। একাংশ চিন্তাবিদৰমতে বিশ্বাস আৰু ৰাষ্ট্ৰক একাকাৰ কৰিব নালাগে, কিয়নো ইশ্বৰ বিশ্বাসৰ নামত ইৰান আৰু ছৌদী আৰৱৰ দৰে পাশৱিক অত্যাচাৰ আৰু বাঞ্চনাৰ পোহৰ মেলে। ফান্সৰ সংবিধানে ৰাষ্ট্ৰৰ কাৰ্যত ধৰ্মৰ প্ৰৱেশ কৰণ কৰিছে। দেশখনে ৰাষ্ট্ৰৰ নীতি ধৰ্মৰ দ্বাৰা প্ৰভাৱান্বিত নোহোৱাৰ পোষকতা কৰে।

মানৱতাবাদ আৰু বিশ্ব ভ্ৰাতৃতত্বৰ আদৰ্শ আগত ৰাখি বিশ্বৰ মানুহ আগুৱাই যাব জাতি-বৰ্ণ-ধৰ্ম নিবিশেষে। মানুহ হ'ব কেৱল মানৱজাতি। প্ৰকৃতিৰ সম্পদ আৰু বৈজ্ঞানিক জ্ঞান সমগ্ৰ মানৱজাতিৰ উন্নতিৰ বাবে প্ৰযুক্তি হ'ব সমভাৱে। কিন্তু বহু হেজাৰ বছৰ সঞ্চিত অন্ধবিশ্বাসৰ আন্ধাৰৰ পৰা পোহৰলৈ অনাটো হ'ব  কঠিন চেষ্টা। তাৰ বাবে ঔষধ হ'ব বিজ্ঞান মানসিকতা অৰ্থাৎ বৈজ্ঞানিক চিন্তাই মানৱজাতিৰ প্ৰকৃত ধৰ্ম, যিয়ে মানুহক সমাজক ধাৰণ কৰি অগ্ৰসৰ হ'ব। বৈজ্ঞানিক চিন্তা আৰু যুক্তিবাদ প্ৰতিষ্ঠা কৰা কাৰ্য সমাজ পৰিৱৰ্তনৰ কাৰণে কৰা প্ৰচেষ্টাৰ লগত সংপিক্ত কৰিব লাগিব। সমাজৰ আমূল পৰিৱৰ্তন নহ'লে, মানুহৰ জীৱনৰ অনিশ্চয়তাবোৰ সমাধান

নহলে ধৰ্ম-ঈশ্বৰ-অদৃষ্ট-নিৰ্ভৰতা নিঃশেষ বা দূৰ কৰিব পৰা নাযাব। ঐশ্বৰিক শক্তিত বিশ্বাস আৰু নিৰ্ভৰতাই মানুহক উদ্যোগহীন আৰু অকৰ্মণ্য কৰি তোলে বিজ্ঞানৰ দৃষ্টিত ই সত্য।

ভাৰতৰ বেদবাদী দৰ্শনে কৰ্মবাদ থিয় কৰাইছে অদৃষ্ট বা দৈববাদৰ ভিত্তিত এই অদৃষ্টবাদ বা দৈববাদক সফলভাৱে বিৰোধিতা কৰিব পাৰে একাত্ৰ স্বভাৱবাদে। কোনো নৈসৰ্গিক বা মানৱীয় ঘটনা যে পুনৰুক্তিমূলক নহয় স্বভাৱবাদে এই কথাকে প্ৰতিপন্ন কৰে। কৰ্মফলৰ কু-পৰিণতি হ্ৰাস বা নাইকীয়া কৰিবৰ বাবেই মানুহে প্ৰায়শ্চিত, পূজা-পাতল, প্ৰাৰ্থনা,যজতকৰ্ম আদি অনুষ্ঠিত কৰে। কৰ্মফলবাদক নশ্চাৎ কৰিব পাৰিলে এইবোৰৰো আৱশ্যকতা নাথাকিব। সেয়ে চাৰ্বাক দৰ্শনে স্বভাৱবাদৰ অস্ত্ৰৰে কৰ্মবাদক নাশিবলৈ গৈছে। স্বভাৱবাদৰ ভিত্তিতে চাৰ্বাক সকলে মানুহ মৰিলে শ্ৰদ্ধাদি সম্পাদন কৰাৰ অৰ্থ নাই বুলি কৈছে। মৃতব্যক্তিৰ স্বৰ্গলৈ পঠাবৰ বাৰে কৰা শ্ৰদ্ধাদি কৰ্মৰো কোনো অৰ্থ নাই, কাৰণ স্বৰ্গ নায়েই। বিজ্ঞানৰ দৃষ্টিত প্ৰাৰম্ভিক অৱস্থা হৈছে দৰ্শন। দৰ্শন মূলতঃ আত্মবিদ্যা। মানৱ জীৱনৰ সমন্ধে প্ৰচলিত ধাৰণাৰ ওপৰত সন্দেহ উপস্থিত হলেই মানৱৰ চিন্তাত এই আত্মজ্ঞান আহি পৰে। এই আত্মজ্ঞানেই হৈছে শ্ৰেষ্ঠ জ্ঞান, ছক্ৰেটিছৰ মতে wisdom, উপনিষদৰ মতে পৰবিদ্যা প্ৰাচীন গ্ৰীচ আৰু প্ৰাচীন ভাৰত, এই দুই দেশতেই প্ৰথম দাৰ্শনিক চিন্তাৰ উদ্ভৱ হৈছিল।

এচাম ধৰ্মান্ধ নেতাই সমাজত ধৰ্মীয় সংঘাতৰ সৃষ্টি কৰি নিজৰ কু-কাৰ্য চলাই আহিছে। ধৰ্মীয় সংঘৰ্ষতেই পৃথিৱীত লাখ লাখ লোকৰ মৃত্যু হৈছে আৰু আগলৈও হৈ থাকিব। মানুহৰ মাজৰ পৰা এতিয়া মানবীয়তা, সহিষ্ণুতা, উদাৰতা, পৰোপকাৰিতা আৰু সততা আদিৰ দৰে মহৎ গুণবোৰ ক্ৰমাগতভাৱে লোপ পাবলৈ আৰম্ভ কৰিছে। মানুহ নামৰ এই জীৱবিধে নিজকে যিমান সত্য শিক্ষিত বুলি দাবী কৰিছে সিমানেই আদিম মানৱৰ শাৰী লৈহে গতি কৰিছে। আমাৰ দেশৰ বহু চিন্তাবিদে ঈশ্বৰ অস্তিত্ব বিশ্বাস কৰিব  নোখোজে। বিশ্বৰ বহু দাৰ্শনিকে হেজাৰ বছৰ আগতেই ঈশ্বৰ অস্তিত্ব মানি লব বিচৰা নাই। গ্ৰীক দাৰ্শনিক সকলৰ প্ৰথম বাটকটীয়া থেলিছে (Thales,খৃঃপূঃ ৬০০)তেওঁৰ গভীৰ প্ৰজ্ঞাৰে কৈছিল যে প্ৰথম অৱস্থাত সকলো জলভূমিয়েই আছিল আৰু তাৰ পৰাই পৃথিৱী, বায়ু আৰু জীৱৰ উৎপত্তি। থেলিচ নাস্তিক নাছিল যদিও এনেভাবধাৰা প্ৰকাশ কৰি তেওঁ অলৌকিক জগতৰ পৰিৱৰ্তে, জড়বাদী জগতখনকহে স্বীকৃতি দিয়ে। অন্য এজন  গ্ৰীক দাৰ্শনিক এনাক্সোগেৰাছৰ (Anaxagoras,খৃঃপূঃ ৫০০-৪২৮) ৰ মতামতকো আমি পাওঁ  প্ৰচলিত ধৰ্ম বিশ্বাসৰ বিপৰীতে যোৱা ধাৰা। তেওঁ লিখিছিল সূৰ্য কোনো ঐশ্বৰিক বস্তু নহয়, সি মাত্ৰ এক অগ্নিময় শিলাখণ্ডহে "The sun, far from being divine, is a finery stone". এনে মতামতৰ  বাবে তেওঁ সমাজৰ ৰোষত পৰে আৰু এথেন্স এৰিবলৈ বাধ্য হয়। বিশ্ব প্ৰকৃতি সম্পৰ্কে ছাম'ছৰ হিপ্পো (Hippo of samos) মতে আৰ্দ্ৰতা (Moisture) ৰ পৰা  বাস্তৱ জগতৰ (reality) ৰ সূচনা। উল্লেখযোগ্য যে তেওঁৰ বিচাৰত আত্মাৰ অস্তিত্ব মস্তিস্কৰ সৈতে জড়িত- "The soul it entirely corporal and that it is nothing more than the brain (Tim whiternarsh, P.63)"।

এই ধৰণৰ বিপৰীত বা ৰেডিকেল মতৰ বাবেই নিশ্চয় তেওঁ- নিৰীশ্বৰবাদী (antheist) হিচাপে জনাজাত আছিল। গ্ৰীকসকলৰ ডাঙৰ অৱদান হ'ল— Athess শব্দটো। ইয়াৰ পৰাই atheism/atheist শব্দৰ জন্ম। Atheor ৰ মূল অৰ্থ অৱশ্যে ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰা নহয়। ইয়াৰ অৰ্থ হ'ল ঈশ্বৰহীন (without god)। গতিকে ঈশ্বৰৰ অস্তিত্বক নমনা গ্ৰীক দেশৰ বহু দেশৰ বৈজ্ঞানিক, চিন্তাশীল ব্যক্তি ওলাল নাস্তিকৰ জখলাত বগাবলৈ।

## সামৰণিঃ

হেজাৰ হেজাৰ ধৰ্মীয় কাঠামূৰত সোমাই থাকি অসচেতন মানুহক মানৱতাবাদী নাস্তিকে নিশ্চয় তৎকাল জোৰ-জবৰদস্তৰ দ্বাৰা সচেতন কৰি তুলিব নোৱাৰে। প্ৰত্যেক ব্যক্তিৰ বিচাৰ বিশ্লেষণ বাস্তৱত পালন কৰা আচাৰ-আচৰণ প্ৰয়োগ পদ্ধতিৰ উদ্ভাৱনৰ জৰিয়তেহে এনে দুৰূহ কাৰ্য ক্ৰমান্বয়ে সমাধান কৰাৰ দীৰ্ঘম্যাদী আনুষ্ঠানিক প্ৰচাৰ প্ৰসাৰ চেষ্টা চলাব লাগিব। নাস্তিকসকল যে প্ৰকৃত সমাজৰ ভাল মানুহ সেয়া বিশ্বস্তভাৱে প্ৰমাণ কৰিব লাগিব। প্ৰত্যেকজন নাস্তিক ব্যক্তিয়ে সমাজৰ গৰিষ্ঠ সংখ্যক লোকৰ পৰা লেই লেই ছেই ছেই অৱস্থা হৈ আহিছে। আধুনিক বিজ্ঞানৰ অন্যতমজনক গেলিলিওৱে কোৱা পৃথিৱীহে সূৰ্য্যৰ চাৰিওফালে ঘূৰে কথাষাৰ আজি আস্তিক-নাস্তিক সকলো বিশ্ববাসীয়ে মানি লব লগা হ'ল। ব্যক্তিগত স্বাৰ্থ লাভৰ বাবে লাখ লাখ সংখ্যক নৰহত্যাকাৰী ঐতিহাসিক ব্যক্তিসকল কিন্তু নাস্তিক ব্যক্তি নাছিল। কোটি কোটি গৰিষ্ঠসংখ্যক নিপীড়িত-নিষ্পেষিত মানুহক ধৰ্ম ঈশ্বৰৰ নামত মতলীয়া কৰি ৰাখি দেশৰ সম্পদ লুণ্ঠন কৰা সকল নাস্তিক শাৰীত থাকিব নোৱাৰে।

## উৎস নিৰ্দেশ আৰু প্ৰাসংগিক টোকাঃ

১. Ibid p.23, বৃহৎ ধৰ্মবোৰত যি স্বৰ্গ নৰকৰ কল্পনা পোৱা যায় তাৰ বাস্তৱ উৎসৰ ওপৰত আলোকপাত কৰি কোৱা হৈছে- স্বৰ্গ " বিত্তৱান শ্ৰেনীৰ জীৱন যাত্ৰাৰ প্ৰতিৰূপ"

২. "নৰক নিৰ্ধন"- অপৰাধীসকলৰ প্ৰতি প্ৰভাৱশালী ব্যক্তিসকলৰ দস্তাদেশৰ প্ৰতিৰূপ"(সুকুমাৰ ভট্টাচাৰ্য, নিয়তিবাদঃউদ্ভৱ আৰু বিকাশ, কলকতা, ১৯৯৮ পৃ.১৫১

৩. M. Rosenthu/p yudin cd. A dictionary of philosophy, Moscow, 1967, p.354

৪. R. dawkins, Op. Cit, p.53

৫. T. whitmarsh, Op. Cit, p.239 একেশ্বৰবাদক সমালোচনা কৰাৰ অজুহাতত খ্ৰীষ্টান ধৰ্ম আৰু ইছলামক ধৰ্ম হিচাপে স্বীকৃতি নিদিয়াৰ দৃষ্টান্তত আছে। S.R. Goel, Defence of Hindu Society, New Delhi, 2018 p.105